অসমীয়া বিজ্ঞান সাহিত্য

STATE ... LIBRARY
ASSAM

... সমিতি

সম্পাদক : দীনেশ বৈশ্য

ASSAMIYA BIJNAN SAHITYA (litt. Assamese Science Literature) Proceedings of a seminar on the history, problems and prospects of Assamese science literature organised by Assam Science Society, Panbazar, Gauhati-781001 Assam in 4th & 5th October 1980 at Gauhati, published by Dr. K. Pathak. General Secretary, Assam Science Society in Nov 1982 edited by Shri Dinesh Baishya .

Price : Hard bound Rs. 30/- , Dollars 15.
Paper Back Rs. 15/- , Dollars 8.

প্ৰকাশক : ড° কুলেন্দু পাঠক
প্ৰধান সম্পাদক, অসম বিজ্ঞান সমিতি
পানবজাৰ, গুৱাহাটী-৭৮১০০১, অসম ।

সম্পাদক : শ্ৰীদীনেশ বৈশ্য
মুদ্ৰক : শ্ৰীপবিত্ৰ কুমাৰ কলিতা
কলিতা প্ৰিণ্টাৰ্ছ, জয়ানগৰ, গুৱাহাটী-২২

মূল্য : পকাবন্ধা : ৩০ টকা
কেচাবন্ধা : ১৫ টকা

The Society gratefully acknowledges the financial assistance received for publication of this proceedings from the Department of Science and Technology, Government of India, New Delhi.

উছৰ্গা

বিজ্ঞানক জীৱনমুখি কৰি
সৰ্ব্বসাধাৰণ মানুহৰ মাজত বিলাই দিয়াই
যি সকলৰ জীৱনৰ ব্ৰত
সেই সকলৰ উদ্দেশ্যে

অসম বিজ্ঞান সমিতিৰ প্ৰকাশন উপসমিতি ১৯৮২-৮৩

সদস্য সকল :

ড° কুলেন্দু পাঠক,
কটন কলেজ, গুৱাহাটী
ড° সোণেশ্বৰ শৰ্মা,
গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক ৰবীন্দ্ৰ নাথ চৌধুৰী,
অসম ইঞ্জিনিয়াৰিং কলেজ, জালুকবাৰী
অধ্যাপক দীনেশ বৈশ্য,
বি. বৰুৱা কলেজ, গুৱাহাটী
অধ্যাপক বসন্ত ডেকা (আহ্বায়ক),
সন্দিকৈ ছোৱালী কলেজ, গুৱাহাটী
ড° চন্দ্ৰ ৰাজ কোঁৱৰ,
অসম কৃষি বিশ্ববিদ্যালয়, খানাপাৰা

●●●

অসম বিজ্ঞান সমিতিয়ে সমগ্ৰ অসমতে

(ক) তাত্বিক আৰু ফলিত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সৰ্ব্বাত্মক উন্নতিৰ হকে

(খ) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিভিন্ন দিশত শিক্ষা আৰু গৱেষণাৰ উন্নতিৰ হকে.

(গ) জনসাধাৰণৰ মাজত বিজ্ঞান সচেতনতা আৰু বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ উদ্দেশ্যে,

সভা সমিতি, আলোচনা চক্ৰ, বিজ্ঞান প্ৰদৰ্শনীৰ আয়োজন, নানা ধৰণৰ পুথি প্ৰকাশন আৰু বিজ্ঞান সংগ্ৰহালয় স্থাপন কৰা আদি একাধিক উদ্দেশ্য আগত ৰাখি বিভিন্ন পৰ্য্যায়ত কাৰ্য্যনিৰ্ব্বাহ কৰি আছে ।

অসম বিজ্ঞান সমিতিৰ এই মহৎ কাৰ্য্যাৱলীৰ অংশীদাৰ হওক ।

প্ৰস্তাৱনা

বৰ্তমান কালত এখন দেশ বা এটা জাতিৰ উন্নতিৰ প্ৰধান বাৰক হিচাপে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গুৰুত্ব প্ৰথম স্থানত। শিক্ষিত উচ্চবিত্ত, উচ্চমধ্যবিত্ত শ্ৰেণীৰ মানুহৰ পাৰিপাৰ্শ্বিকতা বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অৱদানেৰে ভৰি আছে। এনে অৱস্থাত বিজ্ঞান ক্ৰমান্বয়ে আমাৰ দৈনন্দিন, সামাজিক আৰু বৌদ্ধিক জীৱনৰ অংশ হৈ উঠাটো নিতান্তই আৱশ্যকীয়। সেইবাবেই সাম্প্ৰতিক কালৰ প্ৰবন্ধ, কাহিনী, আলোচনা আদিও বিজ্ঞান জড়িত হোৱা বা বিজ্ঞানৰ বিষয়ে বিশেষ স্থান পোৱা উচিত বুলি ভবাটো স্বাভাৱিক যদিও অসমীয়া সাহিত্যত তেনে হৈ উঠা নাই।

অসমীয়া ভাষাৰ উন্মেষণৰ দিনৰে পৰা অসমীয়া বিজ্ঞান সাহিত্যৰ চৰ্চা হৈছে বুলি কলে বাহুল্য নহব নিশ্চয়। সেই হিচাপে বৰ্তমানে অসমীয়া ভাষাত বিজ্ঞান চৰ্চাৰ যিমান অগ্ৰগতি হোৱা উচিত আছিল সিমান খিনি হোৱা নাই বুলি বহুতে আক্ষেপ কৰে। ভাৰতৰ অন্যান্য আঞ্চলিক ভাষাৰ বিজ্ঞান সাহিত্যৰ তুলনাত অসমীয়া বিজ্ঞান সাহিত্য তেনেই পিছপৰি থকাটো এটা নিৰ্মম সত্য। ইয়াৰ কাৰণ বহুতো। আঙুলিৰ মূৰত লিখিব পৰা অসমীয়া বিজ্ঞান সাহিত্যৰ পুথি আৰু লিখকৰ সংখ্যা। সাহিত্য আলোচনাৰ পুথি আৰু আলোচনীত বিজ্ঞান সাহিত্য সমাদৃত নহয়। বিশ্ব সাহিত্যৰ দৰবাৰত বিজ্ঞান সাহিত্যই তুৰ্দ্ধাৰ প্ৰাধান্য বিস্তাৰ কৰাটো সৰ্ব্বজন বিদিত যদিও অসমীয়া ভাষাত বিজ্ঞান সাহিত্যক সাহিত্য বুলি স্বীকৃতি দিবলৈও বহুতে কুণ্ঠাবোধ কৰে। অসমীয়া সাহিত্যৰ প্ৰকাশকে বিজ্ঞান সাহিত্যৰ পুথি ছপাবলৈ উদ্যোগী নহয়। বিজ্ঞান সাহিত্যৰ লিখকক সাহিত্য সেৱী বুলি কোৱা নহয়।

বিজ্ঞানক সমাজ আৰু জীৱনৰ মাজ মজিয়ালৈ লৈ যাবলৈ গণসংযোগৰ মাধ্যমৰ আৱশ্যক। সমাজক বিজ্ঞানৰ আৱশ্যক তথ্য ভিত্তিক আৰু বিজ্ঞান সন্মত জনমত গঠনৰ বাবে। অৱশ্যে এই কথাও ঠিক যে এক মানৱীয় মূল্যবোধ অবিহনে বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ আৱিষ্কাৰবোৰৰ প্ৰয়োগ শোষণ আৰু মানৱ লাঞ্চনাৰ কাৰণ

হোৱাৰ সম্ভাৱনাও নোহোৱা নহয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আৱিষ্কাৰত নিমজ্জিতপ্ৰায় সমাজ এখনৰ সাহিত্যত এনেবোৰ কথা খৰচি মাৰি আলোচনা কৰাৰ বাবেই বিজ্ঞান সাহিত্যৰ বহুল চৰ্চাৰ আৱশ্যক।

এনে অনুভূতিৰ তাড়নাই 'অসমীয়া বিজ্ঞান সাহিত্য' শীৰ্ষক আলোচনা চক্ৰ এখনৰ কথা ভাৱিবলৈ অৱকাশ দিয়ে। কেনে ধৰণে কি কি বিষয়বস্তুৰ ওপৰত আলোচনা কৰিলে প্ৰাৰম্ভিক ভাৱে প্ৰায়বোৰ দিশ সামৰা হব সেইবোৰ ঠিক কৰা হ'ল। আলোচনা চক্ৰখন অনুষ্ঠিত হোৱাৰ কথা আছিল ১৯৭৯ চনতেই কিন্তু নানা অসুবিধাৰ বাবে, ১৯৮০ চনৰ অক্টোবৰ মাহৰ ৪ আৰু ৫ তাৰিখে ডুদিনীয়াকৈ এই আলোচনা চক্ৰ অনুষ্ঠিত হয়। বহু সংখ্যক লোকৰ সক্ৰিয় সহযোগিতাৰে এই আলোচনা সম্পূৰ্ণ সফল ভাৱে অনুষ্ঠিত হয়। প্ৰতিটো বিষয়ৰ আলোচনাত বহু সময় ধৰি বিতৰ্ক সৃষ্টি হোৱা আৰু আলোচনা চক্ৰত উপস্থিত থকা প্ৰায়খিনি লোকেই বিতৰ্কত ভাগ লোৱাৰ চাইহে আলোচনা চক্ৰখন সফল হোৱা বুলি ধৰিছোঁ। অৱশ্যে এটা কথা ধ্ৰুৱপ যে এই আলোচনা চক্ৰত আলোচনাৰ বাবে যিবোৰ বিষয় সন্নিবিষ্ট কৰা হৈছে তাতেই অসমীয়া বিজ্ঞান সাহিত্য সম্পৰ্কে সকলো কথা আলোচিত হোৱা বুলি ধৰি ললে ভুল কৰা হব। এয়া প্ৰাৰম্ভণাহে ইযাৰ পিচত এই দিশত আৰু বহুত আলোচনা নিশ্চয় হব।

এই খিনিতে এটা কথা উল্লেখ কৰি থোৱা ভাল হব যে অসমীয়া বিজ্ঞান সাহিত্যৰ লগত জড়িত কেইবাটিও চৰকাৰী, অৰ্দ্ধচৰকাৰী অনুষ্ঠানৰ পৰা সহযোগ বিচাৰিছিলোঁ যদিও অসম মাধ্যমিক শিক্ষা পৰিষদৰ বাহিৰে আনবোৰ অনুষ্ঠানৰ পৰা কোনো সহযোগ আনুষ্ঠানিক ভাৱে পোৱা নগ'ল। অসম বিজ্ঞান সমিতিয়ে এই সুযোগতে মাধ্যমিক শিক্ষা পৰিষদলৈ কৃতজ্ঞতা স্বীকাৰ কৰিছে। আশা ৰাখিছোঁ আনবোৰ অনুষ্ঠানেও ভৱিষ্যতলৈ অসমীয়া বিজ্ঞান সাহিত্যৰ উন্নতিকল্পে সযত্নপৰ হব।

(ড°) কুলেন্দু পাঠক
দীনেশ বৈশ্য

প্ৰকাশকৰ কথা

"অসমীয়া বিজ্ঞান সাহিত্য" শীৰ্ষক আলোচনা চক্ৰ খনত আলোচিত প্ৰবন্ধ সমূহ পুথিৰ আকাৰত প্ৰকাশ কৰাৰ উদ্দেশ্যে বহুদিন আগৰে পৰা যো-জা কৰা হৈছিল যদিও অৰ্থৰ অভাৱৰ বাবে ছপাৰ কাম হাতত লব পৰা হোৱা নাছিল। ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ পৰা অনুদান এটি পোৱাৰ বাবেহে পাণ্ডুলিপি ছপাশালত দিব পৰা হ'ল। ইয়াৰ বাবে অসম বিজ্ঞান সমিতি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ ওচৰত কৃতজ্ঞ। "অসমীয়া বিজ্ঞান সাহিত্য" শীৰ্ষক আলোচনা চক্ৰ খনৰ প্ৰস্তুতি পৰ্য্যায়ৰ পৰা আহ্বায়কৰ দায়িত্বত থাকি প্ৰবন্ধ সংকলন খন সম্পাদনা কৰি পুথিৰ আকাৰে পাঠকৰ হাতত তুলি দিয়া বাবে শ্ৰীদীনেশ বৈশ্য ধন্যবাদৰ পাত্ৰ

পানবজাৰৰ কলিতা প্ৰিণ্টাৰ্চ'ৰ গৰাকী শ্ৰীপবিত্ৰ কলিতা আৰু প্ৰেছৰ কৰ্মীবৃন্দক ধন্যবাদ যাচিছোঁ। পুথি খনৰ ছপাৰ দায়িত্ব বহন কৰাৰ বাবে।

(ড°) কুলেন্দু পাঠক
প্ৰধান সম্পাদক
অসম বিজ্ঞান সমিতি
পানবজাৰ গুৱাহাটী-৭৮১০০১

সম্পাদকৰ ব্যক্তিগত

"অসমীয়া বিজ্ঞান সাহিত্য" শীৰ্ষক প্ৰবন্ধ সংকলন এটি অসমীয়া ভাষাত প্ৰকাশ হোৱাটো অসমীয়া সাহিত্যৰ গৌৰৱৰ কথা। অন্যান্য ভাৰতীয় ভাষা সমূহৰ ভিতৰত বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত অসমীয়া ভাষা যদিও পিছপৰা তথাপি বিজ্ঞান সাহিত্যৰ বিশ্লেষণাত্মক পুথি হিচাপে অসমীয়া ভাষাৰ এই পুথিখন সম্ভৱ দ্বিতীয়। ইয়াৰ আগতে আমি জনাত বঙলা ভাষাত 'বাংলা বিজ্ঞান সাহিত্য' বুলি এখন পুথি প্ৰকাশ পাইছে যদিও সেই পুথি প্ৰকাশৰ সময়তকৈ আমাৰ এই আলোচনা চক্ৰ খন প্ৰায় দুবছৰ আগতে অনুষ্ঠিত হয়। এনে এখনি সংকলিত পুথিৰ সম্পাদনাৰ দায়িত্বত থাকিব পাই মই নিজে অতিশয় গৌৰবান্বিত। ভুল নকৰাৰ চেষ্টা যিমানে প্ৰবল, 'ছপাশালৰ ভুল' নামৰ অবাঞ্চিত লেঠাটোৰে এৰা নিদিয়াৰ সংশয়ৰ প্ৰবনতা তাতোকৈ অধিক। সেয়েহে অজানিতে হৈ যোৱা ভুল ক্ৰটিৰ বাবে সুহৃদয় পাঠক বৃন্দৰ ওচৰত কৰযোৰে ক্ষমা খোজাৰ বাহিৰে আন কোনো উপায় নাই।

এইখিনিতে এটা কথা কৈ থোৱা ভাল হ'ব যে— দুজনমান বিজ্ঞান সাহিত্য সেৱীয়ে এই আলোচনা চক্ৰত প্ৰবন্ধ পাঠ কৰিছিল যদিও ছপা কৰাৰ সময়লৈ তেখেত সকলৰ পৰা প্ৰবন্ধ কেইটি বহুত চেষ্টা কৰিও পাব পৰা নগ'ল। তাৰ বাবে ব্যক্তিগত ভাৱে ক্ষমা খুজিছোঁ। সম্পাদনাৰ বিভিন্ন দিশত দিহা পৰামৰ্শ দিয়া বাবে ডঃ কমলেন্দু পাঠক আৰু শ্যামাপ্ৰসাদ শৰ্মাৰ ওচৰত কৃতজ্ঞ। পাণ্ডুলিপি প্ৰস্তুত কৰা, প্ৰুফ চোৱা আৰু অংগ সজ্জাৰ বিভিন্ন কামত সহায় কৰি দিয়া বাবে পাপৰি, কবুল, মণিকূট, ভাইটি বাবুল, ত্ৰিদিপ ইন্দিবৰ আৰু মোৰ সহধৰ্মিণী বাণুৰ শলাগ লৈছোঁ। কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ অসম বিজ্ঞান সমিতিৰ কৰ্মীবৃন্দ আৰু কলিতা প্ৰিণ্টাৰ্ছৰ কৰ্মী কনক আৰু স্বত্বাধিকাৰী পবিত্ৰ কলিতাৰ ওচৰত। সৰ্ব্বশেষত এই সংকলনৰ প্ৰতিজন নিবন্ধকাৰৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি পুনৰবাৰ ভুল ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

দীনেশ বৈশ্য

সূচীপত্ৰ

			পৃষ্ঠা
১।	অসমীয়া বিজ্ঞান সাহিত্য সম্পৰ্কে :	ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য	১
		ড° ভুবন মোহন দাস	৯
		ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য	১২
২।	অসমীয়া বিজ্ঞান গ্ৰন্থ সাহিত্য	শ্ৰীশান্তনু তামুলী	১৩
৩।	অন্যান্য ভাৰতীয় ভাষাৰ বিজ্ঞান সাহিত্যৰ তুলনাত অসমীয়া বিজ্ঞান সাহিত্যৰ স্থান	শ্ৰীবিষ্ণুৰাম ভুঞা	২০
৪।	বিজ্ঞান সাহিত্যৰ বিষয় বস্তু	ড° কুলেন্দু পাঠক	৩০
৫।	অসমীয়া বিজ্ঞান সাহিত্যৰ বৰ্তমান অৱস্থা নিৰূপণ	ড° পৰমানন্দ মহন্ত	৪৯
৬।	অসমীয়া বিজ্ঞান সাহিত্যৰ লিখক আৰু পঢ়ুৱৈ	ড° বিজয়কৃষ্ণ দেৱশৰ্মা	৫৯
৭।	অসমীয়া বিজ্ঞান সাহিত্য : লিখক আৰু পঢ়ুৱৈ	ড° সোনেশ্বৰ শৰ্মা	৬৬
৮।	অসমীয়া বিজ্ঞান সাহিত্য আৰু পঢ়ুৱৈৰ পৰ্য্যায়	শ্ৰীবলেন্দ্ৰ কুমাৰ দাস	৭৭
৯।	অসমীয়া বিজ্ঞান সাহিত্যৰ পৰিভাষা	ড° বিজয়কৃষ্ণ দেৱ শৰ্মা	৮৬
১০।	অসমীয়া বিজ্ঞান সাহিত্যৰ ভাষা	শ্ৰীবশিষ্ঠদেৱ ফুকন	৯১
১১।	অসমীয়া বিজ্ঞান সাহিত্যৰ ভাষা	শ্ৰীবিশ্বেশ্বৰ হাজৰিকা	৯৬
১২।	গণ-সংযোগ : বাতৰি কাকত আৰু আলোচনীৰ মাধ্যম	ড° লক্ষ্মীনন্দন বৰা	১০২
১৩।	গণ-সংযোগ : আলোচনী আৰু বাতৰি কাকত	শ্ৰীৰমেশ চন্দ্ৰ গোস্বামী	১১১

পৃষ্ঠা

১৪।	বৈজ্ঞানিক দৃষ্টিভংগী আৰু জন-সংযোগ	শ্ৰীঅৰুণ শৰ্মা	১২
১৫।	অনতাঁৰ মাধ্যমত অসমীয়া বিজ্ঞান সাহিত্য	শ্ৰীনিৰ্মল কুমাৰ দত্ত	১৩
১৬।	অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনা	শ্ৰীশ্যামাপ্ৰসাদ শৰ্মা	১৪০
১৭।	অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনা	ড° দীনেশ চন্দ্ৰ গোস্বামী	১৫৯
১৮।	অসমীয়া বিজ্ঞান সাহিত্যৰ পাঠকৰ ৰুচি	শ্ৰীদীনেশ বৈশ্য	১৬
১৯।	পৰিশিষ্ট-১ অসমীয়া বিজ্ঞান সাহিত্যৰ গ্ৰন্থ তালিকা		১৭
২০।	পৰিশিষ্ট-২ অসমীয়া বিজ্ঞান গ্ৰন্থ সাহিত্য (১৮৪০—১৯৮০)		১৮০
২১।	পৰিশিষ্ট-৩ প্ৰস্তাৱ		১৮১
২২।	পৰিশিষ্ট-৪ লিখকৰ চমু পৰিচয়		১৮৫

অসমীয়া বিজ্ঞান সাহিত্য সম্পৰ্কে

[কেইবা গৰাকীও প্ৰথিতযশা অসমীয়া সাহিত্যিকক অসমীয়া বিজ্ঞান সাহিত্য শীৰ্ষক এই আলোচনা চক্ৰলৈ আমন্ত্ৰণ জনোৱা হৈছিল। অসমীয়া বিজ্ঞান সাহিত্যৰ উন্নতিকল্পে তেওঁলোকৰ ব্যক্তিগত চিন্তাধাৰা মুকলি ভাৱে ব্যক্ত কৰিবলৈ তেওঁলোকক অনুৰোধ জনোৱা হৈছিল। কেইবা গৰাকীও সাহিত্যিকে এই আলোচনা চক্ৰত ভাগ লৈ অসমীয়া বিজ্ঞান সাহিত্যৰ উন্নতিৰ হকে তেওঁলোকৰ মতামত দাঙি ধৰে। আলোচনা চক্ৰত উপস্থিত থাকিব নোৱাৰা সাহিত্যিক দুগৰাকীয়ে তেওঁসকলৰ মতামত লিখিতভাৱে জনায়। আলোচনা চক্ৰত উপস্থিত থাকি মৌখিক ভাৱে দিহ পৰামৰ্শ আগবঢ়োৱা এগৰাকী আগশাৰীৰ বিজ্ঞান সাহিত্যপ্ৰেমী হ'ল অধ্যাপক অজিত কুমাৰ শৰ্ম্মা (ৰাজ্য সভাৰ সদস্য)। অধ্যাপক শৰ্ম্মাৰ দিহা পৰামৰ্শ সামৰণিত উন্নুকিওৱা হৈছে। বাকী লিখিত মতামত কেইটি ইয়াতে প্ৰকাশ কৰা হ'ল। উল্লেখযোগ্য যে উক্ত আলোচনা চক্ৰৰ আৰম্ভনিতে জ্ঞানপীঠ বঁটা বিজয়ী, অসমীয়া সাহিত্যিক ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যক অসম বিজ্ঞান সমিতিৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। —সম্পাদক]

[১]

ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

বিজ্ঞান মানুহৰ লগৰীয়া। মানৱ-নিৰপেক্ষ বিশ্ব আৰু প্ৰকৃতিৰ মাজতো বিজ্ঞানৰ কাৰ্য্য-কলাপ অনুভূত হয়। মানৱ-দেহো এই কাৰ্য্য-কলাপৰ এক সুন্দৰ নিদৰ্শন। মানৱ সভ্যতাৰ বিকাশতো ইয়াৰ বৰঙণিয়েই ঘাই। এই কাৰণে বিজ্ঞান মানুহৰ আত্ম-জ্ঞান আৰু আত্মোন্নতিৰ আহিলা হৈ পৰিছে। অৱশ্যে আজি আমি যাক বিজ্ঞান বোলো, সি সচেতন মানৱ-বুদ্ধি আৰু মনৰ অনুশীলনৰ ফল।

গতিকে বস্তুৰ যি সহজাত 'বিজ্ঞান', তাৰ লগত এই সচেতন বিজ্ঞানৰ পাৰ্থক্য স্পষ্ট। আজি কালি সচেতন বিজ্ঞান বিভিন্ন বিষয়ত বিভক্ত, আৰু এইবিলাক শিক্ষা-ব্যৱস্থাৰ অন্তৰ্ভুক্ত। প্ৰকৃতি-বিজ্ঞান আৰু মানৱ-বিজ্ঞান এই দুটা শ্ৰেণীত বিষয় সমূহ বিভক্ত কৰিব পাৰি। কিন্তু লাহে লাহে ন ন বিষয়ৰ সৃষ্টি হৈছে। এই বিষয়বোৰৰ প্ৰত্যেকৰে সূত্ৰ, অনুশীলনৰ প্ৰকাৰ আৰু ক্ষেত্ৰ কৃত্ৰিম ভাৱে ভাগ কৰি লোৱা হৈছে চৰ্চাৰ আৰু প্ৰয়োগৰ সুবিধাৰ্থে। পদ্ধতি কিন্তু সকলোৰে একে। প্ৰত্যেক বিষয়ৰ বিশিষ্ট জ্ঞান আৰু বিজ্ঞানৰ সাধাৰণ সুসমন্বিত জ্ঞানৰ মাজত দৃশ্যতঃ এটা দূৰত্ব আহি পৰা দেখা গৈছে। এই দূৰত্ব গুচাই সুসমন্বয় স্থাপনৰ বাবে সাধাৰণ মানুহ, দাৰ্শনিক আৰু সাহিত্যিক-শিল্পী আদি উদগ্ৰীৱ। এই হেঁপাহ মানৱ-মনৰ বৈশিষ্ট্যই নহয়, ই মানৱ প্ৰগতিৰ আৰু প্ৰকৃত আত্মজ্ঞানৰ বাবেও আৱশ্যকীয়। বিজ্ঞানৰ অহংকাৰ বা ইয়াৰ বিকাশৰ বিকৃতি-সাধন দুয়োটাই বিপদজনক। মানৱ-সভ্যতা আৰু মানুহৰ ধাৰাবাহিক-স্থিতি আমাৰ ক্ষুদ্ৰ গ্ৰহ পৃথিৱীৰ পৰিৱেশ ৰক্ষাৰ ওপৰত যেনেকৈ নিৰ্ভৰশীল, ঠিক তেনেকৈ আমাৰ ধ্বংসাত্মক কাৰ্য্য-কলাপৰ নিয়ন্ত্ৰণৰ ওপৰতো নিৰ্ভৰশীল। এই পৃথিৱীত জীৱহীন বস্তু কিমান দিন থাকিব? পৃথিৱীত জীৱই বা কিমান দিন থাকিব? এনেবিলাক প্ৰশ্নই সাধাৰণ মানুহক উদ্বিগ্ন নকৰিলেও, দাৰ্শনিকক কৰে। কাৰণ তেওঁৰ কালৰ ধাৰণা সুকীয়া। সাহিত্যিক-শিল্পীসকলৰ কল্পনায়ো পৃথিৱীত জীৱৰ কাল কিমান তাৰ কথা চিন্তা কৰিবলৈ ভাল পায়, ঈশ্বৰ-ভিত্তিক চিন্তাবোৰত জীৱৰ ক্ষণস্থায়িত্বৰ কথা যি দৰে ৰূপ পায়, বৈজ্ঞানিক চিন্তাত নেপায়। কিন্তু ৩০০০ নিযুত বছৰৰ আগত পৃথিৱীত আৱিৰ্ভাৱ আৰু সিমান নিযুত বছৰৰ পিছত জীৱৰ বিলুপ্তিৰ ধাৰণাই সমূহ মানৱ বা জীৱৰ ক্ষণস্থায়িত্বৰ ভাৱ জগায়। এই মহাকালিক চেতনাৰ উপলব্ধিৰ তুলনাত সমাজতাত্বিক, ঐতিহাসিক বা দৈনন্দিন কাল-চেতনাৰ উপলব্ধি সাধাৰণ মানুহৰ বাবে গুৰুত্বপূৰ্ণ।

কাৰণ এনে ধৰণৰ উপলব্ধিবোৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ বাবে তাৎকালিক ভাৱে অধিক তাৎপৰ্যপূৰ্ণ। বিজ্ঞান আৰু টেকন'লজিৰ উৎকৰ্ষই মানুহৰ জীৱন-যাত্ৰা প্ৰণালীত যেনেকৈ অধিক বৈচিত্ৰ্য আনিছে, ঠিক সেইদৰে সংহাৰী ধ্বংসৰ আশঙ্কাও ওপজাইছে। আনৱিক বোমা তেনে এটা বৈজ্ঞানিক আৱিষ্কাৰ। সামাজিক মানুহে সেইবাবে বিজ্ঞান আৰু টেকন'লজিৰ বিকাশ আৰু মানুহৰ সামাজিক মঙ্গল সাধনৰ মাজত তাল মিলাব পৰাকৈ এটা নৈতিকতাৰ বান্ধোন বিচাৰিছে।

এই নৈতিকতাৰ আধাৰ অনুসন্ধান কৰিলে আমি বহুল অৰ্থত সং সাহিত্যৰ কাষ চাপিব লগা হয়। কালিদাসে কৈছিল, "আৰ্তত্ৰানায় বঃ শস্ত্ৰম্ ন প্ৰহৰ্তুমনাগসি"। অস্ত্ৰ আৱিষ্কাৰক বিজ্ঞানীয়ে বা কাৰিকৰে এই কথা মনত ৰাখিলে আনবিক অস্ত্ৰ তৈয়াৰ কৰিবলৈ নেযায়। নিৰ্দোষীক ধ্বংস কৰিবলৈ অস্ত্ৰ নিৰ্মান কৰা অনুচিত।

সাহিত্যই বিজ্ঞানীক মৌলিক গবেষণা কৰিবলৈও প্ৰেৰণা দি আহিছে। জগদীশ চন্দ্ৰ বসুৱে লিখিছে, "কবিয়ে এই বিশ্ব জগতখন হৃদয়েৰে চাই অৰূপক প্ৰত্যক্ষ কৰে, আৰু তাক ৰূপত প্ৰকাশ কৰিবলৈ বিচাৰে। আনৰ দৃষ্টি য'ত শেষ হয়, তাতো কবিৰ দৃষ্টি ৰুদ্ধ নহয়। অপৰূপ দেশৰ বাৰ্তা কবিতাৰ ছন্দে ছন্দে নানা আভাসেৰে বাজি থাকে। বিজ্ঞানীৰ পন্থা স্বতন্ত্ৰ হ'ব পাৰে, কিন্তু কবিত্ব সাধনাৰ সৈতে তেওঁৰ সাধনাৰ মিল আছে। দৃষ্টিৰ পোহৰ য'ত শেষ হয়, তাতো তেওঁ পোহৰ বিচাৰি যায়। শ্ৰুতিৰ শক্তি সুৰৰ শেষ সীমাত বৈ গ'লে তেওঁ কম্পমান বাণী আহৰণ কৰিবলৈ নেৰে। প্ৰকাশৰ অতীত যি ৰহস্যই প্ৰকাশৰ অন্তৰালত বৈ কাম কৰি থাকে সেই ৰহস্যাকে প্ৰশ্ন কৰি বিজ্ঞানীয়ে দুৰ্বোধ উত্তৰ উলিয়ায়। এই উত্তৰকেই তেওঁ মানৱ ভাষাত যথা-যথ ব্যক্ত কৰে।" বিভিন্ন বিজ্ঞান বেলেগ বেলেগ যোগ সূত্ৰবিহীন কক্ষ নহয়। সেই বিভিন্ন বিজ্ঞানে আপোন সীমা চেৰাই এক মহা

সত্যৰ অভিমুখে আগবাঢ়ে। কবি আৰু বিজ্ঞানীৰ অনুভূতি একৰ অনুভূতি, বস্তুৰ মাজত একৰ। পথ খালি বেলেগ। কালিদাসৰ আশ্ৰমবাসিনী শকুন্তলাৰ বনবাস বন্ধু তৰু-লতাবোৰে তেওঁক পতিগৃহলৈ কোকিল-ৰৱেৰে বিদায় দিছে। মহাভাৰতৰ শান্তি পৰ্ব্ব'ত গছে দেখে আৰু শুনে বুলি কোৱা হৈছে। সাহিত্যৰ এই বাণীয়ে জগদীশ চন্দ্ৰক জড় আৰু উদ্ভিদৰ জীৱন আছে বুলি প্ৰমাণ কৰিবলৈ উদগাইছিল। আইনষ্টাইনেও হেনো Unified Field theory আৱিষ্কাৰ কৰাৰ আগত বিশ্বব্ৰহ্মাণ্ডৰ অন্তৰ্নিহিত ঐক্যৰ অনুভূতিৰ পৰা প্ৰেৰণা লাভ কৰিছিল।

ব্যাপক আৰু সামগ্ৰিক দৃষ্টিৰে চালে সাহিত্যও বিজ্ঞানৰ দ্বাৰা অনুপ্ৰানিত নোহোৱাকৈ থকা নাই। কোনো মহৎ সাহিত্যিকে বিজ্ঞানে আৱিষ্কাৰ কৰা সত্যসমূহ গ্ৰহণ নকৰাকৈ থকা নাই। অৱশ্যে ই সাহিত্যিক জনৰ শিক্ষা, কৌতুহল আৰু জ্ঞানানুৰাগৰ ওপৰত নিৰ্ভৰ কৰে। জ্যোতিৰ্বিজ্ঞান, জীৱ-বিজ্ঞান, নৃতত্ব, অন্যান্য সমাজ বিজ্ঞান, আৰু প্ৰাকৃতিক বিজ্ঞান সমূহে সামগ্ৰিক যি জ্ঞান আমাক দিয়ে, তাৰে প্ৰকৃতি আৰু মানুহক নকৈ চাবলৈ শিকাইছে। এক অৰ্থত আমাক বিজ্ঞানে এক নতুন বিশ্ব-বীক্ষা গ্ৰহণ কৰিবলৈ উদগাইছে। এই বিশ্ব-বীক্ষা কবি আৰু সাহিত্যিকৰ অন্তৰদৃষ্টিৰ অঙ্গ হৈ পৰিছে। বিজ্ঞানে অনন্ত আৰু অসীমক সীমাবদ্ধ জ্ঞানৰ ভিতৰলৈ আনিব পাৰিছে বুলি ক'ব নোৱাৰি। প্ৰকৃতি এতিয়াও বহুত অনাৱিস্কৃত ৰহস্যৰ আধাৰ। অন্তৰ্দৃষ্টিৰ উপলব্ধিৰ মূল্য বিজ্ঞানে অস্বীকাৰ নকৰে। কলা এটা বিশিষ্ট পদ্ধতি। মানুহক জনাৰ বাবে, প্ৰকৃতিৰ অনাবিস্কৃত ৰহস্য বুজাৰ বাবে, সত্য আৰু সৌন্দৰ্য্যৰ সমন্বয় সাধি সুকুমাৰ কলা সৃষ্টিৰ বাবে মানুহৰ যি অবিৰাম সাধনা, তাত বিজ্ঞানে সহায় কৰিছে বুলিয়েই মোৰ বিশ্বাস। কালৰ বুকুত প্ৰকৃতি আৰু মানুহৰ যি লীলা, তাক বিজ্ঞানীয়ে সম্পূৰ্ণ ভাবে ব্যাখ্যা কৰিব নোৱাৰে। মানৱ-প্ৰগতিৰ গূঢ় তাৎপৰ্য্য মানুহে এক অনিৰ্বচনীয় সৃষ্টিৰ প্ৰক্ৰিয়াৰে

নিজ কল্পনাৰ সামৰ্থ্য অনুসৰি ব্যাখ্যা কৰি আহিছে। সেই বাবে ডাঙৰ বিজ্ঞানীয়েও গ্ৰীক ট্ৰেজেডী, শেক্সপীয়েৰৰ নাটক, টলষ্টয়ৰ উপন্যাস, আৰু ৰবি ঠাকুৰৰ কবিতা পঢ়ি তন্ময় হয়, আৰু সৌন্দৰ্য্যৰ মোহনীয় আৰু সন্তুলিত মানবীয় দৃষ্টিৰে নিজৰ সত্তা আৰু খন্তেকীয়া জীৱন-লীলাৰ মহিমা উপলব্ধি কৰে। প্ৰকৃত পক্ষে বিজ্ঞান আৰু কলা দুয়োটা পৰিপূৰক মানৱীয় প্ৰক্ৰিয়া।

মোৰ ধাৰণা হয় সাহিত্য আৰু কলাৰ মাজত বিধৃত মানৱ স্বৰূপ মানুহৰ সকলোতকৈ সত্য স্বৰূপ। বিজ্ঞান গবেষণাগাৰৰ পৰা ওলালেই কলা-সাহিত্যৰ সকিয়নি শুনিব লাগে। অকল গভীৰ মনস্তাত্বিক সত্তাৰ বাবেই নহয়, চুটি ব্যক্তি জীৱন তাৰু দীঘলীয়া সামাজিক জীৱনৰ চৰম সাৰ্থকতা যে সৌন্দৰ্য্যমণ্ডিত সৃষ্টিত, এই গভীৰ মানৱীয় সত্তাৰ বাবেও সাহিত্য আৰু কলাৰ আৱশ্যকতা কোনেও লুই কৰিব নোৱাৰে। প্ৰকৃতিৰো এই আৱশ্যকতা আছে। মানুহে সৌন্দৰ্য্যৰ প্ৰথম পাঠ প্ৰকৃতিৰ পৰাই পাইছে। ন্যায়, সমতা, মুক্তি আদি সমাজবিজ্ঞানত সমাজ পুনৰ গঠনৰ আৱশ্যকীয় প্ৰমূল্য ৰূপে স্বীকৃত হৈছে। কিন্তু সুন্দৰ কবিতা, চিত্ৰ, নাট, সঙ্গীতৰ অবিহনে অৰ্থাৎ সৌন্দৰ্য্যৰ অবিহনে পুনৰগঠিত সমাজত এটা সন্তুলন অনুভূত হ'ব নে? এইবোৰ অন্তৰ সৌন্দৰ্য্যৰ বাহিৰেও পুনৰ গঠিত সমাজত মানুহৰ ঘৰ, কাপোৰ, গাওঁ, নগৰ আৰু বিবিধ আৱশ্যকীয় বস্তুকো সুন্দৰ কৰি লৈ এটা সুন্দৰ আৰু সন্তুলিত জীৱন যাপন কৰিবলৈও মানুহৰ এটা হেঁপাহ আছে। এই বহিপ্ৰয়োজন পূৰণ কৰে আৰ্কিটেক্সাৰ, ব্যৱহাৰিক লোক-শিল্প আৰু ব্যৱহাৰিক সংস্কৃতিয়ে। এই বাবে সৌন্দৰ্য্যৰ সূক্ষ্ম আৰু স্থূল উভয় ধাৰণাৰে প্ৰয়োজন। সৌন্দৰ্য্যবোধ সভ্য মানুহৰ সহজাত বস্তু। খন্তেকীয়া হ'লেও মানুহে জীৱনটো নিজৰ সৃষ্টি শক্তিৰে ধুনীয়া কৰি অনন্তগুণ ভাৱে যাপন কৰিব খোজে। সেই কাৰণে মৃত্যু নিশ্চিত বুলি জানিও মানুহে অমৃতৰ অনুসন্ধান কৰে। মানুহে সত্যক সুন্দৰ ৰূপত জীৱনত অভিষেক কৰি নিজৰ

শ্ৰেষ্ঠ সৃষ্টি সমূহ পৃথিৱীক দি যাব খোজে। সেই কাৰণেই সুন্দৰ সৃষ্টি মানুহৰ চকুত ইমান মূল্যৱান।

অসম বিজ্ঞান সমিতিৰ কিছুমান নিৰ্দ্দিষ্ট উদ্দেশ্য আছে। বসু বিজ্ঞান মন্দিৰ প্ৰতিষ্ঠাৰ সময়ত জগদীশ বসুৱে কৈছিল, "আজি যিটো প্ৰতিষ্ঠা কৰিলো সি মন্দিৰ, কেৱল পৰীক্ষাগাৰ নহয়। ইন্দ্ৰিয়গ্ৰাহ্য সত্য পৰীক্ষাৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়, কিন্তু ইন্দ্ৰিয়াতীত দুই এটি মহাসত্য আছে, যাক লাভ কৰিবলৈ বিশ্বাসৰ প্ৰয়োজন। .. কেৱল বিশ্বাস বুলিয়েই লাভ নাই। বিশ্বাসৰ সত্যতা সম্বন্ধেও পৰীক্ষা কৰিব লাগিব। দুই-এটি ঘটনাৰ দ্বাৰা নহয়, তাৰ পৰীক্ষাৰ বাবে সমগ্ৰ জীৱনব্যাপী সাধনাৰ আৱশ্যক। সেই সত্য প্ৰতিষ্ঠাৰ বাবে মন্দিৰ সজা হয়।" অসম বিজ্ঞান সমিতিৰ হাতত বৃজন গবেষণাগাৰো নাই, মন্দিৰো নাই। সম্ভৱতঃ বিজ্ঞান সাহিত্য প্ৰকাশ আৰু বিজ্ঞানৰ পৰিবেশ গঠনতে সমিতিয়ে সীমাবদ্ধ শক্তি নিয়োজিত কৰিব লগা হৈছে।

বিজ্ঞান-সাহিত্য ৰচনা আৰু বিজ্ঞান পত্ৰিকা প্ৰকাশত বঙ্গদেশত অধ্যাপক সত্যেন্দ্ৰ নাথ বসুৱে যি আৰম্ভণি কৰি গৈছে, সেই আৰম্ভণি আমাৰ পথ প্ৰদৰ্শক। মাতৃ ভাষা অৰ্থাৎ বঙ্গালী ভাষাক তেওঁ বিজ্ঞানৰ সাৰ্থক বাহন কৰিবলৈ উঠি-পৰি লাগিছিল। তেওঁৰ মতে জাপানী সকলে বিজ্ঞানত দ্ৰুত উন্নতি কৰাৰ এটা কাৰণ তেওঁলোকৰ জাপানী ভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু ইটো কাৰণ দেশ প্ৰেম। অসম বিজ্ঞান সমিতিয়ে বসুৰ আদৰ্শ মনে-প্ৰাণে গ্ৰহণ কৰিলে অসমত বিজ্ঞানৰ উন্নতি দ্ৰুত হ'ব। স্থানীয় অৱস্থা, পৰিৱেশ আৰু পৃষ্টপোষকতা বিজ্ঞানৰ উন্নতিৰ কিমান অনুকূল তাক নকলেও হ'ব। এনে সময়ত দেশপ্ৰেম আৰু একান্ত সত্যানুসন্ধানৰ প্ৰবৃত্তিৰ বৰ আৱশ্যক। এই দুটা থকা বাবে জগদীশ বসু আৰু চি-ভি-ৰমনে বিশ্ব বিজ্ঞানলৈ মৌলিক বৰঙণি যোগাই যাবলৈ সমৰ্থ হ'ল। তেওঁলোকে গৱেষণাগাৰ বা গৱেষণাৰ আৱশ্যকীয় সুবিধা পোৱা নাছিল। আজি সেই সময়তকৈ

পৰিবেশ ভাল। দেশত এটা বিজ্ঞান নীতিও আছে। কিন্তু অসমলৈ ৰাষ্ট্ৰই বিশেষ সা-সুবিধা আগবঢ়োৱা নাই মৌলিক গবেষণাৰ বাবে-পৃষ্ঠপোষকতা বৰ দুৰ্বল আৰু অপৰিকল্পিত। মই আশা কৰো অসম বিজ্ঞান সমিতিয়ে এই দুৰাৱস্থাৰ পৰা মুক্তি পাব আৰু অসমত মৌলিক গবেষণাৰ ক্ষেত্ৰ বৃদ্ধি পাব।

বিজ্ঞানৰ সাহিত্য সম্পৰ্কে কেইটামান কথা মনলৈ আহিছে, তাকে কওঁ। অসমীয়াত এটা চালুকীয়া বিজ্ঞান সাহিত্য গঢ় লৈ উঠিছে। অসমীয়াত পাঠ্যপুথি আৰু সাধাৰণ পুস্তকো প্ৰকাশ পাইছে। এখন বিজ্ঞান বিশ্বকোষৰো প্ৰথম খণ্ড ওলাইছে। সমিতিয়ে চলাই থকা বিজ্ঞান আলোচনীখনো চলি আছে। ইয়াৰ উপৰিও সমিতিৰ দ্বাৰা সংগঠিত আলোচনাচক্ৰৰ নিবন্ধ আৰু বক্তৃতামালাৰ লিখিত ৰূপ প্ৰকাশ কৰাৰ পৰিকল্পনাও বোধহয় সমিতিৰ আছে।

এইবিলাক প্ৰচেষ্টা প্ৰশংসনীয়। লগতে অসমীয়া বিজ্ঞানী আৰু গুণী বিজ্ঞান শিক্ষক সকলৰ জীৱনী প্ৰকাশ কৰাৰ চিন্তাও সমিতিয়ে কৰিব পাৰে।

এইবিলাক কাম কৰোতে এটা কথালৈ বিশেষ ভাৱে চকু দিয়া আৱশ্যক—সেইটো হৈছে ভাষা। সাধাৰণ বিজ্ঞানৰ ভাষা সহজ আৰু পোনপটীয়া হোৱা উচিত। শুদ্ধ পৰিভাষা গ্ৰহণ কৰি সেইবোৰৰ সাৰ্বজনীন প্ৰয়োগৰ বাবে যত্ন চলোৱা সমিতিৰ বিশেষ কৰ্তব্য। অসমীয়া ভাষাত পঠিত্যবতা (readability) সম্বন্ধে লেখক সকল বৰ কম সচেতন। বিজ্ঞান-সাহিত্যৰ লেখক সকলে এই কথালৈ বিশেষ ভাৱে মন কৰা উচিত। প্ৰকৃত পক্ষে আধুনিক জ্ঞানৰ ৰচনা সৰবৰহী নহলে বহল পাঠক সমাজ আৰু পৰিবেশ গঢ়ি তোলা টান হ'ব।

মই অসমীয়া ভাষাক প্ৰকৃত পক্ষে আধুনিক জ্ঞানৰ বাহন কৰি তুলিবলৈ প্ৰতিশ্ৰুত। ইয়াৰ বাবে আৱশ্যক এটা বৃহৎ অনুবাদ প্ৰকল্প। তাৰ বাবে অসম সাহিত্য সভা, অসম বিজ্ঞান সমিতি

বিশ্ববিদ্যালয় আৰু প্ৰকাশন সংস্থা সমূহে যুটীয়া ভাৱে এটা পৰিকল্পনা গ্ৰহণ কৰি ভাৰত চৰকাৰৰ পৰা বৃজন পৰিমানৰ এটা অনুদান খুজিব পাৰে। এনে পৰিকল্পনাত পৃথিৱীৰ ক্লাছিক সমূহ অনুবাদৰ যেনে স্থান থাকিব, জনপ্ৰিয় সাহিত্য, প্ৰসঙ্গকোষ আদি আৰু শিশু সাহিত্যৰো স্থান থাকিব লাগিব।

মই ভাবো বিজ্ঞানৰ মূল গ্ৰন্থ সমূহ অসমীয়ালৈ অনুবাদ হ'ব লাগে। তাৰ বাবে যি সময় লাগে লাগক। কিন্তু আমি তাক অনুবাদ প্ৰকল্পৰ এটা ঘাই অঙ্গ ৰূপে গ্ৰহণ কৰা উচিত হ'ব। ক্লাছিক সমূহৰ অনুবাদ হ'লে অসমত বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ এটা নিৰ্ভৰযোগ্য পৰিবেশ হ'ব। আশাকৰো সমিতিয়ে এই কথা বিবেচনা কৰি চাব।

মই এসময়ত বিজ্ঞানৰ ছাত্ৰ আছিলো। তেতিয়াই অনুভৱ কৰিছিলো বিজ্ঞানৰ চৰ্চা আৰু গৱেষণাৰ অবিহনে আধুনিক জাতি আৰু আধুনিক মানুহ হোৱা টান। তাকে কৰিবলৈ বিজ্ঞানৰ প্ৰয়োগৰ সাৰ্থক কৌশলো আমি আয়ত্ব কৰিব লাগিব। অকল পৰীক্ষাগাৰৰ মাজত থকা বিজ্ঞানে জীৱনত তাৰ মঙ্গলময় প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। আধুনিক বিশ্ব-বীক্ষা গঠনত বিজ্ঞানৰ ভূমিকা কিমান প্ৰয়োজনীয় তাক অনুভৱ কৰি ছেগাচোৰোকাকৈ বিজ্ঞানৰ চৰ্চাও কৰি আছিলো। আপোনালোকৰ সাধনাৰ তুলনাত এইবোৰ একোৱেই নহয়। তথাপি আপোনালোকক আজি প্ৰতিশ্ৰুতি দিছো, বিজ্ঞান-সাহিত্যৰ প্ৰসাৰ কৰাত মই যদি কিবা সহায় কৰিব পাৰো, তেন্তে তাক কৰিবলৈ সদায় সাজু থাকিম।

আপোনালোকে মোক সম্বৰ্দ্ধনা জনোৱা বাবে মই আন্তৰিক ধন্যবাদ জনাইছো, যদিও জানো যে পুৰস্কাৰ এবিধ কৃতিত্বৰ স্বীকৃতি হ'লেও, ই সৰ্বমান্য স্বীকৃতি নহয়।

আপোনালোকৰ সমিতিৰ উন্নতি কামনা কৰিলো। ●

[২]

—ড° ভুবন মোহন দাস ।

অসম বিজ্ঞান সমিতিৰ দ্বাৰা আয়োজিত 'অসমীয়া বিজ্ঞান সাহিত্য' শীর্ষক আলোচনা-চক্ৰলৈ নিমন্ত্ৰিত হৈয়ো সেই সময়ত গুৱাহাটীত নথকাৰ বাবে আলোচনাত উপস্থিত থাকিব নোৱাৰি যি আক্ষেপ মনত ৰৈ গৈছিল, এতিয়া পঠিত আৰু আলোচিত প্ৰবন্ধ সমূহ সঙ্কলিত হৈ পুথি আকাৰে প্ৰকাশ হ'ব বুলি জানিব পাৰি সেই আক্ষেপ বহু পৰিমাণে আঁতৰিল । সঙ্কলনখনে অসমীয়া বিজ্ঞান সাহিত্যৰ আলোচনাৰ ভেটি সুদৃঢ় কৰিব বুলি আশা ৰাখিছো । অসমীয়া বিজ্ঞান সাহিত্য সম্বন্ধে অজ্ঞ আৰু উদাসীন সকলক এই সঙ্কলনে সচেতন কৰি তুলিব পাৰিলে এনে পুথি প্ৰকাশে সাৰ্থকতা লভিব ।

আজি কালি প্ৰায়ে কোৱা শুনা যায় যে বিজ্ঞান চৰ্চা বৰ্ত্তমান কেৱল গৱেষণাগাৰৰ চাৰি-সীমাতে আবদ্ধ নহয়; বৈজ্ঞানিকৰ তপস্যা লব্ধ সুফল সমূহ সমাজৰ বিশেষ সুবিধাপ্ৰাপ্ত মাত্ৰ এক শ্ৰেণীৰ লোকৰ বাবেই নহয়; সেইবোৰ পৃথিৱীৰ সকলো ঠাইৰ সকলো মানুহৰ বাবেই । কিন্তু ইয়াৰ ফল সকলোৱে সমানে ভোগ কৰাৰ সুযোগ সুবিধা পাইছেনে—সেইটো বিচাৰ্য বিষয় ।

সাহিত্য এবিধ কলা । কলাকাৰৰ কাৰুকাৰ্য্যই বিষয় বস্তুক ৰসাল কৰি তোলে, সাহিত্যৰ ৰস সাধাৰণ ভাৱে সকলো মানুহেই উপভোগ কৰিব পাৰে । বিজ্ঞানৰ জ্ঞান বৈজ্ঞানিক তথ্যৰূপে সৰ্ব্বসাধাৰণে সহজে গ্ৰহণ কৰিব নোখোজে । কিন্তু সাহিত্যৰ মাধ্যমেৰে সেই জ্ঞান পৰিবেশিত হলে সি গ্ৰহণযোগ্য আৰু সমাদৃত হয় । নীতি-পাঠবোৰ মানুহে শিকিবলগীয়া, জানিবলগীয়া কথা বুলি প্ৰচাৰ কৰিলে যে সেইবোৰ বেচি ফল প্ৰসূ নহয় তাক সকলোৱে জানে । বিজ্ঞানৰ কথা বোৰো কেৱল মস্তিষ্ক গ্ৰাহ্য নকৰি সাহিত্যৰ ৰসেৰে হৃদয় গ্ৰাহী কৰি পৰিবেশন কৰিলে

পাঠক-সমাজে নিশ্চয় তাক আগ্রহেৰে গ্ৰহণ কৰি আনন্দিত তথা উপকৃত হ'ব ।

সদায় দেখি থকা বস্তুবোৰে মন আকৰ্ষণ নকৰে । সদায়ে শুনি থকা কথাবোৰেও মনত কোনো প্ৰকাৰৰ ৰেখাপাত নকৰে । কিন্তু শিল্পী-সাহিত্যিকৰ যাদুকৰী স্পৰ্শত সেইবোৰ বৈচিত্ৰহীন সাধাৰণ বিষয়বস্তুও নতুনত্ব আৰু অভিনৱত্ব লাভ কৰি আকৰ্ষণীয় হৈ পৰে । দৈনন্দিন জীৱনত ব্যৱহৃত বিজ্ঞানৰ অৱদানবোৰ মানৱ-জীৱনৰ অঙ্গ স্বৰূপ হৈ পৰিছে । সেইবোৰৰ বিষয়েও জানিবলগীয়া কিবা কথা আছে বুলি সৰ্ব্বসাধাৰণে নাভাৱে । কিন্তু বিজ্ঞান সাহিত্যৰ মাধ্যমেৰে দৈনন্দিন ব্যৱহৃত সাধাৰণ বস্তুবোৰেও অসাধাৰণ ৰূপ পাব পাৰে ।

সাহিত্য কলাৰ মাধ্যমেৰে প্ৰচাৰিত বিজ্ঞান সাহিত্যৰ লগতে তথ্য-প্ৰধান বিজ্ঞান সাহিত্যৰো যে প্ৰয়োজন আছে এই কথা অনস্বীকাৰ্য্য । অসমীয়া সাহিত্যত এই শ্ৰেনীৰ বিজ্ঞান-সাহিত্যৰ সংখ্যাই বেছি পৰিলক্ষিত হয় । বিজ্ঞানৰ সত্যক বিকৃত নকৰাকৈ এনেবিধ সাহিত্যকো সুকৌশলেৰে সুপৰিবেশন কৰিব পৰা যায় ।

সাম্প্ৰতিক কালত বিজ্ঞানৰ পাৰিভাষিক শব্দৰ ওপৰত বহুতে অধিক গুৰুত্ব আৰোপ কৰিব খোজে । পৰিভাষাৰ নামত আচহুৱা শব্দ কিছুমান ব্যৱহাৰ কৰা হয় । কোনোৱে কব খোজে এই আচহুৱা শব্দবোৰ পুনঃ পুনঃ প্ৰচলনৰ ফলত ঘৰুৱা আৰু চিনাকী হৈ যাব । শব্দ প্ৰয়োগৰ ক্ষেত্ৰত ইমান গোড়ামি নৰখাই ভাল নেকি ? আচহুৱা শব্দবোৰক চিনাকী কৰাৰ প্ৰয়াসতকৈ চিনাকী শব্দবোৰকে সামৰি ললে কিবা ক্ষতি আছে জানো ? দুই বিধ শব্দ ব্যৱহাৰ কৰিলেই অসমীয়া শব্দৰ ভঁৰাল চহকী হ'ব ।

অসমীয়া ভাষাত বিজ্ঞান-বিষয়ক পুথি ক্ৰমাৎ প্ৰকাশ হবলৈ ধৰিছে । কিন্তু পুথিৰ মানদণ্ড সংখ্যা সাপেক্ষ নহয়, গুণ সাপেক্ষহে । বিজ্ঞান-বিষয়ক পুথি সমূহ সৰ্ব্বজন সমাদৃত আৰু সৰ্ব্বজন গ্ৰাহ্য হ'লেহে এনে পুথিৰ প্ৰচাৰৰ উত্তৰোত্তৰ বৃদ্ধি হ'ব বুলি আশা কৰিব পাৰি ।

অসমীয়া সাহিত্যৰ বুৰঞ্জীলৈ লক্ষ্য কৰিলে দেখা যায় যে একো একোখন আলোচনীয়ে একো একোটা লেখক গোষ্ঠীৰ সৃষ্টি কৰে আৰু উত্তৰ পুৰুষৰ প্ৰেৰণাৰ উৎসৰূপে সাহিত্যৰ ধাৰা প্ৰৱাহিত কৰে। আলোচনী সমূহৰ সাৰ্থকতা এইখিনিতে। অসম বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত বিজ্ঞান বিষয়ক পুথি আৰু ইয়াৰ আলোচনী 'বিজ্ঞান জেউতি'ৰ জৰিয়তে ভালে কেইজন বিজ্ঞান-সাহিত্যিকে আত্ম-প্ৰকাশ কৰিছে। অসম বিজ্ঞান সমিতিয়ে এক নতুন শ্ৰেণীৰ বিজ্ঞান-সাহিত্যৰ সৃষ্টিৰ মাধ্যমেৰে বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰত বিশেষ অৰিহণা যোগাব পাৰিব বুলি আন্তৰিক আশা ৰাখিলোঁ। ●

[৩]

ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

'অসমীয়া বিজ্ঞান সাহিত্য' শিতানত 'অসম বিজ্ঞান সমিতি'ৰ আয়োজিত আলোচনা চক্ৰত উপস্থিত থাকিব নোৱাৰি, ইতিপূৰ্ব্বে শুভেচ্ছামূলক অক্ষমতাৰে বিষয়টোৰ পৰিধিমূলক বৈশিষ্ট্যৰ প্ৰতি উত্তৰ পূৱ ভাৰতবৰ্ষ তথা অসমৰ বিজ্ঞানী সকলৰ দৃষ্টি আকৰ্ষণ কৰিছিলোঁ। কুৰি শতিকাৰ প্ৰথম ভাগৰে পৰা অসমীয়া ভাষাৰ যোগেদি বিজ্ঞান মূলক সাহিত্যৰ প্ৰচাৰ হৈ আছে। গণিত, বস্তুবিদ্যা, স্বাস্থ্য-সমাচাৰৰ পৰা আধুনিক মহাকাশ বিজ্ঞানলৈকে যাৱতীয় বিজ্ঞানমূলক বিষয়ৰ লগতে, এই অঞ্চলৰ জনজাতীয় সমাজত প্ৰচলিত দ্ৰব্যগুণ, ভেষজবিদ্যা আদিৰো মূল্যায়ন হোৱাটো বাঞ্ছনীয়। এই সম্পৰ্কে বড়ো গৱেষণা সম্পৰ্কত 'বৰোনি জলঙ্গ' নামৰ এখন প্ৰকাশিত পুথিত বড়ো কছাৰী সমাজত পুৰণি কালৰে পৰা ব্যৱহাৰ হৈ থকা আৰু বেজ-গিয়ানী সকলে মানি অহা দৰৱ আৰু বেমাৰৰ নাম-বৰ্ণনা পাইছিলোঁ। এনে ধৰণৰ জনজাতীয় বৈজ্ঞানিক সমল বড়োৰ উপৰিও কাৰ্বি, বাভা, মিচিং, গাৰো-খাচি আদি উত্তৰ-পূৱ ভাৰতীয় সমাজত প্ৰকাশিত, অপ্ৰকাশিত বা হাতে-লিখা সাহিত্যৰ ৰূপত পাবৰ সম্ভাৱনা আছে। পৰৱৰ্ত্তী আলোচনাচক্ৰত 'অসমীয়া বিজ্ঞান সাহিত্য'ৰ নতুন আৰু বহল পৰিধিলৈ আগ্ৰহশীল বিজ্ঞানীৰ মনযোগ আকৰ্ষণ কৰিলোঁ আৰু আন্তঃবিভাগীয় সমন্বয়মূলক গৱেষণাৰে বিজ্ঞানী সংৰক্ষনাগাৰ গঢ়ি তুলিবলৈকে সংশ্লিষ্ট সকললৈ আহ্বান জনালোঁ। ●

———

অসমীয়া বিজ্ঞান গ্ৰন্থ সাহিত্য

শ্ৰীশান্তনু তামুলী।

অসমীয়া জনশ্ৰুতিত চতুৰ্থ-ষষ্ঠ শতিকাৰ ডাকৰ বচন সমূহত অসমৰ জাতীয় জীৱনত ব্যৱহাৰিক বিজ্ঞান চৰ্চাৰ উল্লেখ পোৱা যায়। ডাকৰ বচনৰ প্ৰসূতি শুশ্ৰূষা সন্তান পালন, পৰিচৰ্য্যা, স্বাস্থ্য নীতি আৰু কৃষি সম্পৰ্কীয় নীতি সমূহৰ বৈজ্ঞানিক যথাৰ্থতা উলাই কৰিব নোৱাৰি। নৰনাৰায়ণৰ পৃষ্ঠপোষকতা আৰু অনুপ্ৰেৰণাত উত্তৰ বৈষ্ণৱ যুগত ১৪৩৪ খ্ৰীষ্টাব্দতে বকুল কায়স্থই পদ্যত গণিতৰ পুথি 'কিতাপত মঞ্জৰী' অসমীয়ালৈ ভাঙনি কৰিছিল। কবিৰত্ন দ্বিজে গদ্যত 'লীলাৱতী কথা', চূড়ামণিৰ 'জ্যোতিষ চূড়ামণি', কামৰূপৰ নিজস্ব জ্যোতিষ গণনা পুথি 'খণ্ডসাধ্য', ১৬৯৫ খ্ৰীষ্টাব্দত ৰুদ্ৰসিংহই কবিৰাজ চক্ৰৱৰ্ত্তীৰ হতুৱাই ভাঙনি কৰোৱা ৰামনাৰায়ণৰ 'ভাস্বতী শাস্ত্ৰৰ কথা', কাশীনাথৰ অংকৰ 'আৰ্য্যা কথা', শিৱসিংহ আৰু ৰাণী অম্বিকা-দেৱীৰ পৃষ্ঠপোষকতাত সুকুমাৰ বৰকাথৰ ৰচিত আৰু দিলবৰ দোছায়ৰ চিত্ৰাঙ্কিত 'হস্তি বিদ্যাৰ্ণৱ' আৰু ১৭৯০ খ্ৰীষ্টাব্দত এজন অজ্ঞাত লেখকৰ 'ঘোঁৰা নিদান' আদি হাতে লিখা গণিত, প্ৰাণী বিজ্ঞান আৰু পশুচিকিৎসা বিজ্ঞানৰ পুথিয়ে প্ৰাচীন অসমৰ বিজ্ঞান চৰ্চাৰ মহিমান্বিত ঐতিহ্যক প্ৰতীয়মান কৰে। আনহাতে আমাৰ চুবুৰীয়া বাংলা ভাষাত ১৮১৫ খ্ৰীষ্টাব্দ পৰ্য্যন্ত আয়ুৰ্বেদ আৰু ডাক আৰু খনাৰ বচনৰ বাহিৰে বিজ্ঞান সম্বন্ধীয় কোনো পুথি বা চৰ্চাৰ উল্লেখ নাছিল বুলিবই পাৰি।

'হস্তিবিদ্যাৰ্ণৱ' প্ৰাচীন অসমৰ সংস্কৃতি, চিত্ৰকলা আৰু বিজ্ঞান চিন্তা-চৰ্চাৰ অপূৰ্ব্ব নিদৰ্শন। ১৭৩৪ খ্ৰীষ্টাব্দত সুকুমাৰ বৰকাথে 'হস্তিবিদ্যাৰ্ণৱ' ৰচনা কৰে। হস্তিবিদ্যাৰ্ণৱত ১০৮ বিধ দঁতাল হাতী আৰু ১৭ বিধ মাখুন্দীৰ শ্ৰেণী বিভাগ কৰি সিহঁতৰ দৈহিক গঠনৰ বৰ্ণনা কৰিছে।

পুথিখনৰ ১৬৪ পৃষ্ঠাৰ পৰা ১৯৩ পৃষ্ঠালৈকে হাতীৰ বিভিন্ন ৰোগ, ৰোগৰ লক্ষণ, ৰোগৰ চিকিৎসা আৰু প্ৰতিকাৰৰ বিভিন্ন বনৌষধৰ প্ৰস্তুত প্ৰণালী আৰু প্ৰয়োগৰ বিধান দিছে। পুথিখনৰ আৰম্ভনিতে প্ৰাচীন কামৰূপৰ এগৰাকী পণ্ডিত শম্ভুনাথ বিৰচিত 'গজেন্দ্ৰ চিন্তামণি' নামৰ এখন হস্তিবিদ্যাবিষয়ক পুথিৰ পৰা তথ্যপাতি সংগ্ৰহ কৰাৰ কথাও উল্লেখ কৰিছে। দীৰ্ঘদিনীয়া সংৰক্ষিত অৱস্থাৰ অৱসান ঘটাই অসম প্ৰকাশন পৰিষদে 'হস্তিবিদ্যাৰ্ণৱ' ছপা কৰি উলিয়াই অসমীয়া বিজ্ঞান চৰ্চা পুথিৰ প্ৰাচীনতা, প্ৰসাৰতা আৰু মূল্যক নকৈ প্ৰতিপন্ন কৰিছে।

ইংৰাজৰ সংস্পৰ্শলৈ অহাৰ পিছত ভাৰতীয় ভাষাসমূহত বিজ্ঞান শিক্ষাৰ বাবে যি প্ৰচেষ্টা চলে তাৰ প্ৰভাৱ অসমীয়া ভাষাত যথেষ্ট পলমকৈ পৰে। ভাৰতত বিজ্ঞান শিক্ষা প্ৰসাৰৰ অৰ্থে ইষ্ট ইণ্ডিয়া কোম্পানিয়ে প্ৰথমে ঘোষণা কৰে ১৮১৩ খ্ৰীষ্টাব্দৰ চাৰ্টাৰত। চাৰ্টাৰৰ ৪৩ নং ধাৰাত ভাৰতীয়সকলৰ শিক্ষাৰ বাবে প্ৰতি বছৰে অন্ততঃ একলাখ টকা অনুমোদন কৰা হয়।

"........... for the introduction and promotion of a knowledge of the sciences among the inhabitants of the British Territories in India" ডেভিড স্কটে স্থাপন কৰা অসমৰ স্কুল সমূহত প্ৰথম অৱস্থাত বিজ্ঞান বিষয়ক নিৰ্দিষ্ট পাঠ্যক্ৰম আৰু পাঠ্য-পুথি নথকাত লীলাৱতীৰ মহাশাস্ত্ৰ, জ্যোতিষ শাস্ত্ৰ, চিকিৎসা শাস্ত্ৰ আদি পঢ়ুৱা হৈছিল।

১৮৩৬ খ্ৰীষ্টাব্দত আমেৰিকাত জন্মলাভ কৰা নেথান ব্ৰাউনে অলিভাৰ টি.কুট্টাৰৰ সহযোগিতাত পোন প্ৰথমে অসমত ছপাখানা পাতে। ১৮৪৫ চনত ডাক্তৰ নেথান ব্ৰাউনে বকুল কায়স্থৰ 'গণিতৰ পুথি' দুভাগত ভাগকৰি পদ গণিত আৰু লীলাৱতীৰ ভাঙনি ছপাই উলিয়ায়। মিছেছ ব্ৰাউনৰ গণনাৰ পুথি 'প্ৰথম গণনা' (১৮৪৫) আৰু এলিজা ব্ৰাউন আৰু নেথান ব্ৰাউনৰ গণনাৰ পুথি 'দ্বিতিয় গণনা' প্ৰকাশ পায়। ১৮৪৬ চনৰ জানুৱাৰীৰ পৰা ধৰ্ম, বিজ্ঞান আৰু সাধাৰণ জ্ঞান বিষয়ক মাহেকীয়া

'অৰুণোদই' প্ৰকাশ পায় আৰু অৰুণোদইৰ পাতত স্বাস্থ্য বিজ্ঞান সম্পৰ্কীয় লেখা একেবাৰে প্ৰকাশ পাইছিল। ছপা আখৰত গণিতৰ পুথিৰে বিজ্ঞান চৰ্চাৰ দুৱাৰ মুকলি কৰি ব্ৰাউনে ১৮৪৯ চনত প্ৰথম ভূগোল বিষয়ক পুথি, মুৰেৰে বিশ্বকোষৰ আধাৰত ১৭৭ পৃষ্ঠাৰ 'ভূগোল শিক্ষক' আৰু ২২২ পৃষ্ঠাৰ বিজ্ঞান বিষয়ক 'সমাচাৰ চন্দ্ৰিকা' প্ৰকাশ কৰে। ১৮৫১ চনত মিছেছ এলিজা ব্ৰাউনে পিটাৰ পালীৰ অনুকৰণত 'ভূগোল বিবৰণ প্ৰথম ভাগ' শিৱসাগৰৰ মিচন প্ৰেছত ছপা কৰি উলিয়ায়। ১৮৫৫ চনত তেজপুৰৰ নিধিৰাম কেওট ওৰফে নিধি লিবাই ফাৰোৱেলে ই. ডব্লিউ ক্লাৰ্কৰ দ্বাৰা সংশোধিত Natural Science in Familiar Dialogue ৰ আহিত 'পদাৰ্থ বিদ্যা সাৰ অৰ্থাৎ ঈশ্বৰে সৃজা বস্তুৰ কথাত শিক্ষক-ছাত্ৰৰ কথোপকথন' শিৱসাগৰৰ পৰা প্ৰকাশ কৰে। 'পদাৰ্থ সাৰ'ৰ ২য় তাঙৰণ প্ৰকাশ পায় ১৮৭৪ চনত। ১৮৭৩ চনত লেফটেনান্ট গৱৰ্ণৰে কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাত পঢ়াশালি আৰু আদালতত অসমীয়া ভাষা পুনঃ প্ৰচলন কৰিবলৈ আদেশ জাৰি কৰে। বেপ্টিষ্ট সকলে অসমীয়া ব্যাকৰণ, অভিধান প্ৰকাশ কৰাৰ লগতে পঢ়াশলীয়া পুথি, ভূগোল, সাধাৰণ বিজ্ঞান, স্বাস্থ্য বিজ্ঞান বিষয়ক পুথি প্ৰকাশ কৰে। ১৮৮৬ (?) চনত হেমচন্দ্ৰ বৰুৱাই Way to health ৰ অসমীয়া ভাঙনি 'স্বাস্থ্য ৰক্ষা বা গা ভালে ৰাখিবৰ উপায়' প্ৰকাশ কৰে। 'বিজ্ঞানৰ বাৰেমতৰা' অন্য এখন বিজ্ঞানৰ পাঠ্যপুথি আমেৰিকান বেপ্টিষ্ট মিছনেৰী সকলে প্ৰকাশ কৰিছিল।

অসমীয়া বিজ্ঞান সাহিত্যৰ ধাৰা আবহমান কালৰ পৰাই ধীৰ গতিত প্ৰবাহিত হৈ আহিছিল আৰু সেই ধাৰা আধুনিক মুখী কৰি তোলাত উনৈশ শতিকাৰ শেষ দশককেইটাত প্ৰকাশিত অসমীয়া পঢ়াশলীয়া পাঠ্যপুথি সমূহে বিশেষ অৰিহণা যোগায়। ১৮৯৩ চনত প্ৰকাশিত পানীন্দ্ৰ নাথ গগৈৰ 'লৰাশিক্ষা' শেষ ছোৱাৰ পাতনিত লিখিছে

'.........গা ভালে ৰখাৰ নিয়মবিলাক সৰুকালৰে পৰা শিকা উচিত ; সেই কাৰণে শিয়াল, কুকুৰ, মেকুৰী আদিৰ কথা নিদি গা ভালে ৰাখিবৰ নিয়মবিলাক সহজ কথাৰে লিখা হৈছে ।' ৪৪ পৃষ্ঠাৰ শেষছোৱা 'ল'ৰা শিক্ষা'ৰ ২৭ পৃষ্ঠাৰ পৰা ৪২ পৃষ্ঠালৈ গা ভালে ৰাখিবৰ উপায়ৰ অন্তৰ্গত ভাল ঘৰ, গা আদি পৰিষ্কাৰ ৰখা, আহাৰ, পানী, পিন্ধা-কাপোৰ, টোপনি, ব্যায়াম, ৰাগীয়াল বস্তু সম্পৰ্কে সহজ-সৰল ভাষাত গৃহ আৰু স্বাস্থ্য বিজ্ঞানৰ বিষয়ে লিখিছিল । ১৯০২ চনত প্ৰকাশিত শ্ৰদ্ধাচৰণ চৌধুৰীৰ 'ল'ৰাৰ নিজা পুথি'ত পদ্য-গদ্যত জোন, বেলি, বৰষুণ, উদ্ভিদ, বায়ু, পৃথিৱী, পদাৰ্থ, ধাতু, চৰাই আদিৰ বৈজ্ঞানিক বৰ্ণনা দিছে । সত্যনাথ বৰাৰ ১৯১৬ চনত প্ৰকাশিত আধুনিক জ্যোতিৰ্বিজ্ঞানৰ ১১৯ পৃষ্ঠাৰ 'আকাশ ৰহস্য'ই পাঠ্য-পুথিৰ গণ্ডীৰ পৰা বিজ্ঞান সাহিত্যৰ গণ্ডীলৈ অসমীয়া বিজ্ঞান পুথিক ঢাল খুৱায় । মুখ-পৃষ্ঠাত লেখকে লিখিছে '......... ইয়াৰ কথাবোৰ বিজ্ঞানৰ কথা হ'লেও ল'ৰা-মতীয়া শিকাৰুৰ মনখোৱা কৰিবলৈ বিজ্ঞানৰ গহীন সাজ এৰি দি তাক সাহিত্যৰ সাজ দিয়া হৈছে ; আৰু কথাবোৰ উজু ভাষাত মোৰ ভাঙি বুজাবলৈ চেষ্টা কৰা হৈছে ।' 'আকাশ ৰহস্য'ত সৌৰ জগৎ, ৮টা গ্ৰহ (প্লুটোৰ আৱিষ্কাৰ হোৱা নাছিল সেই সময়ত), গ্ৰহাণুপুঞ্জ, সৌৰজগতৰ উৎপত্তি, গ্ৰহৰ আহ্নিক আৰু বাৰ্ষিক গতি, গ্ৰহৰ পিঠি ভাগৰ বিৱৰণ, সূৰ্য্য, উপগ্ৰহ বা চন্দ্ৰ, তৰা-ৰাজ্য, হাতী-পটি,ধূমকেতু, নেজালতৰা, পপীয়া তৰা আৰু নীহাৰিকাৰ বিষয়ে সৰল ভাষাত বৰ্ণনা কৰিছে ।

বৰ্তমান অসমীয়া বিজ্ঞান সাহিত্যৰ অৱস্থা নিৰূপণ কৰাৰ জোখাৰে বৰ্তমানলৈকে প্ৰকাশিত কোনো এখন গ্ৰন্থপঞ্জীতে বা পৰ্য্যালোচনাত বিজ্ঞান বিষয়ৰ গ্ৰন্থ সমূহৰ সঠিক বিৱৰণ বা সম্পূৰ্ণ তালিকা পোৱা নাযায় । ১৯১২ চনত হেমচন্দ্ৰ গোস্বামীয়ে সংগ্ৰহ কৰা ৭৭ খন সংস্কৃত, ১৫৬ খন অসমীয়া পুথিৰ ভিতৰত ৪ খন গণিত আৰু দুখন বনৌষধৰ পুথি, ১৯২৭ চনত কোষেশ্বৰ শৰ্মাৰ সম্পাদিত গ্ৰন্থ তালিকাৰ ৫৬৪ খন গ্ৰন্থৰ ভিতৰত স্বাস্থ্য, চিকিৎসা, কৃষি, এড়ি-মুগা পালন আৰু গণিত বিষয়ক ৩৯ খন

বিজ্ঞানমূলক গ্রন্থ, ১৯৫৮ চনৰ পৰা ১৯৭৪ চনলৈকে সম্পাদিত জাতীয় গ্রন্থসূচী তিনিখনত সৰ্মুঠ ২২৭০ খন অসমীয়া গ্রন্থৰ ভিতৰত বিজ্ঞান আৰু কাৰিকৰী বা ব্যৱহাৰিক গ্রন্থৰ অন্তৰ্গত পাঠ্য-পুথিসহ মাত্র ১২৩ খন গ্রন্থৰ নামহে পোৱা যায়। এই ১২৩ খন গ্রন্থৰ ভিতৰত অধিকাংশই হ'ল পাঠ্য-পুথি পৰ্যায়ৰ। ১৯৬৫ চনত প্রকাশিত ডঃ সত্যেন্দ্র নাথ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত'ত উল্লেখিত ১০২৫ খন অসমীয়া গ্রন্থৰ ভিতৰত মাত্র ১৬ খন বিজ্ঞান বিষয়ক, ১৯৬৭ চনত নিৰ্মলপ্রভা বৰদলৈয়ে ১৪ খন শিশু উপযোগী বিজ্ঞান পুথি আৰু লীলা গগৈ আৰু কেশৱানন্দ দেৱগোস্বামীৰ সম্পাদিত ১৯৫৬ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত প্রকাশিত গ্রন্থসমূহৰ 'অসমীয়া গ্রন্থপঞ্জী'খনত ৪৮ খন বিজ্ঞান পুথি সন্নিবিষ্ট কৰিছে। ১৯৬৭ চনত প্রকাশিত ডঃ মহেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা'ত উল্লেখিত বিজ্ঞান পুথিৰ সংখ্যা কুৰিখনতকৈ কম। ভগৱান মৰলৰ ১৯৬৯-৭০ চনত প্রকাশিত গ্রন্থপঞ্জীত ২২৪ খন গ্রন্থৰ ভিতৰত যৌন বিজ্ঞানকে ধৰি মাত্র ৭ খন বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ পুথি উল্লেখ কৰিছে। সোণেশ্বৰ শৰ্মাই ১৯৭৩ চনত 'অসমীয়া বিজ্ঞান সাহিত্য' নামৰ প্রবন্ধত ৪০ খন বিজ্ঞান গ্রন্থৰ আলোচনা কৰিছে। ডঃ কালীনাথ শৰ্মাই ১৯৫৬-৭৩ চনৰ ভিতৰত প্রকাশিত বিজ্ঞান বিষয়ক গ্রন্থ আলোচনা প্রসংগত ৫০ খন বিজ্ঞান পুথিৰ উল্লেখ কৰিছে। নন্দ তালুকদাৰে 'ঊনবিংশ শতিকাৰ শিক্ষানুষ্ঠান আৰু পাঠ্য-পুথি'ৰ আলোচনাত অংক, ভূগোল, পদাৰ্থ আৰু ভূমি পৰিমাণ বিষয়ক ৩১ খন পাঠ্য-পুথিৰ আলোচনা কৰিছে। তেখেতৰ 'বিংশ সপ্তম দশকৰ অসমীয়া পুথি' সমূহৰ আলোচনাত প্রায় তিনি-শৰো অধিক গ্রন্থৰ ভিতৰত বিজ্ঞান মূলক গ্রন্থ এখনৰো উল্লেখ নাই। ১৯৭৬ চনত বৈজ্ঞানিক আৰু উদ্যোগিক গৱেষণা পৰিষদে ১৯৬৬ চনৰ পৰা ১৯৭৫ চনলৈ প্রকাশিত ভাৰতীয় ভাষাৰ গ্রন্থ প্রদৰ্শনীত অসমীয়া ভাষাত বিজ্ঞানৰ পাঠ্য-পুথি সহ ৮৩ খন গ্রন্থই স্থান পাইছিল।

বৰ্তমানলৈকে সম্পাদনা কৰা আৰু প্রকাশ পোৱা গ্রন্থপঞ্জী সমূহত

অসমীয়া ভাষাত বিজ্ঞান পুথিৰ চৰম দীনতা পৰিস্ফুত হৈছে। বিভিন্ন সমালোচক সাহিত্যিকৰ আলোচনা পৰ্য্যালোচনা আৰু গ্ৰন্থপঞ্জী সমূহত অসমীয়া বিজ্ঞান সাহিত্যৰ প্ৰকৃত মূল্যাংকন হোৱা নাই। অৱশ্যে ই সত্য যে, অন্যান্য ভাৰতীয় ভাষাৰ দৰেই অসমীয়া ভাষাতো বিজ্ঞানৰ মৌলিক চিন্তা-চৰ্চাৰ গ্ৰন্থ প্ৰকাশ পোৱা নাই। ৰাজ্যিক ভাষা সমূহত প্ৰকাশ পোৱা অধিকাংশ গ্ৰন্থই হয় অনূদিত নহয় বিভিন্ন উৎসৰ পৰা সংগৃহিত নতুবা শিশু বা সাধাৰণ পাঠকৰ বাবে লিখা বিজ্ঞানৰ জনপ্ৰিয় গ্ৰন্থ।

এই প্ৰবন্ধটি ১৯৮০ চনলৈকে সংগ্ৰহ কৰা বিজ্ঞান আৰু কাৰিকৰী বিষয়ৰ অসমীয়া ভাষাত প্ৰকাশিত গ্ৰন্থ সমূহৰ বিস্তৃত আৰু প্ৰায় সম্পূৰ্ণ এখন অপ্ৰকাশিত গ্ৰন্থপঞ্জীৰ ওপৰত ভিত্তি কৰি যুগুতোৱা হৈছে। বৰ্ত-মানলৈকে প্ৰকাশিত আলোচনা বা গ্ৰন্থপঞ্জীৰ তথ্য অনুসৰি পাঠ্য-পুথিকে ধৰি অসমীয়া বিজ্ঞান সাহিত্যৰ গ্ৰন্থৰ সংখ্যা ৩০০ খনৰ অধিক নহয়। প্ৰকৃততে ১৮৪৫ চনত নেথান ব্ৰাউনে প্ৰথম ছপা আখৰত প্ৰকাশ কৰা অসমীয়া 'গণিতৰ পুথি'ৰ পৰা বৰ্তমানলৈকে স্কুল কলেজৰ পাঠ্য-পুথিকে ধৰি অসমীয়া ভাষাত প্ৰায় ৮০০ খন গ্ৰন্থ প্ৰকাশ পাইছে।

এই আলোচনাত স্কুল-কলেজৰ পাঠ্য-পুথি, সহায়িকা পুথি, ব্যৱহাৰিক নোট-বুক, বুলেটিন, প্ৰচাৰ-পুস্তিকা, চায়েন্স ফিক্সন, আলোচনী, মান-চিত্ৰ, কেটেলগ আদিক অন্তৰ্ভুক্ত কৰা হোৱা নাই।

সংখ্যাধিক্যৰ ক্ৰমানুসৰি বৰ্তমানলৈকে প্ৰকাশিত অসমীয়া বিজ্ঞান সাহিত্য সমূহক এনেদৰে সজাব পাৰি — চিকিৎসা বিজ্ঞান ১০২ খন, কৃষি-বিজ্ঞান—৪৬ খন, সাধাৰণ বিজ্ঞান—৪৬ খন, জ্যোতির্বিদ্যা ২২ খন, গাৰ্হস্থ্য বিজ্ঞান—২১ খন পদাৰ্থ বিজ্ঞান—২৪ খন, ভূতত্ব বিজ্ঞান – ১৮ খন, প্ৰাণীবিদ্যা—১৭ খন, নৃতত্ব— ১৪ খন, ইঞ্জিনীয়াৰিং – ১৪ খন, উদ্যোগিক উৎপাদন বিষয়ক—৮ খন, গণিত বিজ্ঞান – ৭ খন, ৰাসায়নিক শিল্প বিজ্ঞান— ৭ খন, প্ৰযুক্তি বিষয়ক – ৭ খন, উদ্ভিদ বিদ্যা – ৩ খন, বাণিজ্যিক পদ্ধতিৰ—৪ খন, ৰসায়ন—৩ খন, আৰু নিৰ্মাণ বিষয়ক—১

খন। তালিকাখনত পাঠ্য-পুথি, আলোচনী, অভিধান, কেটেলগ, বিজ্ঞান কাহিনী আৰু এটলাছক সামৰা নাই।

১৮৫৫ চনত প্ৰকাশ পোৱা 'পদাৰ্থসাৰ' আৰু 'বিজ্ঞানৰ বাবে মন্তব্য'ৰ পিছত বিজ্ঞান সাহিত্যৰ ধাৰা বহু দশকলৈ স্তব্ধ হৈ পৰে। প্ৰায় আঠটা দশকত অসমীয়া ভাষাত এখনো বিজ্ঞান সাহিত্য প্ৰকাশ পোৱা নাছিল। অসমীয়া ভাষাত বিজ্ঞান সাহিত্যৰ এক মন্থৰ ধাৰা প্ৰৱাহিত হোৱা দেখা যায় ঊনৈশ শতিকাৰ শেষ দশকৰ পৰা। এই ধাৰা, প্ৰায় তিনি দশক, কেৱল স্বাস্থ্য ৰক্ষা, আয়ুৰ্বেদিক আৰু হোমিঅ'পেথিক গ্ৰন্থ প্ৰকাশৰ মাজতে সীমাবদ্ধ আছিল। ১৮৯৮ খ্ৰীষ্টাব্দত দুৰ্গা প্ৰসাদ দত্তৰ 'সহজ চিকিৎসা' নামৰ ৫৪ পৃষ্ঠাৰ পুথিখনেই ছপা হৈ ওলোৱা অসমীয়া হোমিঅ'পেথিক চিকিৎসা বিজ্ঞানৰ সৰ্ব্বপ্ৰথম কিতাপ'।

১৮৪৫ চনৰ পৰা ১৯৮০ চনলৈকে (ডিচেম্বৰ) মুঠতে ৩৬১ খন প্ৰকাশ পোৱা বিজ্ঞান গ্ৰন্থ সাহিত্যৰ বিৱৰণ সংগ্ৰহ কৰা হৈছে। হয়তো আৰু কিছুসংখ্যক পুথি এৰিয়াও পৰ্য্যালোচনা বা সংকলনত ঠাই নোপোৱাকৈ আছে। সংগ্ৰহিত পুথিসমূহৰ বিষয় আৰু প্ৰকাশকাল বিশ্লেষণৰ পৰা দেখা যায়:-

—অসমীয়া ভাষাত চিকিৎসা বিষয়ক গ্ৰন্থ সৰ্বাধিক।

—বিংশ শতিকাৰ ৬০–৭০ ৰ ভিতৰৰ দহ বছৰত কেৱল এটা বা দুটা বিষয়তে নহয়, বিজ্ঞানৰ প্ৰায় প্ৰতিটো দিশত বিভিন্ন বিষয়ৰ ওপৰত অসমীয়া ভাষাত সৰ্বাধিক জনপ্ৰিয় বিজ্ঞান পুথি প্ৰকাশ হৈছিল। কেৱল চিকিৎসা বিষয়ক গ্ৰন্থই প্ৰকাশ পাইছিল ১৮ খন, সাধাৰণ বিজ্ঞানৰ ২০ খন কৃষি বিষয়ক ১৫ খন, পদাৰ্থবিজ্ঞানৰ ১৩ খন আৰু ইঞ্জিনীয়াৰিং বিষয়ৰ ১০ খন। একমাত্ৰ নিৰ্মাণ বিষয়ক গ্ৰন্থখনৰ প্ৰকাশো হৈছিল ১৯৬১ চনত। ১৯৮০ চনটোৰ ভিতৰত অসমীয়া ভাষাত ৭ খনহে বিজ্ঞান পুথি প্ৰকাশ পাইছে। ●

অন্যান্য ভাৰতীয় ভাষাৰ বিজ্ঞান সাহিত্যৰ তুলনাত অসমীয়া বিজ্ঞান সাহিত্যৰ স্থান।

শ্ৰীবিষ্ণু ৰাম ভূঞা।

কোনো এক ভাষাৰ শ্ৰেষ্ঠতা ঘাইকৈ সেই ভাষাত সৃষ্ট প্ৰকাশন সমূহৰ গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰে। সংখ্যাধিক্যৰ মাপ কাঠিৰেও বহুতে কোনো এক ভাষাৰ ঐশ্বৰ্য্য বা বিশালতা নিৰূপণ কৰাৰ প্ৰচেষ্টা কৰে। সাধাৰণ সাহিত্যৰ ক্ষেত্ৰত প্ৰথম উক্তিটোৱে যথাৰ্থতা বহন কৰে যদিও বিজ্ঞান বা ব্যৱহাৰিক সাহিত্যৰ ক্ষেত্ৰত দ্বিতীয় উক্তিটোও নুই কৰিব নোৱাৰি। বৰ্ত্তমান ভাষাগত ভাৱে বিশ্বৰ বিজ্ঞান-সাহিত্য (গ্ৰন্থ)ৰ স্থান ইংৰাজীৰ ৫৫%, জাৰ্মান ১০%, ৰুছ ১০%, ফৰাচী ৯%, স্পেনীয় ২%, জাপানী ২% আৰু অন্যান্য ২%। (১) গতিকে বিভিন্ন ভাষাৰ সাহিত্যৰ গুণাগুণ বা মূল্যাংকন নিৰূপণ নকৰাকৈয়ে আমি ইংৰাজী ভাষাক সংখ্যাৰ দিশৰ পৰাই শ্ৰেষ্ঠ বুলি আখ্যা দিয়াটো অশুদ্ধ নহ'ব। কাৰণ, প্ৰকাশনৰ এই গৰিষ্ঠ পৰিমাণে ভাষাটোৰ বিস্তৃতি আৰু প্ৰসাৰতাৰ কথা সূচায়।

উপৰোক্ত পৰিসংখ্যাই বিশ্বৰ বিজ্ঞান বা ব্যৱহাৰিক সাহিত্যত বিভিন্ন ভাষা সমূহৰ অৱদান স্পষ্ট ভাৱে দাঙি ধৰে। বৰ্ত্তমান বিশ্বত প্ৰায় ৫০০০ মান ভাষা আছে। (ভাৰতত এনে ভাষা ২০০ মান আছে।) এই ভাষা সমূহৰ ৫ শতাংশমান ভাষায়ো যদি বিজ্ঞান-সাহিত্য সৃষ্টি কৰে বুলি ধৰা হয়, তেনেহ'লে প্ৰায় ২৪০ টা মান ভাষাই বিশ্ব সাহিত্যলৈ মাত্ৰ ২ শতাংশহে অৰিহণা যোগাইছে। সেই দৃষ্টিৰ ফালৰ পৰা ভাৰতীয় ভাষা সমূহে বিশ্বৰ বিজ্ঞান সাহিত্যলৈ যোগোৱা অৱদান অতি নগণ্য। ভাৰতীয় অন্যান্য ভাষাৰ বিজ্ঞান সাহিত্যৰ তুলনাত অসমীয়া বিজ্ঞান

সাহিত্যৰ অৱস্থা অতি চালুকীয়া। গুণাগুণৰ বিচাৰ বিশ্লেষণ কৰাৰ প্ৰশ্নই হয়তো উত্থাপন কৰিব পৰা নাযাব। বৰ্ত্তমান এই আলোচনাটিত সেয়েহে গুণাগুণৰ দিশতকৈ সাংখ্যিক দিশৰ পৰাহে অসমীয়া বিজ্ঞান সাহিত্যক অন্যান্য ভাৰতীয় ভাষাৰ বিজ্ঞান সাহিত্যৰ সৈতে তুলনা কৰাৰ প্ৰয়াস কৰা হ'ল।

গ্ৰন্থ সাহিত্য ঃ

স্বাধীনতাৰ পূৰ্ববৰ্তী কালচোৱাত আমাৰ বিজ্ঞান সাহিত্য প্ৰধানতঃ পাঠ্য-পুথিৰ মাজতে সীমাবদ্ধ হৈ আছিল যদিও ব্যৱহাৰিক সাহিত্য ৰচনাৰ এটা ক্ষীণ প্ৰৱাহ বহুদিন পূৰ্বৰে পৰা চলি আছিল। স্বাধীনোত্তৰ কালচোৱাত এই সোঁত তুলনামূলক ভাৱে প্ৰবল হয়।

অসমীয়া ভাষাৰ এখন নিৰ্ভৰযোগ্য গ্ৰন্থপঞ্জীৰ অভাৱ হেতু আমাৰ ভাষাত বৈজ্ঞানিক গ্ৰন্থ সমূহৰ কোনো সঠিক সংখ্যা বা বিৱৰণ পোৱা নাযায়। ১৮৮৫ চনত কনকলাল বৰুৱা আৰু ৰমাকান্ত বৰকাকতীৰ যুগ্ম সম্পাদনাত অসমৰ প্ৰথমখন গ্ৰন্থ তালিকা প্ৰকাশ পাইছিল। (২) এই ৫৮ পৃষ্ঠাৰ পুথিখনত ৭৩০ খন পুথিৰ বিৱৰণ পোৱা যায়। ১৯৩০ চনত হেমচন্দ্ৰ গোস্বামীয়ে "অসমীয়া পুথিৰ বিৱৰণাত্মক পুথি তালিকা" (A descriptive Catalogue of Assamese Manuscript) নামৰ এখন পুথি তালিকা যুগুত কৰি কলিকতা বিশ্ববিদ্যালয়ৰ যোগেদি প্ৰকাশ কৰে। (৩) ইয়াৰ আগতে ১৯২৭ চনত যোগেশ্বৰ শৰ্ম্মাই (৪) অসম সাহিত্য সভাৰ লাইব্ৰেৰীত থকা অসমীয়া কিতাপৰ এখন তালিকা যুগুত কৰিছিল। তালিকাখনত ৫৬৪ খন গ্ৰন্থ অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰে ৩৯ খন গ্ৰন্থ স্বাস্থ্য, চিকিৎসা, কৃষি, এড়ি-মৃগা পালন আৰু গণিত বিষয়ক। অৱশ্যে ইয়াৰে ১৫ খন গ্ৰন্থ পাঠ্য-পুথি যেন লাগে। ১৯৫৭ চনৰ শেষ ভাগৰ পৰা 'ডেলিভাৰী অৱ বুকছ এণ্ড নিউজ পেপাৰ (পাবলিক লাইব্ৰেৰী) এক্ট' অনুযায়ী ভাৰতৰ ভাষা সমূহৰ প্ৰকাশনৰ গ্ৰন্থ-সূচী প্ৰকাশৰ ব্যৱস্থা হোৱাত ১৯৫৮ চনৰ পৰা অসমীয়া ভাষাৰ প্ৰকাশনৰো গ্ৰন্থ-সূচী প্ৰকাশ কৰা হয়। সস্তীয়া উপন্যাস, পাঠ্য-পুথিৰ

সহায়ক আৰু অস্থায়ী প্ৰকাশৰ বাহিৰে ইয়াত ব্যক্তি বিশেষ, অনুষ্ঠান, চৰকাৰৰ সমগ্ৰ প্ৰকাশনকে স্থান দিয়া হৈছে। এই গ্ৰন্থ-সূচী মতে ১৯৫৮—৬৩, ১৯৬৫—৭০ আৰু ১৯৭১—৭৪ চনৰ * ভিতৰৰ কালচোৱাত প্ৰকাশিত গ্ৰন্থ তলত উল্লেখিত ধৰণৰ:

কাল	বিজ্ঞান	কাৰিকৰী বা ব্যৱহাৰিক	অন্যান্য	মুঠ
১৯৫৯—১৯৬৩ (৫ বছৰ)	২১	১৭	৪৯২	৫৩০
১৯৬৭—১৯৭০ (৪ বছৰ)	৩১	২৩	৭৬৯	৮২৩
১৯৭১—১৯৭৪ (৪ বছৰ)	১৪	১৭	৭৮৬	৮১৭
	৬৬	৫৭	২০৪৭	২২৭০

এই তথ্যৰ পৰা জনা যায় যে উল্লেখিত তেৰটা বছৰত অসমত মুঠ ২২৭০ খন গ্ৰন্থ প্ৰকাশ হৈছিল। তাৰ ভিতৰত ৬৬ খন বিজ্ঞান বিষয়ক আৰু ৫৭ খন কাৰিকৰী শিক্ষা সম্পৰ্কীয়। এই তথ্যখিনিয়ে সেই কালচোৱাৰ অসমীয়া বিজ্ঞান সাহিত্যৰ মাত্ৰ ওচৰা-ওচৰি সংখ্যা এটাহে দিয়ে। ইয়াৰ প্ৰধান কাৰণ হ'ল— সকলো প্ৰকাশকে তেওঁলোকৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ সমূহ কলিকতাৰ কেন্দ্ৰীয় গ্ৰন্থগাৰলৈ নপঠায়। দ্বিতীয়তে, এই গ্ৰন্থ সমূহৰ ভিতৰত পাঠ্য-পুথি আৰু আলোচনী বাতৰি কাকতৰ (প্ৰথম সংখ্যা) বিৱৰণকো অন্তৰ্ভুক্ত কৰা হৈছে। ১৯৬৪ চনত ডঃ মহেশ্বৰ নেওগে [৫] তেখেতৰ দ্বাৰা ৰচিত "অসমীয়া সাহিত্যৰ ৰূপৰেখা"ত পুথি আলোচনীকে ধৰি দেড়শ'ৰো অধিক (১৩১৭) গ্ৰন্থৰ নাম উল্লেখ কৰিছে। তাৰ ভিতৰত ঠাই পোৱা ব্যৱহাৰিক সাহিত্য বিষয়ক গ্ৰন্থৰ পৰিমাণ কুৰিখনৰো কম। ১৯৬৫ চনৰ ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাৰ [৬] "অসমীয়া সাহিত্যৰ ইতিবৃত্ত"ত উল্লেখ কৰা এহেজাৰৰো অধিক (১০২৫) গ্ৰন্থৰ মাত্ৰ ১৬ খন বিজ্ঞান বা ব্যৱহাৰিক সাহিত্য বিষয়ক। ১৯৬৭ চনত ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে

* তথ্যখিনি কলিকতাৰ চেণ্ট্ৰেল ৰেফাৰেন্স লাইব্ৰেৰীৰ সহ-সম্পাদক শ্ৰীকুল গগৈৰ পৰা (অপ্ৰকাশিত) ব্যক্তিগত ভাৱে সংগ্ৰহ কৰা।

(৭) শিশু সাহিত্যৰ শিতানত ১৪ খন বিজ্ঞান পুথিৰ কথা উল্লেখ কৰিছে। ভগৱান মৰলে ১৯৬৯—৭০ চনত প্ৰকাশিত গ্ৰন্থপঞ্জীৰ মুঠ ১১৪ খন গ্ৰন্থৰ ভিতৰত যৌন বিজ্ঞানকে ধৰি মাত্ৰ ৭ খন বিজ্ঞান আৰু কাৰিকৰি শিক্ষাৰ পুথি অন্তৰ্ভুক্ত কৰিছে। অসম সাহিত্য সভাই লীলা গগৈ আৰু কেশৱানন্দ দেৱগোস্বামীৰ সম্পাদনাত প্ৰকাশ কৰা ১৯২৬ চনৰ ১লা জানুৱাৰীৰ পৰা ১৯৭০ চনৰ ৩১ ডিচেম্বৰলৈকে ১৫ বছৰত প্ৰকাশিত অসমীয়া সাহিত্য আৰু অসমৰ বিষয়ে লেখা ইংৰাজী আৰু হিন্দী গ্ৰন্থ সমূহৰ এখন গ্ৰন্থপঞ্জী (৮) প্ৰকাশ কৰিছে। ইয়াত ৯৮ খন ইংৰাজী আৰু ৫ খন হিন্দী ভাষাৰ গ্ৰন্থকে ধৰি মুঠ ১৯৬৮ খন গ্ৰন্থৰ বিৱৰণ দিয়া হৈছে। ইয়াৰ মাত্ৰ ৪৮ খন বিজ্ঞান বিষয়ক গ্ৰন্থ। সোনেশ্বৰ শৰ্মাৰ (৯) ১৯৭৩ চনত অসমীয়া বিজ্ঞান সাহিত্যৰ ওপৰত এটা গভীৰ অধ্যয়ন প্ৰকাশ পাইছে। তেখেতৰ অধ্যয়নত ছকুৰিখন বিজ্ঞান বিষয়ক গ্ৰন্থৰ উল্লেখ আছে। ইয়াৰ সৰহ সংখ্যক শিশু-উপযোগী গ্ৰন্থ। বিজ্ঞান বিষয়ক মৌলিক আৰু উচ্চমান বিশিষ্ট শিশু গ্ৰন্থৰ অভাৱৰ কথা আৰু বিজ্ঞান বুৰঞ্জী আৰু আচৰণ-বিধি বিষয়ক বিজ্ঞান পুথিৰ দৈন্যৰ কথা তেখেতে আঙুলিয়াইছে। ড়ঃ কালীনাথ শৰ্মাই (১০) ১৯২৬—৭৩ চনত ভিতৰত প্ৰকাশিত বিজ্ঞান বিষয়ক গ্ৰন্থ সমূহ আলোচনা কৰোঁতে মুঠ ৫০ খন গ্ৰন্থৰ নাম উল্লেখ কৰিছে। নন্দ তালুকদাৰৰ (১১) 'বিংশ সপ্তম দশকৰ অসমীয়া পুথি সমূহ পৰ্য্যালোচনা কৰোঁতে প্ৰায় তিনিশৰো অধিক গ্ৰন্থৰ বিষয়ে উল্লেখ কৰিছে। কিন্তু এই গ্ৰন্থ সমূহত এখনো বিজ্ঞান বা ব্যৱহাৰিক সাহিত্যৰ গ্ৰন্থৰ উল্লেখ নাই। ইয়াৰ উপৰিও নগেন চৌধুৰী (১২) দুৰ্গেশ্বৰ শৰ্মা (১৩) আদিয়েও অসমীয়া সাহিত্যত বিজ্ঞান বিষয়ক সাহিত্যৰ অভাৱৰ কথা প্ৰকাশ কৰিছে।

এই পৰিসংখ্যা মতে (১৪) ১৯৭৩—৭৬ চনৰ ভিতৰত অসমীয়া ভাষাত ৬৭৭, বঙলাত ৪০৯১, গুজৰাটী ২৫১৫, হিন্দী ৭০৯৬, কানাড়ী ৩১৩৮, তামিল ৩২৬৯, মালায়লাম ১৮৩৮, মাৰাঠী ৪২৩৭, উড়িয়া

৬২০, পাঞ্জাবী ৯৩৮, তেলেগু ১১২০, উৰ্দু ১০৭৮, সংস্কৃত ২৩৯ আৰু অন্যান্য ভাষাত ২১২ খন গ্ৰন্থ প্ৰকাশ পাইছিল। দেখা গ'ল, ভাৰতৰ স্বীকৃত ভাষা সমূহৰ সিন্ধ্ৰী, কাশ্মিৰী, সংস্কৃত আৰু উড়িয়া ভাষাৰ বাহিৰে অসমীয়াত আটাইতকৈ কম সংখ্যক (২.১৮%) গ্ৰন্থ প্ৰকাশ হৈছিল। প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰিব পাৰি যে ১৯৭৪ চনৰ বছৰটোত সমগ্ৰ বিশ্বত ৫,৭১,০০০ খন নতুন গ্ৰন্থ প্ৰকাশ হৈছিল। সেই সময়চোৱাত ভাৰতীয় ভাষাবোৰত প্ৰকাশ হোৱা ৬১৪৬ খন গ্ৰন্থ বিশ্ব গ্ৰন্থৰ তুলনাত মাত্ৰ ১.০৭৬ শতাংশহে।

১৯৭৬ চনত বৈজ্ঞানিক আৰু উদ্যোগিক গৱেষণা পৰিষদে (১৫) ১৯৬৬ চনৰ পৰা ১৯৭৫ চনলৈ এই দহ বছৰৰ ভিতৰত ভাৰতীয় ভাষা আৰু ইংৰাজীত প্ৰকাশিত বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ সাধাৰণ গ্ৰন্থ, গণিত, জ্যোতিৰ্বিদ্যা, পদাৰ্থবিদ্যা, ৰসায়ন, ভূবিদ্যা, জীৱাশ্মবিদ্যা, নৃতত্ত্ব আৰু জীৱবিজ্ঞান, উদ্ভিদবিদ্যা, প্ৰাণীবিদ্যা, চিকিৎসাবিজ্ঞান, অভিযান্ত্ৰিক, কৃষি, গাৰ্হস্থ্যবিজ্ঞান, বাণিজ্য বিজ্ঞান, ৰসায়নিক প্ৰযুক্তি বিজ্ঞান, উৎপাদন আৰু নিৰ্মাণ উদ্যোগৰ পাণ্ডিত্যপূৰ্ণ আৰু স্নাতক-স্নাতকোত্তৰ মহলাৰ উচচ মানবিশিষ্ট পাঠ্য-পুথি সমূহৰ প্ৰদৰ্শনী আয়োজন কৰিছিল। প্ৰদৰ্শিত গ্ৰন্থ সমূহৰ সংখ্যা ভাষাগত ভাৱে এনে আছিল:

হিন্দী ৬৮৮, তামিল ৫৫২, মালায়লাম ৫১২, গুজৰাটী ২৯০, কানাড়া ২৬৯, বঙলা ২৫৫, তেলেগু ১৯২, পাঞ্জাবী ১৪২, উড়িয়া ৯৯, অসমীয়া ৮৩, সংস্কৃত ৫৫, মাৰাঠী ৫০, আৰু উৰ্দুৰ ২৪ খন।

দেখা গ'ল বিজ্ঞান সাহিত্যত ভাৰতৰ স্বীকৃতি প্ৰাপ্ত ভাষা সমূহৰ মানত অসমীয়া ভাষাৰ স্থান দশম। সেই কালচোৱাত বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞান বিষয়ক ২০৭ খন গ্ৰন্থৰ ভিতৰত অসমীয়াত মাত্ৰ ৫ খন, চিকিৎসা বিষয়ক ৬৯৯ খন গ্ৰন্থৰ ভিতৰত অসমীয়াত ১২ খন, অংকৰ ২২৫ খনৰ ভিতৰত অসমীয়াত মাত্ৰ ১২ খন, ৰসায়ন বিজ্ঞানৰ ১৮৯ খনৰ ভিতৰত ৪ খন, ভূবিদ্যা ১০৮ খনৰ ভিতৰত ৩ খন, জীৱাশ্মবিদ্যাত ১৭ খনৰ ভিতৰত ১ খন, নৃতত্ত্ব আৰু জীৱবিদ্যাত ১৩৪ খনৰ

ভিতৰত ৩ খন, প্ৰাণীবিদ্যাত ১০৩ খনৰ ভিতৰত ৫ খন, কৃষি বিষয়ক ৩৭০ খনৰ ভিতৰত অসমীয়াত ৭ খন, গাৰ্হস্থ্য বিজ্ঞানৰ ১২৪ খনৰ অসমীয়া ৪ খন আৰু উৎপাদন বিষয়ত ৮২ খন ভাৰতীয় গ্ৰন্থৰ ভিতৰত অসমীয়া ভাষাত প্ৰকাশ পাইছিল ১ খন। ১০ বছৰৰ কালচোৱাত জ্যোতিবিদ্যা, ব্যৱসায় ব্যৱস্থাপনা, ৰাসায়নিক প্ৰযুক্তিবিদ্যা আৰু নিৰ্মান উদ্যোগৰ ভাৰতীয় ভাষা সমূহৰ ক্ৰমে ৬৫, ১৩৬, ৮৮ আৰু ১৮ খন গ্ৰন্থৰ ভিতৰত অসমীয়া ভাষাত এখনো উক্ত বিষয়ৰ-গ্ৰন্থ প্ৰকাশ পোৱা নাছিল।

সমগ্ৰ বিশ্বত এবছৰত প্ৰায় ৭০-৭৫ হাজাৰখন নতুন বৈজ্ঞানিক গ্ৰন্থ প্ৰকাশ পায়। গড় হিচাবত ভাৰতীয় ভাষাত প্ৰতি বছৰে মাত্ৰ ৩২০ খন মানহে কিতাপ প্ৰকাশ পায়। অন্যহাতে বিজ্ঞানী আৰু কাৰিকৰী লোকৰ ফালৰ পৰা ভাৰতৰ স্থান আমেৰিকা আৰু ৰুছ দেশৰ পিছতে। ভাৰতীয় বিজ্ঞান সাহিত্যৰ এনে দুখলগা অৱস্থা হলেও ভাৰতীয় বিজ্ঞানী আৰু কাৰিকৰী লোকে বিশ্বৰ বিজ্ঞান সাহিত্যলৈ প্ৰধানকৈ ইংৰাজী ভাষাৰ মাধ্যমেৰে প্ৰায় ২৭% বৰঙণি যোগায়। মন কৰিবলগীয়া বিষয় যে আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, ৰাছিয়া, পশ্চিম জাৰ্মানি, ফৰাছী, জাপান, কানাডা, অষ্ট্ৰেলিয়া আৰু ইটালী—এই ৯ খন উন্নত দেশে বিশ্বৰ বিজ্ঞান সাহিত্যলৈ ৮২% অৰিহণা যোগায়।

বিজ্ঞান আলোচনী

চিন্তাৰ বাহক হিচাবে আলোচনীৰ স্থান অদ্বিতীয়। আলোচনীয়ে চিন্তা জগতত গতিশীলতা প্ৰদান কৰে।

১৮৬৪ চনত বেপ্টিষ্ট মিছনাৰী সকলে 'অৰুনোদই' কাকত উলিওৱাৰ দিনৰেপৰা বৰ্ত্তমানলৈকে আনুমানিক তিনিশৰো অধিক আলোচনীয়ে অসমীয়া ভাষাত ভুমুকি মাৰিছে। তাৰে হয়তো ১০% ও জীৱিত অৱস্থাত নাই। অসমৰ বিভিন্ন শিক্ষানুষ্ঠান সমূহৰ পৰাও বুজন সংখ্যাৰ মুখপত্ৰ প্ৰকাশ পাই আহিছে। আলোচনী আৰু বাতৰি কাকত বিলাকত বৈজ্ঞানিক আৰু ব্যৱহাৰিক বিজ্ঞানৰ প্ৰৱন্ধ-

পাতি ওলোৱাৰ বাহিৰে অসমীয়া ভাষাত বিজ্ঞান চৰ্চা হোৱা নাই বুলিবই পাৰি। স্বাস্থ্য বিষয়ক অধুনালুপ্ত 'আমাৰ স্বাস্থ্য' আৰু 'স্বাস্থ্য-প্ৰদীপ, দুখন লেখত লবলগীয়া আলোচনী আছিল। অসমীয়া ভাষাত বৰ্তমান ৩ খন বিজ্ঞান আলোচনী ধাৰাবাহিক ভাৱে প্ৰকাশ পাই আহিছে। ইয়াৰ ভিতৰত 'অসম বিজ্ঞান সমিতি'ৰ 'বিজ্ঞান জেউতি' আৰু কৃষি বিশ্ববিদ্যালয় আৰু ৰাজ্যিক জনশিক্ষা বিভাগৰ প্ৰচাৰধৰ্মী আলোচনী 'কৃষিবীক্ষণ' আৰু 'জনশিক্ষা'। উত্তৰ লক্ষীমপুৰ বিজ্ঞান সমিতিৰ 'বিজ্ঞান বাৰ্তা' আৰু মাহেকীয়া 'বিজ্ঞান ভাৰতী' নকৈ প্ৰকাশ পোৱা বিজ্ঞান আলোচনী, তদুপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ 'পদাৰ্থ বিজ্ঞান পত্ৰিকা' নামৰ উচ্চ খাপৰ বিজ্ঞান আলোচনীৰ দুটা বছেৰেকীয়া সংখ্যা প্ৰকাশ পাইছে। সত্তৰ দশকত 'লহৰ' নামৰ এখন বিজ্ঞান ধৰ্মী আলোচনীৰ কেইটামান সংখ্যা ওলাইছিল।

ভাৰতৰ 'ৰেজিষ্ট্ৰাৰ অব্ নিউজ-পেপাৰছ'ৰ মতে ১৯৮০ চনৰ ৩১ ডিছেম্বৰলৈকে ইংৰাজী ভাষাক বাদ দি বিভিন্ন ভাৰতীয় ভাষা সমূহত সৰ্বমুঠ ৮৭৮৯ খন বাতৰিকাকত আৰু আলোচনী প্ৰকাশিত হৈছিল। মাত্ৰ ৩৮ খন সংবাদপত্ৰ আৰু আলোচনী লৈ ভাৰতীয় ভাষাত অসমীয়া ভাষাৰ স্থান ত্ৰয়োদশ। মাত্ৰ সংস্কৃত আৰু কাশ্মিৰী ভাষাৰ স্থানহে অসমৰ তলত। অসমীয়া আলোচনী আৰু সংবাদ পত্ৰৰ পৰিমান ভাৰতৰ সমগ্ৰ ভাৰতীয় ভাষাৰ আলোচনীৰ মাত্ৰ ০.৪ শতাংশ। আনহাতে অসমৰ জনসংখ্যা ভাৰতৰ জনসংখ্যাৰ প্ৰায় ২.৬৭% আৰু সাক্ষৰতাৰ হাৰো সৰ্বভাৰতীয় ভাষাৰ তুলনাত বৰ বেচি কম নহয়। (অসমৰ সাক্ষৰতা ২৭.৪%, সৰ্বভাৰতীয় সাক্ষৰতা ২৯.৪৫%)

১৯৬৪ চনত INSDOC এ ভাৰতীয় বৈজ্ঞানিক আলোচনী বিলাকৰ এখন ডাইৰেক্টৰী প্ৰকাশ কৰে। ইয়াত ভাৰতত ১৯৬৩ চনৰ শেষলৈকে প্ৰকাশ হৈ থকা ৭১৫ খন বিজ্ঞান আলোচনীৰ ভিতৰত ৬২৩ খন ইংৰাজীত, ৬১ খন ভাৰতীয় ভাষাত আৰু ১ খন ফৰাচী ভাষাৰ। জাতীয় ভাষাসমূহৰ আলোচনীৰ ভিতৰত ৩৩ খন হিন্দী, ৬ খন

মাৰাঠী, ৫ খনকৈ গুজৰাটী আৰু তেলেগু ভাষাত আৰু ৪ খনকৈ বঙলা আৰু কানাড়া ভাষাত প্ৰকাশিত। এই তালিকাত অসমীয়া ভাষাত এখনো আলোচনী নাছিল।

১৯৬৭ চনত বৈজ্ঞানিক আৰু উদ্যোগিক গৱেষণা পৰিষদে প্ৰকাশ কৰা (২০) ভাৰতীয় ভাষাত বিজ্ঞান বিষয়ক আলোচনীৰ এটা সমীক্ষা প্ৰকাশ কৰিছে। ইয়াত ১৯৬৭ চনত ভাৰতত ৭৭০ খন আলোচনী প্ৰকাশ পাইছিল। ইয়াৰ ৭০০ খন ইংৰাজী ভাষাত আৰু বাকী ৭০ খন ভাৰতীয় ভাষাত। ভাৰতীয় ভাষাবোৰৰ আলোচনী বিলাকৰ সংখ্যা এনেধৰণৰ: হিন্দী- ৩৭, কানাড়া আৰু মাৰাঠী ৬ খনকৈ, বঙলা, গুজৰাটী আৰু তেলেগু—৫ খনকৈ, তামিল— ১খন আৰু উৰ্দু, মালায়লাম আৰু অসমীয়া ভাষাত এখনকৈ। হিন্দী ভাষাত ৩৭ খন আলোচনীৰ সাধাৰণ বিজ্ঞানৰ ৮ খনৰ উপৰিও ভূ-বিদ্যাৰ ১খন, প্ৰাকৃতিক বিজ্ঞানৰ ১০ খন, নৃতত্বৰ ১ খন, স্বাস্থ্য বিজ্ঞানৰ ৬ খন, কৃষিৰ ১৪ খন, জীৱ বিজ্ঞানৰ ২১ খন, আভিযান্ত্ৰিক আৰু প্ৰযুক্তি বিজ্ঞানৰ ২১ খন, ব্যৱহাৰিক বিজ্ঞানৰ ৫ খন, ব্যৱসায় ব্যৱস্থাপনাৰ ১ খন আৰু উদ্যোগ ব্যৱস্থাপনাৰ ১ খন—এ বিজ্ঞান বিষয়ক প্ৰবন্ধ-পাতি প্ৰকাশ কৰে।

বিভিন্ন ভাৰতীয় ভাষাৰ বিজ্ঞান আলোচনী সমূহে সামৰা বিষয় সমূহৰ তালিকা প্ৰবন্ধৰ শেষৰ ফালে সুকীয়াকৈ দিয়া হ'ল। (তালিকা-১)

আজি ৭ বছৰমান পূৰ্বে ভাৰতীয় বিজ্ঞান পত্ৰিকা সমিতিৰ সভাপতি ডঃ নায়াৰে ভাৰতীয় বিজ্ঞান বিষয়ক আলোচনী সমূহৰ বৃদ্ধিৰ হাৰৰ ওপৰত এটা সমীক্ষা প্ৰকাশ কৰিছিল। তেওঁৰ মতে ১৯৭৩ চনৰ আৰম্ভণী কালচোৱাত ভাৰতত এবাৰ হাজাৰখন আলোচনীৰ প্ৰতি ১২ খনত এখন বিজ্ঞান আলোচনী। এই সমীক্ষামতে ১৯৭৩ চনত ভাৰতত ৯১৭ খন বিজ্ঞান বিষয়ক আলোচনী প্ৰকাশ পাইছিল। ইয়াৰে ৫২৬ খন ইংৰাজী ভাষাৰ, ৯৫ খন দ্বিভাষিক আৰু ১৫ খন বহুভাষিক। ১৯৬৩—৭০ এই কালচোৱাত উৰ্দু, তেলেগু, উড়িয়া, কাশ্মিৰী, সিন্ধী ভাষাৰ বাহিৰে অন্য ভাষাসমূহত দেখপ'ৰা অধিক আলোচনী যোগ

তালিকা-১

	সাধাৰণ বিজ্ঞান	ভূবিজ্ঞান	শাৰীৰিক প্ৰাকৃতিক	নৃতত্ত্ব	চিকিৎসা	কৃষি	জীৱ বিজ্ঞান	আভিযান্ত্ৰিক প্ৰযুক্তি	ৰাসায়নিক প্ৰযুক্তি	ব্যৱহাৰিক	ব্যৱসায়	উদ্যোগ ব্যৱস্থাপনা	ব্যৱসায় উদ্যোগ ব্যৱস্থাপনা	মুঠ
অসমীয়া	১	–	–	–	–	–	–	–	–	–	–	–	–	১
বঙলা	১	১	২	–	২	১	৩	–	–	–	–	–	–	৫
গুজৰাটী	১	–	১	–	–	২	২	–	১	১	১	–	১	৫
হিন্দী	৮	২	১০	১	৬	১৪	২১	৩	১	৫	১	–	১	৩৭
কানাড়া	–	–	–	–	–	৫	৫	–	১	১	–	–	–	৬
মালায়ালম	–	–	–	–	–	১	১	–	–	–	–	–	–	১
মাৰাঠী	১	–	১	–	২	২	৪	–	–	–	১	–	১	৬
তেলেগু	–	–	–	–	৩	২	৫	–	–	–	–	–	–	৫
তামিল	–	–	–	–	–	–	–	১	–	১	–	১	১	২
উৰ্দ্দু	–	–	–	–	–	–	–	–	–	–	–	১	১	১
মুঠ	১২	৩	১৪	১	১৩	২৭	৪১	৪	৪	৮	৩	২	৩	৬৯

[তথ্যখিনি গ্ৰন্থপঞ্জীত অন্তৰ্ভুক্ত কৰা ২০ নং উৎসৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে ।]

হ'ল। কিন্তু অসমীয়া ভাষাত এই সুদীৰ্ঘ কালচোৱাত আলোচনীৰ সংখ্যা মাত্ৰ এখনেই জন্ম হ'ল।

ভাৰতীয় ভাষাত ১৯৬৩-৭৩ চনৰ ভিতৰত আলোচনীৰ প্ৰকাশ এনেধৰণৰ :

তালিকা ২

ভাষা	১৯৬৩	১৯৭৩	বৃদ্ধি
হিন্দী	৬২	১০৩	৪১
অসমীয়া	০	১	১
বঙলা	১৫	২২	৭
গুজৰাটী	১৪	২৫	১১
কানাড়া	৬	১৬	১০
মালায়ালম	১০	১৬	৬
মাৰাঠী	১১	২৫	১৪
উড়িয়া	২	২	—
পাঞ্জাৱী	৫	১১	৬
তামিল	১৬	১৯	৩
তেলেগু	১০	১০	—
উৰ্দু	২৮	১৯	–৯
দ্বিভাষিক	৪৫	৯৫	৫০
বহুভাষিক	৮	২৫	১৭
অন্যান্য	১	১	—
	২৪৩	৪০০	১৫৭

ঃ নায়াৰৰ ১৯৬৩ চনৰ আলোচনীৰ সংখ্যাটো INSDOC [১৯] আৰু CSIR [২০] ৰ লগত সংগতিপূৰ্ণ নহয়। ইয়াৰ কাৰণ হয়তো ডঃ নায়াৰে অন্তৰ্ভুক্ত কৰা ভালেখিনি আলোচনী অন্য দুটা সমীক্ষাত অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। সি যি কি নহওক আটাইকেইটা পৰিসংখ্যাৰ পৰা অসমীয়া ভাষাত বিজ্ঞান বিষয়ক আলোচনীৰ নিৰুৎসাহজনক অৱস্থাটো স্পষ্ট হৈ উঠে। ১৯৭৫ চনৰ পিছত ভাৰতীয় ভাষা বিলাকত বিভিন্ন বিষয়ৰ ওপৰত ভালেমান নতুন আলোচনী প্ৰকাশ হ'ল। কিন্তু অসমীয়া ভাষাত বিজ্ঞান আলোচনীৰ কোনো বৃদ্ধি নহ'ল।

বৰ্তমান বিশ্বত বৈজ্ঞানিক তথ্যৰ বিস্ফোৰণ ঘটিছে। এনে অৱস্থাত আমি বিজ্ঞান পুথিক অৱহেলা কৰি হাত সাবটি থাকিলে পংগু হৈ যাম। অসমীয়া ভাষা বিশ্ব-বিদ্যালয়ৰ স্নাতক মহলালৈকে শিক্ষাৰ মাধ্যম হোৱাৰ পৰিপ্ৰেক্ষিতত আমাৰ সাহিত্য, বিশেষকৈ বৈজ্ঞানিক সাহিত্যৰ উৎকৰ্ষ সাধন আৰু বহুল প্ৰচাৰৰ অতীৱ প্ৰয়োজন হৈছে। আনহাতে আন্তৰ্জাতিক আৰু জাতীয় সেৱা বা বৃত্তিমূলক প্ৰতিযোগিতাত সফলতাৰ বাবে আমাৰ জ্ঞানৰ পৰিধি বিস্তৃত কৰিব লাগিব। এই ক্ষেত্ৰতো অসমীয়া বিজ্ঞান বিষয়ক সাহিত্যৰ দ্ৰুত উৎকৰ্ষ আৰু বহুল প্ৰচলনৰ অতীৱ প্ৰয়োজন হৈ পৰিছে। ●

গ্ৰন্থপঞ্জী

১। Peershi V.: Science and International language. Scientific world,, 1977, 21(2), 9–12

২। তালুকদাৰ, নন্দ : উন্নতি সাধিনি সভা, জোনাকী আৰু কনকলাল, আমাৰ প্ৰতিনিধি, ১৯৭২. ১৩(৪), ৫৫৭।

৩। শৰ্মা, সত্যেন্দ্ৰ নাথ : অসমীয়া সাহিত্যৰ ইতিবৃত্ত, পাঠশালা, বাণী প্ৰকাশ, ৪৯, ১৯৬৫, ৩৬৮

৪। শৰ্মা, যোগেশ্বৰ : অসম সাহিত্য সভাৰ লাইব্ৰেৰীৰ অসমীয়া বিভাগৰ

কিতাপৰ তালিকা, অসম সাহিত্য-সভা পত্ৰিকা, আহিন ১৮৪৮-ভাদ ১৮৪৯, ১, ২৪৪—৫১

৫। নেওগ, মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা, গুৱাহাটী, লয়াৰ্ছ বুক ষ্টল, ২য়, ১৯৬৪, ২০৭

৬। বৰদলৈ, নিৰ্মলপ্ৰভা : শিশুসাহিত্য। বিংশ শতাব্দীত অসমীয়া সাহিত্য, সঃ হোমেন বৰগোহাঞি, যোৰহাট, অসম সাহিত্য সভা ১৯৬৭, ১০৪

৭। মৰল, ভগৱান : অসমীয়া গ্ৰন্থপঞ্জী (১৯৬৯—১৯৭০)। অসম সাহিত্য সভা পত্ৰিকা, ১৮ (২), ১—৬, ১৮ (৩), ১—১৪,

৮। অসম সাহিত্য সভা : অসমীয়া গ্ৰন্থপঞ্জী (১৯৫৮—১৯৭০) যুঃ সঃ লীলা গগৈ আৰু কেশবানন্দ দেৱগোস্বামী, যোৰহাট, অসম সাহিত্য সভা। ১ম, ১৯৭২, ৩০৭

৯। শৰ্মা, সোনেশ্বৰ : অসমীয়া বিজ্ঞান সাহিত্য। অসম সাহিত্য সভা পত্ৰিকা, ১৮৯৫ শক ৩০(৬), ৯০-৯৪, ১৮৯৫ শক ৩০ (৭), ৬৪—৬৭, ৭২

১০। শৰ্মা, কালীনাথ : অসমীয়া বিজ্ঞান আলোচনা, তফজ্জুল আলি সম্পাদিত মধ্য বিংশ শতিকাত অসমীয়া সাহিত্য, অভ্যৰ্থনা সমিতি, ৪১ শ অধিবেশন, অসম সাহিত্য সভা, মংগলদৈ, ফেব্ৰুৱাৰী ১৯৭৪, ২৩০—৩৬

১১। তালুকদাৰ, নন্দ : সপ্তম দশকত অসমীয়া সাহিত্য (উল্লেখযোগ্য পুথিসমূহ)। সঃ আব্দুচ ছাত্তাৰ, সপ্তম দশকত অসমীয়া ভাষা সাহিত্যৰ ইতিবৃত্ত। অভ্যৰ্থনা সমিতি, ৪২ তম অধিবেশন, অসম সাহিত্য সভা, তিতাবৰ ১৯৭৫, ১৭—৫৪

১২ চৌধুৰী, নগেন : ভাৰতৰ স্বাধীনতাৰ পিছত অসমীয়া সাহিত্য, আমাৰ প্ৰতিনিধি, বিহু সংখ্যা, ১৮৯০ শক, ৯৪৭—৫৪

১৩। শৰ্মা, দুৰ্গেশ্বৰ : অসমীয়াৰ ব্যৱহাৰিক সাহিত্য, অসমবাণী, এপ্ৰিল ১৯৭৪, ১৮৬—৭

১৪। বৰঠাকুৰ, পুলিন বিহাৰী : পুথি উদ্যোগ আৰু সমস্যা. অসমবাণী. ছেপ্তেম্বৰ, ২৯, ১৯৭৮,৯, ১৬,১৩

১৫। Publication and Information Directorate (CSIR) : Third Exhibition Indian Scientific and Technical Books (1965—75), New Delhi, 1976 (Mimeo)

১৬। নেওগ, হৰিপ্ৰসাদ, অনুষ্ঠান : আলোচনী সংবাদ পত্ৰ। বিংশ শতাব্দীত অসমীয়া সাহিত্য। (সঃ হোমেন বৰগোহাঞি), যোৰহাট, অসম সাহিত্য সভা, ১৯৬৭, ১:২—৩৮

১৭। দাস, যোগেশ : অসমীয়া আলোচনী (স্বাধীনতাৰ পৰৱৰ্ত্তী কাল) মধ্য বিংশ শতিকাত অসমীয়া সাহিত্য (স: তফজ্জুল আলি)। ৪১ শ অধিবেশন, অসম সাহিত্য সভা, মংগলদৈ, ফেব্ৰুৱাৰী, ১৯৭৪, ২৩৯—৫৩

১৮। বৰুৱা, অতুল চন্দ্ৰ : অসমীয়া সৃষ্টিত আলোচনীৰ বৰঙণি। অসম বাণী, ১০ মাৰ্চ, ১৯৭৪, ১৫, ২৪

১৯। INSDOC : Directory of Indian Scientific Periodicals, 1964, New Delhi, INSDOC, 1964, 133

২০। Rahman A, Sen N, Sengupta K N : Scientific Journals in India : Study of their Characters, Survey Report No 10, New Delhi, CSIR, 1967, 52

বিজ্ঞান সাহিত্যৰ বিষয় বস্তু

ড° কুলেন্দু পাঠক।

'Almost everything that distinguishes the modern world from earlier centuries is attributable to science...'

—B. Russel.

বিজ্ঞান মানৱ সংস্কৃতিৰ অংশ। মানৱীয় বৈশিষ্ট-সূচক গুণৰাজি, সামৰ্থ্য, সৃষ্টি শীলতা আৰু বৌদ্ধিক প্ৰগতিৰ সুসমন্বিত বিকাশৰ ফলত সংস্কৃতি গঢ়ি উঠে বুলি বহুতে মত প্ৰকাশ কৰিছে। এনে এটা দৃষ্টি-কোণৰ পৰা বিচাৰ কৰিলে সংগীত, সুকুমাৰ কলা, দৰ্শন, কাব্য আদিৰ দৰে বিজ্ঞানো সাংস্কৃতিক বিকাশৰ বাহন। এই ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ লগত আধুনিক জীৱনৰ ওতঃপ্ৰোত সম্বন্ধৰ কথা আমি মনত ৰখা উচিত হব। প্ৰযুক্তিবিদ্যাৰ অভিনৱ আবিষ্কাৰবোৰ আধুনিক জীৱনযাত্ৰাৰ অপৰিহাৰ্য্য অংগ। সেইদৰে বিজ্ঞান-সম্মত মনোবৃত্তি আধুনিক শিক্ষিত মানুহৰ বাবে অতি প্ৰয়োজনীয় গুণ। জীৱন আৰু সমাজ সম্পৰ্কীয় বহুপ্ৰশংসীয় ৰচনা আৰু আলোচনাৰ জৰিয়তেই সাহিত্য সৃষ্টি হয় বাবে আধুনিক সাহিত্যত বিজ্ঞান সম্পৰ্কীয় বিষয়-বস্তুৱে উল্লেখনীয় স্থান পোৱাটো স্বাভাৱিক। অন্ততঃ পাশ্চাত্যৰ উন্নত দেশ সমূহৰ ক্ষেত্ৰত এই কথা আৰাৰ বহুলাংশে সঁচা।

পাশ্চাত্য দৰ্শন আৰু চিন্তাজগতৰ বহুতো নায়ক যেনে দেকাৰ্ট, বেকন, ল'ক, কাণ্ট, লেইবনিংজ্, হেগেল্, মাৰ্ক্স, বাৰ্গছন্, হোৱাইট্-হেদ্, ৰাচেল আদি বিশ্ববিখ্যাত চিন্তাবিদে বিজ্ঞান সম্পৰ্কীয় বিষয় বস্তুৰ চৰ্চা কৰাৰ নিদৰ্শন আছে। জুলভাৰ্ণ, ৱেলচ্, এজিমভ্, স্নো আদি

লিখকে বিজ্ঞান ভিত্তিক কাহিনীক উচ্চ স্তৰৰ সাহিত্যৰ পৰ্য্যায়লৈ লৈ গৈছে। এৰিষ্টটল, গেলিলিও, ডাৰউইন, আইনষ্টাইন, গেমো, এডিংটন আদি বিখ্যাত বিজ্ঞানী সকলৰ ৰচনা সমূহ সাহিত্য আৰু সংস্কৃতিৰ অমূল্য দলিল ৰূপে পৰিগণিত।

ইংৰাজী সাহিত্যত বিজ্ঞান সম্পৰ্কীয় কাণ্টোত্তৰ আদৰ্শবাদৰ প্ৰভাৱ সুস্পষ্ট ভাৱে লক্ষ্য কৰিব পাৰি। শেলীৰ বিজ্ঞান সম্পৰ্কে উচ্চ ধাৰণা আছিল; কিন্তু ব্লাক আছিল বিজ্ঞান বিৰোধী। আনহাতে ৱৰ্ডচৱৰ্থ, কলেৰিজ আদি কবি সকল বিখ্যাত জাৰ্মান সাহিত্যিক গ'থেৰ দৰে আধুনিক বিজ্ঞান সম্পৰ্কে আশাবাদী আছিল। বিজ্ঞান আৰু সৃষ্টি-ধৰ্মী সাহিত্যৰ সহ অৱস্থানৰ বিষয়ে ৱৰ্ডচ্ৱৰ্থে তেওঁৰ Lyrical Ballads (1800) গ্ৰন্থৰ পাতনিত সুন্দৰ ভাৱে লিখিছে—

"If the labours of men of science should ever create material revolution, direct or indirect, in our condition, and in the impressions which we habitually receive, the poet will sleep then no more than present; he will be ready to follow the steps of the man of science, not only in those general indirect effects, but he will be at his side, carrying sensation into the midst of the objects of science itself. The remotest discoveries of the chemist, the botanist or mineralogist will be as proper objects of the poets' art...............If the time should ever come when what is now called science, shall be ready to put on, as it were, a form of flesh and blood, the poet will lend his divine spirit to aid the transfiguration and will welcome the being thus produced, as a dear and genuine inmate of the household of man"

প্ৰেয়সীৰ কৰ্কালত হাত দি 'Oh America, my new found land' বুলি কৈ উঠা Donneৰ কবিতা উক্ত আশাবাদৰ সাৰ্থক ৰূপান্তৰৰ উদাহৰণ। এমাৰশন, কাৰ্লাইল আদি বিখ্যাত লিখক সকলেও বিজ্ঞান সম্পৰ্কে পোনপটীয়াভাৱে বহুতো মূল্যৱান ৰচনা লিখি থৈ গৈছে। এই শতিকাত C.P. Snow (Two Cultures) I. A. Riehands (Science and poetry), Theodore Rozak (where the waste land Ends , 1972) আদি লিখকে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ লগত, সাহিত্য সমাজ, মানৱতাবাদ আদিৰ সম্পৰ্ক গভীৰ ভাৱে আলোচনা কৰিছে। বিজ্ঞান সম্পৰ্কে প্ৰশংসা, সমালোচনা, সন্দেহ, আশংকাদ আৰু ৰোমাণ্টিক আবেগৰ বহুত নমুনা পাশ্চাত্য সাহিত্যত পোৱা যায়। ৰসোত্তীৰ্ণ কাহিনী, আৰু যুগোত্তীৰ্ণ ৰচনাৰে ইউৰোপীয় বিজ্ঞান সাহিত্য সমৃদ্ধ।

অসমীয়া সমাজত বিজ্ঞানৰ স্থান ঃ জীৱন, চিন্তা, সমাজ বা পাৰিপাৰ্শ্বিকতাৰ বহিভূত বিষয় সু-সাহিত্য-চৰ্চাৰ বাহন হ'ব নোৱাৰে। অসমীয়া সাহিত্যত বিজ্ঞান ভিত্তিক বিষয় বস্তুৰ বিষয়ে আলোচনা কৰাৰ আগতে অসমীয়া মানুহৰ সামাজিক, বৌদ্ধিক, দৈনন্দিন আৰু ব্যৱহাৰিক জীৱনত বিজ্ঞানৰ প্ৰভাৱ সম্পৰ্কে আলোচনাৰ প্ৰয়োজন আছে। অতি সংক্ষিপ্ত ভাৱে কব পাৰি যে কৃষি ভিত্তিক অসমীয়া জীৱন সৌ সিদিনালৈকে জনজাতীয় সুলভ সৰলতা আৰু পৰম প্ৰকৃতি নিৰ্ভৰশীলতাৰে পৰিপূৰ্ণ আছিল। পাশ্চাত্য সভ্যতাৰ সংস্পৰ্শলৈ অহাৰ পিছত শিক্ষিত ব্যক্তি সকলে পাৰ্থিৱ উন্নতিৰ বাবে শিল্প, উদ্যোগ, বিজ্ঞান-শিক্ষা আদি প্ৰয়োজনীয় বুলি বুজিছিল যদিও বিজ্ঞান-ভিত্তিক চিন্তা আৰু আধুনিক প্ৰযুক্তি ভিত্তিক উদ্যোগে অসমীয়া জাতীয় জীৱনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। প্ৰাক্ স্বাধীনতা আৰু স্বাধীনোত্তৰ কালৰ বিজ্ঞান সম্পৰ্কীয় ৰচনা সমূহ অধ্যয়ন কৰিলে আমি থূলমূলকৈ কি লক্ষ্য কৰোঁ? বিজ্ঞানৰ জনপ্ৰিয় বিষয় আৰু কিছুমান

প্ৰায়োগিক দিশত কিছু পুথি বা প্ৰবন্ধ ৰচিত হৈছে যদিও বিজ্ঞান চিন্তা সম্পৰ্কে বা বৈজ্ঞানিক তত্ব আৰু প্ৰক্ৰিয়া সম্পৰ্কে লিখিত প্ৰবন্ধ পাতিৰ পৰিমাণ বৰ কম। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সুফল সমূহ আমাৰ সুৰিধা ভোগী শ্ৰেণীটোৱে পাইছে যদিও বিজ্ঞাম সম্পৰ্কে এওঁলোকৰো বিশেষ আগ্ৰহ থকাৰ নিদৰ্শন কম।

বুদ্ধিজীৱিৰ মানসত বিজ্ঞান:— C. P. Snow এজন বিখ্যাত সাহিত্যিক আৰু বিজ্ঞানী। ইংলণ্ডৰ বুদ্ধিজীৱি সমাজ বিজ্ঞান আৰু কলা (সাহিত্য) – এই দুই শিবিৰত দ্বিধা বিভক্ত বুলি তেখেতে ষাঠি দশকৰ আৰম্ভণিতে Two culture তত্ব আগবঢ়ায়। উল্লেখ যোগ্য যে বৈজ্ঞানিক-গৱেষণা আৰু সাহিত্যিক-সৃষ্টিকৰ্মৰ লগত স্নোৰ নিবিড় পৰিচয়। দুয়ো শিবিৰতে তেওঁৰ বন্ধু আছিল। তেওঁ লিখিছে—

For constantly I felt I was moving among two groups—comparable in intelligence, identical in race (English), not grossly different in social origin, earning about the same income who had almost ceased to communicate at all, who in intellectual, moral and psychological climate had so little in common.

স্নোৰ দ্বিধা-বিভক্ত সংস্কৃতিৰ তত্ব মানি লব নোৱাৰি কাৰণ বিভিন্ন বিশ্লেষণৰ দ্বাৰা দেখুৱাব পাৰি যে বিজ্ঞান ভিত্তিক আৰু সাহিত্য ভিত্তিক বুলি সংস্কৃতিৰ দুটা বিভাগ থাকিব নোৱাৰে। বৰং কলা, বিজ্ঞান আৰু সাহিত্যৰ সমন্বয়েৰেহে আধুনিক সংস্কৃতি গঢ়ি উঠে। অসমীয়া সমাজৰ বৌদ্ধিক পৰিৱেশ আৰু আধুনিক ইংলণ্ডৰ বৌদ্ধিক পৰিৱেশ তুলনা কৰিব নোৱাৰিলেও এই কথা সহজে কব পাৰি যে বিজ্ঞান সম্মত চিন্তা আৰু বৈজ্ঞানিক মনোবৃত্তিয়ে অসমৰ বৌদ্ধিক জগতলৈ বৈপ্লৱিক পৰিবৰ্তনৰ সোঁত এতিয়াও বোৱাই আনিব পৰা নাই। এই বিষয়ে বহুল আলোচনাৰ প্ৰয়োজন আছে; আমি মাথোন

নিম্ন লিখিত কথাখিনিলৈ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

১) আধুনিক অসমীয়া শিক্ষা ব্যৱস্থাই উনবিংশ শতিকাৰ উপনিবেশিক বৃটিচ শিক্ষাৰ মনোভাৱ আৰু 'কাঠামো' ত্যাগ কৰি নতুন পদ্ধতি (পাঠ্যক্ৰম সলনি কৰা স্বত্বেও) এটা গ্ৰহণ কৰিব পৰা নাই।

২) অসমীয়া সমাজত বিজ্ঞানী বা বিজ্ঞানৰ গৱেষকে বুদ্ধিজীৱিৰ ভূমিকা গ্ৰহণ নকৰে। ব্যতিক্ৰম থকা স্বত্বেও এই কথাষাৰ সামগ্ৰিক ভাৱে সচাঁ।

৩) ইংৰাজী সাহিত্যৰ লগত বহলভাৱে পৰিচিত আৰু বিশেষ সামাজিক দৰ্শনত বিশ্বাসী অলপ সংখ্যক শিক্ষিত মানুহৰ বাহিৰে বেছি ভাগ শিক্ষিত মানুহৰে বিজ্ঞানৰ ইতিহাস আৰু দৰ্শন সম্পৰ্কে অধ্যয়ন পুষ্ট ধাৰণা গঢ়ি উঠা দেখা নাযায়। আনকি বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী আৰু সুসাহিত্য সৃষ্টিকাৰী লিখক সকলেও অসমীয়া বিজ্ঞান-সাহিত্য সৃষ্টিত অৱদান দিয়াৰ উদাহৰণ কম।

৪) বিজ্ঞান এটা বিশিষ্ট প্ৰক্ৰম (Process) আৰু জ্ঞানৰ সকলো শাখাতে এই প্ৰক্ৰম প্ৰয়োগ কৰিব পাৰি। কিন্তু বৈজ্ঞানিক প্ৰক্ৰমৰ যথাযথ প্ৰয়োগৰ উদাহৰণ অসমীয়া সাহিত্যত বেছি দেখা পোৱা নাযায়।

৫) প্ৰযুক্তি ভিত্তিক সমাজ ব্যৱস্থাত বিজ্ঞান কাহিনী ৰচনাৰ সমল বেছি পোৱা যায়। আমাৰ পৰিৱেশ, সমাজ ব্যৱস্থা, শিক্ষা আৰু প্ৰযুক্তিৰ অগ্ৰগতি, মহাভাৰতৰ যুদ্ধ আৰু Star war ৰ পৰা সমদূৰবৰ্ত্তী বুলি কব পাৰি। বিজ্ঞান ভিত্তিক ৰহস্য ৰহস্য কাহিনী বা উপন্যাস ৰচনাৰ বাবে দূৰ কল্পনাৰ লগতে ন্যূনতম পৰিৱেশৰ প্ৰয়োজন। টেলিফোন নেদেখা আৰু টেলিপ্ৰিণ্টাৰৰ নাম নুশুনা ভদাইৰ মনত ভাষা সংপ্ৰেষক যন্ত্ৰৰ ধাৰণাই বা কেলকুলেটৰ নেদেখা মধাইৰ মনত কম্পিউটাৰ নিয়ন্ত্ৰিত মানৱৰ ধাৰণাই বিশেষ আলোড়নৰ সৃষ্টি কৰা টান।

উল্লেখিত কথাখিনিৰ পৰা এটা সিদ্ধান্ত কৰিব পাৰি। চাই-ফিৰ

(Scientific Fiction = Si-Fi) জৰিয়তে বিজ্ঞান অসমীয়া সাহিত্যৰ ভিতৰ চ'ৰালৈ সোমাই অহাৰ সম্ভাৱনা কম। দুই এজন শক্তিশালী লিখকে এনে দিশত অৱদান আগ নবঢ়াব বুলি কব নোৱাৰি। তথাপিতো বৈজ্ঞানিক তথ্যৰ সহজ আৰু বাস্তৱানুগ ব্যাখ্যা, প্ৰয়োজনীয় প্ৰযুক্তিৰ বৰ্ণনা, বৈজ্ঞানিক চিন্তা আৰু বিপ্লৱ সম্পৰ্কে প্ৰামাণ্য ৰচনাৰ প্ৰয়োজন আমাৰ ভাষাত বেছি।

কালোত্তীৰ্ণ সাহিত্যৰ বিষয় বস্তু হিচাবে বৈজ্ঞানিক চিন্তা আৰু তথ্য : ইংৰাজী তথা পাশ্চাত্য সাহিত্যৰ লগত বিজ্ঞান চিন্তাৰ সম্পৰ্ক স্থাপন কৰা টান নহয়। বিশেষকৈ অতি উচ্চমানৰ ইংৰাজী গদ্য-ৰচনা বিজ্ঞান চিন্তাৰ সাৰ্থক বাহন হোৱাৰ বহুতো নিদৰ্শন আছে। নিজে বিশিষ্ট বিজ্ঞানী নোহোৱা স্বত্ত্বেও ফ্ৰান্সিচ বেকনৰ শক্তি-শালী লিখনীয়ে (Novum Organum, New Atlantis) সপ্তদশ শতিকা আৰু পৰবৰ্ত্তীকালৰ গদ্য-ৰচনা আৰু বিজ্ঞান-চৰ্চ্চাৰ ওপৰত বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। দেকাৰ্ট (Le monde, Discourse on methods) গেলিলিও (Dialogue concerning two chief world systems, Dialogue on two New Sciences) আদি বিখ্যাত দাৰ্শনিক, বিজ্ঞানী তথা শক্তিশালী লিখকৰ ৰচনাই ষোড়শ আৰু সপ্তদশ শতিকাৰ ইউৰোপীয় সাহিত্য তথা সংস্কৃতিক বিশেষ ভাৱে সমৃদ্ধ কৰে।

উপন্যাসৰ ক্ষেত্ৰতো বৈজ্ঞানিক তথা প্ৰযুক্তিমূলক-বিষয় বস্তুৱে ইউৰোপীয় সাহিত্যত গুৰুত্ব লাভ কৰিছে। জুল ভাৰ্ণৰ সময়ৰ পৰা বহুতো বিখ্যাত সাহিত্যিকে পাশ্চাত্য ভাষাত ৰসোত্তীৰ্ণ, বিজ্ঞান ভিত্তিক উপন্যাস আৰু গল্প ৰচনা কৰিছে। বৰ্ত্তমানে পাশ্চাত্য উপন্যাস আৰু চিনেমা জগতত চাইফিৰ বিশিষ্ট স্থান আছে। তদুপৰি বৈজ্ঞানিক গৱেষণা-ৰীতি অনুধাৱন কৰি লিখা বহুতো কাহিনীয়ে বিশেষ জনপ্ৰিয়তা লাভ কৰা দেখা যায়।

কবিতা আৰু কাব্য নতুন বিজ্ঞানৰ বাহন নহলেও কোপনিকাচ, গেলিলিও আৰু নিউটনে যি নতুন বিশ্ব ধাৰণা সৃষ্টি কৰিলে তাৰ প্ৰভাৱ কবিতাতো পৰিছিল। টলেমীয় বিশ্বতত্ত্বৰ বন্ধনমুক্ত হোৱাৰ ভয়, আনন্দ আৰু মুগ্ধতাৰ নিদৰ্শন ইংৰাজী কাব্যত বিচাৰিলে বহুত ওলাব। মিল্টনৰ 'Paradise Lost'ৰ নিম্ন লিখিত পংক্তিত সমসাময়িক বৈজ্ঞানিক দ্বন্দ্ব ভালদৰে ফুটি উঠিছে।

Hereafter, when they come to mould Heaven
and calculate the stars, how they will weild
The mighty frame, how build, unbuild contrive
To save appearances, how grid the sphere
with centric and eccentric scribbled over
Cycle and epicycle, orb in orb ....

নিউটনীয় সংশ্লেষণৰ পূৰ্বলৈকে জ্যোতিৰ্বিদ্যা, পদাৰ্থবিজ্ঞান আৰু বিজ্ঞানত 'পৰিঘটনাৰ বাহ্যিক ৰূপ সংৰক্ষণ' (Saving appearances of phenomena) মতবাদে বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল। ব্যংগাত্মক ভাৱে উল্লেখ কৰিলেও সমসাময়িক বিজ্ঞান জগতত চলি থকা টলেমীয় (Cycles and epicycles) আৰু কোপাৰ্নিকাচীয় মতবাদৰ (Orbit withen orbit) বক্তব্য আৰু দ্বন্দ্ব সম্পৰ্কে কবিৰ গভীৰ জ্ঞানৰ পৰিচয় সুন্দৰ ভাৱে পংক্তিটোত ফুটি উঠিছে।

গেলিলিওৱে দূৰবীণৰ দ্বাৰা বৃহস্পতিৰ চাৰিটা উপগ্ৰহ আৱিষ্কাৰ কৰে। বিজ্ঞান তথা মানৱ ইতিহাসৰ যুগান্তকাৰী এই ঘটনাৰ খলকনি Donneৰ কবিতাত শুনা পোৱা যায়:—

And new philosophy calls all in doubt
The element of fire is quite put out
The sun is lost and the earth and no man's wit
Can well dircet him, where to look for it.

পৰবৰ্তী কালতো বিজ্ঞান, বিজ্ঞানৰ আৱিষ্কাৰ আৰু প্ৰযুক্তি

বিদ্যাৰ বিষয়ে বহুত উৎকৃষ্ট মানৱ সাহিত্য পাশ্চত্য দেশ সমূহত ৰচিত হৈছে। বঙালী সাহিত্যতো বংকিমচন্দ্ৰ, ৰবি ঠাকুৰ, সত্যজিত ৰয় আদিয়ে বিজ্ঞান সম্পৰ্কীয় ৰচনাত ব্যুৎপত্তি দেখুৱাইছে। ঠাকুৰৰ 'বৃক্ষবন্দনা' কবিতাৰ শাৰী কেইটামান জ্ঞান আৰু কাব্যৰ সুন্দৰ সমন্বয়ৰ প্ৰতীক :

ওগো সূৰ্য্যৰশ্মিপায়ী
শত শত শতাব্দীৰ দিনধেনু দুহিয়া সদাই,
যে তেজে ভৰিলে মজ্জা, মানৱেৰে কৰি তাই দান
কৰেছ জগৎজয়ী, দিলে তাৰে পৰম সন্মান········।

অসমীয়া সৃষ্টি ধৰ্মী গদ্য আৰু কবিতাত মাজে মাজে বৈজ্ঞানিক তত্ব আৰু তথ্যই ভূমুকি মৰা নাই বুলি কলে ভুল কৰা হ'ব। দুই এজন লিখকৰ হাতত (সৌৰভ কুমাৰ চলিহা) উচ্চ মানৱ সাহিত্যৰ লগত বৈজ্ঞানিক তথ্য ভালদৰে সমন্বয়িত হৈছে যদিও কিছু সংখ্যক চাই-ফি কাহিনী আৰু বিজ্ঞানৰ জনপ্ৰিয়কৰণৰ বাবে লিখিত প্ৰবন্ধ পাতিয়েই অসমীয়া বিজ্ঞান সাহিত্যৰ ঘাই সমল। আমাৰ প্ৰবন্ধৰ পৰৱৰ্ত্তী অংশত প্ৰবন্ধৰ জৰিয়তে হোৱা বিজ্ঞান চৰ্চ্চাৰ বিষয়ে অলপ আলোচনা আগবঢ়াম।

অসমীয়া বিজ্ঞান পুথি :— পাঠ্যপুথি ৰচনাৰ ভাগিদাতেই অসমীয়া ভাষাত বহুতো বিজ্ঞানৰ পুথি ৰচিত হৈছে। এনেবোৰ পুথিত বহুতো বৈজ্ঞানিক বিষয় আলোচিত হৈছে আৰু অসমীয়া ভাষাৰে বিজ্ঞান চৰ্চ্চাৰ ক্ষেত্ৰত এনেবোৰ পুথিয়ে বৰঙণি আগ বঢ়াইছে। কিন্তু সাধাৰণ পাঠ্য-পুথিয়ে সাহিত্যৰ শ্ৰীবৃদ্ধিত সহায় নকৰে। বেছিভাগ অসমীয়া পাঠ্য-পুথিৰ ভাষাও সুন্দৰ আৰু সাৱলীল হোৱা নাই। মানৱ সংস্কৃতিৰ অংশ আৰু আধুনিক চিন্তাৰ প্ৰধান ধাৰা হিচাবে বিজ্ঞানৰ ভূমিকাৰ কথা আমাৰ পাঠ্য-পুথিবোৰে বা সহকাৰী পুথি সমূহে ছাত্ৰৰ আগত দাঙি ধৰিব পৰা নাই। সাধাৰণ পাঠ্য-পুথিয়ে বিজ্ঞান

সাহিত্যৰ পৰ্য্যায় সহজে পাৰ নোহাৰে কাৰণ পাঠ্য-পুথিৰ লক্ষ্য আৰু উদ্দেশ্য সাধাৰণতে ছাত্ৰক বিষয় বস্তু বুজাই দিয়াতে সীমাবদ্ধ। অথচ কুহ্নে এই বিষয়ে সুন্দৰ ভাৱে লিখিছে :

......The aim of such books (text books) is persuasive and pedagogic; a concept of science drawn from them is no more likely to fit the enterprise that produces them then an image of a national culture drawn from a tourist brochure or a language text .

অৰ্থাৎ বিজ্ঞানৰ পাঠ্য-পুথি পঢ়ি বৈজ্ঞানিক চিন্তাৰ ব্যাপকতা, ছন্দ আৰু ক্ৰমবিকাশ বুজা'ৰ হ'ব ভ্ৰমণকাৰীৰ উদ্দেশ্যে লিখা সহজ গাইড-পুথি পঢ়ি এটা জাতিৰ সংস্কৃতি বুজিব যত্নৰ কৰাৰ দৰেই হাস্যকৰ । ইংৰাজী ভাষাত বিজ্ঞানৰ ইতিহাস-আশ্ৰয়ী আৰু ইউৰোপীয় সংস্কৃতিৰ লগত সম্পৰ্ক ৰক্ষী (Harvard project physics Course) উপস্থাপনে বিজ্ঞানৰ পাঠ্য-পুথিকো সুন্দৰ পুথিত পৰিণত কৰিছে। এনে পুথি অসমীয়া আৰু অন্যান্য ভাৰতীয় ভাষাতো ৰচনা কৰাৰ প্ৰয়োজন আছে । এই বিষয়ে বহলাই আলোচনা কৰাৰ সুবিধা নাই যদিও দৃঢ়তাৰে এনেদৰে কব পাৰি যে পাঠ্য-পুথিয়ে অসমীয়া বিজ্ঞান সাহিত্যলৈ বিশেষ অৱদান আগবঢ়াব পৰা নাই ।

জনপ্ৰিয় আলোচনীৰ পাতত অকানাচই কালৰে পৰা কিছু পৰিমাণে বিজ্ঞান চৰ্চা কৰাৰ নজীৰ আছে । এই বিষয়ে বেলেগ প্ৰবন্ধত আলোচনা কৰা হ'ব। অসম বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত বিজ্ঞান জেউতিত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয় বস্তু সম্পৰ্কে সমীক্ষণ কৰি (বিষয় সূচী প্ৰথম বছৰ, দ্বাদশ সংখ্যা) আমি কেইটামান সিদ্ধান্ত সহজে লব পাৰো। (তালিকা—১)। এটা কথা সুস্পষ্ট যে বিজ্ঞানৰ ক্ষেত্ৰত পাশ্চাত্যতকৈ পিচ পৰি থাকিলেও, জনপ্ৰিয় কৰণৰ ক্ষেত্ৰত পাশ্চাত্যৰ সমসাময়িক জনপ্ৰিয়

তালিকা—১

জনপ্ৰিয় [পাশ্চাত্য সমস্থৰী] বিষয়	প্ৰযুক্তিবিদ্যাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ	প্ৰয়োজনীয় [আমাৰ পৰিপ্ৰেক্ষিতত] বিষয়	অসমৰ বাবে প্ৰয়োজনীয় প্ৰযুক্তিবিদ্যা, বিষয়	ধাৰণাৰ বিকাশ	পলিচি, দৰ্শন, সমাজ আৰু বিজ্ঞান
১	২	৩	৪	৫	৬
ক] আইনষ্টাইন —২০	ক] ইলেকট্ৰনিকচ—১	ক] নিউটন —১	ক] ব্ৰহ্মপুত্ৰ নদী সমষ্টি ×	ক] সাধাৰণ আপেক্ষিকতাবাদ —১	ক] বিজ্ঞান আৰু অন্ধ বিশ্বাস —২
খ] গেলিলিও —৮	খ] বিজুলী [বিদ্যুৎ]—১	খ] ফাৰাডে [ডেভি] ১	খ] জলবিদ্যুৎৰ বিকাশ —×	খ] এনট্ৰপি —১	খ] মৌলিক আৰু বিজ্ঞান —১
গ] জিন, বংশগতি ২০+	গ] ট্ৰেনজিচটৰ আৰু কঠিন পদাৰ্থ ইলেকট্ৰনিকচ —+১	গ] ৰামনুজন —১	গ] মথাউৰি —১	গ] তাপ গতিবিদ্যা —×	গ] বিজ্ঞান শিক্ষা —১০
ঘ] মহাকাশ-৬৫+	ঘ] পাৰমানৱিক প্ৰযুক্তিবিদ্যা —১০	ঘ] প্ৰক্ষেপ্য বিজ্ঞান—×	ঘ] অসমত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ —১	ঘ] জন বিজ্ঞান —×	ঘ] বিজ্ঞান+দৰ্শন —×
ঙ] উপগ্ৰহ, ভাইকিং, এপলো —৮+৮	ঙ] ৰেডিঅ' —৮	ঙ] অনুবীক্ষণ যন্ত্ৰ আৰু প্ৰয়োগ —×	ঙ] প্ৰযুক্তিবিদ্যা আৰু আৰ্থিক বিকাশ—×	ঙ] সাহিত্য আৰু বিজ্ঞান —১	ঙ] বিজ্ঞান আৰু সমাজ —×
চ] ৰেডিঅ' দূৰবীণ—৮	চ] কোৱাণ্টাম ইলেকট্ৰনিকচ —×	চ] দূৰবীক্ষণ যন্ত্ৰ —×	চ] মাছ —১	চ] ইনফৰমেশ্যন তত্ত্ব —×	
ছ] বিজ্ঞান কাহিনী বহুত	ছ] চাহপাতৰ প্ৰযুক্তিবিদ্যা —১	ছ] আকাশ পৰ্যবেক্ষণ প্ৰভৃতি —১	ছ] মৌমাখি —৭	ছ] কোৱাণ্টামতত্ত্ব ৩	
জ] পৰমাণুৰ বিষয়ে—১৭	জ] যান বাহনৰ ক্ৰমবিকাশ —১	জ] গড় —১	জ] কাঁহ পিতলৰ শিল্প —×	ঝ] বিদ্যুৎ চুম্বক গতিবিদ্যাৰ বিকাশ —×	
ঝ] জেনেটিক প্ৰযুক্তিবিদ্যা —৪		ঝ] শৰীৰ —৩	ঝ] বাহ বেতৰ শিল্প—×		
ঞ] কৃত্ৰিম কলিজা তেজ, বৰষুণ সুতা —১০		ঞ] ক্ৰা চকেল গতিবিদ্যা —×	ঞ] কুটীৰ শিল্প —×		
ট] বিজ্ঞান বাতৰি বহুত		ট] বতৰ আৰু জলবায়ু —১	ট] কাগজ শিল্প —১		
ঠ] মৌলিক কণা—৫০			ঠ] ভূকম্প বিদ্যা —১		
			ড] পেট্ৰ' ৰাসায়নিক প্ৰযুক্তিবিদ্যা —৭		

বিষয়বোৰ আমাৰ ভাষাতো বহুল ভাৱে আলোচিত। যেনে—
ক) আইনষ্টাইন সম্পৰ্কে বিশটা এনট্ৰিৰ বিপৰীতে নিউটন, ইলেক্‌ট্ৰনিক্‌চ, ব্ৰহ্মপুত্ৰ নদী সমষ্টি, সাধাৰণ আপেক্ষিকতাবাদৰ বিষয়ে দুই, এক, শূণ্য আৰু এটা এনট্ৰি পোৱা গৈছে। আইনষ্টাইনৰ তত্ত্ব শুদ্ধ, নিউটনৰ সূত্ৰ ভুল এনে এটা ধাৰণাও কিছুমান লিখকে দিব খোজে। আইনষ্টাইনৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মান আমি জনাব লাগিব কিন্তু বিশ্বৰ শ্ৰেষ্ঠতম বিজ্ঞানী নিউটনৰ আৱিষ্কাৰ সমূহৰ বৌদ্ধিক আৰু সাংস্কৃতিক প্ৰভাৱৰ মূল্যায়ন অসমীয়া সাহিত্যত হোৱা উচিত আছিল। আইনষ্টাইনে নিউটনক কেনে সুন্দৰ ভাষাৰে সুৰঁৰিছে তাৰে নমুনা তলত দিয়া হ'ল :

.... (He) determined the course of Westren thought, research and practice to an extent that nobody before or since his time can touch ... ... Destiny placed him at a turning point of the human intellect ... . Pefore Newton there existed no self con'ained system of physical causality which was capable of representing any of deeper features of the empirical laws. ... .

নিউটনৰ নিয়ম প্ৰাগ্‌-স্নাতক মহলাত পঢ়িব লাগে কাৰণেই মানৱ চিন্তাত নিউটনীয় প্ৰভাৱ সম্পৰ্কে (ইউৰোপীয় সাহিত্যত এনে আলোচনা বহুত হৈছে। আলোচনা নকৰাৰ অৰ্থ থাকিব নোৱাৰে। খ) মহাকাশ অভিযান নিঃসন্দেহে বিগত তিনি দশকৰ উত্তেজনামূলক খবৰ। এই শিতানত থকা ৫৫ তকৈ অধিক এনট্ৰিৰ তুলনাত কঠিন পদাৰ্থ ইলেকট্ৰনিক্‌চ সম্পৰ্কে মাত্ৰ এটা এনট্ৰি থকাটো বিস্ময়কৰ। গ) ৰেডিও, দূৰবীণ সম্পৰ্কে আঠটা এনট্ৰি আছে, কিন্তু সাধাৰণ আকাশ সম্পৰ্কে মাত্ৰ এবাৰ উল্লেখিত হৈছে।
ঘ) পাৰমানৱিক প্ৰযুক্তি বিদ্যা আৰু শক্তি বিশ্বৰ পৰিপ্ৰেক্ষিতত গুৰুত্ব-

পূর্ণ হ'ব পাৰে (১০ টা এন্‌ ‌টি) কিন্তু জলবিদ্যুৎ আৰু বানপানী নিয়ন্ত্ৰণৰ প্ৰযুক্তিয়ে (মাত্ৰ এটা এন্‌ টি) অসম আৰু উত্তৰ পূর্ব্বাঞ্চলৰ বাবে বেছি গুৰুত্বপূর্ণ। প্ৰথম বিষয়টো পাশ্চাত্যত বেছ আলোচিত বাবে জকাইচুকতো বেছিকৈ আলোচিত হোৱাৰ প্ৰয়োজন আছে বুলি কোৱা টান।

ঙ) ধাৰণা আৰু চিন্তাৰ বিকাশত জ্ঞানৰ অৱদান সম্পৰ্কে গুৰু গধুৰ আৰু প্ৰাঞ্জল আলোচনাই বিজ্ঞান সাহিত্য চহকী কৰিব পাৰে। এই দিশতো (৫ আৰু ৬ স্তম্ভ তালিকা— ১) বেছি প্ৰবন্ধ চকুত নপৰে। তাপ গতি বিদ্যা, বিদ্যুৎ-চুম্বক তত্ত্ব নিউটনীয় গতিবিদ্যা সম্পৰ্কে অভিজ্ঞতা সত্ত্বেও অকল মৌলিক কণা (৫০ টা এন্‌ টি) আৰু পৰমাণুৰ গঠন (১৭ টা এন্‌ টি) সম্পৰ্কে তথ্য পঢ়ি বিজ্ঞানৰ সাংস্কৃতিক আৰু বৌদ্ধিক প্ৰভাৱৰ বিষয়ে কোনো ধাৰণা কৰিব নোৱাৰিব।

চ) অসমৰ আৰ্থ সামাজিক বিকাশত বিজ্ঞান আৰু প্ৰযুক্তিয়ে লব পৰা ভূমিকা সম্পৰ্কে বিশেষ গুৰুত্ব পাতি দেখা নাপালোঁ

গতিকে আমাৰ সন্দেহ হৈছে যে বিষয় বস্তু নিৰ্দ্ধাৰণত আমাৰ লিখক, সম্পাদক সকলে আমাৰ নিজস্ব আৰ্থিক, সামাজিক বৌদ্ধিক আৰু সাংস্কৃতিক প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য নাৰাখি পাশ্চাত্য জগতত সংগত কাৰণত গুৰুত্ব দিয়া বিষয়বোৰৰ বিষয়ে লিখাতহে বেছি মনোযোগ দিয়ে। এই সমস্যা অগ্ৰাধিকাৰৰ ভিত্তিত সমাধান কৰিবলৈ আমি যত্নপৰ হোৱা উচিত।

অসমীয়া বিজ্ঞান সাহিত্যৰ বৃহৎ অংশ ভবিষ্যতেও জনপ্ৰিয় কৰণৰ বাবেই ৰচিত হব। এই কাৰ্য্যত নতুনকৈ ব্ৰতী হ'ব খোজা সকলক বিষয় বস্তু নিৰ্ব্বাচন আৰু উপস্থাপনৰ ক্ষেত্ৰত চকুত পৰা বুনিয়াদী আৰু বিশ্বজনীন দুৰ্বলতাৰ বিষয়ে মনত পেলাই দিব খুজিছো। কথাখিনি ইংৰাজী সাহিত্যক্ষেত্ৰত কোৱা হৈছিল যদিও আমাৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য :

Most books of science that are written for

layman seek more to impress the reader than to explain clearly the elementary aims and methods. After an intelligent layman has tried to read a couple of such books, he becomes completely discouraged ...., In addition, the entire description is done mostly in sensational manner...... .

Not that readers are at fault... No popular book on science should be published before it is established that it can be understood and appreciated by an intelligent and judicious layman.

বিষয় বস্তু বাচনিৰ ক্ষেত্ৰত লিখক, প্ৰকাশক আৰু সম্পাদক-সকলে এই কথাখিনি মনত ৰাখিলে সুবিধা হ'ব। বিজ্ঞান আৰু প্ৰযুক্তিৰ ৰোমাঞ্চ, বিস্ময়, উদ্বেগ সৃষ্টিকাৰী ঘটনা আৰু তথ্যবোৰৰ বিষয়ে লিখকৰ স্বাভাৱিক আগ্ৰহ থাকিবই। কিন্তু ব্লেক হোল সম্পৰ্কে বহুত ৰচনা ওলোৱা ভাষা এটাত যদি বিশ্বৰ ভৰ, বয়স আৰু গঠন সম্পৰ্কে প্ৰামাণ্য প্ৰবন্ধ আৰু পুথি নাথাকে তেনেহ'লে বিজ্ঞান সাহিত্যৰ বুনিয়াদ শক্তিশালী হ'ব নোৱাৰে।

ভৱিষ্যতৰ কাৰ্য্য ক্ৰমণিকা :

অসমীয়া বিজ্ঞান সাহিত্যৰ বিকাশৰ ভৱিষ্যত কাৰ্য্যপন্থা লওঁতে আঁচনি এখন কৰি লোৱা ভাল হ'ব। আমি এখন খচৰা তালিকা (তালিকা ২) সন্নিবিষ্ট কৰিছোঁ। এনে এখন আঁচনি দীৰ্ঘম্যাদী হিচাপে হাতত নললে অসমীয়া সাহিত্যৰ জৰিয়তে বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ চেষ্টা ফলপ্ৰসূ নহ'ব।

প্ৰচলিত ৰীতি অনুসৰি চলি থকা জনপ্ৰিয় কৰণ কাৰ্য্যৰ জৰিয়তে হয়তো দুই চাৰিজন শক্তিশালী লিখক ওলাই আহিব। কিন্তু সাধাৰণতে এনে লিখনীয়ে সাহিত্যৰ শ্ৰীবৃদ্ধি কৰিব নে ?

তালিকা—২



* বাহক চিত্ৰ (Flow diagram) আজি কালি সাধাৰণতে সমস্যা সমাধানত ব্যৱহাৰ কৰা হয়। সকল আঁচনিৰ বাবেও এনে চিত্ৰৰ ব্যৱহাৰ কৰিব পাৰি। ছপাৰ অসুবিধা আঁতৰাবলৈ ◇ আকৃতিৰ ৰকবোৰ ⋮.....⋮ আকৃতি অকা হৈছে।

গেলিলিওৰ ৰচনা ইটালীয় তথা পাশ্চাত্যৰ সাহিত্য-সংস্কৃতিৰ অমূল্য সম্পদ। কিন্তু অতি জনপ্ৰিয় হোৱা স্বত্বেও জৰ্জ গেমোৰ ৰচনাৱলীয়ে ইংৰাজী সাহিত্যত তেনে স্বীকৃতি পোৱা নাই। ইউক্লিড, এৰিষ্টটল, গেলিলিও বা আইনষ্টাইনৰ ৰচনাৱলীয়ে সকলো কালতে 'জনপ্ৰিয়' ৰচনা নহ'ব পাৰে ; কিন্তু মানৱ চিন্তাৰ তথা চিন্তামূলক ৰচনাৰ ক্ষেত্ৰত এইবোৰ ৰচনাই অভাৱনীয় প্ৰভাৱ বিস্তাৰ কৰিছে। ইউক্লিডৰ 'Element'ৰ প্ৰভাৱ পাশ্চাত্য দৰ্শন চৰ্চাৰ ৰচনা ৰাজিত সুস্পষ্ট। বিংশ শতাব্দীতহে সেই প্ৰভাৱ কমিব আৰম্ভ কৰে।

আমি কব খোজা নাই যে প্ৰচলিত জনপ্ৰিয়কৰণ কাম বন্ধ হওক। মাথোন পাশ্চাত্য দেশৰ বিষয়বোৰৰ প্ৰতি মোহান্ধ ভাৱ কমাবৰ যত্ন কৰাৰ বিষয়েহে আমি গুৰুত্ব দিব খুজিছোঁ। লগতে মানৱ সংস্কৃতিৰ লগত, জীৱনৰ লগত বিজ্ঞানৰ যথাযোগ্য সম্পৰ্ক স্থাপনৰ ওপৰত গুৰুত্ব দিবলৈ আমি অনুৰোধ কৰিব বিচাৰিছোঁ। বৈজ্ঞানিক ধাৰণা সমূহ দ্বন্দহীন নহ'য় বৰং দ্বন্দ আৰু পৰীক্ষাৰ ভেতা লৈহে বিজ্ঞানে আগুৱাই আহিছে। কিছুমান সুদূৰ প্ৰসাৰী বিশ্বাস আৰু বৈজ্ঞানিক প্ৰক্ৰমে বিজ্ঞানক অস্থিৰ অৱস্থাত উপনীত কৰাইছে। এইবোৰৰ বিষয়ে আলোচনাই আমাৰ অসমীয়া সাহিত্যৰ দুৰ্বল দিশ এটাত (চিন্তামূলক আলোচনা) গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰে।

বিজ্ঞানৰ প্ৰায়োগিক দিশবোৰক লৈ কিছু কিতাপ অসমীয়া ভাষাত ওলাইছে যদিও এই দিশত পৰিকল্পিত ভাৱে কাম হাতত লোৱা উচিত হব যেন লাগে। গল্প, উপন্যাস আদিত প্ৰকাশিত মনস্তাত্বিক দ্বন্দ বা বিজ্ঞানৰ সামাজিক প্ৰভাৱৰ কথা মধ্যবিত্তীয় ইংৰাজী শিক্ষাৰ গোন্ধ পোৱা মানুহৰ মাজতে আৱদ্ধ যেন লাগে। ইংৰাজী বা পাশ্চাত্য সাহিত্যত প্ৰযুক্তিবিদ্যা বা বিজ্ঞানভিত্তিক কাহিনীত লিখকৰ যি বাস্তৱানুগ জ্ঞান দেখা যায়— তেনে ৰচনা আমাৰ সাহিত্যত তাকৰ। আমাৰ আৰ্থ সামাজিক পৰিৱেশে হ'য়তো

তেনে কাহিনী ৰচনাত ভালদৰে সহায় নকৰে তথাপি য'ত তেনেকুৱা সম্ভাৱনা আছে, তেনেক্ষেত্ৰত কিছুপৰিমাণে বিজ্ঞান সন্মত জ্ঞান বা ধাৰণা পাঠকৰ মনোগ্ৰাহী ধৰণে সুমুৱাই দিয়াৰ ঠাই নিশ্চয় উলিয়াব লাগিব ।

প্ৰকৃত বিজ্ঞান শিক্ষাই দুটা শ্ৰেষ্ঠতম মানৱীয় গুণৰ বিকাশত সহায় কৰে । প্ৰকৃতি আৰু জগৎ সম্পৰ্কে কৌতুহলৰ, পৰীক্ষা আৰু যুক্তিভিত্তিক অধ্যয়ণ আৰু প্ৰতীকমূলক চিন্তাৰ আৰু ধাৰণাৰ ব্যৱহাৰ কৰিবলৈ বিজ্ঞানে শিকাব । আনহাতে সাহিত্যত শব্দ আৰু বাক্যৰ সাৰ্থক প্ৰয়োগেৰে মানৱ কাৰ্য্য আৰু ধাৰণা মনোগ্ৰাহী আৰু উপযুক্ত ভাৱে প্ৰকাশিত হ'য় । আমাৰ শিক্ষাবিদ সকলে সাধাৰণতে বিজ্ঞান চৰ্চা আৰু সাহিত্য চৰ্চা পানী নসৰকা ভাৱে পৃথক কাৰ্য্য বুলি গণ্য কৰিব খোজে । কিন্তু আধুনিক জগতৰ জটিল সমস্যাৰাজি সমাধান কৰিব খুজিলে বিজ্ঞানৰ ছাত্ৰই গভীৰ আৰু উদ্দেশ্যধৰ্মী মানৱীয় (Humanistic) শিক্ষা লাভ কৰিব লাগিব আৰু সেইদৰে কলা বিভাগৰ ছাত্ৰইও সংস্কৃতিৰ অংশ হিচাবে বিজ্ঞানৰ আৰু মানৱ সভ্যতাৰ পৰিবৰ্ত্তনৰ গতি নিৰ্ণায়ক হিচাবে প্ৰযুক্তিবিদ্যাৰ গুৰুত্বৰ কথা পাঠ্যক্ৰমৰ জৰিয়তে গম পাব লাগিব । লৰ্ড শ্বেৰৱেলে এবাৰ ইংলণ্ডৰ হাউচ অব্ লৰ্ডচত কৈছিল যে তাপগতি বিদ্যাৰ দ্বিতীয় সূত্ৰৰ মূল বক্তব্য বুজি পোৱাটো বিংশশতিকাৰ সংস্কৃতিৰ এটা অংশ হোৱা উচিত । সেইদৰে আনৱিক জীৱবিজ্ঞানৰ অগ্ৰগতিয়ে জৈৱিক প্ৰক্ৰিয়া আৰু মগজুৰ কাৰ্য্য প্ৰণালী সম্পৰ্কে মানুহৰ ধাৰণা সলনি কৰি পেলাইছে । এনেবোৰ বিষয় অৱলম্বিত প্ৰৱন্ধ, কাহিনী আৰু চিন্তাই অসমীয়া বিজ্ঞান সাহিত্যৰ ভৰাঁল নিশ্চয় টনকিয়াল কৰিব পাৰে ।

অসমীয়া বিজ্ঞান সাহিত্যৰ বৰ্তমান অৱস্থা নিৰূপণ

ড° পৰমা মহন্ত।

আধুনিক অসমীয়া সাহিত্যৰ কথা আলোচনা কৰোঁতে যেনেকৈ আমি যোৱা শতিকাৰ মাজ ভাগত প্ৰেৰণাসঞ্চাৰী কৰ্মোদ্যমেৰে বৈশিষ্ট মিছনেৰীসকলে গঢ়ি তোলা 'অৰুণোদই' কাকতলৈ মূৰ ঘূৰাই চাওঁ, বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰতো একেখন কাকতলৈ কাষ চাপিব লাগে। প্ৰথমৰে পৰাই 'অৰুণোদই'ত বিজ্ঞান বিষয়ৰ ৰচনাই আগশাৰীত স্থান লাভ কৰি আহিছে। 'অৰুণোদই'ত ওলোৱা বিজ্ঞানৰ প্ৰথম ৰচনা দুখন প্ৰকাশ পাইছিল ১৮৪৬ চনৰ ফেব্ৰুৱাৰী মাহত, প্ৰথম ছোৱা 'অৰুণোদই'ৰ দ্বিতীয় সংখ্যাত। ৰচনা দুখন আছিল 'গ্ৰহৰ বিৱৰণ' আৰু 'পৃথিৱীৰ আকাৰৰ বিষয়'। অসমীয়া ভাষাত লিখা আধুনিক বিজ্ঞানৰ এই ৰচনা দুখনেই কি আছিল মই আপোনালোকক ক'ব নোৱাৰিম, কিয়নো অসম প্ৰকাশন পৰিষদে অনুগ্ৰহ নকৰালৈকে আমি 'অৰুণোদই'ত ওলোৱা বিষয়বস্তুৰ কাৰণে বাট চাই ৰ'ব লাগিব। ইয়াৰ পাছত প্ৰায় ১৬ বছৰ ধৰি ভূগোল, পদাৰ্থবিদ্যা, জীৱবিদ্যা, উদ্ভিদবিদ্যা আদি নানা বিষয়ৰ অনেক ৰচনা 'অৰুণোদই'ত প্ৰকাশ কৰিছে। তদুপৰি 'অৰুণোদই'ৰ বাতৰিত 'নানা দেশৰ সম্বাদ', অৰ্থনীতি, ৰাজনীতি বুৰঞ্জী-জ্ঞানৰ আৰু তেতিয়াৰ সাম্প্ৰতিক সমস্যাৰ উপৰি আছিল ভূবিদ্যা, জীৱবিদ্যা, উদ্ভিদবিদ্যা, পদাৰ্থবিদ্যা, ভৌগোলিক বিৱৰণ, জ্যোতিৰ্বিজ্ঞান সম্পৰ্কীয় নানা সংবাদ। এই ৰচনাৰাজিৰ গুণাগুণৰ বিচাৰ নকৰিলেও এইবোৰ প্ৰকাশ কৰাটোৱেই বিজ্ঞানৰ প্ৰচাৰ কাৰ্য্যত মিছনেৰীসকল কিমান সচেষ্ট হৈছিল তাৰ উমান পোৱা যায়।

অকল 'অৰুণোদই'ৰ পাততে নহয়, 'অৰুণোদই'ৰ লগত জড়িত

এলিজা আৰু নেথান ব্ৰাউনে ১৮৫০ চনৰ আগতেই 'গণনাৰ কিতাপ' (প্ৰথম আৰু দ্বিতীয় ভাগ) আৰু 'ভূগোল শিক্ষা' ৰচনা কৰিছিল। ১৮৮০ চন মানত প্ৰকাশিত 'বিজ্ঞানৰ বাৰে মতৰা' নামৰ কিতাপ এই মিছনেৰীসকলেই উলিয়ায়। তদুপৰি অসমীয়া খ্ৰীষ্টান নিধি লেভি ফেয়াৰৱেলে মিছনেৰীসকলৰ অনুপ্ৰেৰণাতেই Natural Sciences in familiar dialogue নামৰ ইংৰাজী কিতাপখন, 'পদাৰ্থ বিদ্যাৰ সাৰ' নাম দি অনুবাদ কৰি পদাৰ্থ বিদ্যাৰ প্ৰথম অসমীয়া কিতাপখনো প্ৰকাশ কৰে ১৮৫৫ চনত। 'অৰুণোদই' যুগৰ অন্ত পৰিল হয়, কিন্তু ইতিমধ্যে অসমীয়া ভাষাই বঙালী ভাষাতকৈ বেলেগ এক স্বতন্ত্ৰবীয় ভাষা বুলি স্বীকৃতিও লাভ কৰিলে। লগে লগে অসমীয়া স্কুলত পাঠদানৰ কাৰণে লগা হ'ল অসমীয়া ভাষাত লিখা নানা বিষয়ৰ পাঠ্য-পুথি। বিশেষকৈ ১৮৭২ চনৰ পাচত গণিত আৰু ভূগোলৰ অনেক পুথি প্ৰকাশিত হয়। গুৰুনাথ দত্তৰ 'গণনাৰ পুথি' (১৮৭০ চন), দিবাকৰ শৰ্মাৰ 'অঙ্কপাঠ' (১৮৮৩ চন), চাখাৱত আলিৰ 'গণিত পুস্তক' (১৮৮৫ চন), কালিনাথ হাজৰিকাৰ 'শুভংকৰৰ ধাৰাপাত' (১৮৯১ চন), মুন্সী চাখাৱত আলিৰ 'অসমীয়া ভাষাত ক্ষেত্ৰ জ্যামিতি' (১৮৮৬ চন), পাৰ্বতীচৰণ সৰস্বতীৰ 'সৰল পৰিমিতি', গুণাভিৰাম বৰুৱাৰ 'অসমীয়া ল'ৰাৰ ভূগোল' (১৮৭৯ চন) অম্বিকাচৰণ ঘোষৰ 'ভূগোল বীজ' (১৮৭৩ চন), ঈশানন্দ ভঁৰালীৰ 'প্ৰাকৃত ভূগোল' (১৮৮৪ চন), কনকলাল বৰুৱাৰ 'ভূগোল শিক্ষা' (১৮৯৫ চন), পানীন্দ্ৰনাথ গগৈৰ 'অসমীয়া সৰল ভূগোল', (১৮৯৫ চন) আদিয়েই প্ৰথম অসমীয়া বিজ্ঞান সাহিত্য। প্ৰায়বোৰেই আছিল পাঠ্য-পুথি আৰু সেয়েহে স্বাভাৱিকতে ইবিলাক আছিল অতি প্ৰাথমিক স্তৰৰ ৰচনা।

'অৰুণোদই'ৰ পাছৰ আলোচনীবিলাকতো বিজ্ঞান বিষয়ৰ ৰচনাই স্থান পাই অহা কথাটো মন কৰিবলগীয়া। ১৮৮৫-৮৬ চনত 'অসম-বন্ধু'ৰ যি ১১টা সংখ্যা প্ৰকাশ হৈছিল, তাতো কৈশিকাকৰ্ষণ, 'চৌম্বকাকৰ্ষণ', 'তড়িত বা বিদ্যুতাকৰ্ষণ', 'ভাৰকেন্দ্ৰ', 'জড়বস্তুৰ বিশেষ বা নৈমিত্তিক গুণ'

আদি বিজ্ঞান বিষয়ৰ ৰচনাৰ উল্লেখ পোৱা যায়।

যোৱা শতিকাৰ শেষ দশকত কলিকতাৰ পৰা সমসাময়িকভাৱে ওলোৱা 'জোনাকী' আৰু 'বিজুলী' কাকতত বিজ্ঞান বিষয়ৰ ৰচনা প্ৰকাশ ৰব ক্ষেত্ৰত ব্যতিক্ৰম নাছিল নতুন সম্পাদক জোনাকী লিখা হৈছিল এই বুলি — "ঐতিহাসিক, বৈজ্ঞানিক, সামাজিক প্ৰবন্ধহে বিশেষ আদৰণীয়।" ইয়াত প্ৰকাশ পোৱা কেইটামান বৈজ্ঞানিক প্ৰবন্ধৰ ভিতৰত আছিল চাইল্ডৰ 'গছগছনিৰ উপকাৰিতা', যোগেন্দ্ৰ বেজবৰুৱাৰ 'অদ্ভুত প্ৰাণী' আৰু 'উদ্ভিদ', বিদ্যুৰাম বৰুৱাৰ 'দুৰ্বিক্ষেৰ', তদুপৰি জোনাকীৰ 'বিবিধ টোকাত' প্ৰকাশ পাইছিল নতুন নতুন আৱিষ্কাৰৰ খবৰ, আনহাতে বিজুলীত ওলোৱা বৈজ্ঞানিক প্ৰবন্ধৰ ভিতৰত নীলকণ্ঠ বৰুৱাৰ 'মাধ্যাকৰ্ষণ' আৰু গুণাভিৰাম বৰুৱাৰ 'বৈজ্ঞানিক প্ৰবন্ধ'ৰ নাম পোৱা যায়। নিঃসন্দেহে এই সময়ৰ ভিন ভিন আলোচনাৰ পাতত প্ৰকাশিত বৈজ্ঞানিক ৰচনা বাহিৰেও আধুনিক অসমীয়া বিজ্ঞান সাহিত্যৰ ভেটি ৰচনা কৰিলে।

এই শতিকাৰ আৰম্ভণিতে প্ৰকাশ পোৱা আলোচনী 'বাঁহী' অসম ছাত্ৰ সভাৰ মুখপত্ৰ 'মিলন', 'আসাম হিতৈষী' আদিতো ছেগা-চোৰোকাকৈ বিজ্ঞান বিষয়ৰ প্ৰবন্ধ-পাতি প্ৰকাশ পাইছিল। গিৰীশ চন্দ্ৰ বৰুৱাৰ 'পোহৰৰ বেগ' নামৰ প্ৰবন্ধটো উল্লেখযোগ্য এই কাৰণেই যে এটা সমকালীন serious বৈজ্ঞানিক সমস্যাৰ বিষয়ে ইয়াৰ পৰীক্ষা-মূলক পৰ্যবেক্ষণৰ সিদ্ধান্তসমূহৰ সৈতে লেখকে প্ৰবন্ধটিত অতি বিতং আলোচনা আগবঢ়াইছে। এই সময়তে চিদ্ৰেশ্বৰ নেওগৰ 'পানী আৰু তাৰ ৰসায়ন', 'মাটি আৰু তাৰ ৰসায়ন' আদি বৈজ্ঞানিক প্ৰবন্ধত থকা বিজ্ঞানৰ প্ৰয়োগশীল দিশৰ উদ্ঘাটন, সুশীল কুমাৰ বৰুৱাৰ ভূ-তত্ত্ব সম্পৰ্কে ৰচনা কৰা কেইটামান প্ৰবন্ধত ভূ-তত্ত্ব বিষয়টোৰ বাহিৰেও অসমৰ ভূ-তত্ত্ব সম্পৰ্কে আলোচনা, জ্যোতিৰ্ময়ী কান্ত বৰুৱাৰ 'বস্তু-জগতৰ শেষ পৰিণতিত পদাৰ্থ-বিজ্ঞানৰ নৱতম চিন্তাধাৰাৰ পৰিচয় আদি লেখত ল'বলগীয়া বৈজ্ঞানিক ৰচনা। অন্যান্য ৰচনাৰ ভিতৰত জ্যোতিৰ্বিজ্ঞানৰ

ৰচনাই প্ৰাধান্য লাভ কৰা পৰিলক্ষিত হয়। এই সময় ছোৱাত দুই এখন পাঠ্যপুথিৰ বাহিৰে বিজ্ঞানৰ আন কিতাপ প্ৰকাশ পোৱা বুলি জনা নাযায়।

সাম্প্ৰতিক অসমীয়া বিজ্ঞান সাহিত্য :

অসমীয়া বিজ্ঞানসাহিত্যৰ বৰ্তমান অৱস্থাৰ কথা আলোচনা কৰাৰ আগতেই বিজ্ঞানসাহিত্য বুলিলেনো কি বুজো এই সম্পৰ্কে নিশ্চিত ধাৰণা এটা আগত ৰখা আৱশ্যক। সাধাৰণ অৰ্থত সাহিত্য বুলিলে যি বুজা যায় নিশ্চয় একে অৰ্থ এই ক্ষেত্ৰত খটুৱাব নোৱাৰি। বিজ্ঞানৰ পাঠ্য-পুথিৰ লগত নিশ্চয় বিজ্ঞান সাহিত্যৰ পৃথকতা এটাও স্বীকাৰ কৰি লব লাগিব। পাঠ্য-পুথিৰ বাহিৰে, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় সকলো ধৰণৰ ৰচনাই বিজ্ঞান সাহিত্যৰ অন্তৰ্গত বুলি ধৰিব পাৰি; এই অৰ্থত কেৱল বিজ্ঞানৰ আলোচনাই নহয়। বিজ্ঞানৰ ইতিহাস আৰু দৰ্শন, বিজ্ঞান আৰু সমাজৰ আন্তঃ সম্পৰ্কৰ বিষয়ে আলোচনাও স্বাভাৱিকতে বিজ্ঞান সাহিত্যৰ অঙ্গীভূত। বিজ্ঞান সাহিত্যৰ এই সীমিত অৰ্থ গ্ৰহণ কৰিলে একে আষাৰেই কব পাৰি যে অসমীয়া বিজ্ঞান সাহিত্যৰ অৱস্থা অতিশয় চালুকীয়া। অসমীয়া ভাষাত বিজ্ঞান বিষয়ক প্ৰকাশিত কিতাপ কেইখন আঙুলি মূৰত গণিব পাৰি, তাৰে আকৌ সৰহসংখ্যকেই শিশুগ্ৰন্থ হিচাপেহে প্ৰকাশ পাইছে (যেন বয়সীয়াল লোকে বিজ্ঞানৰ কিতাপ পঢ়াটো অস্বাভাৱিক কথাহে।) ১৯৫৬ চনত স্বৰ্গীয় প্ৰসন্ন কুমাৰ গোস্বামীয়ে আধুনিক বিজ্ঞানৰ এখন জনপ্ৰিয় কিতাপ লেখিছিল। কিতাপখনৰ প্ৰথম তাঙৰণটো দুবছৰৰ ভিতৰতেই শেষ হোৱাত দ্বিতীয় তাঙৰণ এটাও উলিয়াব লগীয়া হৈছিল। একে সময়তে ডঃ মৃগেন্দ্ৰ নাৰায়ণ মহন্তই লিখা আইনষ্টাইন আৰু 'আপেক্ষিকতাবাদ'খনো ওলাইছিল। আপেক্ষিকতাবাদৰ ওপৰত লিখা পাছৰ আন এখন কিতাপৰ পাতনিত লেখকে দুখ কৰিছিল তেখেতৰ আগৰ কিতাপখনৰ প্ৰতি পঢ়ুৱৈৰ সঁহাৰি

উৎসাহজনক নাছিল বুলি। অসম সাহিত্য সভা আৰু অসম বিজ্ঞান সমিতিয়েই বিজ্ঞানৰ কিতাপবিলাকৰ ঘাই প্ৰকাশক, যদিও অলপতে অসম প্ৰকাশন পৰিষদেও কেইখনমান বিজ্ঞানৰ কিতাপ প্ৰকাশ কৰিছে। লেখত লবলগীয়া দুখনমান কিতাপৰ ভিতৰত ডঃ কিশোৰীমোহন পাঠকৰ 'পদাৰ্থবিজ্ঞানৰ নতুনতম বিকাশ' (১৯৭৫ চন) আৰু শ্ৰীশিৱনাথ বৰ্মণৰ 'এলবাৰ্ট আইনষ্টাইন আৰু পদাৰ্থবিজ্ঞান' (অসম প্ৰকাশন পৰিষদ, ১৯৭৭ চন)। বিজ্ঞান সাহিত্যৰ আচল অৰ্থত মোৰ বোধেৰে এইখনেই একমাত্ৰ উচ্চমানবিশিষ্ট অসমীয়া বিজ্ঞান ৰচনাৰ চানেকী। বিজ্ঞানৰ ৰচনা বুলিয়েই হওক বা জীৱনী বুলিয়েই হওক বা সাহিত্য হিচাপেই হওক, শ্ৰীবৰ্মণৰ এইখন গ্ৰন্থ অসমীয়া বিজ্ঞান সাহিত্যৰ উজ্জ্বল সৃষ্টি। শ্ৰীসুৰেন্দ্ৰনাথ মেধিৰ 'নক্ষত্ৰ জগত' (প্ৰকাশক অসম বিজ্ঞান সমিতি, চন নাই) খনো অতি সুলিখিত মনোগ্ৰাহী বিজ্ঞানৰ পুথি। ইয়াত নক্ষত্ৰৰ বিভিন্ন দিশ, নক্ষত্ৰৰ পৰা বিচ্ছুৰিত চুম্বকীয় তৰঙ্গ আৰু বস্তু তৰঙ্গবোৰক লেখকে সহজ সৰল ভাষাত উপস্থাপন কৰিছে। নেছনেল বুক ট্ৰাষ্টেও দুখনমান বিজ্ঞানৰ পুথি অসমীয়া ভাষালৈ অনুবাদ কৰাই প্ৰকাশ কৰিছে। এইবোৰেও অসমীয়া বিজ্ঞানসাহিত্যৰ সমৃদ্ধি ঘটাইছে। ইয়াৰোপৰি বিভিন্ন আলোচনী আৰু সাপ্তাহিক কাকতত্‌ও কাচিৎ বিজ্ঞানৰ বিভিন্ন বিষয়ৰ ওপৰত দুই এটা Popular আলোচনা প্ৰকাশ পায়। এইখিনিতেই শ্ৰীসুৰেন্দ্ৰনাথ মেধিৰ 'আমাৰ প্ৰতিনিধিত' ওলোৱা আৰু ডঃ পবিত্ৰ বুঢ়াগোহাইৰ 'সাপ্তাহিক নীলাচলত' প্ৰকাশ পোৱা কেইটামান প্ৰবন্ধৰ কথা উল্লেখ কৰিব পাৰি। বিষয়বস্তুৰ গভীৰতালৈ নগৈয়ো প্ৰবন্ধ কেইটা সুখপাঠ্য আৰু লোকোপযোগী আছিল।

যোৱা দশকত প্ৰকাশিত আন এখন লেখত লবলগীয়া বিজ্ঞানৰ গ্ৰন্থ হ'ল "ডঃ হিৰণ্য ভূঞা স্মৃতিগ্ৰন্থ"খন। অসমীয়া বিজ্ঞান সাহিত্যতকৈ নালাগে। অসমীয়া সাহিত্যৰ অভিনৱ সংযোজন এই স্মৃতিগ্ৰন্থখন অসম বিজ্ঞান সমিতিৰ লেখত লবলগীয়া কৃতি। স্বৰ্গীয় ভূঞাচাৰ্যে বিজ্ঞানৰ

ওপৰত দিয়া জনপ্ৰিয় বক্তৃতা বিলাক সংৰক্ষণ কৰি থব নোৱাৰাটো বৰ পৰিতাপৰ কথা।

আলোচনীত প্ৰকাশ পোৱা প্ৰবন্ধৰ মাজেৰে কোনো এটা বিষয় খৰচি মাৰি আলোচনা কৰা সম্ভৱ নহয়। কিন্তু যিবিলাক বিজ্ঞানৰ পুথি অসমীয়া ভাষাত ইতিমধ্যে প্ৰকাশ পাইছে এইবোৰত বিষয়বস্তুৰ বৈচিত্ৰ্যতা নাই। জোনত মানুহৰ প্ৰথম পদক্ষেপে ইমান চাঞ্চল্যৰ সৃষ্টি কৰিলে যে এই অভিযানে মহাকাশ বিষয়টোক অনেক বিজ্ঞান লিখকৰ মাজত জনপ্ৰিয় কৰিলে। ফলস্বৰূপে এই বিষয়তেই অসমীয়া ভাষাত প্ৰায় আধা ডজন কিতাপ প্ৰকাশ পালে। অসমীয়া বিজ্ঞান লিখকৰ আন এটা আকৰ্ষণীয় বিষয়বস্তু হৈছে আপেক্ষিকতা আৰু আইনষ্টাইন। ইতিমধ্যে পাঁচ নে ছখন কিতাপ এই বিষয়তো প্ৰকাশ হৈছে। এটা বিষয়তে একাধিক গ্ৰন্থ প্ৰকাশ পোৱাতো নিশ্চয় সুখৰ কথা, কিন্তু প্ৰায়বোৰ বিষয়েই উপেক্ষিত হৈ থকা অৱস্থাত এটা বা দুটা বিষয়বস্তুৰ ওপৰতে আলোচনা চলি থকাতো সাহিত্যৰ সুস্বাস্থ্যৰ লক্ষণ হব নোৱাৰে। এই সময়ত বিশ্বজুৰি বিজ্ঞানৰ বিভিন্ন দিশে দ্ৰুতভাৱে প্ৰসাৰ লাভ কৰিছে। এই প্ৰসাৰণশীল বিষয়সমূহৰ বিষয়েও অসমীয়া পাঠকক অৱগত কৰোৱা বিজ্ঞানী আৰু গৱেষকৰ এৰাব নোৱাৰা দায়িত্ব।

ক্ৰমাৎ জনপ্ৰিয় হৈ উঠা বিজ্ঞান সাহিত্যৰ আন এটা শাখা হৈছে বিজ্ঞানৰ বুৰঞ্জী, আৰু বিজ্ঞানৰ সমাজবিজ্ঞান। বিজ্ঞানৰ গৱেষণাক কেৱল এজন বা এদল মানুহৰ কাম বুলি ভাবিলে বিজ্ঞানৰ বিকাশৰ ধাৰাৰ স্পষ্ট আৰু সঠিক ৰূপ পোৱা নাযাব। সমাজৰ লগত বিজ্ঞানৰ সম্পৰ্ক আৰু আন্তঃক্ৰিয়াত কালানুক্ৰমিক অধ্যয়নৰ পৰাহে বিজ্ঞানৰ বিকাশৰ নীতিনিয়মসমূহ ধৰা পৰে। কিন্তু বৰ দুখৰ কথা যে এই বিষয়ে অসমীয়া ভাষাত প্ৰকাশ পোৱা ৰচনাসম্ভাৰ অতি নগণ্য। বিজ্ঞান জেউতিৰ বাহিৰেও সংজ্ঞা প্ৰকাশ আদি আলোচনীত প্ৰকাশিত দুই এটা প্ৰবন্ধৰ বাহিৰে এই দিশটো একেবাৰে উদং। অৱশ্যে এনে অভাৱৰ কাৰণো নোহোৱা নহয়। য'ত বিজ্ঞানৰ গজালিয়েই ওলোৱা

নাই। তাত আকৌ বুৰঞ্জী এলাৰ ক'ৰ পৰা? ভাৰতবৰ্ষত বিজ্ঞানৰ বুৰঞ্জী সম্পৰ্কে চলা আলোচনা সমূহ পুৰাণ, উপনিষদৰ যুগৰ জ্যোতিৰ্বিদ্যা গণিতশাস্ত্ৰতে আৱদ্ধ। তাৰ পাছতে হ'ল ১৮ শতিকাৰ জয়পুৰৰ ৰজা দ্বিতীয় চাৱাই জয় সিংহৰ জ্যোতিৰ্বিজ্ঞানসম্পৰ্কীয় আলোচনা। ইয়াৰ পাছত বহুতদিনলৈকে ভাৰতীয় বিজ্ঞানো নাই, নাই তাৰ বুৰঞ্জীও। আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰয়, আচাৰ্য্য জগদীশ চন্দ্ৰ বসু, মেঘনাদ সাহা, চি. ভি, ৰমণ, হোমি জেহাঙ্গীৰ ভাবা আদিয়ে বিজ্ঞানলৈ অনা অৱদানৰ ফলস্বৰূপেই ভাৰতীয় বিজ্ঞানৰ বুৰঞ্জীৰো নতুন যুগৰ সূচনা হ'ল। পদাৰ্থবিদ্যাৰ বুৰঞ্জী জনাৰ সম্পৰ্কে কৰলৈ গ'লে আমেৰিকান পাঠ্যপুথি এখনত পোৱা এষাৰ কথা পিছে মনত ৰাখিব লগীয়া। তাত কোৱা হৈছিল, আমেৰিকান এজনে যেনেকৈ আমেৰিকাৰ ভৌগোলিক অৱস্থান সম্পৰ্কে বিশদভাৱে জনা উচিত, তেনেকৈ পদাৰ্থবিদ্যাৰ ছাত্ৰ এজনেও পদাৰ্থবিদ্যাৰ বিকাশৰ ইতিহাস সম্পৰ্কে সচেতন হোৱাটো অতি আৱশ্যকীয়। এইখিনিতে অসম সাহিত্য সভাই প্ৰকাশ কৰা ড° মথুৰানাথ ভট্টাচাৰ্য্যৰ 'চিকিৎসা বিজ্ঞানৰ ইতিহাস' (১৯৭৫ চন) নামৰ কিতাপখনৰ কথা উল্লেখ কৰিব পাৰি। প্ৰখ্যাত চিকিৎসাবিদ এজনে সহজ সৰল ভাষাত চিকিৎসাবিজ্ঞানৰ ইতিহাস দাঙি ধৰা এইখনেই অসমীয়া ভাষাৰ প্ৰথম আৰু একমাত্ৰ বিজ্ঞানৰ বুৰঞ্জীৰ পুথি।

অসমীয়া আলোচনীত বিজ্ঞানসাহিত্য :

ওপৰৰ আলোচনাৰ পৰাই দেখা গৈছে যে অসমীয়া বিজ্ঞান সাহিত্যৰ জন্মই আলোচনীৰ পাতত। পুৰণি অসমীয়া আলোচনীৰ পাতত বৈজ্ঞানিক ৰচনাই কেনে স্থান পাইছিল সেই কথা আগতেই উল্লেখ কৰা হৈছে। পৰিতাপৰ কথা যে বৰ্তমান অসমত ধাৰাবাহিকভাৱে ওলোৱা আলোচনী এখনেও এতিয়ালৈকে প্ৰতিষ্ঠা লাভ কৰিব পৰা নাই। আৱাহন, ৰামধেনুৰ যুগৰ পাছত এতিয়া যুগস্ৰষ্টিকাৰী আলোচনী

এখনো নোলোৱা হ'ল। ৰামধেনুৰ পাতত 'বিজ্ঞানস্তম্ভৰ' এটা নিয়মীয়া শিতান আছিল। প্ৰধানতঃ নতুন আবিষ্কাৰ আদিয়েই প্ৰাধান্য লাভ কৰিলেও তাৰ মাজতে বিজ্ঞানৰ মূলসূত্ৰৰ কথাও এইবোৰ ৰচনাত প্ৰকাশ পাইছিল। এতিয়া তেনে নিয়মীয়া আলোচনীও নাই, তেনেকুৱা বিজ্ঞানস্তম্ভৰ ৰচনাৰাজিও নাই। কিন্তু দেখা গৈছে যে ইয়াৰ ঠাই পূৰাই দুই এখন বিজ্ঞান বিষয়ৰ আলোচনী প্ৰকাশ পাবলৈ ধৰিছে। অসম বিজ্ঞান সমিতিৰ বিজ্ঞান জেউতিয়ে এই বিষয়ত যি নেতৃত্ব দিছে তাৰ যথাৰ্থ মূল্য অসমীয়া পাঠকে এতিয়াও দিব পৰা নাই; স্কুলীয়া ল'ৰা-ছোৱালীৰ বস্তু বুলিয়েই ডাঙৰে এইখন আলোচনী হাতেৰে নোচোৱে। এই অৱস্থাৰ কিছু পৰিবৰ্ত্তন যোৱা দুবছৰমানৰ পৰা লক্ষ্য কৰা হৈছে। আকৰ্ষণীয় বেটুপাত, মনোমোহা অঙ্গসজ্জাৰে এই আলোচনীয়ে অসমীয়া বিজ্ঞানসাহিত্যৰ উত্তৰোত্তৰ উন্নতি সাধনত প্ৰভুত বৰঙণি যোগাব বুলি আশা কৰিব পাৰি। এঠাইত গ্ৰন্থসমালোচক শ্ৰীদীনেশ বৈশ্যই মন্তব্য কৰামতেই বস্তুতো অসমীয়া বিজ্ঞান সাহিত্যিকৰ জন্ম হৈছে এই আলোচনীৰ পাততেই। জন্মৰ পাছত লালন পালনৰ দায়িত্ব অৱশ্যে একেখন আলোচনীৰ পৰাই আশা কৰিব নোৱাৰি।

যোৱা দুটামান বছৰত অসমীয়া ভাষাৰ সাহিত্য সংস্কৃতিৰ আলোচনীৰ সংখ্যা বৃদ্ধি হোৱাৰ দৰেই অসমীয়া ভাষাতো কেইবাখনো বিজ্ঞান আলোচনীয়ে ভুমুকি মৰা পৰিলক্ষিত হৈছে। অসমীয়া বিজ্ঞান সাহিত্যৰ ভবিষ্যত উন্নতিৰ বাবে ই বৰ সুখৰ কথা। আলোচনী বিলাকৰ পৰিবেশনত কোনো নিৰ্দিষ্ট পদ্ধতি নথকা গুণে প্ৰায়বোৰ এনে আলোচনীৰ খবৰ বিজ্ঞান জেউতিৰ পাতত পায়েই পাঠকে সন্তুষ্ট হব লগা হয়। এইবোৰ আলোচনীয়ে বিজ্ঞান শিক্ষাৰ লগত জড়িত এদল ডেকা ছাত্ৰ-শিক্ষকৰ বৰ্দ্ধিত সংখ্যাৰ কথাই কেৱল সুমুচায়। বিজ্ঞানৰ বিষয়বস্তুৰ প্ৰচাৰে কিজানি সমাজত বৈজ্ঞানিক দৃষ্টিভঙ্গী এটাৰ গঢ় দিয়ে, এনে আদৰ্শৰ পৰা অহা অনুপ্ৰেৰণাও বিজ্ঞান আলোচনী প্ৰকাশ কৰাৰ শেহতীয়া প্ৰচেষ্টাবোৰত ক্ৰিয়াশীল যেন অনুমান হয়। মনৰ

বলত কেইজনমান উদ্যোগী ডেকাই কেইটামান সংখ্যা উলিয়ালেও সমাজৰ বাকী অংশৰ উদাসীনতাৰ ফলতেই এনেবোৰ আলোচনীৰ অপমৃত্যু ঘটে। এইবিলাক আলোচনীত বিষয়বস্তুৰ বিচিত্ৰতা থাকিলেও ৰচনাৰ মানদণ্ড সদায় ঈপ্সিত পৰ্যায় নাপায়েগৈ।

এইখিনিতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আমি পদাৰ্থ বিজ্ঞান বিভাগৰ পৰা প্ৰকাশ কৰা পদাৰ্থ বিজ্ঞান পত্ৰিকাৰ সম্পৰ্কে দুআষাৰ কোৱা অপ্ৰাসঙ্গিক নহ'ব। ১৯৭২ চনৰ পৰা প্ৰকাশ কৰা ই এখন বছৰেকীয়া পদাৰ্থ বিজ্ঞানৰ আলোচনী। প্ৰস্তাৱনা সংখ্যাতে কোৱা হৈছিল বৈজ্ঞানিক প্ৰতিশব্দৰ ব্যৱহাৰিক সৃজন কৰা, বিজ্ঞান বিষয়ৰ আলোচনাৰ উপযোগী ভাষাৰ ৰীতি বা বাক্যৰীতিৰ বিকাশ কৰা, কটকটীয়া প্ৰকাশভঙ্গী গঢ়ি তোলা আদিৰ ক্ষেত্ৰত বৰঙণি দিবলৈকে আলোচনীখনৰ জন্ম। ইয়াৰ উপৰি আশা কৰা হৈছিল বিজ্ঞানৰ আন আন বিষয়তো এনেকুৱা প্ৰচেষ্টাই গঢ়লৈ উঠিব আৰু বিভিন্ন বিষয়ত অসমীয়া বিজ্ঞান সাহিত্য সমৃদ্ধ হৈ পৰিব। এতিয়ালৈকে পদাৰ্থ বিজ্ঞানৰ বিভিন্ন দিশত ৫০ টা মান প্ৰবন্ধ লেচেৰি বোটলা, বিজ্ঞান জগতৰ বাতৰি আদিৰে সৈতে পত্ৰিকাখনে ৬টা বছৰত ভৰি দিছেহি। পঢ়ুৱৈৰ কাষ চপাত শৃংখলা লগাব নোৱাৰাৰ কাৰণেই ইয়াৰ লগত পঢ়ুৱৈৰ সংযোগ এতিয়াও ক্ষীণ।

অসমীয়া বিজ্ঞান সাহিত্যৰ আন এক উৎস হৈছে স্কুল, কলেজ, বিশ্ববিদ্যালয়, মেডিকেল কলেজ আদিৰ ছাত্ৰ আলোচনীবিলাক। এইবোৰত প্ৰকাশিত ৰচনাক উচ্চ খাপৰ বুলিব নোৱাৰি সঁচা; কিন্তু এনে ৰচনাৰাজিও একেবাৰে 'অৰ্থহীন নহয়' কাৰণ এইবোৰেই বিজ্ঞানৰ ৰচনাৰীতি-প্ৰকাশভঙ্গী গঢ় দিয়াত সহায় হয়।

বিজ্ঞান বিষয়ৰ পাঠ্য-পুথি :

পাঠ্য পুথিক প্ৰকৃতাৰ্থত বিজ্ঞানসাহিত্য বুলি ক'ব নোৱাৰিলেও

মনত ৰাখিব লাগে যে আমাৰ বহুতৰ কাৰণেই বহুত বছৰলৈকে শ্ৰীচন্দ্ৰমল কাকতিৰ প্ৰৱেশিকা বিজ্ঞানেই একমাত্ৰ চিনাকি অসমীয়া বিজ্ঞানৰ পুথি আছিল। বাক্যৰীতি, প্ৰতিশব্দৰ ব্যৱহাৰ আদি অনেক বিষয়ত এইখনেই আমাৰ আহি আছিল। গতিকে যি সময়ত বিজ্ঞান সাহিত্য আলোচনীৰ পাততে সিঁচৰিত হৈ আছে আৰু সৰহভাগ প্ৰবন্ধ-পাতিয়েই বিষয়বস্তুৰ গভীৰতালৈ নোসোমোৱা, তেনেকুৱা প্ৰাথমিক অৱস্থাত প্ৰাক বিশ্ববিদ্যালয় আৰু স্নাতক শ্ৰেণীৰ উপযোগীকৈ লিখা পাঠ্য-পুথিসমূহেই অসমীয়া বিজ্ঞান সাহিত্যৰ সম্ভাৰ। বিশেষকৈ স্নাতক মহলালৈকে মাতৃভাষাত শিক্ষাদান দিয়াৰ চৰকাৰী সিদ্ধান্তৰ ফলত যোৱা ৮/৯ বছৰৰ ভিতৰত দুয়োটা বিশ্ববিদ্যালয়তেই ঢেৰশমান বিজ্ঞানৰ বিভিন্ন বিষয়ৰ পাঠ্য-পুথি ছপা হৈ ওলাইছে। ইয়াৰে কোনো কোনো পুথিয়ে দ্বিতীয় বা তৃতীয় তাঙৰণো দেখা পাইছে। তদুপৰি দুই এজন প্ৰকাশকেও দুই এখন পাঠ্য-পুথি প্ৰকাশ কৰা দেখা গৈছে। দুৰ্ভাগ্যবশতঃ আটাইবোৰ পাঠ্য-পুথি সমান মানদণ্ডৰ নহয়। জীৱন্ত ভাবা এটাই বিজ্ঞানৰ দৰে উত্তেজনাপূৰ্ণ বিষয় এটাক যি সাৱলীল প্ৰকাশভঙ্গীৰে প্ৰকাশ কৰিব পাৰিব লাগে, এইবোৰ পাঠ্য-পুথিৰ এনে ৰচনাশৈলী প্ৰায়ে অনুপস্থিত, যেন পাঠ্যক্ৰমে বান্ধি দিয়া পথাৰ ভৰত বাক্য-গাঠনিয়ে উজুটি খায়। এই উজুটি খোৱা ভাৱটো অৱশ্যে প্ৰতিশব্দৰ উপযুক্ত ব্যৱহাৰৰ অভাৱৰ ফলতো হব পাৰে। দুই এখনত ইয়াৰ ব্যতিক্ৰম নোহোৱা নহয়।

সামৰণিত ক'ব পাৰি যে যোৱা দহবছৰমানৰ ভিতৰত অসমীয়া বিজ্ঞান সাহিত্যৰ ভেটী ক্ৰমাৎ দৃঢ় হৈ অহা যেন লাগিছে — অতি স্বাচ্ছন্দ্যেৰে বিজ্ঞানৰ কথা লিখিব পৰা দুই এজন লেখক ওলাইছে, বিজ্ঞানৰ কথা মাতৃভাষাত প্ৰকাশ কৰিব নোৱাৰি বোলা সকতে সুমুৱাই দিয়া ভয়টোক বহু পৰিমাণে বহুতোলোকে জিনিব পাৰিছে আৰু বিজ্ঞানৰ অত্যাধুনিক আৱিষ্কাৰৰ কথাও অসমীয়া ভাষাত প্ৰচাৰ কৰিবলৈ সচেষ্ট হোৱা বিজ্ঞানৰ এদল শিক্ষক আৰু ছাত্ৰ ওলাইছে। অসমীয়া বিজ্ঞান সাহিত্যৰ কাৰণে ইয়াতকৈ আৰু বেছি আশাপ্ৰদ আৰু সুখৰ কথা কি হব পাৰে?●

অসমীয়া বিজ্ঞান সাহিত্যৰ লিখক আৰু পঢ়ুৱৈ

ড° বিজয়কৃষ্ণ দেৱশৰ্ম্মা।

মানুহ সামাজিক প্ৰাণী। সমাজ-চেতনা, সামাজিকতাবোধ মানৱ সভ্যতাৰ মাপকাঠি। বিজ্ঞানীসকলে সভ্য সমাজৰ মানুহ আৰু আধুনিক সভ্যতাৰ প্ৰগতিৰ মূলতে আছে বিজ্ঞান। গতিকে বিজ্ঞানীসকলো সমাজ সচেতন হোৱা আৰু সমাজৰ দায়-দায়িত্বৰ প্ৰতি সজাগ হৈ থকাটো নিতান্তই আৱশ্যক। এইবাবেই সম্প্ৰতি বিজ্ঞান লিখক হিচাপে আমি পাইছো বিজ্ঞানী আৰু বিজ্ঞানপ্ৰেমী এচাম সাহিত্যিক। বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত এফালে যিদৰে বিজ্ঞান শিক্ষা, গৱেষণা আদিৰ সুস্থ ব্যৱস্থাৰ প্ৰয়োজন, সেইদৰে আনফালে প্ৰয়োজন জনপ্ৰিয় বিজ্ঞান লেখনীৰ বলিষ্ঠ প্ৰকাশ।

আজি কিছু বছৰ আগলৈ অসম তথা সমগ্ৰ ভাৰতবৰ্ষতেই বিজ্ঞান লিখকৰ ভূমিকা গ্ৰহণ কৰিছিল একশ্ৰেণীৰ 'চৌখিন' লিখকে। অৱশ্যে এইচাম লিখকৰ ভিতৰত বিজ্ঞানী দুই এজন যে নাছিল এনে নহয়। কিন্তু বেছিভাগেই আছিল বিজ্ঞানপ্ৰেমী মাত্ৰ। সমসাময়িক বৈজ্ঞানিক আৱিষ্কাৰ বা গৱেষণাই তেওঁলোকৰ মনত আগ্ৰহ বা কৌতুকৰ সঞ্চাৰ কৰাত সেই আগ্ৰহৰ অনুপ্ৰেৰণাতেই লিখিছিল বিজ্ঞানৰ ওপৰত নানান প্ৰবন্ধ আদি। সেই ধৰণৰ লিখনীৰ মূল উদ্দেশ্য আছিল— সাধাৰণ মানুহক বিজ্ঞান সম্পৰ্কে আগ্ৰহী কৰি তোলা। এই লিখনীৰ উপজীব্য আছিল সাধাৰণতে পাঠ্য-পুথিত নথকা বিষয়বোৰ, যিবোৰে পাঠকৰ মন সহজতে আকৰ্ষণ কৰিব পাৰে।

কিন্তু আধুনিক বিজ্ঞানৰ উৎকৰ্ষ অধিক হাৰত বাঢ়ি অহাৰ লগে লগে পটভূমিৰ পৰিবৰ্তন হোৱাৰ আৱশ্যকতা আহি পৰিল। মহাকাশলৈ

মানুহে ঢাপলি মেলাৰ সময়ৰ পৰাও যদি লক্ষ্য কৰা যায়, তেনেহলে এই পৰিবৰ্তন যে কিমান দ্রুত হাৰত হৈছে তাক সহজে উপলব্ধি কৰিব পাৰি। আজিৰ জনতাই বিজ্ঞানৰ প্ৰসাৰ গ্ৰহণ কৰিছে প্ৰথমতঃ কৌতুহলৰ বাবে আৰু দ্বিতীয়তঃ বিজ্ঞানৰ অৱদান দৈনিক জীৱনত এৰাব নোৱাৰা অৱদান হিচাবে। আজিৰ সমাজত ব্যক্তিগত জীৱনৰ সুখ-স্বাচ্ছন্দ্য বৃদ্ধি কৰিবলৈ, সমূহ জীৱনৰ ৰক্ষণা-বেক্ষণত আৰু সমাজ-জীৱনৰ উন্নতি সাধিবলৈ বিজ্ঞানৰ বিবিধ প্ৰয়োগ অপৰিহাৰ্য্য। এনেকি, সমাজৰ সংস্কাৰ সাধনৰ বাবেও প্ৰয়োজন বৈজ্ঞানিক চিন্তাধাৰাৰ। এই বাবে সমাজৰ সকলো স্তৰৰ মানুহৰ মাজত যথাসম্ভৱ বিজ্ঞানৰ তথ্য, প্ৰগতি বা বৈজ্ঞানিক চিন্তাধাৰা বিলাই দিয়াৰ দায়িত্ব বাঢ়িছে আহি পৰিছে। সমাজত বিজ্ঞানৰ সম্যক প্ৰসাৰ, প্ৰচাৰ আৰু সুস্থ প্ৰয়োগ নহলে বৰ্তমান যুগত মানুহৰ জীৱন মানৰ উন্নতি, সমাজ তথা জাতিটোৰ উন্নয়ন কোনোমতেই সম্ভৱ নহয়।

সাম্প্ৰতিক বৈজ্ঞানিক অৱদানৰ কিছুমানে সঁচাকৈয়ে সাধাৰণ জনতাৰ মনত কুহক সৃষ্টি কৰিব পাৰে। চন্দ্ৰৰ বুকুত মানুহ নমা ঘটনাই সেই সময়ত কাৰনো মনত কৌতুহল অনা নাছিল? সেইদৰে অতি দূৰ-দূৰণিত থকা নক্ষত্ৰৰ বতৰা, নোভাৰ কথা, ব্লেকহোল বা কোনো গ্ৰহৰ নতুন উপগ্ৰহৰ কথাই মানুহক উত্তেজনাপূৰ্ণ বাতৰি দিয়াৰ উপৰিও বিজ্ঞান সাধনাৰ ধাৰাৰ কথাও সোঁৱৰাই দিয়ে। পৰমাণু বোমাৰ বিস্ফোৰণ, দ্রুতগামী ৰকেট বা কৃত্ৰিম উপগ্ৰহৰ সহায়ত শিক্ষাদান, দূৰবীণ বা অণুবীক্ষণ যন্ত্ৰৰ ক্ষমতাৰ কথা, ৰাডাৰ যন্ত্ৰৰ সহায়ত গুপ্তচৰ কৰোৱা, ৰবটৰ দ্বাৰা কিদৰে মানুহৰ কাম কম সময়তে কৰোৱা হয় জানিলে সাধাৰণ পাঠক ৰোমাঞ্চিত হোৱাৰ কথাই। কাৰণ, এতিয়াও অধিকাংশ জনতাৰ মানসিক প্ৰস্তুতিয়ে বিজ্ঞানৰ চাৰিবেৰত ঘটি থকা ঘটনাৰাজি ঢুকি পাব পৰা নাই। পৰাটো অসম্ভৱো। বহুত ঘটনা এক শ্ৰেণীৰ বাবে অবিশ্বাস্যও। তথাপি ৰোমাঞ্চকৰ মানসিকতাৰ খাতিৰতেই পাঠকে এনেকুৱা লিখনী

পাৰে। কেনেকৈ বা কিয় এনেকুৱা হ'ল বুলি মূৰ নঘমায়। এক শ্ৰেণীৰ পাঠকে বিজ্ঞানৰ খবৰ বুলি হলেও এনেকুৱা কৌতূহলী খবৰ পূৰ্ণ প্ৰবন্ধ বিচাৰে। সেয়ে আমাৰ বিজ্ঞান লিখক সকলে পাঠৰ তাত্বিক দিশলৈ মন নিদি ৰোমাঞ্চপূৰ্ণ খবৰ থকা বিষয়ৰ ওপৰতো প্ৰবন্ধ লিখা উচিত। গল্পৰ দৰে লিখি বিজ্ঞানৰ বিজয় কাহিনী বা অভিযান সমূহক জন সমাজত প্ৰচাৰ কৰাতনো ক্ষতি কি? এনে কাৰণে বিজ্ঞান অবিজ্ঞান নহয় বুলিয়েই আমি ভাবো। বৰং এনেকুৱা লিখনী সঘনে, অধিক হাৰত প্ৰকাশিত হৈ থাকিলে সাধাৰণ জন সমাজ বিজ্ঞানৰ নামত অধিক উৎসাহী হব বুলিহে আমাৰ ধাৰণা। প্ৰকৃত বিজ্ঞান এনেকুৱা ক্ষেত্ৰত নৈৰাশ্যিক।

দৈনিক জীৱনত বিজ্ঞানে আনি দিছে জাগৃতি, সচেতনতা। এইবাৰেই দেখিব আকাশবাণীত যেতিয়া কৃষিকথা প্ৰচাৰ হয়, গাঁৱৰ হোজা খেতিয়কজনেও তাক শুনিবলৈ আগ্ৰহ দেখুৱায়। পশুপালনৰ শিক্ষনীয় পাঠ আকাশবাণী যোগে বাইজে শুনিবলৈ হেপাহ কৰে। বতৰৰ আগ জাননী শুনিবলৈ চহা শ্ৰোতাই ৰেডিঅ'ৰ ওচৰত ভিৰ কৰা নিজে দেখিছো। কোন মাটিত কি ধৰণৰ শস্য দিলে, কেতিয়া দিলে অধিক উৎপন্ন হব কি হাৰত কি সাৰ দিয়া উচিত আদি জানিলে আমাৰ খেতিয়ক ভাই সকল সঁচাকৈয়ে উপকৃত হয়। দেখিছো—এই খেতিয়ক শ্ৰেণীৰ কোনোৱেই হয়তো বিজ্ঞানৰ ছাত্ৰ নহয় বা বিজ্ঞানৰ তাত্বিক দিশ লৈ মূৰ ঘমোৱা ব্যক্তি নহয়, কিন্তু প্ৰয়োজনৰ তাগিদাতেই তেওঁলোকে জানিছে ইউৰিয়া, ফচফেট, সুফলা, গেমাক্সিন বা ডি, ডি, টি আদিৰ নাম আৰু তাৰ প্ৰয়োগ। তেওঁলোকে ক'ব নোৱাৰাকৈয়ে শিকি গৈছে কৃষি কৰাৰ বৈজ্ঞানিক প্ৰণালী, শৰীৰৰ পুষ্টিসাধনৰ বাবে লবণগীয়া দিহা বা সাৱধানতাৰ কথা। আজিৰ সমাজত ৰোগ আৰু তাৰ প্ৰতিকাৰ সম্বন্ধে অলপ অচৰপ জ্ঞান হোজা-চহা ব্যক্তিয়ো আছে বা সেই বিষয়ে জানিবলৈ হেপাহ কৰে। থোৰতে ক'বলৈ হ'লে, প্ৰয়োজনৰ বাবে জনসমাজে এতিয়া জানিব বিচাৰে বিজ্ঞান। তেওঁলোকে

এই জ্ঞান ৰেডিঅ', টেলিভিছন বা খবৰ কাগজৰ পৰাই হওক বা কিতাপ-পত্ৰ, আলোচনী আদিৰ জৰিয়তেই হওক। মুঠতে মানুহক বিজ্ঞানৰ সাধাৰণ জ্ঞানৰ প্ৰয়োজন। এই কাৰণেই, এতিয়াৰ সমাজত বিজ্ঞান লিখকৰ ভূমিকা এনেকুৱা প্ৰয়োজনৰ চাহিদা পূৰণ কৰিবলৈ, আমাৰ অসমৰ দৰে ঠাইত এই প্ৰয়োজন আৰু বেচি।

আমি সকলোৱে কওঁ যে জনপ্ৰিয় বিজ্ঞান (Popular Science) কেৱল সাধাৰণৰ বাবে। কিন্তু এই 'সাধাৰণ'ৰে জানো কেৱল শিক্ষাগত যোগ্যতাত যিসকল কম তেওঁলোককহে বুজায়? নুবুজায়। আধুনিক প্ৰগতি যিদৰে ব্যাপকভাৱে হৈছে তাৰ পৰিপ্ৰেক্ষিতত এজন উচ্চ শিক্ষিত বিজ্ঞানৰ ব্যক্তিও বিজ্ঞানৰ (কলাৰো) সকলো শাখাতে পাৰ্গত হ'ব নোৱাৰে। আজিৰ উচ্চ শিক্ষা বিশেষমুখী (Specialized)। সেয়ে আজিৰ এজন গণিতবিদ ৰসায়ন শাস্ত্ৰত সাধাৰণ এজন। অৰ্থাৎ এজন উচ্চ শিক্ষাবিদ ব্যক্তি তেওঁৰ নিজৰ ক্ষেত্ৰতহে বিজ্ঞানী বা পণ্ডিত। অইন এটা শাখাৰ কিবা জানিবলৈ হলে তেওঁৰ প্ৰয়োজন হয় জনপ্ৰিয় বিজ্ঞানৰ। সাম্প্ৰতিক অৱস্থাত কেতিয়াবা কেতিয়াবা এজন বিজ্ঞানীয়ে তেওঁৰ নিজৰ বিশেষতাৰ উপৰিও অন্য শাখাৰ বিষয়ে জানিবৰ নিত্যান্তই প্ৰয়োজন হয়। তদুপৰি যিসকল বিজ্ঞানী নহয়, তেওঁলোকৰো কিছুমানে বৈজ্ঞানিক তত্ত্ব বা তথ্য আদিৰ বিষয়ে জানিবলৈ আগ্ৰহী হয়। গতিকে. বিজ্ঞানৰ তথ্যাদি সাধাৰণভাৱে বুজিব পৰা আলোচনা থকা প্ৰবন্ধপাতি আৰু কিতাপৰ বিশেষ প্ৰয়োজন। এই দিশতো আমাৰ বিজ্ঞান লিখকসকলৰ ভূমিকা বিশেষভাৱে মন কৰিব লগীয়া। ইয়াৰ বাবে আমাৰ চৰকাৰ, বিভাগীয় সমিতি আদিয়ে অসমীয়াত (অৰ্থাৎ মাতৃভাষাত) এনেকুৱা কিতাপ আদি প্ৰকাশ কৰি বিজ্ঞান লিখকসকলক অনুপ্ৰাণিত কৰা উচিত।

এই প্ৰসঙ্গত আৰু এটা কথা কৈ থোৱা ভাল হ'ব কিজানি। বিজ্ঞানৰ বিভিন্ন শাখাত প্ৰকাশিত জনপ্ৰিয় বিজ্ঞানৰ কিতাপ ইংৰাজী ভাষাত প্ৰচুৰ পৰিমাণে ওলাইছে। বিজ্ঞানক জনতাৰ মাজত জনপ্ৰিয় কৰি তুলিবলৈ হলে নাইবা জন সমাজক বিজ্ঞানমুখী

কৰিবলৈ হলে এনেকুৱা কিতাপৰ সাৰ্থক অনুবাদ কৰি উলিওৱাটো বিজ্ঞান লিখকসকলৰ নিতান্ত কৰ্তব্য বুলি আমি ভাবো। (আমাৰ অসমীয়া সাহিত্যত এনেকুৱা কিতাপ তেনেই নগণ্য বুলি ক'ব পাৰি। অপ্ৰাসঙ্গিক হলেও ক'ব লাগিব যে ইয়াৰ মূল কাৰণ প্ৰকাশকৰ অভাৱ। আমাৰ অসমীয়া কিতাপ প্ৰকাশ কৰা সকলে জনপ্ৰিয় বিজ্ঞানৰ কিতাপ, প্ৰকাশ কৰিবলৈ একেবাৰে পৰাঙ্‌মুখ।)

যোৱা ১৯৬৮-৬৯ চনৰ পৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ সিদ্ধান্ত আৰু ভাৰত চৰকাৰৰ পৰামৰ্শমতে প্ৰতিখন ৰাজ্যতে মাতৃভাষাৰ জৰিয়তে উচ্চ শিক্ষাদানৰ নীতি নীতিগতভাৱে গ্ৰহণ কৰা হৈছে। ই সঁচাকৈয়ে বৰ সুখৰ কথা। কিন্তু তাৰ লগতে আহি পৰা গুৰু দায়িত্বৰ কথা আওকাণ কৰিলে নচলিব। উচ্চ শিক্ষাৰ বাবে প্ৰয়োজন উন্নত মানৰ পাঠ্য-পুথিৰ, লগতে সংখ্যাধিক আনুষঙ্গিক পুথি বা পুথিৰ। পৰিতাপৰ কথা যে আমাৰ ৰাজ্যত এতিয়াও আমি কেইখনমান পাঠ্য-পুথি লিখিয়েই 'সন্তুষ্টি'ৰে শিক্ষাদান কৰি আছো। জ্ঞানৰ তেনো পৰিধি নাই। তেনেহলে আমিনো সেই জ্ঞানৰ জুমুঠি ধৰি এটা সৰু বস্তুৰ ভিতৰত ভৰাই থলো! আমাৰ বিজ্ঞান লিখকসকলৰ পৰম দায়িত্ব উপ-পাঠ্য-পুথিত সংকলন কৰিব পৰাকৈ বিভিন্ন শাখাত প্ৰবন্ধপাতি ৰচনা কৰা (অৱশ্যে প্ৰকাশৰ ব্যৱস্থাও থাকিব লাগিব। আমাৰ বোধেৰে দুইখন বিশ্ববিদ্যালয়ৰ পাঠ্য-পুথি প্ৰস্তুত সমিতি, বিজ্ঞান সমিতি, প্ৰকাশন পৰিষদ আদিৰ দৰে প্ৰতিষ্ঠানে এই দায়িত্ব পালনৰ বাবে সচেষ্ট হোৱা উচিত)। বিজ্ঞানৰ উচ্চ শিক্ষা মাতৃভাষাৰ জৰিয়তে সফলভাবে দিবলৈ হলে, আমাৰ বিজ্ঞান লিখকসকল সচেতন হবৰ হ'ল। নহ'লে আমি আমাৰ ভবিষ্যত বংশধৰসকলক অপূৰ্ণ আৰু অপৰিণত কৰা দোষত দোষী হ'ব লাগিব।

বিজ্ঞান লিখকৰ আন এটা গধুৰ দায়িত্ব হ'ল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পৰিচালনা বিষয়ক ৰচনা কৰা। এনেকুৱা গুৰুত্বপূৰ্ণ ৰচনা কৰোতে লিখক বেচ সতৰ্ক হোৱা উচিত। কাৰণ, তেওঁৰ ৰচনাৰ

জৰিয়তে প্ৰতিভাত হ'ব ভৱিষ্যতৰ পৰিকল্পনা আৰু তাৰ প্ৰতিফলন। ৰাজ্য বা দেশৰ শিল্প সমৃদ্ধি, বিজ্ঞানমূলক পৰিকল্পনা আদিৰ স্বাৱলম্বীতা তেওঁৰ ৰচনাই বহন কৰিব। অৱশ্যে এনেকুৱা লিখনীৰ প্ৰয়োজন কেৱল চৰকাৰী পৰিকল্পনা আৰু সমালোচনাৰ বাবে বুলি ক'ব পাৰি। উদাহৰণ এটা দিছো: ধৰক, অসমত ইলেকট্ৰনিক শিল্প এটা গঢ়ি তুলিব খোজা হৈছে। তাৰ বাবে এটা পৰিকল্পনামূলক ৰচনা লাগে। এই ৰচনাত লিখকে দেখুৱাই দিব লাগিব আমাৰ ইয়াত লগাৰ জোখাৰে দক্ষ বিজ্ঞানী আদি কিমান আছে (বা নাই) ; প্ৰয়োজনীয় কেঁচা সামগ্ৰী পোৱা যাব ক'ৰ পৰা, যন্ত্ৰপাতি আনোতে অসুবিধা কিবা আছে নেকি, উৎপাদিত সামগ্ৰীৰ চাহিদা হ'ব কেনেকুৱা ; অৰ্থ বিনিয়োগ আৰু সেই অনুপাতে মুনাফা কিমান হব ; নতুন কৰ্মসংস্থান হব কিমান ; অসমৰ অৰ্থনৈতিক উন্নতি হব কি হাৰত ইত্যাদি। এইবোৰ তথ্য নিখুঁত-ভাৱে দিব নোৱাৰিলে বহুত ধৰণৰ ক্ষতি হোৱাৰ আশঙ্কাই বেচি।

একেদৰেই যিসকলে বিজ্ঞান সংবাদ লিখে, তেওঁলোকো সতৰ্ক হোৱা উচিত। কাৰণ, অসম তথা ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল ৰাজ্যত বিজ্ঞান সংবাদেৰে আমি জনসমাজক জনাব পাৰিব লাগিব খাদ্য উৎপাদন, খাদ্য সংৰক্ষণ, শৰীৰ পুষ্টি, পৰিয়াল পৰিকল্পনা আদিৰ বিষয়ে বৈজ্ঞানিক ধ্যান ধাৰণা। পৰিৱেশিত বাতৰিয়ে যাতে পাঠকৰ মনত কোনো ধৰণৰ বিভ্ৰান্তি সৃষ্টি কৰিব নোৱাৰে, তালৈ লিখকে মন কৰিব লাগিব। এনেকুৱা লিখনী যিমান পাৰি স্পষ্ট, সহজ-সৰল আৰু নিৰ্ভুল হোৱা উচিত। (কিন্তু দুখৰ বিষয়, এতিয়াও আমাৰ বাতৰি কাকত বা আলোচনী আদিত বিজ্ঞানক অতি ক্ষীণ হাৰত প্ৰকাশ কৰা হয়)। লিখা বিষয়টি কেৱল মনোৰঞ্জক কৰিবলৈ গৈ ৰম্য ৰচনাৰ দৰে প্ৰকাশ কৰিলে বেছিভাগ ক্ষেত্ৰত বিজ্ঞানৰ দিশটো বিকৃত কৰি তোলা দেখা যায়। এনেকুৱা কৰাটো অন্যায়কৰ আৰু অবাঞ্ছিত।

আমাৰ সমাজত এতিয়াও অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ প্ৰভাৱ

আঁতৰি যোৱা নাই। জন জীৱনত ইয়াৰ কুপ্ৰভাৱ পৰি জীৱন পঙ্গু কৰিছে। তথাপি সেই অন্ধবিশ্বাসৰ শ্ৰেণি আঁতৰাই দিব পৰা নাই। বিজ্ঞান লিখক সকলে এই দিশটো নজৰ দিবৰ হ'ল। সঁচা কথা, আধুনিক বুদ্ধিৰ সতে প্ৰাচীন সংস্কাৰৰ যুঁজ এছিয়াৰ সভ্যতাৰ অনা এক অৱদান। কিন্তু এই সংস্কাৰ আমি উত্তৰাধিকাৰী সূত্ৰে পাইছো বাবেই হয়তো তাক অৱলুপ্ত কৰাটো সিমান উক্ত নহ'ব। সেইবুলি সংস্কাৰক কুসংস্কাৰ ৰূপে গ্ৰহণ নকৰিবলৈ সাধাৰণ জনতাক উদ্বোদ্ধ কৰিব পৰাটো টান নহয়। মানুহৰ মনত বৈজ্ঞানিক চিন্তাধাৰা সুমুৱাই দিব পাৰিলেই এই ৰোগ আঁতৰি যাব বুলি আমাৰ দৃঢ় বিশ্বাস। ●

অসমীয়া বিজ্ঞান সাহিত্য : লিখক আৰু পঢ়ুৱৈ

ড° সোণেশ্বৰ শৰ্মা।

মানৱ সমাজৰ দ্ৰুত পৰিৱৰ্তনত বিজ্ঞানৰ ভূমিকা অনস্বীকাৰ্য। বিজ্ঞানীসকলে তেওঁলোকৰ আৱিষ্কাৰ বা সিদ্ধান্ত সমূহৰ কথা বিজ্ঞানৰ গৱেষণা প্ৰবন্ধ হিচাপে বিশেষ একশ্ৰেণী আলোচনীত প্ৰকাশ কৰে, ইয়াৰ পাঠকৰ সংখ্যা তেনেই সীমিত। সেই প্ৰবন্ধ সমূহ সাধাৰণ মানুহৰ কাৰণে বোধগম্য নহয়। সেয়েহে কোনো কোনো সময়ত বিজ্ঞানীসকলৰ জগতখন সম্পূৰ্ণ স্বকীয় বুলি ধাৰণা হোৱাৰ অৱকাশো থাকে। কৃষিৰ দৰে কোনো কোনো ক্ষেত্ৰত হোৱা গৱেষণাৰ ফলাফল সম্পৰ্কে কিছু কথা সাধাৰণ মানুহে বুজি পালেও, বিজ্ঞানৰ সৰহভাগ দিশতে হোৱা গৱেষণাৰ পৰা হ'ব পৰা সমাজৰ উপকাৰ বা অপকাৰৰ সম্পৰ্কে মানুহৰ কোনো স্পষ্ট ধাৰণা নাথাকে আৰু তাৰেই ফলস্বৰূপে বিজ্ঞান আৰু সাধাৰণ মানুহৰ দূৰত্ব দিনক দিনে বাঢ়ি যায়। কিন্তু সৰ্বসাধাৰণৰ লগত বিজ্ঞানৰ সেতু তৈয়াৰ কৰাত আৰু কোনো কোনো ক্ষেত্ৰত কিছুমান ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰাত বিজ্ঞান বিষয়ক সৰল ৰচনাই প্ৰভুত বৰঙণি আগবঢ়ায়। বিজ্ঞান সাহিত্যৰ লিখকে সৰল ৰচনাৰ মাধ্যমেৰে বিজ্ঞানৰ আৱিষ্কাৰ সমূহৰ কথা আৰু সমাজৰ ওপৰত সিবোৰৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰি জনসাধাৰণক এইবোৰ বিষয় অৱগত কৰায়; ফলত তেওঁলোকে নিজৰ ভৱিষ্যতক গঢ় দিয়াত সাধাৰণভাৱে হলেও সুবিধা পায়। বৈজ্ঞানিক আৱিষ্কাৰৰ অনেক সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু নৈতিক বা ethical দিশত আলোকপাত কৰি সিবোৰৰ স্বৰূপ ডাঙি ধৰাত বিজ্ঞান সাহিত্যৰ লেখকসকলে এটা অতুলনীয় বৰঙণি যোগায়। অসমীয়া আধুনিক গদ্য সাহিত্যৰ আৰম্ভণিৰ

সময়লৈ লক্ষ্য কৰিলে উনৈচ শতিকাৰ শেষ ভাগতেই অসমীয়া বিজ্ঞান সাহিত্যই জন্ম লাভ কৰাটো সঁচাকৈয়ে গৌৰৱৰ কথা ; কিন্তু সেই গৌৰৱৰ দৃঢ়তা সীমাবদ্ধ। কাৰণ বিষয়ৰ ব্যপ্তি আৰু গভীৰতাৰ ফালৰ পৰা অসমীয়া বিজ্ঞান সাহিত্য তেনেই চাপলুকীয়া হৈ আছে। বিজ্ঞান সাহিত্যৰ এই অৱস্থাৰ বাবে লিখক বা পঢ়ুৱৈ সমাজ কিমান জগৰীয়া বা এওঁলোকৰ নতুন কিবা কৰণীয় আছে নে নাই সেই কথা সাধাৰণ-ভাৱে আলোচনা কৰাৰ প্ৰয়োজন আছে।

বহু বছৰ আগতেই ৰজনীকান্ত বৰদলৈৰ 'পদাৰ্থ বিজ্ঞান', সত্যনাথ বৰাৰ 'আকাশ ৰহস্য', তৰুণৰাম ফুকনৰ 'যৌনতত্ত্ব' আৰু ললিত কুমাৰ বৰুৱাৰ 'ইলা ভনাটিলৈ চিঠি' প্ৰভৃতি খনচেৰেক বিজ্ঞানৰ পুথি ওলাইছিল। আনহাতে অতীতৰ 'মৌ', 'বাঁহী', 'চেতনা', 'মিলন', 'আসাম বান্ধৱ', 'আৱাহন', 'মইনা' আদি আলোচনীত নিয়মীয়াকৈ বিজ্ঞান বিষয়ক ৰচনা প্ৰকাশিত হৈছিল। সেই সময়ৰ বিজ্ঞানৰ প্ৰবন্ধ লেখক সকলৰ ভিতৰত আছিল কালিৰাম মেধি, জ্ঞানদাভিৰাম বৰুৱা, উমেশ চন্দ্ৰ চৌধাৰী, কামেশ্বৰ দাস, লক্ষ্মীনাথ দাস, ডাঃ লক্ষ্মীপ্ৰসাদ চলিহা, বিপিনবিহাৰী দাস, ডাঃ মহানন্দ বৰুৱা, ডাঃ ঘনশ্যাম দাস, ডাঃ হৰিকৃষ্ণ দাস, সুশীল কুমাৰ চক্ৰবৰ্তী, ডিম্বেশ্বৰ নেওগ আৰু ৰোহিণী-কান্ত বৰুৱা আদি। এই সকল লেখকৰ নাম এইখিনিতে এই কাৰণেই লৈছো যে এখেতসকলে আধুনিক অসমীয়া সাহিত্যৰ আন শাখাৰ লগতে বিজ্ঞান সাহিত্যকো সমানে আগবঢ়াই নিয়াৰ যত্ন কৰিছিল। বিখ্যাত কবি ৰঘুনাথ চৌধাৰীদেৱেও তেখেতৰ সম্পাদিত শিশু আলোচনী 'মইনা'ত বিজ্ঞান বিষয়ক দুই এটা সৰু সুৰা কথা সম্পাদকীয় হিচাবে লিখিছিল। এখেতসকলে অসমীয়া ভাষাক, প্ৰকাৰন্তৰে অসমীয়া জাতিক সকলো দিনৰ পৰা উন্নত কৰিবৰ বাবে যত্ন কৰিছিল। এই সকল লেখকৰ প্ৰচেষ্টা এই কাৰণেই বেছি গুৰুত্বপূৰ্ণ যে সেই সময়ত অসমত বৈজ্ঞানিক ঐতিহ্যই তেনেদৰে গা কৰি উঠা নাছিল আৰু অসমীয়া ভাষাত বৈজ্ঞানিক পৰিভাষাও নাছিল। পাছলৈ বহু লেখকে প্ৰবন্ধ

বা কিতাপ লিখিছিল আৰু 'অসম বিজ্ঞান সমিতি' আৰু প্ৰকাশন পৰিষদেও বহু লেখকৰ লিখনি প্ৰকাশ কৰিছে। কিন্তু এই কথা কবই লাগিব যে যদিও বৰ্তমান অসমীয়া সাহিত্যই প্ৰসাৰ লাভ কৰিলে, সমাজখনো ডাঙৰ আৰু পূৰ্বঠ হ'ল তথাপি বিজ্ঞান সাহিত্য সৃষ্টিৰ প্ৰতি লিখকসকলৰ আগ্ৰহ সমপৰিমাণে নাবাঢ়িল। বোধকৰো আগৰ চাম লেখকৰ অসমীয়া ভাষা আৰু জাতিৰ প্ৰতি থকা অসীম শ্ৰদ্ধা আৰু ভালপোৱাই তেখেতসকলক এই কামৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিছিল। বৰ্তমান ইংৰাজী বা আন বিদেশী ভাষাৰ কিতাপৰ কথাই নকও আমাৰ ওচৰৰে উৰিয়া আৰু বঙালী বিজ্ঞান সাহিত্যৰ লগত ফেৰ মাৰিব পৰা সামৰ্থ্যও আমাৰ নাই। এতিয়া পিছে বিজ্ঞান সাহিত্যৰ প্ৰতি মানুহৰ আগ্ৰহ কিছু পৰিমাণে হ'লেও বঢ়াৰ ইংগিত পোৱা যায়। কিন্তু তাক কোনোপধ্যেই জনপ্ৰিয়তা বুলি ক'ব নোৱাৰি। অসম বিজ্ঞান সমিতিয়ে প্ৰকাশ কৰা কিতাপ আৰু ত্ৰৈমহীয়া আলোচনী 'বিজ্ঞান জেউতি' আৰু প্ৰকাশন পৰিষদৰ কিতাপ আৰু মাহেকীয়া আলোচনী প্ৰকাশৰ জৰিয়তে বিজ্ঞান সাহিত্য চৰ্চাৰ যথেষ্ট সুযোগ আহি পৰিছে। তদুপৰি 'ৰামধেনু', 'আমাৰ প্ৰতিনিধি' আদি আলোচনীয়েও নিয়মীয়াকৈ বিজ্ঞানৰ প্ৰবন্ধ প্ৰকাশ কৰাত আগ্ৰহী। আকাশবাণী গুৱাহাটী কেন্দ্ৰইও এচাম বিজ্ঞানৰ লেখক গঢ়ি তুলিব পাৰিছে। কিন্তু এই সকল লেখকে পাঠক বা শ্ৰোতাৰ মনত কি ধৰণে ৰেখাপাত কৰিছে সেই কথা বিতংভাৱে জনাৰ তেনে সুযোগ এতিয়াও হোৱা নাই। কিন্তু আলোচনী, বাতৰি কাকত আদিলৈ লিখা চিঠি-পত্ৰ আৰু আকাশবাণীলৈ লিখা চিঠি-পত্ৰৰ সংখ্যা আৰু বিষয়লৈ লক্ষ্য ৰাখি এই কথা অনুমান কৰিব পাৰি যে এই শ্ৰেণীৰ সাহিত্যই খুব কম সংখ্যক মানুহকহে আকৰ্ষিত কৰিব পাৰিছে। হয়তোবা বৰ্তমানৰ বিজ্ঞান সাহিত্য এতিয়াও সাধাৰণ মানুহৰ উপযোগী হৈ উঠা নাই। এইখিনিতে বিজ্ঞান সাহিত্য জনপ্ৰিয় হ'বলৈ হ'লে কি কি গুণ থাকিব লাগে সেই বিষয়ে অলপ উনুকিওৱা দৰকাৰ।

ই পাঠক-পাঠিকাৰ মনত ঔৎসুক্য জগাই তুলিবৰ বাবে সক্ষম হ’ব লাগিব আৰু গভীৰভাৱে চিন্তা কৰিবৰ বাবে তেওঁলোকক উদ্বোদ্ধ কৰি তুলিব পাৰিব লাগিব। কেৱল মাঁথোন তথ্যৰ যোগান ধৰাই বিজ্ঞান সাহিত্যৰ কাম হ’ব নোৱাৰে। তদুপৰি বিজ্ঞান সাহিত্যই পাঠকৰ মনত নতুন নতুন প্ৰশ্নৰ উদয় ঘটাব পাৰিব লাগিব যাতে এনে প্ৰশ্নই তেওঁলোকক বিষয়ৰ গভীৰলৈ সোমাই যোৱাৰ বাবে আগ্ৰহান্বিত কৰিব পাৰে। আমাৰ বিজ্ঞান সাহিত্যত এই আটাই কেইটা বিষয়ৰে অভাৱ কম বেছি পৰিমাণে পৰিলক্ষিত হয়। মানুহৰ মনত অনুসন্ধিৎসা জগাই তুলিব নোৱাৰিলে বিজ্ঞান সাহিত্যৰ মূল উদ্দেশ্য কেতিয়াও পূৰণ হ’ব নোৱাৰে। এইখিনিতে লিখকৰ কথা অলপ আলোচনা কৰোঁ। প্ৰতিভা-ৱান বিজ্ঞান লেখকৰ সংখ্যা কম হোৱাত অসমীয়া বিজ্ঞান সাহিত্যৰ বৃদ্ধি আশানুৰূপভাৱে হোৱা নাই আৰু ই জনপ্ৰিয়তা কম হোৱাৰ এটা কাৰণ। লেখকৰ লগতে অৱশ্যে পৰিৱেশ, প্ৰকাশক, পাঠক, সমা-লোচক আদিৰ দায়িত্বও অঙ্গাংগীভাৱে জড়িত হৈ আছে। দুই শ্ৰেণীৰ লোকৰ মাজৰ পৰা বিজ্ঞান সাহিত্য লেখক ওলাব পাৰে। এক শ্ৰেণী হ’ল বিজ্ঞানৰ গৱেষণাৰ লগত জড়িত বিজ্ঞানী আৰু আন শ্ৰেণী হ’ল মূলতঃ বিজ্ঞানৰ অগ্ৰগতিৰ লগত খোজ মিলাই তাৰ খতিয়ান লোৱা বিজ্ঞান সাংবাদিক। অসমত দ্বিতীয় শ্ৰেণীৰ লেখক নাই বুলিয়েই ক’ব পাৰি আৰু যদিও দুই এক যত্নও কৰিছে তথাপি দেখা যায় যে তেওঁ-লোকৰ লিখনি অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰে ভৰা। অৱশ্যে আন শ্ৰেণী লেখকৰ পৰাও যে সদায় শুদ্ধ চিত্ৰ এটা পাইছো এনে নহয়: তাতো বহুত সময়ত লেখাৰ হেপাহে বাস্তৱ সত্যক চেপি ৰখা দেখা যায়। কিন্তু যি সময়ত অসমীয়া সাহিত্যত জ্ঞানপীঠ বঁটা বিজয়ী ৰচনা থাকিব পাৰে সেই সময়ত বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত এনে হোৱাটো সঁচাকৈয়ে পৰিতাপৰ কথা।

অসমত পিছে বিজ্ঞানী লেখকৰ সংখ্যা গুৰুত্বপূৰ্ণভাৱে সৰহ। কেবাজনো বিখ্যাত গল্প আৰু উপন্যাস লেখকেই মূলতঃ বিজ্ঞানী।

এই সকল লোকে ইচ্ছা কৰিলে অতি উচ্চ স্তৰৰ বিজ্ঞান সাহিত্য ৰচনা কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। তেনেহ'লে এই সকল বিজ্ঞানীয়ে বিজ্ঞান সাহিত্য ৰচনাত আগভাগ নোলোৱাৰ কাৰণ কি? ইয়াৰ প্ৰধান কাৰণ হয়তো এটাই হ'ব পাৰে—বিজ্ঞান সাহিত্য চৰ্চাৰ জৰিয়তে সাহিত্যিক হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ আশা নাই। বিজ্ঞানক জনপ্ৰিয় কৰি তুলিবৰ বাবে কলম হাতত তুলি লোৱাজনক লিখক হিচাবে স্বীকৃতি দিব পৰা মানসিকতা সাধাৰণ পাঠক প্ৰকাশক আদিৰ নাই। অৱশ্যে বিজ্ঞান সাহিত্যক সৃষ্টিশীল সাহিত্যৰ পৰা পৃথক কৰি দেখুৱাব পৰা অকাট্য যুক্তি আছে, তথাপি বিজ্ঞানৰ ৰচনাকো যে উৎকৃষ্ট ৰসাল ৰচনাৰ স্তৰলৈ উন্নীত কৰিব পাৰি সেই কথা বিজ্ঞানী জৰ্জ গেমোৰ ৰচনা পঢ়িলেই বুজিব পাৰি। আমাৰ লেখকসকলেও এই কথা যিমান সোনকালে উপলব্ধি কৰে আৰু যিমান সোনকালে এই শূন্যতা পূৰণ কৰিবৰ বাবে যত্নপৰ হয় সিমানেই মংগল। কাৰণ জাতি এটা জীয়াই থকাৰ চিন সকলো দিশৰ প্ৰগতিৰ মাজতহে নিহিত হৈ থাকে। আমাৰ সৰহভাগ লেখকে সাহিত্যৰ সুক্ষ্ম কথাবোৰ উপলব্ধি নকৰাৰ কাৰণেই ৰচনাবোৰ পাঠ্য-পুথি গন্ধী হয় আৰু বোধকৰো সিয়েই পাঠকৰ মনত এটা সাধাৰণ বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে যাৰ চাপ পাছলৈ মনত ৰৈ যায়।

বিজ্ঞান সাহিত্যতো মৌলিক চিন্তাৰ প্ৰয়োজন। বিজ্ঞানৰ যি কোনো এটা শুদ্ধ বৰ্ণনাই সাহিত্যৰ স্তৰলৈ উন্নীত নহ'ব পাৰে। সাহিত্যই বাস্তৱতাক সামৰি লয় সঁচা, কিন্তু বাস্তৱে সাহিত্যক গ্ৰাস কৰিব খুজিলে সেই সাহিত্যৰ মূল্য কমি যায়। বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰতো এই কথা সমানেই প্ৰযোজ্য। দৈনন্দিন জীৱনত দেখা পোৱা বা প্ৰয়োজন হোৱা বিষয়সমূহৰ উদাহৰণৰ দ্বাৰা বিজ্ঞানৰ তথ্যপাতি বুজাবৰ যত্ন কৰিলে বিজ্ঞান ৰসাল হোৱাৰ সম্ভাৱনা থাকে। অৱশ্যে বৈজ্ঞানিক তথ্যই সেই গল্পৰ প্ৰয়োজনীয়তা প্ৰমাণ কৰিব পাৰিব লাগিব অৰ্থাৎ কাহিনী স্বতঃস্ফূৰ্ত হ'ব লাগিব, নহ'লে বৈজ্ঞানিক ৰচনা ময়ূৰৰ পাখি পিন্ধা কাউৰীৰ দৰে হোৱাৰ সম্ভাৱনা থাকে। বৰ্ত্তমান বহু অসমীয়া লেখকেই গল্পৰ

ছলেৰে বিজ্ঞানৰ কাহিনী কয়। পিছে দেখা গৈছে যে কোনো কোনো কিতাপত বা প্ৰবন্ধত বাহিৰা কথাই প্ৰকৃত কথাৰ সোঁত হেৰুৱাই পেলোৱাতহে সহায় কৰে, সোঁত বিচাৰি উলিওৱাত নহয়। অৱশ্যে এয়া নিৰ্ভৰ কৰে লেখকৰ অধ্যয়ন আৰু অন্তঃদৃষ্টিৰ ওপৰত। অধ্যয়ন আৰু জ্ঞানৰ প্ৰশ্ন এই কাৰণেই উত্থাপিত হয় যে বিজ্ঞানৰ বিষয়সমূহ বুজাবৰ কাৰণে সাহিত্যৰ আন শাখাৰ পৰা কোনো কোনো কথা ধাৰ কৰি আনিব পাৰি। এইক্ষেত্ৰত কবিতা, গল্প, বা Sci fiction ৰ পৰা বিষয়বস্তুৰ মিল থকা উদ্ধৃতি ধাৰ কৰি আনি পাঠকক বিজ্ঞানৰ বিষয়বস্তুৰ অভিনৱত্ব আৰু মূল্যৰ কথা কম আয়াসতে বুজাই দিব পাৰি। ঋকবেদৰ ঈশস্তুতিয়ে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ ৰহস্যৰ প্ৰতি ইংগিত কৰা বুলি যদি কোনোবাই বুজাই দিয়ে তেনেহলে পাঠকৰ মনত কিবা এক ৰহস্যময় অনুভূতিৰ উদ্ৰেক নহ'বনে আৰু সেই পাঠক বৈজ্ঞানিক দৃষ্টিত বিশ্বসৃষ্টিৰ ৰহস্য কি সেইকথা জানিবৰ কাৰণে ইচ্ছুক নহ'বনে? পাঠকক যদি কোৱা হয় যে 'গালিভাৰ্‌ছ্‌ ট্ৰেভেলচ্‌'ত গৰাখন চুইফ্‌টে তেওঁৰ চৰিত্ৰৰ হতুৱাই সৌৰশক্তি সাঁচি ৰাখি বিক্ৰী কৰিব পৰাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰাইছিল, তেনেহলে পাঠকে সৌৰশক্তি সম্বন্ধীয় আধুনিক গৱেষণাৰ বিষয়ে অধ্যয়ন কৰিবৰ বাবে আগ্ৰহান্বিত নহ'বনে? বিজ্ঞানৰ অগ্ৰগতিৰ লগতো বিজ্ঞান সাহিত্যৰ এটা সম্বন্ধ আছে। যদিও বৈজ্ঞানিক চিন্তাধাৰা বা পদ্ধতি বা আৱিষ্কাৰৰ বিশ্বজনীনতা অনস্বীকাৰ্য, তথাপি এই কথাও ক'ব লাগিব যে বিজ্ঞানৰ কিছু পৰিমাণে হলেও স্থানীয় চৰিত্ৰ আছে। বিজ্ঞানৰ স্থানীয় ঐতিহ্যই এই স্থানীয় চৰিত্ৰ অৰ্পণ কৰে। বিজ্ঞানৰ এনে ঐতিহ্যই সাহিত্য সৃষ্টিত ৰবঙণি যোগায়। অসমত বিজ্ঞান চৰ্চাৰ ঐতিহ্য অতি কমনীয়। গতিকে ই এতিয়া মানুহৰ প্ৰাণৰ লগত নিবিড় সম্পৰ্ক স্থাপন কৰিব পৰা নাই। পশ্চিমীয়া দেশবোৰত নিতৌ হৈ থকা নব নব আৱিষ্কাৰৰ ভেটিত নতুন নতুন বিজ্ঞান সাহিত্য ৰচিত হ'বই লাগিছে। তাত কোনো কোনো বৰ্ষীয়ান বিজ্ঞানীয়েও সৰলীকৃত বিজ্ঞানৰ জনপ্ৰিয় সাহিত্য ৰচনাত মনোনিৱেশ

কৰে। বিষয় সম্পৰ্কে স্পষ্ট ধাৰণা থকাত তেওঁলোকে সহজেই বিষয়টো উপস্থাপন কৰিব পাৰে। অথবা আন লেখক বা সাংবাদিকেও জটিল গৱেষণা প্ৰবন্ধৰ ওপৰতে নিৰ্ভৰ নকৰি বিজ্ঞানীসকলক লগ ধৰিও কথা-বোৰ ভালদৰে আয়ত্ব কৰি সৰ্বসাধাৰণৰ উপযোগীকৈ লিখি উলিয়াব পাৰে। বিজ্ঞানৰ জনপ্ৰিয় সাহিত্যৰ লেখকবিজ্ঞানী সকলৰ ভিতৰত বিজ্ঞানৰ নবেল বঁটা বিজয়ী ৱাটছন (The double helix), কাৰ্ল ফ্ৰিংজ (The language of the bee), জেক মন (Chance or necessity), কনৰাড লৰেঞ্জ আদিৰ নাম ল'ব পাৰি। তদুপৰি আন এজন বিজ্ঞানী জৰ্জ গেমোৰ কথা এইখিনিতে বিশেষভাৱে উল্লেখ কৰিব পাৰি। পশ্চিমীয়া সাহিত্যত জেনেটিক ইঞ্জিনীয়াৰিঙেই হওক বা মহাকাশ বিজয়ৰ কথাই হওক সকলো বিষয়ৰে ওপৰত তপতে তপতে কিতাপ ৰচিত হ'বই লাগিছে। কিন্তু অসমীয়া লেখকে সদায় গৌণ উৎসৰ সহায়তেই সাহিত্য সৃষ্টি কৰিবলগীয়া হোৱাত বহু অসুবিধাৰ সন্মুখীন হয়। বিশেষকৈ কোনো এটা বিষয়ৰ ওপৰত দকৈ অধ্যয়ন কৰি লিখিবলৈকো গৱেষণাৰ সমলবোৰ পোৱা নাযায়। এইখিনিতেই বৈজ্ঞানিক গৱেষণাৰ ঐতিহ্যৰ কথা আহি পৰে।

বিজ্ঞানীয়েই বিজ্ঞান সাহিত্যৰ স্ৰষ্টা হলে অসুবিধাও নথকা নহয়; কিয়নো কোনো কোনো বিষয়ৰ ওপৰত তেওঁৰ পক্ষপাতিত্ব থকা স্বাভাৱিক। ফলস্বৰূপে তেওঁ আৱিষ্কাৰৰ সুফল বা কুফল সম্পৰ্কে নিজৰ মতামত আনৰ ওপৰত জাপি দিয়াৰ সম্ভাৱনা থাকে। কিন্তু এনে পক্ষপাতিত্ব নথকা নিৰপেক্ষ মানুহে বিজ্ঞানী আৰু সাধাৰণ মানুহৰ মাজত যোগসূত্ৰ স্থাপন কৰিলে কিছু সত্য কথা সদৰি হোৱাৰ আশা থাকে। উদাহৰণস্বৰূপে, বহুতো সাংবাদিক বা নিৰপেক্ষ লোকৰ মতে recombinant gene ৰ গৱেষণাৰ পৰা নতুন অভাৱনীয় বেক্টেৰিয়াৰ উৎপত্তি ঘটি মানুহৰ ভয়ংকৰ ক্ষতি হ'ব পাৰে; কিন্তু বহু গৱেষকৰ মতে এনে ভয়ৰ কাৰণ নাই। আনকি ৱাটছনৰ মতে এই ভয় আৰু ভূতৰ ভয়ৰ মাজত কোনো প্ৰভেদ নাই।

অসমত এতিয়াও সাহিত্যক প্ৰফেশ্যন হিচাবে ল'ব পৰা দিন আহি পৰা নাই। তেনেস্থলত বিজ্ঞান সাহিত্যৰ কথা নকলেও হ'ব। বিজ্ঞান সাহিত্যই এহাতে যেনেকৈ বিশেষ সন্মান কঢ়িয়াই নানে তেনেদৰে নানে সম্পদ। গতিকে কোনো কোনো সক্ষম লোকেও এই দিশলৈ চকুমুদি থকাটো বৰ আচৰিত কথা নহয়। গতিকে লাভালাভৰ বিচাৰ নকৰা কোনো সংস্থাই বেছি সংখ্যক সৰলীকৃত বিজ্ঞানৰ কিতাপ নিয়মীয়াকৈ প্ৰকাশ কৰিবলৈ ললে কিছুমান লিখকৰো আগ্ৰহ বাঢ়িব আৰু পাঠক-সকলেও অন্ততঃ বিজ্ঞান সাহিত্যৰ ৰসাস্বাদন কৰিবলৈ সুযোগ পাব। এইখিনিতে সমালোচনাৰ কথাও অলপ উল্লেখ কৰি থোৱা ভাল। সৎ সমালোচনাই পাঠকক সাহিত্যৰ প্ৰতি আকৃষ্ট কৰে আৰু লিখকক কলম হাতত তুলি লবলৈ আৰু লেখনীৰ মান উন্নত কৰিবলৈ আগ্ৰহী কৰে। এনে সমালোচনাই বিজ্ঞান সাহিত্য আৰু পাঠকৰ মাজৰ দূৰত্ব ক্ৰমান্বয়ে কমাই আনিব পাৰে। অসমীয়া ভাষাত কিতাপ আৰু প্ৰবন্ধ-পাতিৰ সংখ্যা বৃদ্ধিলৈ চাই এনে সমালোচনা কৰাৰ সময় কেতিয়াবাই আহি পৰিছিল, কিন্তু আজি কেইবছৰমান আগতে অসম সাহিত্য সভা পত্ৰিকাৰ দুটা সংখ্যাত প্ৰকাশিত 'অসমীয়া বিজ্ঞান সাহিত্য' নামৰ প্ৰবন্ধটোৰ বাহিৰে আন কোনো আলোচনামূলক প্ৰবন্ধ আমাৰ চকুত পৰা নাই।

বিজ্ঞান সাহিত্য ৰচনা কৰোতে লেখকসকল বৰ সাৱধান হ'ব লগা হয়; কাৰণ সৰল কৰিবলৈ যাওঁতে বিভ্ৰান্তিৰ সৃষ্টি হোৱাৰ ভয় থাকে আৰু মূল কথাৰ পৰা বহুদূৰলৈ আঁতৰি যোৱাৰো সম্ভাৱনা থাকে। গতিকে বিজ্ঞানক কি স্তৰলৈ নমাই পাঠকৰ সন্মুখত উপস্থাপন কৰিব এই কথা বিশেষ গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ প্ৰয়োজন আহি পৰে। 'New Scientist' নামৰ আলোচনী এখনত পুথি সমালোচনা প্ৰসংগত ৰবাৰ্ট হালগেটে জনপ্ৰিয় বিজ্ঞানৰ কিতাপক Popularized science আৰু truely popular science বুলি দুটা ভাগ কৰি দেখুৱাবলৈ প্ৰয়াস পাইছে। তেওঁ ধৰ্মৰ উদাহৰণেৰে এই কথা বুজাব খুজিছে। তেওঁ লিখিছে যে পাঠকৰ ৰুচি পূৰণ কৰিবলৈ যাওঁতে

বিজ্ঞান সাহিত্যৰো এক ধৰণৰ ৰূপান্তৰ (transformation) হয়। তেওঁৰ মতে "In India there was a similar transformation of the esoteric, Brahminical Hinduism— a highly intellectual religion— into its popular form, Tantrism which was far better supplied with mythes and demons than the inaccesible religion that inspired it. So, to with the new popular science like science fiction it is much better supplied with speculation and myth than the dry, exclusive world of science that feeds it. Those of us who are in the business of communicating science simply have to make a choice. Are we priests of Hinduist Brahminical science, or of Tantrism, science transformed ? If the latter, our andiences are larger but the message is different."

ওপৰৰ উদ্ধৃতিটোৰ পৰা এটা কথা ধাৰণা কৰিব পাৰে যে বিজ্ঞান সাহিত্যৰ পাঠকৰ সংখ্যা সীমিত হোৱাটো স্বাভাৱিক। অসমীয়া বিজ্ঞান সাহিত্যৰ পাঠকক আমি তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰোঁ—শিক্ষিত কিন্তু বিজ্ঞানৰ লগত পোনপটীয়া সম্বন্ধ নথকা সাধাৰণ সাহিত্য প্ৰেমী লোক, বিজ্ঞানৰ লগত সম্বন্ধ থকা লোক আৰু ছাত্ৰ আৰু শিশু আৰু চেমনীয়া। ওপৰত উল্লেখ কৰা প্ৰথম দুইশ্ৰেণী লোকৰ কাৰণে একে ধৰণৰ লেখনীয়েই উপযুক্ত বুলি বিবেচিত হ'ব পাৰে ; কিন্তু শিশু আৰু চেমনীয়াৰ কাৰণে লিখাবোৰ বহু বেলেগ হোৱা প্ৰয়োজন। বিজ্ঞানৰ কঠিন বিষয়সমূহ শিশুৰ মনত তিক্ততা বা বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ উপস্থাপন কৰা সহজ কাম নহয়। জন্মৰ পৰাই শিশু সিহঁতৰ প্ৰাকৃতিক পৰিৱেশৰ লগত পৰিচিত। সেয়েহে সিহঁতে ওচৰে পাজৰে দেখা সকলো ঘটনাৰে উপযুক্ত ব্যাখ্যা বিচৰাটো অতি স্বাভাৱিক। এনে স্বতঃস্ফূৰ্ত অজস্ৰ কিয়ৰ উত্তৰ

দিব পাৰিলেহে শিশুৰ মনৰ দুৱাৰ খুলি জ্ঞানৰ বিশাল জগতখনৰ লগত পৰিচয় কৰি দিব পৰা যায়। উপযুক্ত বিজ্ঞান বিষয়ক পুথিৰ দ্বাৰা এই কিয়ৰ যুক্তিসন্মত বৈজ্ঞানিক উত্তৰ আগবঢ়াব পৰা যায়। অসমীয়া ভাষাত বহু লেখকে শিশুসকলৰ বাবে কিতাপ লিখিছে। অৱশ্যে ক'বলৈ গ'লে যিমানবোৰ সৰল বিজ্ঞান বিষয়ক কিতাপ লিখা হৈছে তাৰ সৰহভাগেই শিশুসকলৰ বাবে ৰচিত। ডাঙৰৰ বাবে লিখা কিতাপ নাই বুলিবই পাৰি। তদুপৰি যি দুই এখন আছে সেই কেইখনো পাঠ্য-পুথিৰ স্তৰৰ পৰা উন্নীত হ'ব পৰা নাই। আনহাতে শিশু আৰু অসমীয়াৰ বাবে লিখা কিতাপ কিছুমানো বিভ্ৰান্তিকৰ তথা আৰু ভুলেৰে ভৰা। এইখিনিতে লিখকৰ লগত প্ৰকাশকৰো দায়িত্ব আহি পৰে। আৰু সাধাৰণতে দেখা যায় যে অসমীয়া বিজ্ঞান সাহিত্যৰ অলংকৰণ অৱ নিম্নখাপৰ, সৰহভাগৰ ক্ষেত্ৰতেই ছবিবোৰ কিম্ভুত কিমাকাৰ বুলি কোৱাহে যুগুত। গতিকে পাঠকৰ যদি পঢ়িবৰ বা কিনিবৰ আগ্ৰহ নাথাকে তেনেহলে পাঠককেই অকল দোষ দিব পৰা নাযায়।

সাধাৰণতে এটা কথা শুনা যায় যে অসমীয়া মানুহৰ কিতাপ কিনি পঢ়া অভ্যাস নাই। বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰতো নিশ্চয় এই কথা প্ৰযোজ্য। তথাপি কবই লাগিব যে কিছুমান পাঠকে বিজ্ঞান সাহিত্যও বৰ আগ্ৰহেৰে পঢ়ে। গতিকে এই সকল পাঠকৰ অন্ততঃ শুদ্ধ তথ্য সম্বলিত ভাল কিতাপ যোগান ধৰাৰ দায়িত্ব লিখক আৰু প্ৰকাশক উভয়ৰে আছে। আৰু পাঠকক আকৃষ্ট কৰিবৰ বাবে যথেষ্ট হোৱাৰো স্থল আছে। বাতৰি কাকত আলোচনী আদিয়ে নিত্য নতুন বিষয়ৰ প্ৰবন্ধ প্ৰকাশ কৰি আৰু বৰ্তমানৰ ছেমিনাৰৰ দৰে ছেমিনাৰ পাতি পাঠকৰ নতুন পঢ়াভ্যাসো গঢ়ি তুলিব পৰা যায়। ভুকুতে কল নপকে, জনা শুনা কথা। অসমীয়া বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰতো নিশ্চয় এই কথাটো সমানে প্ৰযোজ্য। ●

অসমীয়া বিজ্ঞান সাহিত্য আৰু পঢ়ুৱৈৰ পৰ্য্যায়

বলেন্দ্ৰ কুমাৰ দাস।

বিশ্বৰ সাহিত্য জগতলৈ দৃষ্টিপাত কৰিলে এই কথা সহজেই প্ৰতীয়মান হ'ব যে বিজ্ঞান সাহিত্যই সেই সাহিত্যবোৰত শেহতীয়াভাৱে প্ৰৱেশ কৰিছে। গতিকে অসমীয়া সাহিত্যতো বিজ্ঞান সাহিত্যৰ প্ৰৱেশ শেহতীয়া হোৱাটো তেনেই স্বাভাৱিক। সাহিত্যৰ আন শাখা-প্ৰশাখা-বোৰৰ লেখীয়া বিজ্ঞান সাহিত্যতো ভালেমান দিশ সোমাই আছে। তাৰে ভিতৰত বিষয় বস্তু আৰু প্ৰকাশ তথা প্ৰচাৰ দুটা প্ৰধান দিশ। লিখক, পঢ়ুৱৈ, ভাষা, পৰিভাষা, সম্পাদনা, বজাৰ আদি অনেক কথা এই দুই প্ৰধান দিশৰে অন্তৰ্গত বুলি ক'ব পাৰি।

অসমীয়া বিজ্ঞান সাহিত্য আৰু পঢ়ুৱৈৰ পৰ্য্যায়ৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে প্ৰথমেই আমি চাব লাগিব আমাৰ পঢ়ুৱৈ সমাজত কোন কোন পৰ্য্যায়ৰ পাঠক আছে তেওঁলোকৰ বিভিন্ন প্ৰয়োজনবাজি কি, আমাৰ বিজ্ঞান সাহিত্যৰ ৰচনাসমূহে কোন কোন স্তৰৰ পঢ়ুৱৈৰ কি কি প্ৰয়োজন পূৰণ কৰিছে আৰু ভৱিষ্যতে আমি কোন পঢ়ুৱৈ সমাজৰ প্ৰতি কেনেকুৱা প্ৰাধান্য আৰোপ কৰিব লাগিব।

পঢ়ুৱৈৰ স্তৰ অনুযায়ী কোনো এখন বিশেষ পুথিৰ উপযোগিতা নিৰ্দ্ধাৰণ কৰিবলৈ আমি কেইবাটাও কথা বা কাৰক বিচাৰ কৰিব লাগিব।

পৰ্য্যায় নিৰ্ণয়ৰ মাপকাঠি :

বিষয় বস্তু আৰু ভাষা উপযোগিতাৰ দুটা প্ৰধান নিৰ্ণায়ক। বিষয় বস্তুৰ গভীৰতা অনেক ক্ষেত্ৰত পঢ়ুৱৈৰ পৰ্য্যায় নিৰূপক হয় যদিও

বৰ্ণনাৰ সাৱলীলতায়ো তাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। গতিকে বিজ্ঞান সাহিত্যৰ পৰ্য্যায় নিৰ্দ্ধাৰণৰ বেলিকা বিষয় বস্তু আৰু ভাষাক পানী নসৰকা কোঠা একোটা বুলি ভ্ৰমৰ যুক্তি তেনেই থৰক বৰক। বৰং ইহঁতক একোটা মুদ্ৰাৰে দুটা পিঠি বুলি মানি লোৱাহে সমীচিন হ'ব। একেটা বিষয় বস্তুৰেই ইয়াৰ গভীৰতাৰ হেতুকে সাধাৰণ পাঠকৰ দুৰ্বোধ্য হ'ব পাৰে সেই বিষয় বস্তুৰেই বৰ্ণনাৰ সাৱলীলতা, ভাষাৰ সৰলতা তথা প্ৰাঞ্জলতাৰ গুণত সাধাৰণ পাঠকৰ স্বৰলৈ পৰ্য্যবসিত হ'ব পাৰে।

তাৰে এটা উদাহৰণ দিছো: "নিউটনৰ সূত্ৰমতে বলৰ প্ৰয়োগ নহলে বস্তুৰ গতি সুষম আৰু ৰৈখিক হৈয়ে থাকে"।

এচাম পঢ়ুৱৈয়ে এই কথাখিনি বুজাৰ পূৰ্ণ সম্ভাৱনা আছে। কিন্তু 'সুষম' আৰু 'ৰৈখিক' শব্দৰ ব্যৱহাৰে তাৰ তলৰ চামক বুজাত অসুবিধাত পেলোৱাৰ আশঙ্কা দূৰ কৰিব নোৱাৰি। এই কথাখিনিকে অন্য ভাষাতো প্ৰকাশ কৰাৰ যথেষ্ট সুবিধা আছে য'ত কথাখিনিৰ মৰ্ম বুজাত তাৰ তলৰ শ্ৰেণীৰ পঢ়ুৱৈয়ে অসুবিধা নাপায়। এইদৰে কলে বোধকৰোঁ কথাখিনি উজু হৈ পৰিব:

"নিউটনৰ সূত্ৰই কয় যে যদি চলি থকা কোনো বস্তু এটাৰ ওপৰত কোনো বলে ক্ৰিয়া নকৰে তেন্তে বস্তুটো সদায় সমান বেগেৰে আৰু একেটা দিশত গৈ থাকিব।" কথাখিনি আৰু কিছু বিতংকৈ ব্যাখ্যা কৰিলে ইয়াৰ অৰ্থ বুজা পঢ়ুৱৈৰ সংখ্যা আৰু কিছু বাঢ়িব।

আন এটা উদাহৰণ লৈছোঁ: "যদি কোনো পৰিবাহীয়ে আৱৰ্ত্তন কৰি থাকোঁতে কোনো চুম্বক ক্ষেত্ৰৰ বলৰেখাবোৰ ছেদন কৰে তেতিয়া ফেৰাডেৰ বিদ্যুৎ চুম্বকীয় সূত্ৰ অনুযায়ী আৱিষ্ট বিদ্যুৎ চুম্বকীয় বলৰ সৃষ্টি হয় আৰু এই বলৰ কাৰণেই পৰিবাহীৰ মাজেৰে বিদ্যুৎ প্ৰৱাহিত হয়, যদিহে পৰিবাহীৰ বৰ্ত্তনী সম্পূৰ্ণ থাকে। (এম, এইচ, ডি জেনেৰেটৰ-বিজ্ঞান জেউতি, ১৫শ বছৰ ৫ম সংখ্যা।)

বিদ্যুৎৰ আঁতিগুৰি নজনা লোকৰ বাবে কথাখিনি বোধৰ

বাহিৰত। বৈজ্ঞানিক পৰিভাষাৰ পয়োভৰ এই দুৰ্বোধ্যতাৰ অন্যতম কাৰণ। পৰিবাহী, আৱৰ্তন, চুম্বক ক্ষেত্ৰ, বলৰেখা, ছেদন কৰা, আৱিষ্ট, বিদ্যুৎ চুম্বকীয় বল (বিদ্যুৎ চালক বল ?) বৰ্তনী আদি ইয়াত ভালেকেইটাও বৈজ্ঞানিক শব্দৰ সমাৱেশ ঘটিছে। এই কথাখিনি যদিও এটা প্ৰবন্ধৰ ক্ষুদ্ৰ অংশ, পঢ়ুৱৈৰ স্তৰ অনুযায়ী ই এটা প্ৰবন্ধ ৰূপ ল'ব পাৰে।

ওপৰোক্ত দুটা উদাহৰণৰ জৰিয়তে আমি প্ৰবন্ধকাৰৰ ভুল-ত্ৰুটি খুচৰিব খোজা নাই। আমি ক'ব খুজিছোঁ যে বৰ্ণনাৰ ধৰণ-কৰণ, ভাষাৰ সৰলতা, বৈজ্ঞানিক পৰিভাষাৰ মিতব্যয়ী ব্যৱহাৰ আদিৰে খুব জটিল বিষয় একোটাও সৰ্বসাধাৰণ পাঠকে আস্বাদন কৰিব পৰা হয়। অৱশ্যে এই কথাও দোহৰাৰ নিত্যান্তই প্ৰয়োজন যে সকলো বিষয়কে সকলো স্তৰৰ পাঠকৰ উপযোগীকৈ যুগুত কৰা অতি মাত্ৰাই জটিল কাম। ইয়াৰো এটা উদাহৰণ উদ্ধৃত কৰিছো।

"......ক্ষুদ্ৰ মৌলিক পদাৰ্থৰ জগতখনত এটা বিন্দুত বেগ তথা ত্বৰণৰ কোনো বাস্তৱ অৰ্থ নাই। ইলেকট্ৰন নিউক্লিয়াছৰ চাৰিওফালে ঘূৰি থাকিলেও ইলেকট্ৰন একোটা ক্ষুদ্ৰ গোলক বুলি ধাৰণা কৰিব পৰা নাযায়। ইলেকট্ৰনৰ কক্ষপথৰ স্পষ্ট ধাৰণাও কৰিব নোৱাৰি......।" ইত্যাদি। এই কথাখিনি ভাষা বা বৰ্ণনাৰে হয়তো ইয়াতোকৈ উজু কৰিব পৰা যায়। কিন্তু তেতিয়াও যে ইয়াক বুজিব পৰা পঢ়ুৱৈৰ সংখ্যা চকুত পৰাকৈ বাঢ়িব তাত যথেষ্ট সন্দেহৰ অৱকাশ আছে।

গাণিতিক প্ৰয়োগেও পঢ়ুৱৈৰ স্তৰ নিৰ্দ্ধাৰণ কৰে। এই কথা কৰুণভাৱে সঁচা যে সৰ্বসাধাৰণ পাঠকৰ বাবে অঙ্ক এক অৰুচিকৰ আৰু অস্বস্তিকৰ বিষয়। সেয়ে ইয়াৰ অত্যাধিক ব্যৱহাৰে বিজ্ঞান সাহিত্যৰ এচাম পঢ়ুৱৈক বঞ্চিত কৰাটো একান্তই ধ্ৰুৱ কথা। অত্যাধিক ব্যৱহাৰ কিয়, অঙ্কৰ কণমান উপস্থিতিয়েও বহুতো পাঠকক বিৰাগ কৰাটো একো আচৰিত কথা নহয়।

সকলো পাঠকৰে পঢ়াৰ ধৈৰ্য্য একে নহয়। নতুবা আতিগুৰি ৰক্ষা কৰাতো সকলো পাঠক দক্ষ নহয়। সেই বাবে বিষয়ৰ দীৰ্ঘতায়ো

পঢ়ুৱৈৰ পৰ্য্যায়ৰ নিৰূপণ কৰে। ভাষা যিমানেই সহজ নহওক, বৰ্ণনা যিমানেই সজীৱ সৰস আৰু প্ৰাঞ্জল নহওক দীৰ্ঘতাৰ গুণত কিছুমান কথা বা বিষয় বয়সীয়া পঢ়ুৱৈৰ গণ্ডীলৈ ধাৱমান হয়।

বয়সভেদে অভিৰুচি ভিন্ন ভিন্ন। গতিকে বিষয় বস্তুয়েও পাঠকৰ স্তৰ নিৰ্ণয় কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে।

কিছুমান বিষয়ৰ প্ৰতি সকলো স্তৰৰ পাঠকৰ অনুসন্ধিৎসাৰ আবেদন আছে। আনহাতে কিছুমান বিষয়ে পাঠকৰ জীৱিকা আৰু দৈনিক ব্যৱহাৰৰ তাগিদাহে সমাদৰ লাভ কৰে। জীৱিকা আৰু ব্যৱহাৰিক জীৱনৰ তাগিদা অনুভৱ কৰা লোক সকল মুখ্যতঃ বয়স্কলোক। গতিকে এই সকলে ভাল পোৱা কিছুমান বিষয় কোমল চামৰ প্ৰিয় নোহোৱাই স্বাভাৱিক।

মুঠতে আমাৰ বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত পঢ়ুৱৈৰ পৰ্য্যায় নিৰ্ণয়ৰ মাপকাঠি হিচাপে আমি এই কেইটা দিশ চালি-জাৰি চোৱাৰ প্ৰয়োজন— (১) বিষয় বস্তুৰ ধৰণ (২) বিষয় বস্তুৰ দীঘলতা (৩) ভাষাৰ সৰলতা (৪) বৰ্ণনাৰ প্ৰাঞ্জলতা (৫) বৈজ্ঞানিক পৰিভাষাৰ ব্যৱহাৰ (৬) গণিত আৰু বৈজ্ঞানিক সংকেতৰ (ফৰ্ম্মুলা, গ্ৰাফ আদি) সমাৱেশ।

পঢ়ুৱৈ স্তৰ আৰু প্ৰয়োজনঃ—

অসমীয়া সাহিত্যৰ পঢ়ুৱৈৰ স্তৰ সম্বন্ধে কিবা সমীক্ষা হৈছে যদি সি আমাৰ অৱগত নহয়। গতিকে শিক্ষিত চামৰ ওপৰতে ভিত্তি কৰি মোটামুটিভাৱে পঢ়ুৱৈৰ পৰ্য্যায় হয়তো নিৰ্দ্ধাৰণ কৰিব পৰা যাব।

১৯৭১ চনৰ অসমৰ লোক পিয়লৈ দৃষ্টিপাত কৰোঁহঁক। এই পিয়লৰ তথ্যমতে, প্ৰায় ডেৰ কোটি জন সংখ্যাৰ বসতি অসমৰ শিক্ষিতৰ হাৰ হ'ল আঠাইশ শতাংশ। তাৰে ভিতৰত শতকৰা প্ৰায় একাশি ভাগ লোক অসমীয়া ভাষী। এই হিচাপে অসমীয়া ভাষী শিক্ষিতৰ সংখ্যা প্ৰায় পচিশ লাখ।

মজলীয়া স্তৰলৈ জুৰি থকা ছাত্ৰ-ছাত্ৰী ইয়াৰ ৪১ শতাংশতকৈও

অধিক (প্ৰায় ১০৬ লাখ)। মাধ্যমিক আৰু বিশ্ববিদ্যালয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী মুঠ শিক্ষিত অসমীয়াৰ ১১ শতাংশ (প্ৰায় ২·৭৫ লাখ) বাকী ৪৭ শতাংশ শিক্ষিত লোক অছাত্ৰ । এওঁলোক বিভিন্ন বয়সৰ আৰু বিভিন্ন ব্যৱসায়ত ব্যস্ত। আলোচনাৰ সুবিধাৰ্থে আমাৰ পঢ়ুৱৈ সমাজক ঘাইকৈ তিনিটা শ্ৰেণীত ভগাব পাৰোঁ।

(১) সপ্তম শ্ৰেণীলৈ পঢ়ি থকা ছাত্ৰ-ছাত্ৰী আৰু সম-বয়সীয়া অছাত্ৰ।
(২) দ্বাদশ শ্ৰেণীলৈ পঢ়ি থকা ছাত্ৰ-ছাত্ৰী আৰু সম-বয়সীয়া অছাত্ৰ ।
(৩) বয়স্ক।

স্বীকাৰ্য্য যে সম বয়সীয়া অছাত্ৰ বুলি কওঁতে শিক্ষাগত অৰ্হতা আৰু বয়সে পঢ়ুৱৈক দুটা বিভিন্ন স্তৰত স্থাপন কৰাৰ আশঙ্কা আছে।

এই তিনিচাম পঢ়ুৱৈৰ প্ৰয়োজনো বেলেগ বেলেগ। চাৰিটা প্ৰয়োজন আটাই কেইটা চামৰ বাবেই প্ৰযোজ্য। সেই চাৰিটা প্ৰয়োজন হ'ল : (১) অনুসন্ধিৎসা চৰিতাৰ্থ বা কৌতূহল প্ৰশমন (২) তথ্য বা জ্ঞান গ্ৰহণ (৩) আনন্দ লাভ আৰু (৪) বৈজ্ঞানিক দৃষ্টিভঙ্গী গ্ৰহণ। চতুৰ্থ প্ৰয়োজন বিধ অৰ্থাৎ বৈজ্ঞানিক দৃষ্টিভঙ্গী গ্ৰহণৰ অনুভৱ পাঠকৰ দিশৰ পৰা নহ'বও পাৰে ; কিন্তু লিখকৰ ফালৰ পৰা ইয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা নিতান্তই প্ৰয়োজনীয় যিয়ে ব্যৱহাৰিক জীৱনত প্ৰতিজন নাগৰিকক নানান ক্ষেত্ৰত উপকাৰ কৰাৰ থল আছে।

প্ৰথম স্তৰৰ পঢ়ুৱৈখিনিৰ এই আটাই কেইটা প্ৰয়োজনেই আছে।

দ্বিতীয় চাম পঢ়ুৱৈয়ে বয়সৰ গুণত হাতে কামে কৰাৰ প্ৰতি আগ্ৰহী হ'ব পাৰে। অৰ্থাৎ সৃষ্টিৰ আনন্দ বা প্ৰমাণৰ আনন্দ এই স্তৰত তেওঁলোকে অনুভৱ কৰিব পাৰে।

তৃতীয় চাম পঢ়ুৱৈৰ সৰহভাগেই সংসাৰী। গতিকে জীৱন নিৰ্বাহৰ ব্যৱহাৰিক প্ৰয়োজন অনুভৱ তেওঁলোকৰ এটা বৈশিষ্ট্য।

পঢ়ুৱৈৰ প্ৰয়োজন আৰু আমাৰ বিজ্ঞান সাহিত্য :

আমাৰ বিজ্ঞান সাহিত্যত ইতিমধ্যে যিবোৰ পুথিয়ে পোহৰৰ

মুখ দেখিছে সেই আটাইবোৰ আমাৰ হাতত পৰাহি নাই। ডেৰ কৰিখনমান পুথিহে আমাৰ হাতত পৰিছে। কিছুমান পুথিৰ নামহে শুনিছোঁ।

স্বীকাৰ্য্য যে পৰ্য্যায়ৰ পৰ্য্যায় নিৰ্ণয়ত অতি স্পষ্ট মাপকাঠি ৰক্ষা কৰা হোৱা নাই; ভালেমান ক্ষেত্ৰত আমাৰ ব্যক্তিগত ধ্যান ধাৰণাই আমাক প্ৰভাৱিত কৰাটো বোধকৰোঁ অস্বাভাৱিক নহয়।

আমাৰ সাহিত্যৰ প্ৰায়ভাগ পুথিয়েই বিজ্ঞান বা প্ৰযুক্তি-বিদ্যাৰ বিষয়ক ভিত্তি কৰি যুগুত কৰা হৈছে। গতিকে পাঠকৰ অনুসন্ধিৎসা চৰিতাৰ্থ বা কৌতূহল প্ৰশমনৰ বাবে এইবোৰ পূৰ্ণমাত্ৰাই উপযোগী। তথ্য দান (বা জ্ঞান দান)ৰ ক্ষেত্ৰত এইবোৰ কৃতকাৰ্য্য হৈছে। কিন্তু সাহিত্য পঢ়াৰ আনন্দ দান আৰু পাঠকৰ বৈজ্ঞানিক দৃষ্টিভঙ্গী গঠনলৈ বিশেষ মনোযোগ দিয়া হোৱা নাই যেন লাগে। বিজ্ঞান ভিত্তিক গল্প, উপন্যাস, নাটিকা আদিয়ে পাঠকৰ আনন্দ লাভত বিশেষ ভূমিকা গ্ৰহণ কৰে।

এই বিষয়ক খুব কম সংখ্যক অনুবাদ পুথি আৰু মৌলিক ৰচনা আমাৰ চকুত পৰিছে। অৱশ্যে মাজে পাৰে বিজ্ঞান ভিত্তিক কাহিনীয়ে আলোচনী দুই এখনৰ পাত শোভা কৰাটো আমাৰ দৃষ্টি গোচৰ হৈছে। বিজ্ঞান আৰু জীৱন সম্পৰ্কে খুব কম সংখ্যক লিখা আলোচনীৰ পাতত আৱদ্ধ বুলি কলেও কিজানি বঢ়াই কোৱা নহয়।

বৈজ্ঞানিক দৃষ্টিভঙ্গী দানৰ ক্ষেত্ৰত বিজ্ঞান সাহিত্যই যথেষ্ট কৰাৰ থল আছে। শিশু, চেমনীয়া যুৱক আৰু বয়সীয়াল আটাইকে এই দৃষ্টিভঙ্গীৰ প্ৰয়োজন। শিশুকালতে এনে দৃষ্টিভঙ্গী ল'ৰা-ছোৱালীৰ মনত জগাব পাৰিলে সি পিছৰ জীৱনতো যে পৰম সম্পদ হ'ব তাত কণমানো সন্দেহ নাই। জীৱনী সাহিত্য এই ক্ষেত্ৰত এটা উপযুক্ত আহিলা। বিজ্ঞান আৰু বিজ্ঞানী সম্পৰ্কে সাধাৰণ মানুহৰ ধাৰণাও বিজ্ঞান সাহিত্যই সলনি কৰিব পাৰে। উল্লেখযোগ্য যে এই দুই বিষয়ত

মানুহৰ ধাৰণা বাস্তৱতা ৰহিত।

ব্যৱহাৰৰ তাগিদা বয়সীয়াল লোকসকলৰ বেছি। বিজ্ঞানৰ ব্যৱহাৰ অবিহনে আজিৰ জীৱন প্ৰায় অচল। উৎপাদন, স্বাস্থ্য, ব্যৱসায় আদি নানান প্ৰয়োজনৰ খাতিৰত কিছুমান পুথি-পাজিয়ে যথেষ্ট সহায় কৰিব পাৰে। কৃষি, উদ্যোগ, আহাৰ-পথ্য, ৰোগ-বেমাৰ, চখ বা নিচা (Hobby) আদিত বিজ্ঞানৰ পুথিয়ে একোটা গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। সুখৰ কথা, 'খাদ্যপ্ৰাণৰ কথা'; 'এৰী, মুগা পাট'; 'ধাত্ৰী শিক্ষা'; 'যক্ষ্মা'; 'বহুমূত্ৰ ৰোগ' আদি কেইখনিমান এনেকুৱা কিতাপে বয়সীয়াল পঢ়ুৱৈৰ কিছু প্ৰয়োজন পূৰণ কৰিছে

ভৱিষ্যত গুৰুত্ব:

আমি ইতিমধ্যে এঠাইত উল্লেখ কৰিছোঁ যে সপ্তম শ্ৰেণীলৈ পঢ়ি থকা ছাত্ৰ-ছাত্ৰীয়ে আমাৰ মুঠ শিক্ষিতৰ ৪১ শতাংশ জুৰি আছে। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ বুজন অংশ এটা দখল কৰি আছে। এওঁলোকক হওঁতে আমাৰ সাহিত্যৰ পোনপটীয়া পঢ়ুৱৈ হিচাপে বাদ দিব পাৰি। কাৰণ এওঁলোকে বিজ্ঞান বিষয়ক কিতাপ পঢ়িব পাৰিব বুলি আশা কৰিব নোৱাৰি। কিন্তু এওঁলোককো বিজ্ঞান সম্পৰ্কীয় নানান কথা আৰু কামেৰে বিজ্ঞানৰ প্ৰতি আগ্ৰহী কৰিব পৰাটো সম্ভাৱনা বিৱৰ্জিত নহয়। এওঁলোকৰ বাবে ৰচিত বিজ্ঞানৰ মাত কথা এওঁলোকে ডাঙৰৰ মুখে শুনিব পাৰে। এইচাম ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত অনাতাঁৰ মাধ্যমে সবাতোকৈ বেছি কৰিব পৰাৰ থল আছে। বিদ্যালয়লৈ নোযোৱা আৰু অশিক্ষিত চামকো অনাতাঁৰে সামৰিব পাৰে।

কনিষ্ঠতম পঢ়ুৱৈ চামৰ প্ৰতি মনোযোগী হোৱাটো কেইবা-ফালৰো পৰা গুৰুত্বপূৰ্ণ। এই চামৰ বাবে লেখাবোৰ আন পৰ্য্যায়ৰ পঢ়ুৱৈয়েও পঢ়ি তেওঁলোকৰ কিছুমান চাহিদা পূৰণ কৰিব পাৰে। দ্বিতীয়তে এইচাম পঢ়ুৱৈক এবাৰ বিজ্ঞান সাহিত্যৰ প্ৰীতি আগ্ৰহী কৰিব পাৰিলে

তেওঁলোকে পৰৱৰ্তী কালতো ইয়াক অপৰিৱৰ্তিত ৰাখিব বুলি আশা কৰিব পাৰি।

আমাৰ ব্যক্তিগত ধাৰণা এই যে তেৰ-চৈধ্য বছৰ বয়সৰপৰা সৰহ-ভাগ ল'ৰা-ছোৱালীৰ পাঠ্য-পুথিৰ বাহিৰে আন পুথিৰ প্ৰতি ধাউতি হয়।

এই ল'ৰা-ছোৱালীখিনি কিন্তু সপ্তম-অষ্টম শ্ৰেণীত পঢ়া লোক এই চাম ছাত্ৰ-ছাত্ৰীৰ পাঠ্য-পুথি বহিভূত পুথি পঢ়াৰ অভ্যাস কম যদিও তেওঁলোকক বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰাৰ অন্য সুবিধাও আছে। অন্যান্যৰ মাধ্যম তাৰ এটা উৎকৃষ্ট সুবিধা।

আৰু এটা দিশৰ প্ৰতি বিজ্ঞান সাহিত্যিকসকল মনোযোগী হ'ব পাৰে। অসমীয়া মুঠ শিক্ষিত জনসংখ্যাৰ ২১ শতাংশ জুৰি থকা ছাত্ৰ-ছাত্ৰীক বিজ্ঞান তথা বিজ্ঞান সাহিত্যৰ প্ৰতি আগ্ৰহী কৰাত যিসকলে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে তাৰ ভিতৰত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভূমিকা অগ্ৰণী। অভিভাৱকৰ ভূমিকাও উলাই কৰিব পৰা বিধৰ নহয় যদিও তাৰ পৰা আশানুৰূপ ফল লাভ কৰা কঠিন কাম হ'ব। কিয়নো য'ত শিক্ষিতৰ হাৰ মাত্ৰ ১৮ শতাংশ তাত শিক্ষিত সচেতন অভিভাৱকৰ সংখ্যা অতি কম। সম্প্ৰতি বিজ্ঞান প্ৰাথমিক স্তৰৰ পৰাই এটা বাধ্যতা মূলক বিষয় হোৱা হেতুকে ইয়াৰ শিক্ষকসকলে ল'ৰা-ছোৱালীৰ পৰা বিজ্ঞান বিষয়ক নানান প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হয়। কিন্তু তেওঁ-লোকৰ সৰহভাগেই বিজ্ঞান বাধ্যতামূলকভাৱে শিকা নাছিল। সপ্তম শ্ৰেণীলৈ শিক্ষাদান কৰা শিক্ষকৰ সংখ্যা আধা লাখৰ কম নহয়।

বিজ্ঞান সাহিত্যিকসকলে এইসকল শিক্ষকৰ প্ৰতিও দৃষ্টি ৰখা একান্ত দৰকাৰ। শিক্ষকসকলক বিজ্ঞান সাহিত্যৰ নিয়মিত পঢ়ুৱৈ কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীৰ মাজতো ইয়াক জনপ্ৰিয় কৰি তোলাত বিশেষ সুবিধা হ'ব। শিক্ষকসকলক বিজ্ঞানৰ প্ৰতি আগ্ৰহী কৰাৰ যুক্তি দুটা দিশত ফটফটীয়া।

(১) ঘৰতে প্ৰশ্নৰ জাউৰি তুলি মাক-দেউতাকক ব্যতিব্যস্ত কৰি তোলা শিশুহঁতে বিদ্যালয়ৰ শিক্ষককো নানা প্ৰশ্ন কৰে।

(২) বয়স বাঢ়ি অহাৰ লগে লগে ল'ৰা-ছোৱালী লাজকুৰীয়া হৈ আহে আৰু তেওঁলোকৰ প্ৰশ্ন সোধা প্ৰৱণতা ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰে। গতিকে কম বয়সতে এওঁলোকক বিজ্ঞানৰ প্ৰতি আগ্ৰহী কৰাৰ ভালে-খিনি থল আছে।

নকলেও হ'ব যে প্ৰাথমিক বিদ্যালয়ত পঢ়া ল'ৰা-ছোৱালীয়ে বুজাকৈ ক'ব পৰাটো তেনেই উজু কাম নহয়। গতিকে শিক্ষক-শিক্ষয়িত্ৰী সকলক যে এই বিষয়েও উপযুক্তভাৱে প্ৰস্তুত কৰিব লাগিব, তাত কিজানি কাৰো দ্বিমত নাই।

অশিক্ষিত আৰু অল্পশিক্ষিতসকল ঃ

ইমান পৰে আমি সাক্ষৰ পঢ়ুৱৈৰ কথা কলোঁ। কিন্তু অনাখৰী, অৰ্দ্ধ শিক্ষিতসকলৰ কথাও চিন্তা কৰা নিত্যান্তই যুগুত কথা হ'ব। এই ক্ষেত্ৰত অনাতাঁৰ মাধ্যমে এটা লেখত ল'বলগীয়া দায়িত্ব ল'ব পাৰে। অনাতাঁৰ মাধ্যমৰ ভালে কেইটাও সুবিধা আছে। তাৰে প্ৰথমটো হ'ল, ই ৰাজ্যৰ চুকে-কোণে থকা সকলোকে সামৰিব পাৰে। দ্বিতীয় সুবিধাটো হ'ল, বিজ্ঞানৰ কথা, বিজ্ঞান ভিত্তিক গল্প, নাটক আদি শুনিবলৈ, শুনি তাৰ ৰস গ্ৰহণ কৰিবলৈ তাৰে কেতবোৰ দৈনিক জীৱন নিৰ্বাহত কামত খটুৱাবলৈ শ্ৰোতাৰ সাধাৰণ শিক্ষাগত অহ'তাৰ একো বাধা নাই। অনাতাঁৰ কাৰ্য্যসূচীৰ বেলিকাও শ্ৰোতাৰ স্তৰৰ কথা নিশ্চয় আছে। কৃষক ৰাইজৰ বাবে যুগুত কৰা কাৰ্য্যসূচীয়ে শিশুটিৰ প্ৰয়োজন নিশ্চয় পূৰণ নকৰে। নতুবা মহিলাসকলৰ প্ৰতিটো অনুষ্ঠানেই পুৰুষসকলক উপকৃত নকৰে।

শেষত এষাৰ কথা উল্লেখ নকৰি নোৱাৰিলোঁ। বিজ্ঞান সাহিত্যিকৰ বিদ্যা বা পাণ্ডিত্য জাহিৰ কৰাই যদি একমাত্ৰ উদ্দেশ্য হয়, আমাৰ পঢ়ুৱৈ তথা শ্ৰোতা সমাজৰ প্ৰতি নিশ্চয় সুবিচাৰ কৰা নহ'ব।

বিজ্ঞান এমুঠি মানুহে পঢ়িব পৰা, কৰিব পৰা, শুনিব পৰা বিষয় বা বস্তু। সৰ্বসাধাৰণৰ এই প্ৰতিবন্ধক ধ্যান-ধাৰণা নিৰ্মূল কৰাৰ সময় সমাগত। গতিকে 'আঠুকাঢ়াৰ পৰা লাঠি লোৱালৈ', নগৰৰ বিজ্ঞান-প্ৰযুক্তি নিৰ্ভৰ সভ্যতাত নিমগ্ন নাগৰিকৰপৰা অগমা, অভুক্ত, প্ৰযুক্তি বিদ্যা-বিজ্ঞানৰ ঢৌৱে স্পৰ্শ নকৰা গাঁওবাসীলৈকে প্ৰত্যেককে আমাৰ দৃষ্টিৰ সীমাৰেখাত ৰাখিব লাগিব। বিজ্ঞানক সেয়ে সকলো স্তৰৰ লোকলৈ নমাব লাগিব।

সেয়ে বিজ্ঞানৰ আলোচনা চক্ৰখন বিজ্ঞানৰ বছৰেকীয়া অধিৱেশন-খন বিজ্ঞানৰ প্ৰদৰ্শনীখন মাজেপৰে পকী ৰাজআলি এৰি, গাঁৱৰ ধুলিময়ৰি পথলৈ বাট বুলাৰ সময় হৈছে, চহৰৰ ভাগ্যবানসকলৰ কথা ক্ষন্তেকলৈ পাহৰি গাঁৱৰ প্ৰকৃতাৰ্থত অভাৱীসকলৰ মাজলৈ ঢাপলি মেলিব লাগিব। তাৰ বাবে বিজ্ঞান সাহিত্যিক বিজ্ঞান সংগঠক আৰু বিজ্ঞানৰ পৃষ্ঠপোষক-সকলে চকু মেলিবৰ সময় সমাগত। ●

অসমীয়া বিজ্ঞান সাহিত্যৰ পৰিভাষা

ড° বিজয়কৃষ্ণ দেৱশৰ্মা।

বিজ্ঞানৰ বিষয়সমূহৰ অসমীয়া পৰিভাষা প্ৰণয়নৰ প্ৰচেষ্টা অসমত আৰম্ভ হয় আৱাহন যুগতেই। ৺শৰৎ চন্দ্ৰ গোস্বামী, ৺ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা আদি কেইজনমান কৃতবিদ্য ব্যক্তিৰ প্ৰচেষ্টাত 'আৱাহন'ত এনে পৰিভাষাৰ সংকলন এটি ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল, আৰু পাছত পুথি আকাৰতো প্ৰকাশিত হৈছিল (১৯৩৬ চনতে)। ১৯৫৩ চনত তেতিয়াৰ শিক্ষামন্ত্ৰী ৺অমিয় কুমাৰ দাসৰ উদ্যোগত আৰু শ্ৰীতীৰ্থনাথ শৰ্ম্মাৰ নেতৃত্বত কটন কলেজৰ কেইবা গৰাকীও অধ্যাপকৰ সহযোগিতাত বিজ্ঞানৰ কেইবাটাও বিষয়ৰ পৰিভাষাৰ সংকলন এটি প্ৰস্তুত কৰা হয়, কিন্তু যিকোনো কাৰণতেই নহওক এই সংকলনটি প্ৰকাশ নাপালে।

ইয়াৰ পিছৰ উল্লেখযোগ্য প্ৰচেষ্টা হয় অসম বিজ্ঞান সমিতিৰ নেতৃত্বত। সমিতিয়ে ১৯৬৪ চনত প্ৰায় আঠ হেজাৰ প্ৰতিশব্দৰ সংকলন এটি প্ৰকাশ কৰে। এই সংকলনটি প্ৰকাশ কৰাৰ গুৰিতে উদ্দেশ্য আছিল উচ্চ মাধ্যমিক স্কুলবোৰৰ কাৰণে অসমীয়া ভাষাত বিজ্ঞানৰ কিতাপ লিখিবলৈ লিখক সকলক সহায় কৰা। কিন্তু এই উদ্দেশ্য কিমান দূৰ সফল হৈছিল কোৱা টান। কাৰণ, বিভিন্ন কিতাপত বিভিন্ন লিখকে ইচ্ছানুযায়ী বিজ্ঞানৰ পৰিভাষা ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে বিজ্ঞান সমিতিৰ এই সংকলনটিৰ পৰিসৰো আছিল সীমিত।

১৯৬৮-৬৯ চনত ভাৰত চৰকাৰৰ সিদ্ধান্ত অনুযায়ী বিশ্ববিদ্যালয় মহলাত মাতৃভাষাক শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰাত বিভিন্ন আঞ্চলিক ভাষাত পাঠ্য-পুথি আৰু আনুষংগিক পুথি ৰচনাৰ বাবে প্ৰত্যেক ৰাজ্যতে

গুৰু দায়িত্বৰ ভাৰ আহি পৰে। সেই উদ্দেশ্যে আমাৰ অসমতো অসমীয়াতে কলা, বাণিজ্য, বিজ্ঞান আদি বিভিন্ন শাখাৰ কিতাপ লিখিবলৈ আঁচনি গ্ৰহণ কৰা হয়। গতিকে বিজ্ঞানৰ বিষয়সমূহৰ বাবে, পৰিভাষা সংকলনৰ দায়িত্ব পাঠ্যক্ৰমে আহি পৰিল। সেই উদ্দেশ্য পূৰণৰ বাবে ৰাজ্যিক পাঠ্য-পুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে, আৰু অসম বিজ্ঞান সমিতিয়ে ইতিমধ্যে হাতে লোৱা আঁচনি এখন মানি লয় আৰু তাৰ ফলতেই প্ৰকাশ পাইছে "অসমীয়া বৈজ্ঞানিক পৰিভাষা" নামৰ সংকলন (দুখণ্ডত)।

এইখিনিতে আমি ক'ব খোজো যে পাঠ্য-পুথি লিখাৰ উপৰিও আমি যদি ব্যাপকভাৱে বিজ্ঞান চৰ্চা কৰিব খোজোঁ। (বিশেষতঃ উচ্চ মানৰ বিজ্ঞান শিক্ষাৰ বাবে), তেনেহলে আমাৰ একান্ত প্ৰয়োজন প্ৰচুৰ পাৰিভাষিক শব্দ। ইয়াৰ বাবে বৈজ্ঞানিক পৰিভাষাৰ পৰিকল্পনা উচিত ভাৱে বিজ্ঞান সন্মত ভাৱে হোৱাৰ নিতান্তই আৱশ্যক। প্ৰয়োজনৰ খাতিৰত খৰখেদাকৈ পৰিভাষা গ্ৰহণ কৰিলে নানান বিভ্ৰান্তি হোৱাৰ আশঙ্কা নুই কৰিব নোৱাৰি। উপযুক্ত বিশ্লেষণী দৃষ্টিভঙ্গী আৰু প্ৰয়োগিক জ্ঞানৰ উপৰিও পাৰস্পৰিক আলোচনাৰ জৰিয়তেহে এখন ভাল বৈজ্ঞানিক পৰিভাষা পাব পাৰি বুলি আমাৰ বিশ্বাস।

আমাৰ অসমীয়া বিজ্ঞান সাহিত্যত অনুবাদ শাখা উচিত হাৰত গঢ়ি নুঠাৰ কাৰণৰ ভিতৰত উপযুক্ত পৰিভাষাৰ অভাৱো এটি। এই ক্ষেত্ৰত আমাৰ বক্তব্য এনে ধৰণৰ : বিজ্ঞানৰ সুস্থ আৰু সাৰ্থক আলোচনা বা অনুবাদ আদি কৰিবলৈ হ'লে ইংৰাজী নাম ব্যৱহাৰ কৰিবই লাগে। এনেকুৱা নাম, সূত্ৰ বা পৰিভাষিক শব্দৰ অসমীয়া অনুবাদ নকৰি মূলৰ দৰে ৰাখিলেও কোনো ক্ষতি নহ'ব যেন লাগে। যিমানদূৰ পাৰি আন্তৰ্জাতিকভাৱে ব্যৱহৃত ইংৰাজী শব্দ ব্যৱহাৰ কৰাটোৱেই উচিত। এনেকুৱা কৰিলে আমাৰ অসমীয়া সাহিত্যত বিজ্ঞানৰ চৰ্চা কৰা আৰু বিজ্ঞান প্ৰচাৰ কৰাত বহুত সহজ হ'ব।

আগতে উল্লেখ কৰা হৈছে যে বিভিন্ন লিখকে বিভিন্ন শাখাত বৈজ্ঞানিক পৰিভাষা হিচাপে একেটা শব্দৰে কেইবাটাও প্ৰতিশব্দ ব্যৱহাৰ

কৰিছে। এনে বহু প্ৰয়োগ যিমান পাৰি কমালে নিশ্চয় ভাল হ'ব। ইয়াৰ উপৰিও প্ৰতিশব্দ এটা দিওঁতে সেই শব্দই মূল শব্দৰ অৰ্থ কিমানদূৰ সাৰ্থকভাৱে বহন কৰে তালৈ নজৰ দিয়া উচিত। উদাহৰণ স্বৰূপে ইংৰাজীত Statistics শব্দটোৰ পাৰিভাষিত ৰূপ দিয়া হৈছে—পৰিসংখ্যা বিজ্ঞান, সংখ্যাবিজ্ঞান, ৰাশিবিজ্ঞান, সাংখিকী, প্ৰতিদৰ্শণসমূহ বিশ্লেষণ কৰি চালে দেখা যায় যে এই প্ৰতিশব্দ কেইটাৰ ভিতৰত ৰাশি-বিজ্ঞান শব্দটোৱেই আটাইতকৈ সহজ, সুশ্ৰাব্য আৰু উপযুক্ত অৰ্থবহ। 'ৰাশি শব্দটোৰে Statistics ৰ লগতে সংযুক্ত আন বহুতো শব্দৰ প্ৰতি-শব্দ দিবলৈও সহজ হ'ব। গতিকে, লিখকসকলে যদি সৰ্ব্বসন্মতভাৱে Statistics ৰ বাবে ৰাশিবিজ্ঞান শব্দটো পাৰিভাষিক শব্দ হিচাবে লয়, তেন্তে দেখা যাব এটা সময়ত বহু শব্দৰ সমস্যাটো সমাধান হৈ যাব। এই বাবে পাৰিভাষিক শব্দ সাজোতে সংশ্লিষ্ট বিজ্ঞানৰ উপযুক্ত সৃজন-শীল ভাষাজ্ঞান থকাৰ দৰকাৰ। শব্দ এটা ব্যৱহাৰলৈ অনাৰ আগেয়ে ভাবি চোৱা উচিত সেই শব্দটোৰ আবেদন, স্পষ্টতা, সৌন্দৰ্য্য আৰু অৰ্থবহতা কিমান আছে। এই ক্ষেত্ৰত বিজ্ঞান লিখক আৰু ভাষা সাহিত্যৰ সাধক সকল একেলগে লগলাগি পৰিভাষা যুগুত কৰা উচিত।

অসমীয়া বিজ্ঞান সাহিত্যৰ বাবে পৰিভাষাৰ সংকলন চূড়ান্ত কৰিবলৈ হলে ইতিমধ্যে বিভিন্ন বিজ্ঞান লিখকে ব্যৱহাৰ কৰা সকলো-বোৰ প্ৰতিশব্দ যুগুতাই পাৰস্পৰিক আলোচনাৰে সেই শব্দসমূহৰ পৰা সকলোৱে গ্ৰহণ কৰিব পৰা শব্দটো বা শব্দবোৰ লোৱাটো উচিত হ'ব।

আমাৰ 'অসমীয়া বৈজ্ঞানিক পৰিভাষা' নামৰ সংকলত (প্ৰস্তাৱনা) পৃষ্ঠাত) উচিতভাৱেই কোৱা হৈছে যে 'সঠিক অৰ্থ প্ৰকাশ, সৰল আৰু সহজবোধ্য শব্দৰ ব্যৱহাৰ, পৰিভাষাৰ বিশিষ্ট ধৰ্ম অনুসৰি শব্দ নিৰ্বাচন, সৰ্ব্বভাৰতীয় পৰিভাষাৰ লগত সংগতি ৰক্ষা, প্ৰচলিত আৰু থলুৱা শব্দৰ প্ৰতি যথোচিত গুৰুত্ব প্ৰদান, বিশেষ বিশেষ শব্দৰ আন্তৰ্জাতিকতা ৰক্ষা কৰা আদি সকলো দিশলৈ লক্ষ্য ৰাখি সম্পূৰ্ণ

উপযুক্ত আৰু গ্ৰহণযোগ্য পৰিভাষা প্ৰস্তুত কৰি উলিওৱাটো কষ্টসাধ্য আৰু সময় সাপেক্ষ কাম। কিন্তু এই ক্ষেত্ৰত আমাৰ অভিমত হ'ল— যিবোৰ শব্দৰ সঠিক অৰ্থ প্ৰকাশ কৰিব পৰা সহজ-সৰল প্ৰতিশব্দ পোৱা টান সেইবোৰ শব্দৰ বাবে আন্তৰ্জাতিকভাৱে গ্ৰহণ কৰা ইংৰাজী শব্দটোকেই লোৱা ভাল। আমাৰ ভাৰতবৰ্ষত সৰ্বভাৰতীয় পাৰিভাষাৰ সংকলন এতিয়াও হোৱা নাই আৰু আশু ভৱিষ্যতেও যে হোৱাৰ সন্দেহ। কাৰণ, আমাৰ দেশত এতিয়াও সকলোৱে মানি লোৱা ভাষা এটি ব্যৱহাৰ কৰা হোৱা নাই। কিছুমানে অৱশ্যে ক'ব খোজে যে আমাৰ ভাৰতীয় ভাষাৰ বেছিভাগৰে মূল সংস্কৃত যেতিয়া, সংস্কৃত ভাষাৰ পৰা পাৰিভাষিক শব্দ লোৱা উচিত। কিন্তু ইয়াতো অসুবিধা যথেষ্ট আছে, যিহেতু আমাৰ বহুতৰে সংস্কৃত ভাষাৰ জ্ঞান নাই। পৰিভাষাৰ প্ৰয়োজনত সংস্কৃত শব্দৰ সৈতে চিনাকী হোৱাটো ঠিক বিজ্ঞানসন্মত প্ৰণালী নহ'ব। ইয়াৰ সলনি থলুৱা শব্দৰ প্ৰতি উপযুক্ত গুৰুত্ব প্ৰদান কৰাটোৱেই উচিত বুলি আমি ভাবো। এটা উদাহৰণেৰে বুজাও। ইংৰাজী Set শব্দটোৰ পাৰিভাষিক ৰূপ দিয়া হৈছে— সমুচ্চয়, সংহতি, সমষ্টি। অথচ Set ৰ সমাৰ্থক থলুৱা শব্দ এটা হ'ল থুপ বা সমূহ। আমাৰ বোধেৰে সমুচ্চয় বা সংহতিতকৈ Set ৰ বাবে থুপ, সমূহ বা সমষ্টি বেছি ভাল শব্দ।

অৱশ্যে এক শ্ৰেণীৰ শব্দ আছে যিবোৰৰ অৰ্থ বিজ্ঞানৰ বিভাগ অনুযায়ী বেলেগ বেলেগ হ'ব। Map, Function আদি এই শ্ৰেণীৰ শব্দ। এনে শব্দবোৰৰ ক্ষেত্ৰত বিভাগীয় লিখকে নিজৰ শাখাত সম্পূৰ্ণ অৰ্থ বুজোৱা প্ৰতিশব্দ লোৱাটোৱেই উচিত। একেটা বিষয়ৰ লিখকে বিভিন্ন প্ৰতিশব্দ ব্যৱহাৰ নকৰিলেই হ'ল। সেইবাবে পাৰিভাষিক শব্দবোৰক 'অনুবাদ শব্দ' মাত্ৰ বুলি নধৰি যাৰ বাবে ব্যৱহাৰ কৰা হয়, তাৰ সমাৰ্থক বুলি ভাবিলেই সমস্যাটোৰ সমাধান উজু হ'ব।

অপ্ৰিয় হ'লেও ই সঁচা যে বৰ্তমান প্ৰচলিত আধুনিক বিজ্ঞানৰ ধাৰা আমাৰ দেশত প্ৰবাহিত হৈছে ইংৰাজী ভাষাৰ জৰিয়তে। আমাৰ

বিজ্ঞানীসকলে ব্যৱহাৰ কৰা যন্ত্ৰপাতি, কিতাপ-পত্ৰ আৰু প্ৰয়োজনীয় উপকৰণ আদিৰ নাম ইংৰাজী ভাষাতেই গৃহীত। এই বাবেই আমাৰ দেশৰ বাতাবৰণত (বিজ্ঞান শিক্ষাৰ) ইংৰাজী আৱ-ভাৱ এটিয়ে খোপনি পুতিছে। এনে স্থলত মাতৃভাষাত কিতাপবোৰ যদি কেৱল মাত্ৰ সংস্কৃত-মূলক প্ৰতিশব্দৰে লিখা হয়, তেনেহ'লে প্ৰথমতে শিক্ষাদানত, তাৰ পিছত গ্ৰহণ কৰাত মন্থৰ গতি আহি পৰিব। মুঠকত মাতৃভাষাৰ জৰিয়তে বিজ্ঞানক জনপ্ৰিয় কৰাত আৰু পলম হ'ব। অথচ আজিৰ জনতা বিজ্ঞানৰ নামত বেছ আগ্ৰহী (যদিও অৱশ্যে বিজ্ঞান মানে বস্তুতেই বিজ্ঞানৰ উপজাত সামগ্ৰীসমূহহে বুজে!)। অসমীয়া বিজ্ঞান সাহিত্যৰ প্ৰসাৰ সাধনত সেয়ে পাৰিভাষিক শব্দৰ ব্যৱহাৰ কৰোঁতে যথেষ্ট সাৱধানতা লোৱাৰ প্ৰয়োজন বুলি ভাবো। বৈজ্ঞানিক পৰিভাষা ব্যৱহাৰ কৰোঁতে ব্যৱহাৰিক সাৰ্থকতালৈ লক্ষ্য কৰাটো নিতান্তই উচিত হ'ব। যিবোৰ শব্দ (বিজ্ঞানৰ) জনতাই ইতিমধ্যে ইংৰাজীতেই গ্ৰহণ কৰিছে, সেইবোৰৰ বাবে প্ৰতিশব্দ বিচাৰি সময় আৰু অৰ্থব্যয় নকৰাই ভাল হ'ব। উদাহৰণতঃ অক্সিজেন, হাইড্ৰ'জেন আদি শব্দ সকলোৱে জানে। ৰেডিঅ' ৰিফ্ৰিজাৰেটৰ, ইঞ্জিন, কম্পাচ, গেলভ'-নোমিটাৰ আদিৰ দৰে শব্দসমূহৰ বাবে পাৰিভাষিক শব্দ দিয়াৰ জানো কিবা মানে আছে?

সঁচাকথা যে চূড়ান্ত ৰূপত অসমীয়া বৈজ্ঞানিক পৰিভাষা পাবলৈ সময় লাগিব। শেষ পৰ্য্যায়ত উপনীত হ'বলৈ হ'লে আমাৰ লিখক সকলে বৈজ্ঞানিক শব্দৰ মূল ধ্বনি আৰু ৰূপ যথাযথভাৱে ৰক্ষা কৰি বিজ্ঞানৰ বিভিন্ন শাখাৰ পাৰিভাষিক শব্দ ল'ব লাগিব। এনে কৰিলেহে মূল শব্দৰ তথ্য, তাৎপৰ্য্য আদি বুজাত সহজ হ'ব আৰু আমাৰো উদ্দেশ্য সফল হ'ব। পৰিভাষা ৰচনাৰ ক্ষেত্ৰত সহজবোধ্যতাৰ লগতে (পাঠকৰ) হৃদয় গ্ৰাহীতাৰ কথাও ভবাৰ আৱশ্যক হয়। কাৰণ, হৃদয়েই হ'ল যি কোনো বিদ্যাৰ স্থায়ী আসন—বিজ্ঞান সাহিত্যৰো। ●

অসমীয়া বিজ্ঞান সাহিত্যৰ ভাষা

শ্ৰীবশিষ্ঠ দেৱ ফুকন।

অসমীয়া বিজ্ঞান সাহিত্যৰ জীৱনকাল মাত্ৰ কিছুবছৰ হওঁতেই সেই বিষয়ে আলোচনা কৰাটো কষ্টসাধ্য। এই কাম কৰোঁতে সততে বিজ্ঞান বিষয়ৰ পাঠ্য-পুথিবোৰৰ জৰিয়তেই আলোচনা কৰিবলৈ বাধ্য হোৱা যায়। কাৰণ, অসমৰ চুকে-কোণে সম্ভাৱতঃ চুৰ নোৱাৰা ঘৰ-খনতো বিজ্ঞান পুথিৰ নামত পাঠ্য-পুথি এখন হয়তো পোৱা যাব। আৰু বৰ্তমান এনেবোৰ কিতাপৰ যোগেদিয়েই বিজ্ঞানৰ ভাষা বাইকৰ গুচৰ চাপিছে।

বিজ্ঞান শিক্ষাৰ মূল উদ্দেশ্যাৱলীৰ মাজত এটা উদ্দেশ্য সদায়েই থাকে। সেইটো হৈছে—বিজ্ঞানৰ বিষয় বস্তুৰ সবোধ আৰু সন্তুষ্টিসহ পঠন—Reading science content with understanding and satisfaction.

এই বোধ আৰু সন্তুষ্টি মূলতে আছে পাঠ্যৰ ভাষাৰ জৰিয়তে। বোধ আৰু সন্তুষ্টিৰ সমন্বয় কিমান হ'ইত পাৰ?

দুৰ্বোধ্য হোৱা আৰু সুখপাঠ্য নোহোৱাৰ কাৰণবোৰ এনে:

(ক) Translation-effect— বা অনুবাদ আবেশ:

সাধাৰণতে আমি বিজ্ঞানৰ বহুতো কথা ইংৰাজী বা তেনে ভাষাৰপৰা অনুবাদ কৰোঁ। তেনে অনুবাদ, ভাবানুবাদ নহৈ পোনপটীয়া অৰ্থানুবাদ হোৱা সময়তো ভাষা-বিভ্ৰাট ঘটে। মূল ভাষাৰ গাথনিয়ে যদি অসমীয়া ভাষাৰ লিখনি হেঁচা মাৰি ধৰেহি, তেনে অৱস্থাত ভাষা দুৰ্বোধ্য হয়।

(খ) শুদ্ধ আৰু স্থিৰ (consistant) পাৰিভাষিক শব্দাদিৰ ব্যৱহাৰঃ

একোটা ধাৰণাৰ পাৰিভাষিক শব্দাদি সাৱধানে ব্যৱহাৰ নকৰাৰ ফলতো পঠন দুৰ্বোধ্য হ'ব পাৰে। উদাহৰণ স্বৰূপে—

(১) "পানীত বহুত বস্তু মিহলি হৈ থাকে; কিছুমান গলি থাকে, আৰু কিছুমান নগলাকৈ থাকে"।

আৰু (২) "তাপ পালে বৰফ গলে। হাতত বৰফ টুকুৰা লৈ থাকিলে গলি যায়। মম এটুকুৰা হাতত লৈ থাকিলে গলিব জানো?"।

(১) ৰ লিখকে পমি যোৱা আৰু গলি যোৱাৰ মাজত যি পাৰ্থক্য আনিব লাগিছিল, সেই কাম কৰা নাই। এই দুইখিনি একেজন কোমল বয়সৰ ছাত্ৰই পঢ়িলে সবোধ পঠন হ'ব নোৱাৰে।

আৰু এটা উদাহৰণ চোৱা যাওক।

"আমাৰ পাৰিপাৰ্শ্বিকতাত সৰু ডাঙৰ নানা ধৰণৰ প্ৰাণীয়ে বাস কৰে। পোক-পৰুৱাৰ পৰা, মানুহলৈকে বিভিন্ন প্ৰকাৰৰ জীৱ-জন্তুৱে পৃথিৱীখন ভৰি আছে। পৃথিৱীৰ প্ৰায় সকলো ঠাইতেই নানা জীৱই বাস কৰে। কেতবোৰ প্ৰাণী জলচৰ, কেতবোৰ স্থলচৰ আৰু আন কিছুমান উভচৰ। কিছুমান প্ৰাণী আকৌ নানা জীৱ-জন্তুৰ গাতহে বাস কৰে"।

বিশ্লেষণমুখী চিন্তাৰে এনে ধাৰণা হয় যেন মূল ভাষাটো ইংৰাজী আছিল সেই কাৰণে environment ৰ বাবে পাৰিপাৰ্শ্বিকতা শব্দটো ব্যৱহাৰ কৰা হ'ল। প্ৰয়োজন আছিল নে? সহজে বুজাবৰ বাবে আন শব্দৰে হয়তো পৰা গ'লহেঁতেন।

তাৰ পিছত, ইয়াত লিখকে প্ৰাণী আৰু জীৱক সাধাৰণভাৱে একাৰ্থক কৰি আৰম্ভ কৰিছে। প্ৰাণ থকা বস্তুৱেই প্ৰাণী বা জীৱ। কিন্তু বৈজ্ঞানিক পৰিভাষাত একোটা শব্দই একোটা অৰ্থ বুজোৱাটো সদায়েই মঙ্গলজনক আৰু শ্ৰেয়। সেইবাবেই হয়তো "প্ৰাণী" আৰু "উদ্ভিদ" দুয়োটাকে 'জীৱ' বুলি ধৰে। অৰ্থাৎ বিজ্ঞান লিখকৰ বাবে

সকলো জীৱই প্ৰাণী নহয়; কিছুমান প্ৰাণী, আনবোৰ উদ্ভিদ। সেই দেখিই অকণমান ঠাইতেই প্ৰাণী, জীৱ, জীৱ-জন্তু বিচাৰ নোহোৱাকৈ ব্যৱহাৰ কৰাটো এইখিনিত প্ৰকট হৈ উঠিছে।

(গ) ক্ৰমাগতভাৱে এটাৰ পৰা আন শ্ৰেণীলৈ একে পদ্ধতিৰ লিখনি নোহোৱা :

ধৰক চতুৰ্থ মানলৈকে ছাত্ৰই সুন্দৰকৈ activity method অত লিখা বিজ্ঞান পাঠ আহিছে। সেই ছাত্ৰৰ মনত সেইকালে ঢাল খাইছে। পঞ্চমমানৰ বিজ্ঞান কিতাপ পোনে পোনে কৈ দিয়া বিধৰ। তেনে হোৱাৰ পৰা বিজ্ঞানৰ ভাষাৰ সুখপাঠ্যতা নষ্ট পায়।

আনহাতে, কেতিয়াবা লিখকৰ কোনো পদ্ধতিৰ প্ৰতি অনাহক আসক্তিৰ ফলতো ভাষা নষ্ট হ'ব পাৰে। ধৰা হওক, 'বিজ্ঞান শিকাব লাগে প্ৰত্যক্ষ অভিজ্ঞতাৰ যোগেদি' এই নীতিৰ বশৱৰ্তী হৈ, প্ৰকৃত পৰিস্থিতিৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই ভাষা নষ্ট হয়। যেনে, "অলপ সময় থৈ দিলে তোমালোকৰ নলী-নাদটোৰ পানী ফটফটীয়া হৈ থাকে নে ?"

নলী-নাদৰ পানী কিমান সংখ্যক ছাত্ৰই ব্যৱহাৰ কৰে সেই কথা চাইহে এই শাৰী লিখা উচিত আছিল।

(ঘ) বিভিন্ন শব্দৰ অৱস্থিতি :

১১+ বয়সৰ ছাত্ৰলৈ লিখা হৈছে—"হাতৰ বহিঃ প্ৰকোষ্ঠিকা হাল (Radius) মনিবন্ধৰ পিনে ডাঙৰ। অন্তঃপ্ৰকোষ্ঠিকা বা আলনা হাল (ulna) ঠিক ওলোটা"।

এবাৰ হ'ল "বহিঃপ্ৰকোষ্ঠিকা হাল" আনবাৰ হ'ল "আলনাহাল"।

অভিজ্ঞতাই দেখুৱায় যে সুখপাঠ্য নোহোৱা বাবে এনে অৱস্থাৰ বিবৃতি পোৱাৰ পিছত ছাত্ৰই গোটেই শাৰীটোকে মুখস্থ কৰি থয়। ভাব

বিজ্ঞান শিক্ষাৰ বা পঠনৰ অন্তৰায় হৈ পৰে।

(ঙ) জটিলতা :

বিজ্ঞানৰ ভাষা হ'ব লাগে সৰল, পোনপটীয়া আৰু বস্তুনিষ্ঠ। এটা উদাহৰণ লওঁ।

"তৰপে তৰপে এৰাই যোৱা চনকা ক'লা পদাৰ্থটোকে কয়লা বোলে। (translation-effect !) ই এবিধ গেদীয় শিল। স্তৰীভূত উদ্ভিদ পোৱা নগলেও কয়লাৰ যে মূল উপাদান উদ্ভিদ তাৰ অলেখ প্ৰমাণ পোৱা গৈছে। ঢেকীয়া জাতীয় গছৰ জীৱাশ্ম (fossil) আৰু কয়লাৰ স্তৰৰ তলত গেদীয় শিলৰ স্তৰত পোৱা গা-গছৰ শিলীভূত অৱশেষেই ইয়াৰ প্ৰমাণ"।

১২ বছৰীয়া ছাত্ৰৰ বাবে এইখিনি নিশ্চয় জটিল। ইয়াতকৈ সৰলকৈ একেখিনি কথাকে লিখিব নোৱাৰি জানো ?

(চ) বিষয়বস্তুৰ অসম্পূৰ্ণ জ্ঞানৰ প্ৰভাৱ :

অসম্পূৰ্ণতাই ভাষাৰ সুখপাঠ্যতা আৰু বোধগম্যতা দুইটাই নষ্ট কৰে।

"কৃত্ৰিম সাৰো মাছ পোহা পুখুৰীত প্ৰয়োগ কৰিব পাৰি। কৃত্ৰিম সাৰৰ ভিতৰত এন্, পি, কে (NPK) অৰ্থাৎ এই সাৰ নাই-ট্ৰ'জেন, ফছফৰাছ আৰু পটেছিয়ামৰ সংমিশ্ৰণ।"

এইখিনি লিখা নিতান্ত নিম্নস্তৰৰ।

(ছ) চিত্ৰ, লেখচিত্ৰ আদিৰ ব্যৱহাৰ :

সাধাৰণতে, খৰচ কমাবলৈ বিজ্ঞানৰ লিখনিত আগেয়ে ব্যৱহাৰ হোৱা ব্লক আদিৰ পুনৰ ব্যৱহাৰ কৰি, নতুনকৈ সুমোৱা ব্লকবোৰ ভালকৈ প্ৰস্তুত নকৰি এনে অৱস্থাৰ সৃষ্টি কৰে যে লগত দিয়া ভাষাৰ জৰিয়তে

ভাৱৰ স্পষ্টতা প্ৰকাশ নাপায়। এনে অৱস্থাত ভাষা বাহনহীন হোৱা বুলি ধৰিব পাৰি। অসমীয়া বিজ্ঞানৰ ভাষা এই দোষে প্ৰায় ছাটি ধৰি আছে।

ফঁহিয়াই চালে বিশ্লেষণমুখী কৌশল জনা লোকে অসমীয়া বিজ্ঞান লিখনিৰ ভাষাৰ বহুতো ত্ৰুটি দেখা পাব। ইয়াৰ পৰা নিস্তাৰ নাই নে? কাৰণ সেয়া নহ'লে বিজ্ঞানৰ self-learning নহ'ব। অসমীয়া পঢ়ুৱৈৰ সমাজে বিজ্ঞানক দুৰ্বোধ্য, তথ্যবহুল, গধুৰ বিষয় বুলি সঙ্গ ত্যাগ কৰিব।

(১) পৰিভাষাৰ ব্যৱহাৰ সকলো স্তৰতে ভিন্নাৰ্থবিহীনকৈ কৰিব লাগিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই বাটৰ প্ৰচেষ্টা প্ৰশংসনীয়।

(২) সু-লিখক চিনাক্ত কৰি সেইসকলৰ কৌশলৰ উন্নতি কৰাওক। সেই সকলৰ জৰিয়তে চানে চানে ন-লিখকৰ প্ৰশিক্ষণ কাৰ্য্য চলাওক।

(৩) কম-খৰচতে সুপাঠ্য বিজ্ঞান-পুস্তিকা প্ৰস্তুত কৰি (চৰকাৰৰ সাহায্য লৈ) বিজ্ঞান সমিতিয়ে সমগ্ৰ ৰাজ্যতে বিলাই দিয়ক।

(৪) বিজ্ঞান-পঠনৰ প্ৰতি আকৰ্ষিত কৰিবলৈ এচাম কৰ্মীয়ে প্ৰচাৰ কাৰ্য্য চলাওক, সাহায্য দিয়ক।

এয়া মাত্ৰ কেইটিমান পদক্ষেপহে। উন্নতিৰ বাটত বহুতো বিচিত্ৰতা সময়ে সময়ে যোগ হৈ থাকিব।

মনত পেলাই যাওঁ যে "বিজ্ঞান জেউতি"ৰ বহুখিনি লিখা অতীব মনোগ্ৰাহী। সেই আলোচনীখনৰ জৰিয়তে বিজ্ঞানোচিত ভাষাৰে প্ৰবন্ধ পাতি প্ৰকাশ কৰালে এসময়ত যে এচাম সবল বিজ্ঞান লিখক ওলাব তাত সন্দেহ নাই। লগে লগে বিজ্ঞান পাঠকৰ সংখ্যাও বাঢ়িব সেয়া নিশ্চয় আমাৰ কাম্য। ●

অসমীয়া বিজ্ঞান সাহিত্যৰ ভাষা

শ্ৰীবিশ্বেশ্বৰ হাজৰিকা।

বিজ্ঞান সাহিত্যৰ ভাষা মানে আমি বিজ্ঞানৰ তত্ব বুজাওঁতে ব্যৱহাৰ কৰা ভাষা বুজাইছোঁ, লাগিলে সেই ভাষা বিজ্ঞানীসকলক বুজাওঁতে ব্যৱহাৰ কৰা ভাষাই হওক বা সৰ্বসাধাৰণক বুজাওঁতে ব্যৱহাৰ কৰা ভাষাই হওক। ভাষা বুলিলে আমি অৰ্থ থকা কিছুমান বাক্য বুলি বুজোঁ, আকৌ বাক্য বুলিলে কিছুমান শব্দৰ অৰ্থবোধক ক্ৰম বুলি বুজোঁ। এতেকে, বিজ্ঞান সাহিত্যৰ ভাষা কেনেকুৱা হোৱা উচিত বুলিলে আমি বুজিব লাগিব—বিজ্ঞান-সাহিত্য লিখোঁতে ব্যৱহাৰ কৰা শব্দ, বাক্য আৰু অৰ্থবোৰ কেনেকুৱা হ'ব লাগিব।

বিজ্ঞান সাহিত্যৰ ভাষা কেনেকুৱা হোৱা উচিত সেই বিষয়ে আমি আলোচনা কৰোঁতে বিজ্ঞান সাহিত্যৰ শব্দ, বাক্য আৰু অৰ্থ কেনেকুৱা হোৱা উচিত—এই তিনি ভাগত ভগাই আলোচনা কৰিম।

বিজ্ঞান সাহিত্যৰ শব্দ কেনেকুৱা হোৱা উচিত :

বিজ্ঞান সাহিত্যত ব্যৱহাৰ হোৱা শব্দবোৰ দুভাগত বিভক্ত, এবিধ সাধাৰণ শব্দ, আৰু আনবিধ বিশেষ শব্দ বা পৰিভাষা। অধ্যয়নৰ বিশেষ ক্ষেত্ৰ এটাত নিযুক্ত লোক সকলে সেই অধ্যয়ন ক্ষেত্ৰটোৰ তত্ত্ব বুজাবলৈ ব্যৱহাৰ কৰা বিশেষ শব্দবোৰকে পৰিভাষা বোলে। এজন বিজ্ঞানীয়ে অন্য এজন বিজ্ঞানী বা এজন সাধাৰণ লোকক তেওঁৰ অধ্যয়নৰ তত্ব বুজাবলৈ শব্দ আৰু পৰিভাষাবোৰ কেনেকুৱা হ'ব লাগিব ?

বিজ্ঞানৰ তত্ববোৰ বিজ্ঞান জানিব খোজা লোকসকলক বুজাবলৈহে

যিহেতু ব্যৱহাৰ কৰা হ'ব, এতেকে বুজোঁতাই বুজি পোৱা শব্দেৰে বুজাওঁতাই বুজাব লাগিব। বিজ্ঞান সাহিত্যত ব্যৱহৃত সাধাৰণ শব্দবোৰত তলত দিয়া লক্ষণবোৰ থকা বাঞ্ছনীয়:—

(১) শব্দবোৰ সৰ্বসাধাৰণে বুজি পোৱা আৰু ব্যৱহাৰ কৰা শব্দ হ'ব লাগিব। উদাহৰণ স্বৰূপে, অনুকম্পা, কৰুণা, দয়া আদি শব্দ নিদি মৰম শব্দৰ দৰে সৰ্বসাধাৰণে বুজা শব্দ দিব লাগিব।

(২) কোনো এটা অৰ্থ বুজাবলৈ চেষ্টা কৰোঁতে যি শব্দবোৰ লিখকৰ মনলৈ আহে, তেনেকুৱা স্বাভাৱিক শব্দ বাবেৰে বিজ্ঞান সাহিত্য লিখিব লাগিব। উদাহৰণ স্বৰূপে, "বিশ্বৰ মধ্যত চেৰাপুঞ্জিতে অধিকতম বৃষ্টিপাত হয়", নিলিখি, "পৃথিৱীৰ ভিতৰত চেৰাপুঞ্জিতে আটাইতকৈ বেছি বৰষুণ দিয়ে" বুলি লিখিব লাগিব।

(৩) ব্যৱহৃত শব্দবোৰৰ অৰ্থ স্পষ্ট হ'ব লাগিব; অৰ্থাৎ কোনো দ্ব্যৰ্থতাবোধক বা অনিশ্চিত অৰ্থ থকা শব্দ ব্যৱহৃত হ'ব নালাগিব। উদাহৰণ স্বৰূপে, আমনি শব্দই (ক) বিৰক্তি আৰু (খ) আমৰ বাৰী বুজায়। এনে শব্দ পৰাপক্ষত ব্যৱহাৰ নকৰাই ভাল। সেইদৰে চৰ শব্দৰ অৰ্থ (ক) চাপৰি, (খ) যি কোনো দীঘল বস্তুৰ শেষ ভাগ, (গ) গুপ্ত দূত, (ঘ) হাতেৰে গালত কৰা আঘাত; এনেকুৱা শব্দ ব্যৱহাৰ কৰিলে অৰ্থবোধত খেলিমেলি লাগে।

পৰিভাষামূলক শব্দবোৰ কেনেকুৱা হ'ব লাগিব সেই বিষয়ে ভাৰত চৰকাৰৰ শিক্ষা বিভাগৰ কেন্দ্ৰীয় হিন্দী সঞ্চালকালয়ৰ পৰা প্ৰকাশিত "বিজ্ঞান শব্দাৱলী" ১ খণ্ডত "বিজ্ঞান আৰু কাৰিকৰী পৰিভাষাৰ বাবে গঠিত স্থায়ী আয়োগে অনুমোদন কৰা বৈজ্ঞানিক আৰু কাৰিকৰী পৰিভাষা নিৰ্মাণৰ মূলনীতিবোৰ"ত কোৱা হৈছে:

(৪) পৰিভাষাৰ শব্দবোৰ সৰল হ'ব লাগিব। উদাহৰণ স্বৰূপে fog-ৰ পৰিভাষা কুজ্ঝটিকা নকৰি কুঁৱলী কৰিব লাগিব।

(৫) পৰিভাষাৰ শব্দবোৰ সহজে বুজি পোৱা হ'ব লাগিব। উদাহৰণ স্বৰূপে, fungus-ৰ পৰিভাষা কৱক, ছত্ৰাক, বেঙছতা পোৱা

যায়। ইয়াৰ ভিতৰত বেংছতা শব্দৰ প্ৰতিশব্দ অসমীয়া ভাষাত কাঠ-ফুলা, লাফু বা নাফু পোৱা যায়। কবক আৰু ছত্ৰাকতকৈ বেংছতা বা ইয়াৰ যি কোনো এটা প্ৰতিশব্দ সহজে বুজি পোৱা।

(৬) পৰিভাষাৰ শব্দবোৰ যথাৰ্থ, অৰ্থাৎ সঠিক অৰ্থ প্ৰকাশক হ'ব লাগিব। উদাহৰণ স্বৰূপে, ecology-ৰ পৰিভাষা হিন্দী ভাষাত পৰিস্থিতিবিজ্ঞান, বঙলা ভাষাত বাস্তব্যবিদ্যা, অসমীয়াত বঙলা শব্দটোৰ অনুকৰণত বাস্তব্যবিদ্যা কৰা হৈছে। বাস্তব্যবিদ্যা শব্দটো যথাৰ্থ হৈছে নে? Ecology ৰ অৰ্থ study of the relation of plants and animals to their environment, অৰ্থাৎ পৰিবেশৰে সৈতে উদ্ভিদ আৰু জন্তুৰ থকা সম্পৰ্কৰ বিষয়ে অধ্যয়ন। শব্দটো তৈয়াৰ হৈছে গ্ৰীক ভাষাৰ oikos (ঘৰ) আৰু logos (অধ্যয়ন, বিদ্যা, বিজ্ঞান, তত্ব) লগ লাগি। ঘৰ (oikos) শব্দটোৰ অৰ্থ বিস্তাৰ হৈ ইয়াত পৰিবেশ, পাৰিপাৰ্শ্বিকতা, বাতাৱৰণ অৰ্থ গ্ৰহণ কৰিছে। বাস্তব্য শব্দই পৰিবেশ বুজাব নোৱাৰে আৰু বুজালেও সেই শব্দটো এই অৰ্থত অপ্ৰচলিত। গতিকে ecology-ৰ পৰিভাষা বাস্তব্যবিজ্ঞান যথাৰ্থ হোৱা নাই। পৰিবেশ বিজ্ঞান বা এনে ধৰণৰ শব্দ এটা ল'লেহে যথাৰ্থ পৰিভাষা হ'ব।

বিজ্ঞান সাহিত্যৰ শব্দ সৰ্বসাধাৰণতে ব্যৱহাৰ হোৱা, স্বাভাৱিক, স্পষ্ট, সৰল, সহজবোধ্য আৰু যথাৰ্থ হ'লেহে সেইবোৰৰ দ্বাৰা বিজ্ঞানৰ তত্ব বুজাব পৰা হ'ব।

বিজ্ঞান সাহিত্যৰ বাক্য কেনে হোৱা উচিত :

ভাষা এটাৰ বাক্যবোৰে কিছুমান বিবৃতি প্ৰকাশ কৰে। শব্দবোৰ সুনিৰ্বাচিত হ'লেই নহয়, বাক্যৰ শব্দক্ৰমবোৰো সুপৰিকল্পিত হ'লেহে বিবৃতিবোৰ সহজবোধ্য হয়। সেই কাৰণে ১৯৬০ চনত ৰাজকীয় চনদৰ যোগেদি ইংলণ্ডত স্থাপিত হোৱা ৰয়েল চ'ছাইটিত পাঠ কৰিবৰ বাবে দাখিল কৰা বৈজ্ঞানিক প্ৰবন্ধবোৰৰ ভাষা কেনেকুৱা হ'ব লাগিব,

সেই বিষয়ে এটা স্থায়ী প্ৰস্তাৱত কোৱা হৈছিল :

(৭) বাক্যবোৰ চুটি হ'ব লাগিব। ইয়াৰ দ্বাৰাই কম শব্দেৰে বেছি ভাব প্ৰকাশ কৰাৰ উদ্দেশ্য সাব্যস্ত কৰা হৈছে।

(৮) বাক্যবোৰ সৰলেই নহয়, গাত গাণিতিক সৰলতা থাকিব লাগিব। ইয়াৰ দ্বাৰাই ক'ব খোজা হৈছে যে বৈজ্ঞানিক প্ৰবন্ধ এটা, জ্যামিতিৰ উপপাদ্য এটা প্ৰমাণ কৰোঁতে লিখাৰ দৰে যুক্তিসম্মতভাৱে লিখিব লাগিব।

(৯) বাক্যবোৰ সুগঠিত হ'ব লাগিব। ইয়াৰ দ্বাৰা ব্যাকৰণৰ নিয়ম উলঙ্ঘা কৰা, ভুল গাইত শব্দ, বাক্যাংশ আৰু খণ্ডবাক্য প্ৰয়োগ কৰাৰ পৰা লিখকসকল বিৰত থাকিব লাগিব বুলি বুজোৱা হৈছে।

(১০) বাক্যবোৰ নিৰলঙ্কাৰ হ'ব লাগিব। অৰ্থাৎ, কোনো প্ৰকাৰৰ শব্দালঙ্কাৰ, অৰ্থালঙ্কাৰ, বিশেষণ, বহু-শব্দ-প্ৰয়োগ, বিষয়ান্তৰ-গমন আদি বৰ্জন কৰিব লাগিব।

(১১) বাক্যবোৰ ইতিবাচক হ'ব লাগিব। উদাহৰণ স্বৰূপে, "গৰু এবিধ পাঁচঠেঙীয়া নহয়, তিনিঠেঙীয়া নহয়, চাৰিঠেঙীয়া জন্তুহে"— এনে ধৰণৰ নেতিবাচকতা বৰ্জন কৰি স্পষ্টভাৱে গৰু কেইঠেঙীয়া জন্তু লিখিব লাগে।

(১২) সৰ্বসাধাৰণে ব্যৱহাৰ কৰা বাক্যৰীতি ব্যৱহাৰ কৰিব লাগিব। ইয়াৰ অৰ্থ হ'ল বৈজ্ঞানিক সাহিত্যৰ ভাষাত "আছিল বসন্ত কাল ফুলিল কপৌ" ধৰণৰ কবিতাৰ বাক্যৰীতি ব্যৱহৃত হ'ব নালাগে।

হ্ৰস্বতা, গাণিতিক, সৰলতা, সুগঠিত বাক্য প্ৰণালী, নিৰলঙ্কাৰতা, ইতিবাচকতা আৰু সৰ্বসাধাৰণৰ বাক্যৰীতি থাকিলেহে বিজ্ঞান সাহিত্যৰ ভাষাই তত্ত্ব বুজোৱা কামত সফল হ'ব পাৰে।

বিজ্ঞান সাহিত্যৰ বাক্যৰ অৰ্থ কেনেকুৱা হোৱা উচিত ? :

বিজ্ঞান সাহিত্য যিহেতু তত্ত্ব প্ৰকাশক সাহিত্য, এই সাহিত্যত

আবেগৰ ঠাই নাই। অকল আবেগেই নহয়, বক্তব্যৰ মাজত কোনো প্ৰকাৰৰ সন্দেহ, কোনো প্ৰকাৰৰ যুক্তিহীনতা, কোনো প্ৰকাৰৰ অপূৰ্ণতা ইয়াত থাকিব নোৱাৰে। সেই কাৰণে যুক্তিবিজ্ঞানৰ (logic) চাৰিওটা স্বতঃসিদ্ধ বৈজ্ঞানিক সাহিত্যৰ ভাষাত পালিত হোৱাটো বাঞ্ছনীয়ঃ

(১৩) সত্যক সদায় সত্য বুলিবই লাগিব। অৰ্থাৎ যদি আমি ধৰি লওঁ কোনো এটা পদাৰ্থৰ এটা গুণ আছে বোলা কথাষাৰ সত্য, তেন্তে সেই পদাৰ্থৰ সেই গুণ থকাটো সদায়েই সত্য বুলি ধৰিব লাগিব। যদি আমি এটা শব্দ এটা অৰ্থত ব্যৱহাৰ কৰোঁ, আমি সেই শব্দটো সদায় সেই অৰ্থত ব্যৱহাৰ কৰিবই লাগিব। (১ম স্বতঃসিদ্ধ)

(১৪) কোনো এটা কথা একে সময়তে হয় আৰু নহয় হ'বই নোৱাৰে। ইয়াৰ দ্বাৰাই স্বমতবিৰোধিতা বৰ্জন কৰিবলৈ কোৱা হৈছে। (২য় স্বতঃসিদ্ধ)

(১৫) কোনো এটা কথা হয় বা নহয় হ'বই লাগিব। ইয়াৰ অৰ্থ হ'ল পৰস্পৰবিৰোধী দুটা বিবৃতি একে সময়তে মিছা হ'ব নোৱাৰে। অৰ্থাৎ গাখীৰৰ পৰা ঘিঁউ হয় আৰু গাখীৰৰ পৰা ঘিঁউ নহয়, এই দুয়োটা বাক্য একে সময়তে মিছা হ'ব নোৱাৰে। (৩য় স্বতঃসিদ্ধ)

(১৬) যি কোনো এটা হোৱাতকৈ বিশেষ এটা হোৱাৰ কাৰণ নথকাকৈ একো নহয়। গছৰ ঠাৰি ছিগা আপেল এটাৰ পূবলৈ যোৱা পশ্চিমলৈ যোৱা, উত্তৰলৈ যোৱা, দক্ষিণলৈ যোৱা, ওপৰলৈ যোৱা, তললৈ যোৱা এই যি কোনো এটা ঘটনা ঘটিব পাৰিলেহেঁতেন। কিন্তু এই যি কোনো এটা ঘটনা হোৱাতকৈ তললৈ যোৱাৰ নিচিনা বিশেষ এটা ঘটনাহে হ'ল। এই বিশেষ ঘটনা হোৱাৰ কাৰণ মধ্যাকৰ্ষণ নিয়ম। মধ্যাকৰ্ষণ নিয়ম নথকা হ'লে এনে নহ'লহেঁতেন। (৪ৰ্থ স্বতঃসিদ্ধ)

বিজ্ঞান সাহিত্যৰ বক্তব্য, যুক্তিনিষ্ঠ, স্বমতসমৰ্থক, দ্বিধাহীন, আৰু কাৰণাধীন হ'ব লাগিব। নহ'লে সেই বক্তব্যই তত্ত্ব প্ৰকাশক

সাফল্য লভিব নোৱাৰে।

তেনেহ'লে আমি ক'ব পৰা হ'লো—বিজ্ঞান সাহিত্যৰ ভাষাত ব্যৱহৃত শব্দবোৰ দৈনন্দিন জীৱনত সাধাৰণ মানুহে ব্যৱহাৰ কৰা স্বাভাৱিক, সৰল আৰু সহজবোধ্য শব্দ হ'ব লাগিব। অৱশ্যে সেই শব্দবোৰৰ পৰা স্পষ্ট অৰ্থ আৰু যথাযথ অৰ্থ প্ৰকাশ কৰা শব্দবোৰ বাছি লৈ ব্যৱহাৰ কৰা উচিত। এনে শব্দবোৰেৰে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি থকা বাক্যৰীতিৰ সহায়ত, গণিতৰ দৰে সৰল, জাকজমকতাহীন, আটিল, আৰু চুটি চুটি বাক্য ৰচনা কৰিব লাগিব; কিন্তু এই বাক্যবোৰ সদায়েই ইতিবাচক অৰ্থ প্ৰকাশক হ'ব লাগিব। লগতে বাক্যবোৰৰ একেবাৰে সদায়েই যুক্তিহীনতা, স্বমতবিৰোধিতা, দ্বিধাগ্ৰস্ততা আৰু কাৰণহীনতা বৰ্জন কৰিব লাগিব। ●

গণ-সংযোগ ঃ বাতৰি কাকত আৰু আলোচনী মাধ্যম

ড° লক্ষ্মীনন্দন বৰা।

প্ৰস্তাৱনা ঃ

উন্নত দেশসমূহৰ বাতৰি কাকত আৰু আলোচনীসমূহত বিজ্ঞানৰ সকলো বিষয়ৰে প্ৰবন্ধপাতি পোৱা যায়। সাধাৰণতে দেখা যায় যে সৰ্বসাধাৰণ পাঠকৰ মনোগ্ৰাহীকৈ লিখা এই প্ৰবন্ধসমূহে সাৱলীলতা বা প্ৰাঞ্জলতাৰ খাতিৰত জটিল ধাৰণাক বিসৰ্জন নিদিয়ে। তাৰ ফলত বিজ্ঞানৰ লগত যুক্ত নথকা লোকেও বিজ্ঞানৰ প্ৰগতিৰ সম্পৰ্কে সঠিক বতৰা পায়, জনসমাজে আধুনিকতাৰ স্পৰ্শ পায় আৰু সমাজে বৈজ্ঞানিক দৃষ্টিভঙ্গী লাভ কৰে। ই এখন দেশৰ কাৰণে মোক্ষম লাভ। গতিকে দেখা যায় যে বিজ্ঞানৰ গণ-সংযোগ হিচাপে বাতৰি কাকত আৰু আলোচনীৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত ইংৰাজী ভাষা অতি চহকী। বিজ্ঞান-বিষয়ত মৌলিক প্ৰশিক্ষণ নথকা লোকেও ইংৰাজী ভাষাৰ যোগেদি বিজ্ঞানী হোৱাৰ দৃষ্টান্ত আছে। 'চায়ন্টিফিক আমেৰিকান' নামৰ বিখ্যাত আলোচনীখনৰ একালৰ বিখ্যাত সম্পাদক আৰু প্ৰসিদ্ধ বিজ্ঞান লিখক লৰেন্স পি, লেচিয়ে মহাবিদ্যালয়ত বিজ্ঞান শিক্ষা লাভ কৰা নাছিল। এখন বাতৰি কাকতত চাপ্ৰাচীৰ কামহে কৰিছিল। সেইদৰে ৰাথমৰ আদি বিষয়ৰ বাৰ্ত্তাজীৱি বিখ্যাত লেখক কেই গৰাকী মানৰ বিজ্ঞানত প্ৰশিক্ষণ নাছিল।

ভাৰতত অমলেন্দু দাসগুপ্ত ইংৰাজী সাহিত্যৰ লোকহে। জগজিত সিং অৰ্থশাস্ত্ৰৰ লোক আৰু এজন প্ৰশাসক। কিন্তু তেওঁ পাম্প প্ৰজনন-বিদ্যাৰ পৰা যন্ত্ৰ গণকলৈকে বিজ্ঞানৰ বিভিন্ন বিষয়ৰ কথা চিত্তাকৰ্ষক-ভাৱে লিখিব পাৰে। অৱশ্যে ইংৰাজী ভাষাতহে।

আন টাইব প্ৰখ্যাত বিজ্ঞানীসকলেও সৰ্বসাধাৰণ পাঠকৰ কথা ভাৱে। যেনে, জৰ্জ গ্যামো, জুলিয়ান হাক্সলে, থমাচ লুই আদি। ক্লাৰ্ক প্ৰমুখ্যে বিজ্ঞানীসকলে বিজ্ঞানভিত্তিক উপান্যাস লিখিও বিজ্ঞানত অৰিহণা যোগাইছে। তেওঁলোকে জনমানসত বিজ্ঞানৰ তথ্য ভৱিষ্যতৰ স্বপ্ন ঢালি ধৰিছে আৰু একোটা বৈজ্ঞানিক ধাৰণা দিছে।

সম্প্ৰতিৰ বিশ্লেষণমতে অসমীয়াত বিজ্ঞানসাহিত্যৰ পৰম্পৰা বিচাৰি পোৱা টান। যদি কিবা পৰম্পৰা আছে, তেনেহ'লে ই আৰম্ভ হৈছে বিগত দুই দশকৰ পৰাহে। কিন্তু ইংৰাজী আদি ভাষাৰ বিজ্ঞান সাহিত্যত এনে পৰম্পৰা স্পষ্ট।

বিজ্ঞান লেখকসকলৰ এটা গুণ থাকিলে নিজ বক্তব্য প্ৰচাৰ, প্ৰসাৰ আৰু মনোগ্ৰাহী কৰাটো সহজ হয়। সেইটো হ'ল, স্বকীয় ৰীতি আৰু সৃষ্টি ধৰ্মিতা। এই গুণ থকাৰ স্পষ্ট প্ৰমাণ পোৱা যায় জৰ্জ গ্যামো (পদাৰ্থবিজ্ঞানী) আৰু গেলৰ্ট হ'চাৰৰ (আহাৰবিজ্ঞানী) ক্ষেত্ৰত।

এই আলোচনা পত্ৰৰ উদ্দেশ্য হ'ল – (১) বিজ্ঞানক প্ৰাধান্য দিয়া বাতৰিকাকত আৰু আলোচনীসমূহ বাচি উলিওৱা, (২) বিজ্ঞান বিষয়ক প্ৰবন্ধৰ পৰিৱেশণৰ ধৰণ বিচাৰ কৰা, (৩) লেখকৰ নিজস্ব বৈশিষ্টৰ আভাষ দিয়া আৰু (৪) বিজ্ঞানৰ বিষয়বস্তুৰ গণসংযোগৰ ক্ষেত্ৰত লেখক আৰু পত্ৰ-পত্ৰিকাৰ ভূমিকা সম্পৰ্কে আলচ কৰা।

এই বিশ্লেষণে প্ৰকট কৰিছে যে প্ৰকাশৰ কোনো নিৰ্দিষ্ট নীতি নথকাৰ কাৰণে বেছিভাগ বাতৰিকাকত আৰু আলোচনীয়ে আশানুৰূপ ভাৱে অসমত বিজ্ঞানচিন্তাত অৰিহণা যোগাব পৰা নাই। এক কোণ পৰম্পপৰাহে ৰক্ষা কৰিব পাৰিছে অৱশ্যে 'বিজ্ঞান জেউতি', 'কৃষিবীক্ষণ' আৰু 'প্ৰকাশে' লেখক সৃষ্টিৰ বাবেও ছাত্ৰ-ছাত্ৰী আৰু জনসমাজক আধুনিক বিজ্ঞানৰ সোৱাদ দিবলৈ সমৰ্থ হৈছে। ডেৰ দশক ধৰি চলা 'বিজ্ঞান জেউতি'য়ে ভৱিষ্যতে অসমীয়া বিজ্ঞান সাহিত্যৰ পৰম্পৰা সৃষ্টি কৰিব পাৰিব বুলি ধাৰণা। আনহাতেদি বিজ্ঞানৰ ধাৰণা আৰু চমত্কাৰীভাৱে শিশু মানসত বৈজ্ঞানিক ধাৰণা আৰু দৃষ্টিভঙ্গী দিয়াৰ ক্ষেত্ৰত শিশু

আলোচনীসমূহ সফল হ'ব পৰা নাই। আৰু এটা কথা স্বীকাৰ কৰিব লাগিব যে সুন্দৰ পৰিৱেশন ৰীতি, সৃষ্টিশীল মনৰ ব্যঞ্জনা আৰু বিভিন্ন বিজ্ঞান শাখাৰ মাজত সংহতি স্থাপন কৰিব পৰা ক্ষমতাৰে লিখা প্ৰবন্ধৰ সংখ্যা তাকৰ যদিও অসমীয়া আলোচনী আৰু বাতৰি কাকতত প্ৰকাশিত প্ৰবন্ধসমূহত সাধাৰণতে তথ্যৰ অভাৱ দেখা নাযায়। ই অসমীয়া বিজ্ঞান সাহিত্যৰ বাবে শুভ লক্ষণ। তথাপি সিদ্ধান্ত কৰিব পাৰি যে আলোচনী আৰু বাতৰি কাকতৰ মাধ্যমেৰে জনসাধাৰণৰ মাজত আশানুৰূপ সমাদৰ লাভ কৰিব পৰা নাই।

বিজ্ঞানক স্থান দিয়া আলোচনী আৰু বাতৰি কাকত (ক) কেৱল বিজ্ঞান-বিষয়ক :—(১) বিজ্ঞান জেউতি (২) বিজ্ঞান ভাৰতী (গুৱাহাটীৰ পৰা সদ্য প্ৰকাশিত মাহেকীয়া আলোচনী) (৩) বিজ্ঞান বৰ্ণালী (নগাওঁ বিজ্ঞান সমিতিৰ মুখপত্ৰ) (৪) বিজ্ঞান বাৰ্তা (লক্ষীমপুৰ বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত) (৫) পদাৰ্থ বিজ্ঞান পত্ৰিকা (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ দ্বাৰা প্ৰকাশিত) (৬) কৃষিবীক্ষণ (অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা প্ৰকাশিত) (৭) সাৰ বাতৰি (কলিকতাৰ পৰা প্ৰকাশিত)।

(খ) বিজ্ঞান-বিষয়ক স্থান দিয়া কাকত আলোচনী:—(১) দৈনিক জনমভূমি (দেওবৰীয়া চ'ৰা) (২) জনমভূমি (নিয়মীয়া শিতানত ড: প্ৰদীপ দাস) (৩) আমাৰ প্ৰতিনিধি (নিয়মীয়া শিতানত বিজয়কৃষ্ণ দেৱশৰ্মা) (৪) প্ৰকাশ (প্ৰতি সংখ্যাতে বিজ্ঞানৰ প্ৰবন্ধ) (৫) অসম বাণী (চেগাচোৰোকাকৈ) (৬) সাপ্তাহিক নীলাচল (চেগাচোৰোকাকৈ) (৭) বিস্ময় আৰু ত্ৰিশূল (চাঞ্চল্যাকৰ বিজ্ঞান বাৰ্তা আৰু বিজ্ঞানভিত্তিক মৌলিক আৰু অনুদিত কল্পকাহিনী)।

পৰিৱেশন ৰীতি :

(ক) একমাত্ৰ বিজ্ঞানকেই বিষয়বস্তু হিচাপে নিৰ্বাচন কৰি লোৱা

আলোচনীসমূহৰ ভিতৰত অলপতে পোন্ধৰ বছৰত ভৰি দিয়া আৰু ভালে কেইবছৰ ধৰি প্ৰথম হৈ থকা 'বিজ্ঞান জেউতি'য়ে অসমীয়া বিজ্ঞান সাহিত্যৰ বুৰঞ্জীত এটি যুগৰ সৃষ্টি কৰিছে। ইয়াৰ বিষয়বস্তুৰ পৰিবেশনা প্ৰণালীবদ্ধ। ইয়াৰ মূল প্ৰবন্ধ কেইটিয়ে মানদণ্ড অক্ষুন্ন ৰাখিছে। বিজ্ঞানৰ শেহতীয়া বা-বাতৰি আৰু জনপ্ৰিয় বিষয়বোৰক কাৰিকৰী ভাৱে জটিল নকৰাকৈ আৰু সকলোৰে বুজি পোৱাকৈ প্ৰকাশ কৰি এই আলোচনীখিনিয়ে বিজ্ঞানক লোকপ্ৰিয় কৰাত সহায় কৰিছে। এটা শিতানত প্ৰায়ে বিশিষ্ট বিজ্ঞানীৰ জীৱনী আৰু আন এটা শিতানত বিজ্ঞান জগতৰ পাৰ্শ্বজ্যোতি প্ৰকাশ কৰি বিজ্ঞান চৰ্চা আৰু বিজ্ঞানক আকৰ্ষণীয় কৰি তুলিব পাৰিছে। তদুপৰি 'শিশু বিজ্ঞানীৰ চ'ৰা'ত ছাত্ৰ-ছাত্ৰীৰ প্ৰবন্ধ প্ৰকাশ কৰি, তেওঁলোকৰ বিজ্ঞানৰ প্ৰতি ধাউতি জন্মাইছে। তেওঁলোকক আকৃষ্ট কৰিবলৈকে প্ৰশ্নোত্তৰ প্ৰসঙ্গ আৰু শব্দশৃংখল প্ৰতিযোগিতাৰ ব্যৱস্থা আছে। ইতিমধ্যে 'বিজ্ঞান জেউতি'ত প্ৰকাশিত প্ৰবন্ধৰাজিৰ বৰ্ণানুক্ৰমিক তালিকাও প্ৰকাশিত হৈ গৈছে। এই তালিকাৰ পৰাই 'বিজ্ঞান জেউতি'য়ে সামৰা বিষয়-বস্তুৰ প্ৰশংসনীয় ব্যাপকতাৰ আভাষ পাব পাৰি। 'বিজ্ঞান জেউতি' বিজ্ঞানৰ গণ-সংযোগৰ মাধ্যম হিচাপে স্বাৰ্থকভাৱে সফল হৈছে।

অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়ে ন বছৰ ধৰি প্ৰকাশ কৰি অহা 'কৃষিদীক্ষণ'ত কৃষি বিজ্ঞানৰ কথাই স্থান পায়। বিনামূলীয়া বিতৰণ কৰা এই আলোচনীখনে পেছিয়ক বাইজে সহজে বুজিব পৰা প্ৰবন্ধতে প্ৰকাশ কৰে। কৃষি বিজ্ঞানৰ বতৰা ৰাইজৰ মাজত বিয়পোৱাৰ ক্ষেত্ৰত ইয়াৰ অৱিহণা একক আৰু অনন্য। জুৰীয়া চাঁচৰ অজটিল ৰচনা গাঠনিৰে লিখা প্ৰবন্ধপাতিহে কৃষিদীক্ষণত প্ৰকাশ কৰা হয়। সুখৰ বিষয় যে, সহজ বোধগম্যতাৰ খাতিৰত কৃষি বিজ্ঞানৰ তথ্য-পাতি কম থাকে বুলি আৰু আধুনিক কৃষি বিজ্ঞানৰ যুগানুকাৰী কথাবোৰ বাদ দিয়া হৈছে বুলি ক'ব নোৱাৰি। কাৰণ, বংশগতি আৰু পাদপ প্ৰজননবিদ্যাৰ দৰে জটিল বিষয়ৰ ওপৰতো দুই এটা

সুন্দৰ, সহজবোধ্য আৰু তথ্য সমৃদ্ধ প্ৰবন্ধ ইয়াত প্ৰকাশ কৰা হৈছে। মাটি বিজ্ঞানৰ বেছিভাগ প্ৰয়োজনীয় কথাই প্ৰকাশ হৈ আছে। পাদপ চিকিৎসাবিজ্ঞান পশুঅনুজীৱবিদ্যা আৰু পৰিপুষ্টিবিজ্ঞানৰ ক্ষেত্ৰত 'কৃষিনীক্ষণে' প্ৰচুৰ অৰিহণা আগবঢ়াইছে। উদ্যানবিদ্যা আৰু শস্যবিজ্ঞানৰ প্ৰবন্ধসমূহে এই আলোচনীখনক স্বকীয় বৈশিষ্ট দান কৰিছে। এই আলোচনী খনিয়ে সাধাৰণ মানুহৰ ভাষাত জীৱবিজ্ঞান আৰু কৃষি প্ৰযুক্তিবিদ্যাক সমাজৰ অতি পিছপৰা শ্ৰেণীৰ মাজলৈ আনি এক বিশেষ গণ-সংযোগৰ কাম কৰিছে। আৰু এখন সংস্কাৰবদ্ধ সমাজক বৈজ্ঞানিক দৃষ্টিভঙ্গী প্ৰদান কৰি সামাজিক বিৱৰ্তনত সহায় কৰিছে। কৃষিৰ উদ্ভাৱনাসমূহ ৰাইজৰ বেছিভাগেই গ্ৰহণ কৰাৰ ক্ষেত্ৰত ইয়াৰ অৱদান প্ৰচুৰ। এই ক্ষেত্ৰত 'সাৰ বাতৰি'ও বেচ সৰবৰাহী হৈ পৰিছে। ই মাটিবিজ্ঞান আৰু ভূমিনিষিক্তীকৰণ আদি বিষয়ত অসমীয়া বিজ্ঞান সাহিত্যলৈ উল্লেখযোগ্য অৰিহণা আগবঢ়াইছে। এই দুখন আলোচনীৰ গণ-সংযোগৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা আছে।

বিজ্ঞান বিষয়ৰ আন কেইখন আলোচনীৰ কোনোখনেই এবছৰ সম্পূৰ্ণ কৰা নাই। সেইবাবে এইবাৰৰ লেখনী পৰিৱেশনৰ ধৰণ সন্দৰ্ভত মন্তব্য দিয়াৰ এতিয়া সময় হোৱা নাই।

(খ) জনমভূমি, আমাৰ প্ৰতিনিধি, আদি কাকত আলোচনীয়ে একোটা নিয়মীয়া বিজ্ঞান চ'ৰা প্ৰকাশ কৰি আছে যদিও বিজ্ঞান চৰ্চাত বিশেষ অৱদান আগবঢ়াব পৰা নাই। কিয়নো, এই চ'ৰাসমূহৰ নিৰ্দ্দিষ্ট একোজন লেখকে একো একোটা বিষয় বাছি লৈ বিভিন্ন বিষয়ৰ প্ৰবন্ধ সংগতিহীনভাৱে প্ৰকাশ কৰে। এইবোৰে পঢ়ুৱৈ সমাজৰ অনুসন্ধিৎসা বা প্ৰসঙ্গ-জ্ঞানৰ অভাৱ পূৰণ কৰা নাই। কিন্তু মাজে মাজে সম্পাদকৰ পৰিকল্পনাৰ বহিভূৰ্ত যোগ্যলোকৰ একো একোটা সৰ্বাঙ্গসুন্দৰ প্ৰবন্ধই এনে ধৰণৰ কাকত-আলোচনীক সুকীয়া মৰ্য্যদা দিয়াৰ উপৰিও অসমীয়া বিজ্ঞান সাহিত্যক চহকীক ৰিছে। উদাহৰণ স্বৰূপে, 'আমাৰ প্ৰতিনিধি'ৰ বিশেষ সংখ্যা দুটিত প্ৰকাশিত সুৰেন্দ্ৰ

নাথ মেধিৰ 'অনন্ত প্ৰৱাহ' আৰু 'পোহৰতকৈ বেগী কণা আছেনে'? নামৰ প্ৰবন্ধ দুটিৰ কথা উল্লেখ কৰিব পাৰি। শ্ৰীমেধিৰ সাৱলীল গদ্যৰীতি, পাণ্ডিত্য আৰু মৌলিক চিন্তা-চৰ্চাৰ স্বাক্ষৰ দিছে। এই প্ৰবন্ধ দুটাই বিজ্ঞানৰ সীমাৰেখা অতিক্ৰম কৰি সাহিত্য জগতত প্ৰৱেশ কৰিছে। শ্ৰীমেধিয়ে আমাক 'লাইভ্‌চ অৱ এচেল'ৰ লেখক থমাচ লুইচলৈ মনত পেলায়। এইখন গ্ৰন্থ সাহিত্যানুৰাগী সকলৰ মাজতহে অধিক জনপ্ৰিয়। ১৯৮০ চনৰ ১৬ ফেব্ৰুৱাৰীৰ পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণ অসমৰ জনসাধাৰণে বিকৃত দৃষ্টিভঙ্গীৰে গ্ৰহণ কৰাৰ এটা বিশ্লেষণ 'নাগৰিক' কাকতে প্ৰকাশ কৰিছিল। তুলতুল বৰুৱাই লিখা এই প্ৰবন্ধটো সঁচাকৈয়ে উপাদেয় হৈছিল। বিজ্ঞানক জনসাধাৰণৰ মাজলৈ অনাৰ বাবেই নতুবা গণ-সংযোগেৰে বিজ্ঞানক জনতাৰ মাজত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এনে ধৰণৰ প্ৰবন্ধৰ যথেষ্ট প্ৰভাৱ আছে।

'বিস্ময়', 'ত্ৰিশূল' আৰু 'আমাৰ প্ৰতিনিধি' আদি আলোচনীয়ে মাজে মাজে বিজ্ঞানভিত্তিক কল্পকাহিনী প্ৰকাশ কৰি অসমীয়া সাহিত্যলৈ অবিহণা যোগোৱাৰ উপৰিও পাঠকৰ মনত বিজ্ঞানৰ প্ৰতি কৌতূহল বঢ়াইছে আৰু বিজ্ঞানৰ মৌলিক ধাৰণাও আকৰ্ষণীয়ভাৱে বদ্ধমূল কৰাত সহায় কৰিছে। অৱশ্যে এনে অনূদিত কাহিনীসমূহৰেই অবিহণা বেছি। কিয়নো, অসমীয়া লেখকৰ বেছিভাগৰেই বিজ্ঞানভিত্তিক কল্পকাহিনীত বৈজ্ঞানিক সত্যৰ সাদৃশ্য কমকৈহে বিচাৰি পোৱা যায়।

বিজ্ঞান বিষয়ক প্ৰবন্ধ প্ৰকাশৰ ক্ষেত্ৰত অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা 'প্ৰকাশ' নামৰ মাহেকীয়া আলোচনীখনিৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। ইয়াত বিজ্ঞানৰ শিক্ষানত ধৰা বন্ধা লেখকৰ মাজতে ৰচনা সীমাবদ্ধ হৈ নথকা বাবে বৈজ্ঞানিক ধাৰণা আৰু তথ্য পৰিৱেশনৰ ক্ষেত্ৰত 'প্ৰকাশে' শক্তিশালী মাধ্যম হিচাপে পৰিচয় দিব পাৰিছে। ইয়াত প্ৰকাশিত হোৱা বিজ্ঞানৰ তাত্বিক দিশৰ প্ৰবন্ধসমূহ 'বিজ্ঞান জেউতি'ৰ পৰিপূৰক বুলি ক'ব পাৰে।

আকৰ্ষণীয় ৰচনাশৈলী আৰু সৃষ্টিশীল ক্ষমতা ঃ

ৰচনাৰ কৌশল আৰু বিষয়বস্তু উন্মোচনৰ ক্ষেত্ৰত সৃষ্টিধৰ্মী মনৰ চিনাকী থাকিলেহে বৈজ্ঞানিক প্ৰবন্ধ বা গ্ৰন্থ সৰ্বসাধাৰণৰ বাবে অতিশয় মনোগ্ৰাহী হয়। গেলৰ্ট হ'চাবৰ আৰু থমাচ লুইৰ ক্ৰমে 'ট্ৰেজাৰ অৱ চিক্ৰেট্চ' আৰু 'লাইভ্চঅৱ এচেল' ইয়াৰ প্ৰকৃত উদাহৰণ। অসমীয়া বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত সুৰেন্দ্ৰ নাথ মেধি, ডঃ দীনেশ চন্দ্ৰ গোস্বামী আৰু ডঃ কুলেন্দু পাঠকৰ লিখাত এনে আপেক্ষিকভাৱে অনুৰূপ গুণৰ আভাষ পোৱা যায়। সুৰেন্দ্ৰ নাথ মেধিয়ে আপেক্ষিকতাবাদৰ কথা বৰ্ণাবৰ বাবে 'পোহৰতকৈ বেগী কণা আছেনে?' নামৰ প্ৰবন্ধটো এটা ইংৰাজীৰপৰা অনূদিত লিমাৰিকেৰে আৰম্ভ কৰিছে এইদৰে—

আছিল এজনী ছোৱালী শ্ৰীমতী জেউটি
পোহৰতকৈ আছিল তাই বেগৱতী,
এদিন আপেক্ষিকভাৱে তাই
ঘৰৰ পৰা গ'ল ওলাই
আৰু উভটি আহিল আগদিনা ৰাতি।

ডঃ কুলেন্দু পাঠকে 'প্ৰকাশ'ত বিজ্ঞানৰ ইতিহাসৰ ওপৰত লিখা এলানি প্ৰবন্ধত যথেষ্ট যোগ্যতাৰ পৰিচয় দিছে। প্ৰবন্ধৰাজিত তত্বৰ স্পষ্ট ধাৰণা গদ্যৰীতিৰ আকৰ্ষণীয়তা আৰু সুন্দৰ প্ৰকাশিকা শক্তি প্ৰকট হৈছে। ড. পবিত্ৰ বৰগোহাঞি, শিৱনাথ বৰ্মণ আৰু ডঃ পৰমা মহন্তয়ো নিজস্ব মনোগ্ৰাহী ৰচনাশৈলীৰে পঢ়ুৱৈক আকৰ্ষিত কৰিব পাৰিছে। ডঃ দীনেশ চন্দ্ৰ গোস্বামীৰ 'শব্দ' শীৰ্ষক 'বিজ্ঞান জেউতি'ত ধাৰাবাহিকৰূপে প্ৰকাশিত প্ৰবন্ধটোৱে তেওঁৰ বিজ্ঞানৰ বিষয়ৰ লেখনীত এক আকৰ্ষণীয় ৰচনাশৈলী আৰু সৃষ্টিমূলক মনৰ চিনাকী দিছে।

পক্ষী-বীক্ষণৰ ওপৰত 'বিজ্ঞান জেউতি'ত শ্ৰীদীনেশ বৈশ্যৰ বাদেও 'ত্ৰিশূল'ত চন্দ্ৰ মজিন্দাৰ বৰুৱা আৰু শান্তনু শৰ্মাই এলানি প্ৰবন্ধ লিখিছে। পিছৰ দুগৰাকী নবাগত। তেওঁলোকৰ লিখাত সম্ভাৱনাৰ

স্বাক্ষৰ আছে। কাৰণ, মূল কথাখিনি খোকোজা নলগা ভাষাৰে সুন্দৰকৈ ডাঙি ধৰিব পাৰিছে।

এইখিনিতে উল্লেখযোগ্য যে দুই এক ব্যক্তিয়ে বিজ্ঞানৰ নামত অবৈজ্ঞানিক দৃষ্টিভঙ্গী ডাঙি ধৰি পঢ়ুৱৈক বিভ্ৰান্ত কৰাৰ উপৰিও বিজ্ঞানৰ গণ-সংযোগৰ ক্ষেত্ৰত বিপৰীতধৰ্মী কামহে কৰিছে। তাৰে দুটা উদাহৰণ আগবঢ়োৱা হ'ল: (১) লক্ষীমপুৰৰ পৰা প্ৰকাশিত 'বিজ্ঞান বাৰ্তা'ৰ দ্বিতীয় বছৰৰ প্ৰথম সংখ্যাত এগৰাকী লেখকে গ্ৰহৰত্ন আদিৰ উপকাৰিতা বিষয়ে "বৈজ্ঞানিক" ব্যাখ্যা দিবলৈ গৈ ৰাজ্যলাভ, শত্ৰু ক্ষয় আদিৰে মোখনি মাৰিছে। (২) 'ত্ৰিশূল'ৰ যোৱা মাৰ্চ সংখ্যাত জনেক জ্ঞানপূজাৰীয়ে ভূমিকম্পৰ ওপৰত গ্ৰহণৰ প্ৰভাৱৰ বিষয়ে 'গৱেষণা-পত্ৰ' লিখিছে। ইয়াৰ সন্দেহজনক প্ৰতিপাদ্য বিষয় আৰু গৱেষণা প্ৰণালীয়ে সত্যনিষ্ঠ বিজ্ঞান চৰ্চাৰ মূল প্ৰেৰণাকে অৱমাননা কৰিছে।

অসমীয়া ভাষাত যি কেইখন শিশু আলোচনী আছে, তাত বিজ্ঞান অতিশয় অৱহেলিত। একমাত্ৰ 'আকাশ' নামৰ চেনেহীয়াৰ আলোচনীখনিয়েহে বিজ্ঞান বিষয়ক প্ৰবন্ধ প্ৰকাশ কৰি আছে। ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'সোণ পখিলী'ত প্ৰকাশিত ড: পৰমানন্দ মজুমদাৰ দুটামান প্ৰবন্ধৰ বিজ্ঞানৰ প্ৰতি শিশু মনক আকৃষ্ট কৰিব পাৰিছে। 'অসম বাণী'ৰ মইনাই মেলত মৃণ্ময়ী বৰুৱাই পশুপক্ষীৰ বিষয়ে সততে লিখি আছে। তেওঁৰ লিখনীয়েও শিশুৰ বৈজ্ঞানিক ধাৰণাৰ বিকাশত অৰিহণা যোগাইছে।

উপসংহাৰ:

অসমীয়া বিজ্ঞান সাহিত্যৰ যোগেদি বিজ্ঞানৰ তাৎপৰ্য্য জন-সমাজত সৰবৰাহী কৰাৰ ক্ষেত্ৰত কাকত-আলোচনীয়ে প্ৰচুৰ অৱদান আগবঢ়াব পাৰে। তাৰ বাবে আমাৰ সকলো বাতৰি কাকত আৰু আলোচনীয়ে যথেষ্ট গুৰুত্ব আৰোপ কৰা উচিত। 'বিজ্ঞান জেউতি'ৰ দৰে আমাক আৰু আলোচনীৰ প্ৰয়োজন। বিজ্ঞান-বিষয়ক প্ৰবন্ধ লেখা লোকসকলৰ উৎসাহ উদ্দীপনা প্ৰশংসনীয়।

শিশু আৰু চেমনীয়াৰ উপযোগী আলোচনীৰ সংখ্যা অধিক হোৱা উচিত আৰু তাত বিজ্ঞানৰ ৰচনা, আখ্যান আদিয়ে বিশেষ প্ৰাধান্য লাভ কৰা উচিত। অসমীয়া ভাষাত বিজ্ঞান বিষয়ৰ লেখকসকলৰ একাগ্ৰতাৰ শলাগ লৈয়ো ক'ব পাৰি যে বিজ্ঞানক জীৱনৰ অঙ্গীভূত কৰিবলৈ প্ৰয়াস কৰি সফল হোৱা গেলৰ্ড হ'চাৰ, জুলিয়ান হাক্সলে মেৰী ষ্টোপ আদিৰ দৰে লেখকৰ সংখ্যা অসমীয়া ভাষাত আঙুলিৰ মূৰতে লেখিব পৰা বিধৰ। ই শুভ লক্ষণ নহয়। এজন লেখকৰ নিজৰ শিক্ষালাভ কৰা বিষয়টোত বাদেও বিজ্ঞানৰ অন্যান্য শাখাত, আনকি সাহিত্যতো সম্যক জ্ঞান থাকিলেহে তেওঁ বুদ্ধিজীৱি হ'ব পাৰে আৰু লিখোতে সমন্বয়জ্ঞান থকাৰ বাবে বাস্তৱ জগতৰ লগত বিজ্ঞানৰ সংগতি স্থাপনৰ ক্ষমতালাভ কৰিব পাৰে। এনে ক্ষমতাৰে নিজৰ লেখনীক শক্তিশালী কৰাৰ দৃষ্টান্ত কম সংখ্যক অসমীয়া লেখকৰ ক্ষেত্ৰতহে পৰিস্ফুট হৈছে। সেয়েহে, বিজ্ঞানৰ লেখকৰ আন্তঃবৈষয়িক জ্ঞান আহৰণ কৰাটো আৱশ্যকীয় হৈ পৰিছে। অসমীয়া লেখকৰ এনে ধৰণৰ সাধনাইহে প্ৰৱন্ধৰাজি সকলোৰে কাৰণে গ্ৰহণীয় কৰি তুলিব পাৰিব আৰু তেতিয়াহে বৈজ্ঞানিক সত্যৰ গণ-সংযোগৰ প্ৰচেষ্টা সাৰ্থক হ'ব। সুখৰ কথা যে এতিয়ালৈকে কাকত-পত্ৰত সিঁচৰিত হৈ থকা ভালেমান প্ৰৱন্ধই এনে সম্ভাৱনা দেখুৱাইছে আৰু অসমীয়া ভাষাত বিজ্ঞান সাহিত্যৰ চৰ্চাই ইতিমধ্যে আশাৰ সঞ্চাৰ কৰিছে।

অসমীয়া বিজ্ঞান সাহিত্যৰ লিখকৰ এটি উল্লেখনীয় দিশ আছে। সেয়া হৈছে সাহিত্যৰ কোনো কোনো দিশত বিশেষ পাৰদৰ্শিতা থকা স্বত্বেও বিজ্ঞান সাহিত্যৰ চৰ্চাত আশাশুধীয়া কৈ লাগি থকা এচাম লিখক আছে। তাৰে ভিতৰত ডঃ পৰমানন্দ মহন্ত, অধ্যাপক দীনেশ বৈশ্য আৰু ডঃ দীনেশ চন্দ্ৰ গোস্বামীৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ৰচনাৰ সাৱলীলতা বক্তাই ৰথাৰ উপৰিও বিষয় বস্তু উপস্থাপনত বিশেষ যোগ্যতা দেখুৱাই এওঁলোক অসমীয়া বিজ্ঞান সাহিত্যত সৰবৰহী হৈছে। ●

গণ-সংযোগ ঃ আলোচনী আৰু বাতৰি কাকত মাধ্যম

শ্ৰীৰমেশ চন্দ্ৰ গোস্বামী ।

অৱতৰণিকা ঃ

বিশ্ব-বিশ্ৰুত জাৰ্মান বিজ্ঞানী লুই পেষ্টু'ৰে কৈছিল,..... "The future belongs to those who shall have done most for the suffering humanity....." (নিপীড়িত জনগণৰ কল্যাণৰ বাবে যি সকলে সৰ্বাধিক কাম কৰিব, ভৱিষ্যতটো তেওঁলোকৰেই ।) সাহিত্যিক, দাৰ্শনিক, সমাজকৰ্মী বা বিজ্ঞানী আদি কোনো ব্যক্তি বা গোষ্ঠীৰ সলনি সামগ্ৰিকভাৱে বিজ্ঞানকহে উক্ত আসনত অধিষ্ঠিত কৰাটো বাঞ্ছনীয় ; কিয়নো, কোনো ব্যক্তি বিশেষৰ সাধনা প্ৰদত্ত বৰঙণিয়ে মানৱ জাতিৰ ভৱিষ্যতৰ মুষ্টিমেয় কেইটামান দিশহে আলোকিত কৰিব পাৰে সমগ্ৰ ভৱিষ্যত দাবী কৰিব নোৱাৰে ; বৈজ্ঞানিক দিশত সাহিত্য-কলা-কৃষ্টিয়ে প্ৰভূত অৰিহণা যোগায় । তথাপিও নিপীড়িত জনগণৰ কল্যাণত সৰ্বাধিক বৰঙণি যোগাব পাৰে বিজ্ঞানে । পৃথিৱীৰ আধুনিক সভ্যতাৰ প্ৰাণকেন্দ্ৰই হৈছে বিজ্ঞান ।

সত্য আৰু ৰহস্য অনুসন্ধানৰ পটভূমিত যুক্তি-তৰ্কৰ অৱতাৰণা কৰিবৰ্লৈ যাওঁতে জাতিৰ সাহিত্য মঞ্চত বিজ্ঞানৰ অনুপ্ৰৱেশ ঘটে । অৰ্থাৎ সাহিত্য বিজ্ঞানৰ দ্বাৰা প্ৰভাৱিত হয় ; এইদৰে বিজ্ঞানতো সাহিত্যৰ বোল লাগে । আৰু তেতিয়াই জন্ম হয় বিজ্ঞান সাহিত্যৰ । কিছু সংকীৰ্ণ হ'লেও বিজ্ঞান সাহিত্য বুলিলে ইয়াত কম-বেছি পৰিমাণে সাহিত্যৰ আস্বাদনপূৰ্ণ বিজ্ঞান ৰচনাকহে বুজোৱা হ'ব ।

বিজ্ঞান বা সভ্যতাৰ লগে লগে বিশ্বৰ বিজ্ঞান সাহিত্যও উন্নীত হৈ আহিছে। প্ৰথম বিশ্বযুদ্ধৰ সময়ত বহুতো বৈজ্ঞানিক আৱিষ্কাৰ উদ্ভাৱন সম্ভৱ হৈছিল। দ্বিতীয় বিশ্বযুদ্ধই সেইবোৰক পৰিপুষ্ট কৰাৰ উপৰিও অনেক নতুন অৱদান আগবঢ়াইছে। যুদ্ধোত্তৰ কালৰ ন ন আৱিষ্কাৰ আৰু উদ্ভাৱনে নিতৌ মানুহৰ চিন্তাধাৰা আৰু জীৱনযাত্ৰাৰ প্ৰণালী সলনি কৰিব লাগিছে। তাৰ ফলশ্ৰুতি হিচাপে যুদ্ধোত্তৰ কালছোৱাৰ সাহিত্যত বিজ্ঞানৰ অনুপ্ৰৱেশ দ্ৰুততৰ হৈ আহিছে। পৃথিৱীৰ সকলো জাতিৰ সাহিত্যতে বিজ্ঞানে অধিক সমাদৰ লাভ কৰিছে। অসমীয়া সাহিত্যও ইয়াৰ ব্যতিক্ৰম নহয়। যোৱা কুৰি বছৰৰ অসমীয়া সাহিত্য মন্থন কৰি চালে এই কথা প্ৰতীয়মান হয়।

বিজ্ঞান সাহিত্য বুলিলে বিজ্ঞানৰ কোনো বিষয় পোনপটীয়াকৈ আলোচনা কৰা, বিজ্ঞানৰ বিভিন্ন জ্ঞাতব্য বিষয় সৰ্বসাধাৰণৰ আগত বিবিধ পদ্ধতিৰে উপস্থাপন কৰা, আৰু বিশেষজ্ঞসকলৰ বাবে স্বকীয় বুদ্ধিমত্তাৰে মৌলিক ৰচনা যুগুত কৰা—অন্ততঃ এই তিনিটা দিশৰ কথা মনলৈ আহে। ইয়াৰে প্ৰথম বিধক বিদ্যাৰ্থী-বিজ্ঞান সাহিত্য, দ্বিতীয়বিধক জন-বিজ্ঞান সাহিত্য আৰু শেষৰ বিধক মৌলিক বিজ্ঞান ৰচনা বুলিব পাৰি। সৰহ ক্ষেত্ৰত পাঠ্য-পুথিৰ মাজতে আৱদ্ধ বিদ্যাৰ্থী বিজ্ঞানক দৰাচলতে সাহিত্যৰ মৰ্যাদা দিব নোৱাৰি। কিন্তু মান, বিষয়বস্তু আৰু প্ৰকাশভঙ্গীৰ ফালৰপৰা কোনো কোনো ক্ষেত্ৰত (যেনে কিছুমান প্ৰসঙ্গ পুথি) ই কিছু পৰিমাণে জন-বিজ্ঞান সাহিত্যৰ এচৰ চপা দেখা যায়। সেয়ে যথেষ্ট ত্বৰল অৰ্থত এইবোৰকো সাহিত্যৰ শাৰীতে স্থান দিব পাৰি যেন লাগে। মৌলিক বিজ্ঞান ৰচনা সৰ্বসাধাৰণৰ বাবে নহয়; যথাৰ্থতে সেইবোৰ সাহিত্যও নহয় বুলি ভবাৰ থল আছে। আনহাতে জন-বিজ্ঞান সাহিত্যৰ সমাদৰথলী বিশাল। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবেই ইয়াৰ সোৱাদ লাভৰ দুৱাৰ উন্মুক্ত। প্ৰবন্ধত এই শ্ৰেণীৰ বিজ্ঞান সাহিত্যকহে প্ৰাধান্য দিয়া হ'ব।

জনসাধাৰণৰ মাজত লিখনি পৰিৱেশন কৰিবৰ বাবে ভাৰতত

অন্ততঃ চাৰি ধৰণৰ মাধ্যম আছে : আলোচনী আৰু বাতৰি কাকত, কিতাপ-পত্ৰ, ৰেডিঅ' আৰু টেলিভিচন । তদুপৰি বিজ্ঞান বিষয়ক বক্তৃতা বিশেষ বিষয়ৰ ওপৰত কৰা ছেমিনাৰ, বিজ্ঞান প্ৰদৰ্শনী আৰু কথাছবি আদিও বিজ্ঞান সাহিত্যৰ বাবে গণ-সংযোগৰ উল্লেখনীয় মাধ্যম। পৃথিৱীৰ কিছুমান দেশত গণ-সংযোগত কম্পিউটাৰো ব্যৱহাৰ কৰা হয়। (দুখৰ বিষয়, কম্পিউটাৰ নালাগে, বিজ্ঞান ইমান দ্ৰুতবেগে আগবঢ়া স্বত্বেও অসমকে ধৰি ভাৰতৰ বহু ঠাইত এই পৰ্য্যন্ত টেলিভিচন কেন্দ্ৰও স্থাপিত হোৱা নাই।) বিজ্ঞানী-গৱেষকসকলে সংযোগৰ অন্য কেতবোৰ পন্থাও অৱলম্বন কৰে । যেনে, পাৰস্পৰিক ব্যক্তিগত যোগাযোগ, জাতীয় আৰু আন্তৰ্জাতিক আলোচনাসমূহত গৱেষণাপত্ৰ পাঠ, গৱেষণা পত্ৰিকা প্ৰকাশ অন্যান্য প্ৰতিবেদন হিচাপে কৰা প্ৰকাশ, ইত্যাদি। এইবোৰ মাধ্যম মৌলিক বিজ্ঞান ৰচনাৰ বেলিকাহে প্ৰযোজ্য। সৰ্ব-সাধাৰণৰ বাবে পূৰ্বোক্ত মাধ্যমসমূহ অধিক কাৰ্যকৰী।

প্ৰবন্ধৰ শিৰোনামাই মুখ্যমেয় অসমীয়া আলোচনী আৰু বাতৰি কাকতৰ স্থানহে ইয়াত দাবী কৰিছে । তদুপৰি বিজ্ঞান বিষয়ক অসমীয়া কিতাপ-পত্ৰৰ কথাও সামান্যভাৱে উনুকিওৱা হ'ব ; কাৰণ এনেকুৱা কিছুমান কিতাপ-পত্ৰ বহল দৃষ্টিত আলোচনীৰ পৰিপূৰক যেন লাগে।

অসমীয়া বিজ্ঞান আলোচনী :

ভাৰতৰ Instrumentation and Documentation Centre অৰ ভাৰতীয় বিজ্ঞান আলোচনীৰ ডাইৰেক্টৰীৰ ১৯৭৬ চনৰ সংস্কৰণত মুঠতে ১৫৯৩ খন আলোচনীৰ নাম তালিকাভুক্ত কৰা আছে। ইয়াৰে বৃহৎ সংখ্যাকৰ মাধ্যম ইংৰাজী। ভাৰতৰ বিভিন্ন আঞ্চলিক ভাষাৰ বিজ্ঞান আলোচনীও তাত অন্তৰ্ভুক্ত কৰা হৈছে। উক্ত সংখ্যাটো অসমীয়া ভাষাত প্ৰকাশিত বিজ্ঞান আলোচনীয়ে যোগোৱা ধৰণি নিচেই পুতৌজনক । অসমীয়া ভাষাত বিজ্ঞান আলোচনী

স্পষ্টভাৱে অসম বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত 'বিজ্ঞান জেউতি' লৈহে আঙুলিয়াব পাৰি। ইংৰাজীত প্ৰকাশিত ভাৰতীয় আলোচনী Science Today বা Science Reporter অৰ পৰ্য্যায়ৰ নহ'লেও এইখন আলোচনীয়ে বৰ্তমানলৈকে অসমীয়া ভাষাত অপ্ৰতিদ্বন্দ্বী জন-বিজ্ঞান সাহিত্যৰ আলোচনীৰ আসন দাবী কৰি আছে। অসমীয়া বিজ্ঞান সাহিত্যৰ বিকাশ, জন সাধাৰণৰ মাজত তাৰ প্ৰচাৰ আৰু বিজ্ঞান সাহিত্যৰ লেখক-লেখিকা সৃষ্টিৰ ক্ষেত্ৰত বিজ্ঞান জেউতিৰ ভূমিকা অনন্য।

বিজ্ঞান জেউতি প্ৰথম প্ৰকাশ হয় ১৯৬১ চনত। সম্প্ৰতি ই ষষ্ঠদশ বছৰৰ দুৱাৰ দলিত উপনীত হৈছেহি। আৰম্ভণিৰে পৰা 'বিজ্ঞান জেউতি' তিনিমহীয়াকৈ প্ৰকাশিত হৈ আহিছিল। ইয়াৰ ক্ৰমবৰ্ধমান চাহিদা আৰু পাঠক-পাঠিকাসকলৰ সোনপটীয়া দাবীয়ে অসম বিজ্ঞান সমিতিক যোৱা দ্বাদশ বছৰৰ পৰা আলোচনীখন দুমহীয়াকৈ প্ৰকাশ কৰিবলৈ বাধ্য কৰাইছে। কেৱল বিজ্ঞানৰ বিভিন্ন আবিষ্কাৰ উদ্ভাৱনৰ বা-বাতৰি আৰু সাধাৰণ জ্ঞাতব্য বিষয়েই নহয়, পদাৰ্থ, ৰসায়ন, গণিত, জ্যোতিৰ্বিজ্ঞান, চিকিৎসা, কৃষি, জীৱবিদ্যা, ভূবিদ্যা, নৃতত্ত্ব প্ৰভৃতি আটাইবোৰ দিশকে সামৰিলৈ বিজ্ঞান জেউতিয়ে অতি সৰল ভাষাত আৰু যথাসম্ভৱ অকাৰিকৰী ভংগীত প্ৰবন্ধ আদি প্ৰকাশ কৰে। ফলত স্কুলীয়া আৰু কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ বাহিৰেও ই সৰ্বসাধাৰণ পাঠকৰ যথেষ্ট উপকাৰ সাধন কৰিবলৈ সক্ষম হৈছে। প্ৰবীণ লেখকসকলৰ লগতে আলোচনীখনে স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীক ইয়াত লেখাৰ সুযোগ দি তেওঁলোকৰ প্ৰতিভা বিকাশৰ পথ সুগম কৰি আহিছে।

জন-বিজ্ঞান সাহিত্যৰ এই আলোচনীখনত মাজে সময়ে বিভিন্ন বিষয়ত বুৎপত্তি থকা লোকৰ প্ৰবন্ধও প্ৰকাশ কৰা দেখা যায়। অৱশ্যে লেখকৰ অভাৱেই হওক বা উদ্দেশ্য (objective) আদি অন্য কাৰণতে হওক, তাত উচ্চ কাৰিকৰী প্ৰবন্ধই কাচিৎহে ভুমুকি মাৰে। তথাপি 'বিজ্ঞান জেউতি'য়ে এই পোন্ধৰটা বছৰত অসমীয়া বিজ্ঞান সাহিত্য চৰ্চাৰ এটা যুগ সৃষ্টি কৰা বুলিলে অত্যুক্তি কৰা নহ'ব।

১৯৭৫-৭৬ চনৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ শিক্ষক আৰু গৱেষক বৃন্দৰ পৰিচালনাত 'পদাৰ্থ বিজ্ঞান পত্ৰিকা' নামৰ এখন বছৰেকীয়া আলোচনী প্ৰকাশিত হৈ আহিছে। বৰ্তমান নৱ বছৰত ভৰি দিয়া এই পত্ৰিকাখন অসমীয়া বিজ্ঞান সাহিত্যত এক উল্লেখযোগ্য সংযোজন। 'পদাৰ্থ বিজ্ঞানৰ বিভিন্ন তত্ত্ব, পৰীক্ষা, পৰ্যবেক্ষণ আৰু ইতিহাস বিষয়ক প্ৰবন্ধ অসমীয়া ভাষাত প্ৰকাশ কৰি বৈজ্ঞানিক ৰচনাশৈলী আৰু পৰিভাষাৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰোৱাই এই আলোচনীৰ মুখ্য উদ্দেশ্য। লগতে পদাৰ্থ বিজ্ঞানৰ বিভিন্ন দিশত হৈ থকা নতুন আৱিষ্কাৰ আৰু গৱেষণাৰ বিষয়-বস্তু অসমীয়া ভাষাত প্ৰচাৰ কৰাও ইয়াৰ অন্যতম উদ্দেশ্য।" পদাৰ্থ বিজ্ঞান পত্ৰিকা কিছু উচ্চ পৰ্যায়ৰ বিভাগীয় বিজ্ঞান সাহিত্যৰ আলোচনী। ভাৰতৰ অনান্য আঞ্চলিক ভাষাত এই লেখীয়া আলোচনী থাকিলেও সংখ্যাত তাকৰীয়া হ'ব যেন লাগে। অসমীয়া ভাষাত বিজ্ঞানৰ কাৰিকৰী কথা ইমান প্ৰাঞ্জলভাৱে লিখিব পৰাটো সহজ সাধ্য নহয়। তেনেকুৱা এখন আলোচনী নিয়মীয়াকৈ প্ৰকাশ কৰি সংশ্লিষ্ট লেখক-শিক্ষক-গৱেষকসকলে সুন্দৰ অৱদান আগবঢ়াইছে। বছৰত ইয়াৰ সংখ্যা দুটিমানলৈ বঢ়াব পাৰিলে আৰু কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অনান্য অনুৰাগী-সকলৰ মাজত ইয়াৰ প্ৰচাৰ অধিকৈ বৃদ্ধি কৰিলে এই প্ৰচেষ্টা অধিক ফলপ্ৰসূ হ'ব।

বিজ্ঞান ইনষ্টিটিউটৰ পৰ্যায়ৰ আৰু এনে পৰ্যায়ৰ নহ'লেও সময়ে সময়ে দুই চাৰিখন জনপ্ৰিয় বিজ্ঞান আলোচনীয়ে ভুমুকি নমৰা নহয়। কিন্তু ইয়াৰ সৰহভাগেই দীৰ্ঘজীৱী নহয়, গতিকে ধাৰাবাহিকভাৱে প্ৰকাশিত হৈ থকা নিৰ্দিষ্ট মানদণ্ডৰ অনা বিজ্ঞান আলোচনী চকুত নপৰাৰ দৰেই হয়। তথাপি অসম বিজ্ঞান সমিতিৰ কেইটামান শাখা আৰু বিভিন্ন ঠাইৰ কেইবাটাও বিজ্ঞান সংস্থাই ছেগাছোৰোকাকৈ দুই এখন আলোচনী প্ৰকাশ কৰি আহিছে। 'কটন কলেজ বিজ্ঞান সংঘৰ আলোচনী' (১৯৬৯-১৯৭০) আৰু এনে সংস্থাৰে 'স্পন্দন' (১৯৭৪-৭৫) নামৰ

আলোচনীৰ কথা এই সন্দৰ্ভতে উনুকিয়াব পাৰি।

বিজ্ঞান সমিতিৰ নলবাৰী শাখাই অলপৰে পৰা 'বিজ্ঞান পত্ৰ' নাম দি এখন মুখপত্ৰ প্ৰকাশ কৰিবলৈ লৈছে। ক্ষীণ কলেবৰৰ হ'লেও বিজ্ঞান পত্ৰত বিভিন্ন ৰুচিৰ অকাৰিকৰী প্ৰৱন্ধ-পাতি প্ৰকাশ কৰি গ্ৰাম্য জন সাধাৰণকো উপকৃত কৰিবলৈ যত্ন কৰা পৰিলক্ষিত হৈছে।

১৯৭৯-৮০ চনত ড° বলদেৱ শৰ্মাৰ সম্পাদনাত সমিতিৰ নগাঁও শাখাই 'বিজ্ঞান বৰ্ণালি' নামৰ এখন বছৰেকীয়া মুখপত্ৰৰ প্ৰস্তাৱনা সংখ্যাটো প্ৰকাশ কৰিছে। চিকিৎসা বিষয়কে ধৰি কেবাটাও মূল্যবান প্ৰবন্ধেৰে সমৃদ্ধ এই আলোচনীখন প্ৰতিশ্ৰুতিদায়ক হৈ উঠিছে। 'বিজ্ঞান বৰ্ণালি'য়ে অসমীয়া বিজ্ঞান সাহিত্যক অধিক চহকী কৰিব বুলি আশা কৰিব পাৰি। বছৰত ইয়াৰ প্ৰকাশ সংখ্যা বৃদ্ধি কৰাটো বাঞ্ছনীয়।

অসমৰ ভিন ভিন ঠাইত অনুষ্ঠিত বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিৱেশনসমূহে নিজা নিজা স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে। সেইবোৰে সংশ্লিষ্ট ঠাই বা অঞ্চলৰ বিজ্ঞান চৰ্চাৰ আভাস দিয়া, বৈজ্ঞানিক পৰম্পৰা আৰু সামাজিক, ভৌগোলিক আদি দিশত বৈজ্ঞানিক দৃষ্টিপাত কৰা পৰিলক্ষিত হয়। সমিতিয়ে মাজে সময়ে বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ (যেনে, ডঃ হিৰণ্য চন্দ্ৰ ভূঞা। স্মৃতিগ্ৰন্থ — ১৯৭৪) আদিৰো অৱদান স্বীকাৰ কৰিব লাগিব।

অসম মেডিকেল কলেজৰ আলোচনী, 'এমকল', অসম ইঞ্জিনিয়াৰিং কলেজৰ মুখপত্ৰ, 'এইচিয়ান', গুৱাহাটী পশু-চিকিৎসা মহাবিদ্যালয়ৰ 'ভেটকল' প্ৰভৃতি আলোচনীয়ে কেতবোৰ কাৰিকৰী প্ৰবন্ধ সীমিত সংখ্যক পাঠকলৈ আগবঢ়াই আহিছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়ৰ 'কৃষিবীক্ষণে' কৃষি সম্পৰ্কীয় জ্ঞানৰ যোগান ধৰি আহিছে। তদুপৰি অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুখপত্ৰ সমূহেও দুই চাৰিটা বিজ্ঞান লেখা পঢ়িবলৈ সুযোগ দিয়ে।

বিশুদ্ধ বিজ্ঞান আলোচনা কেইখনেহে যে অকলে অসমীয়া *জন-বিজ্ঞান সাহিত্যলৈ অৱদান আগবঢ়াইছে সেয়া নহয়। জনপ্ৰিয়*

অসমীয়া আলোচনীৰ সৰহভাগেই কম-বেছি পৰিমাণে এই সন্মান পাবৰ যোগ্য। অসমীয়া আলোচনীৰ অভিসূচনাৰে পৰা আজিলৈকে বিভিন্ন সময়ত জন্ম লাভ কৰা সাহিত্য, লঘু সাহিত্য, ধৰ্মীয় আদি বিবিধ ৰুচিৰ আলোচনীসমূহৰ অধিক সংখ্যকেই দুই চাৰিটাকৈ বিজ্ঞান লেখা পৰিৱেশন কৰি আহিছে। বৰ্তমানৰ দশকত এই ধাৰা ক্ৰমবৰ্দ্ধিত হোৱাটো এটা শুভ লক্ষণ। অসমীয়া সাহিত্যৰ প্ৰাৰম্ভিক কালছোৱাতে আৱাহন, বাঁহী, আসাম বান্ধৱ, জোনাকী আদিয়ে বিজ্ঞান সাহিত্যলৈ চকু দিয়াটো গৌৰৱৰ কথা। আৱাহনে 'বৈজ্ঞানিক জগত'ৰ মাজেদি সচিত্ৰ বিজ্ঞান সংবাদ বহু বছৰ ধৰি জন সাধাৰণলৈ আগবঢ়াইছিল। যুগ সৃষ্টি কৰা 'ৰামধেনু'য়ে কেইবছৰমান 'বিজ্ঞান বিচিত্ৰা' শিতানৰ যোগেদি সমকালীন বিজ্ঞানৰ খবৰ প্ৰবন্ধাকাৰে পৰিৱেশন কৰিছিল। অন্য কেইবছৰমান ই 'বিজ্ঞান' নামৰ চ'ৰাত কেইগৰাকীমান ভাৰতীয় বিজ্ঞানীৰ কৰ্ম জীৱনৰ আভাস দাঙি ধৰিছিল। শিশু-আলোচনী 'দীপক'ও 'বিজ্ঞানৰ ৰহস্যৰা'ত বিজ্ঞান বাতৰি প্ৰকাশ কৰিছিল। সম্প্ৰতি সুষম গতি প্ৰাপ্ত 'আমাৰ প্ৰতিনিধি' আৰু 'প্ৰকাশ'—এই দুখন আলোচনী যথাক্ৰমে 'বিজ্ঞান চ'ৰা আৰু 'বিজ্ঞান স্তম্ভ' নামৰ শিতান একোটা চলি আছে। যোৱা চাৰি-পাঁচ বছৰৰ ভিতৰত জন্ম লাভ কৰি বৰ্তি থকা কেবাখনো ক্ষুদ্ৰ আলোচনীয়ে নিয়মীয়াকৈ বিজ্ঞান চ'ৰা চলাই থকাটো সন্তোষৰ কথা। এইখিনিতে এটা কথা উনুকিয়াব লাগিব যে বিষয়-প্ৰধান প্ৰবন্ধ আৰু বিজ্ঞান বাতৰিৰ উপৰিও জনপ্ৰিয় সাহিত্যা-লোচনী সমূহত মাজে সময়ে দুই এটা মৌলিক তথা অনূদিত বিজ্ঞান ভিত্তিক চুটি গল্প, দুই এখন বিজ্ঞান উপন্যাসিকাও দেখা যায়।

অসম চৰকাৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা উলিওৱা জন শিক্ষা, পয়োভৰা, আমাৰ প্ৰগতি আদি আলোচনীতো সৰ্বসাধাৰণৰ বাবে বিষয়-প্ৰধান আৰু বাতৰি-প্ৰধান বিজ্ঞান লেখা চকুত পৰে। পশু পালন, *মীন সংৰক্ষণ*, কৃষি আৰু জনস্বাস্থ্য আদিৰ ওপৰত চৰকাৰে বা সংশ্লিষ্ট বিভাগে সময়ে সময়ে প্ৰকাশ কৰা সৰু সৰু পুস্তিকাও

লঘু বিজ্ঞান লেখা দেখা যায়।

দুখৰ বিষয় যে বিজ্ঞান বা সাহিত্যৰ আলোচনী বা বাতৰি-কাকতত দুই চাৰিটা চিকিৎসা আৰু স্বাস্থ্য সম্পৰ্কীয় প্ৰবন্ধ ওলোয় যদিও অসমীয়া সাহিত্যত মান বিশিষ্ট দীৰ্ঘজীৱী স্বাস্থ্য আৰু চিকিৎসাৰ আলোচনীৰ অভাৱ বৰ বেছি। কেবাবছৰো আগতে 'স্বাস্থ্য প্ৰদীপ' নামেৰে এখন মান বিশিষ্ট আলোচনী ওলাইছিল। সময়ৰ সোঁতত ই মৃত্যু মুখত পৰিছে। ১৯৭০ চনত তেজপুৰৰ পৰা ডাঃ জ্ঞানেন্দ্ৰ কুমাৰ শৰ্মা সম্পাদিত 'দেহ আৰু মন' নামৰ স্বাস্থ্য আলোচনী এখনে এবাৰ ওলায়েই মৃত্যু বৰণ কৰে। গুৱাহাটীৰ পৰা ডাঃ দীপালী দত্তৰ সম্পাদনাত 'মন' নামে চিকিৎসা বিষয়ক আলোচনী এখনৰ কেইটা-মান সংখ্যা ওলাইছিল। নগাওঁৰ পৰা ডাঃ নগেন দত্তৰ সম্পাদনাত জন্ম পোৱা 'স্বাস্থ্য' আন এখন এই সুৰীয়া আলোচনী। সাধাৰণ লোকৰ পৰা শিক্ষিত লোকলৈকে সমানে প্ৰয়োজনীয় এনেকুৱা আলোচনী-বোৰৰ ক্ষণস্থায়ী জীৱন অতি অবাঞ্ছিত।

ঠিক স্বাস্থ্যালোচনী নহ'লেও মেডিকেল কলেজসমূহৰ নিজা নিজা মুখপত্ৰকে ধৰি বিভিন্ন সাহিত্যালোচনী আৰু বাতৰিকাকতৰ পাতে পাতে স্বাস্থ্য আৰু চিকিৎসা বিষয়ক কিছুমান প্ৰবন্ধ সিঁচৰিত হৈ আছে।

অলপতে যোৰহাটৰ পৰা 'শৃংগাৰ' নামেৰে এখন যৌন বিজ্ঞান সম্পৰ্কীয় আলোচনীয়ে জন্ম লাভ কৰিছে। ই আমাক যৌন বিজ্ঞানৰ প্ৰাথমিক জ্ঞান দিবলৈ চেষ্টা কৰিছে। আমাৰ সাহিত্যৰ এই অনুজ্জ্বল দিশটো শৃংগাৰে আলোকিত কৰিব বুলি আশা কৰোঁহক।

জ্যোতিষো এহাতেদি বিজ্ঞানৰে অংগ। সম্প্ৰতি 'সৃষ্টি' আৰু 'কালপুৰুষ' নামে দুখন জ্যোতিষ আলোচনীয়ে আমাক জ্যোতিষ বিজ্ঞান সম্পৰ্কীয় কথা জনাৰ সুযোগ দান কৰি আছে।

অসমীয়া বিজ্ঞান বাতৰিকাকত আৰু বাতৰি আলোচনী :

অসমীয়া ভাষাত বিশুদ্ধ বিজ্ঞান বাতৰি কাকত এখনো নাই।

কিন্তু 'অৰুণোদয়'ক (১৮৪৬) ধৰি, বিভিন্ন সময়ত জন্ম লাভ কৰা অসমীয়া বাতৰি কাকতসমূহে বিজ্ঞানৰ জনপ্ৰিয় প্ৰবন্ধ-পাতি আৰু বা-বাতৰি পাঠক সমাজলৈ আগবঢ়াই আহিছে। বৰ্তমান সৰ্বাধিক প্ৰচাৰিত সাপ্তাহিক বাতৰি কাকত 'অসম বাণী'য়ে যোৱা পঁচিশটা বছৰত বিজ্ঞান সাহিত্যলৈ কম বৰঙণি যোগোৱা নাই। যোৱা কেইমাহমানৰ পৰা এই কাকতে 'বিজ্ঞান বিচিত্ৰা' শিৰোনামাৰে শিতান এটা উন্মোচন কৰিছে। শিতানটোৰ উদ্দেশ্য হৈছে সমকালীন বৈজ্ঞানিক অগ্ৰগতিৰ বাতৰি সহজ সৰলভাৱে দাঙি ধৰা। দৈনিক বাতৰি কাকত 'দৈনিক অসম'ত কেইবছৰমান পূৰ্বে কিছুদিন ধৰি সপ্তাহত এদিনকৈ এটা বিজ্ঞান চ'ৰা পৰিচালনা কৰা হৈছিল। দুখৰ বিষয়, সম্প্ৰতি কোনো কাৰণত চ'ৰাটো অন্তৰ্ধান হৈ পৰিছে। অৱশ্যে কাকতখনে সাময়িক হিচাপে বুজি আজিও বিজ্ঞান প্ৰবন্ধ প্ৰকাশ কৰি আছে। 'জনমভূমি' কাকততো বিজ্ঞান চ'ৰা নামৰ নিয়মীয়া শিতান এটা চলাই থকা হৈছে। কেৱল এইবোৰেই নহয়, সাপ্তাহিক নীলাচল, নৱজ্যোতি, আলোক, দৈনিক জনমভূমি, নতুন অসমীয়া আদি কৰি বিভিন্ন মানৰ, বিভিন্ন বয়সৰ প্ৰায় ভাগ বাতৰি কাকতেই কিছু পৰিমাণে অসমীয়া বিজ্ঞান সাহিত্যলৈ অৱদান আগ বঢ়াই আছে।

ইয়াতে আপাতঃ দৃষ্টিত বিজ্ঞান বাৰ্তালোচনী যেন লগা দুখন আলোচনীৰ নাম উল্লেখ কৰা প্ৰয়োজনীয়। ১৯৭৯ চনৰ মাজভাগৰ পৰা উত্তৰ লক্ষীমপুৰ বিজ্ঞান সমিতিয়ে 'বিজ্ঞান বাৰ্তা' নামেৰে এখন বাৰ্তালোচনী প্ৰকাশ কৰি আহিছে। ক্ষীণ কলেবৰৰ হ'লেও ই বিজ্ঞানৰ বাতৰি নিয়মিতভাৱে প্ৰচাৰ কৰি আছে। অৱশ্যে ইয়াত চুটি অথচ তথ্য গধুৰ বিজ্ঞান প্ৰবন্ধ কিছুমানো প্ৰকাশিত হৈছে। দ্বিতীয়খন বাৰ্তালোচনীৰ নাম 'বিজ্ঞান প্ৰবাহ'। গোৱালপাৰা জিলাৰ শক্তি আশ্ৰম বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত এইখন দুমহীয়া আলোচনীয়ে ঘাইকৈ বিজ্ঞানৰ বাতৰিকে যোগাই আছে বুলিব পাৰি। ইয়াৰ মানদণ্ড উন্নত হৈ উঠা নাই যদিও ই সমিতিৰ প্ৰচেষ্টাৰ সুন্দৰ স্বাক্ষৰ

বহন কৰিছে। দুয়োখন আলোচনী ঠন ধৰি উঠিলে নিঃসন্দেহে আমাৰ বিজ্ঞান সাহিত্যৰ শ্ৰীবৃদ্ধিৰ সহায়ক হ'ব।

উপসংহাৰ :

যুগৰ সৈতে সাহিত্য সমান্তৰালভাৱে গতি কৰে। বৰ্তমানৰ বৈজ্ঞানিক সভ্যতাৰ যুগত জন সমাজৰ চিন্তাধাৰা বিজ্ঞানৰ দ্বাৰা প্ৰভাৱিত। সেই চিন্তাধাৰাক গতি প্ৰদান কৰিবলৈ ধ্ৰুপদী সাহিত্যৰ লগতে পৃথিৱীৰ সমূহ দেশত বিজ্ঞান সাহিত্যয়ো ঠন ধৰি উঠিছে। এই প্ৰবন্ধত অসমতো বিজ্ঞান সাহিত্য চৰ্চা চলি থকাৰ আভাস দিয়া হৈছে। পিছে অন্য দেশৰ কথা বাদেই, হিন্দী, বঙালী, তেলেগু, মালায়ালম, তামিল আদি বহুতো ভাৰতীয় প্ৰাদেশিক ভাষাৰ বিজ্ঞান সাহিত্যেৰে বিজালেও সংখ্যা আৰু মানদণ্ড দুয়ো দিশৰ পৰাই আমাৰ বিজ্ঞান সাহিত্য পিছ পৰি আছে। অৱশ্যে অকল লিখনিৰ সংখ্যাই সাহিত্যক সবল নকৰে, লিখনিৰ মান আৰু পাঠক-পাঠিকাৰ বাবে উপযোগিতাইহে সাহিত্যকৃতিৰ যথাৰ্থতা ৰূপায়িত কৰে। ফঁহিয়াই চালে এই অনগ্ৰসৰতা বা দুৰ্বলতাৰ কেবাটাও কাৰণ চকুত পৰে।

পোনতে আমাৰ শিক্ষানীতিকে জগৰীয়া কৰিব পাৰি। পাশ্চাত্য দেশসমূহৰ নিচিনাকৈ ভাৰতৰ কোনো প্ৰদেশতে আজিও সুপৰিকল্পিত নীতিৰে বিজ্ঞান শিক্ষাৰ ওপৰত যথাৰ্থভাৱে গুৰুত্ব দিয়া হোৱা নাই। সমাজৰ সকলো শ্ৰেণীৰ লোকৰে বিজ্ঞান সম্পৰ্কে ন্যূনতম ধাৰণা এটা নাথাকিলে লেখকসকলে বিজ্ঞান সাহিত্য সৃষ্টিত অনুপ্ৰেৰণা পাব নোৱাৰে। স্ৰষ্টাৰ লিখনি আৰু পঢ়ুৱৈ সমাজৰ মাজত অংগাংগী সম্বন্ধ উলাই কৰিব নোৱাৰি। গতিকে সুচিন্তিতভাৱে শিক্ষানীতিৰ দিক নিয়ন্ত্ৰণ নকৰিলে অসমীয়া বিজ্ঞান সাহিত্য যুগৰ লগত খোজপুতো লগাকৈ পিছ পৰি ৰ'ব।

বিজ্ঞান লেখকসকলৰ আন্তঃ বৈষয়িক জ্ঞানৰ অভাৱো বিজ্ঞান সাহিত্যৰ দুৰ্বলতাৰ এটা কাৰণ ' বিশ্বৰ বিজ্ঞান সাহিত্যসেৱী সকলৈ মন কৰিলে দেখা যায়, সেইসকলৰ নিজস্ব বিষয়ত গভীৰ ব্যুৎপত্তিৰ উপৰিও অন্যান্য প্ৰায়বোৰ বিষয়তে অসামান্য জ্ঞান আছে। বাৰ্ট্ৰাণ্ড ৰাছেল জৰ্জ গ্যামো, আইজাক এচিমভ, কনান ডয়ল, জুলিয়ান হাক্সলি প্ৰভৃতি বিশ্ব বিখ্যাত বিজ্ঞানী আৰু বিজ্ঞান লেখকসকলেই ইয়াৰ উৎকৃষ্ট উদাহৰণ । লিখনি সৃষ্টিৰ বাবে আন্তঃ বৈষয়িক জ্ঞান একেবাৰে অপৰিহাৰ্য্য ।

অসমীয়া ভাষাত অনুপম বিজ্ঞান সাহিত্য ৰচনা কৰিব পৰাকৈ অসমত বহুতো বিশেষজ্ঞ ব্যক্তি আৰু অভিজ্ঞ শিক্ষাবিদ তথা গৱেষক আছে। কিন্তু গৱেষণা আদি নানা কামৰ ব্যস্ততাৰ ফলত সেই ব্যক্তি সকলৰ উপযুক্ত অৱদানৰ পৰা বিজ্ঞান সাহিত্য বঞ্চিত হৈ আছে । এয়া বৰ পৰিতাপৰ বিষয় ।

অন্যান্য কাৰণৰ লগতে কিতাপ-আলোচনী-বাতৰি আলোচনী আদি প্ৰকাশৰ বাবে প্ৰকাশক আৰু পৰিৱেশকৰ অভাৱো এটা অন্যতম কাৰণ । ইয়াৰ ফলতে অনেক প্ৰতিভাসম্পন্ন ব্যক্তিয়ে মৌলিক বা অনূদিত প্ৰবন্ধ আৰু কিতাপ-পত্ৰ লিখিবলৈও ধৰ্মকি ৰয়। ব্যৱসায়িক দিশলৈ চকু দিয়াৰ উপৰিও প্ৰকাশকসকলৰ গধুৰ সামাজিক দায়িত্ব আছে। তেখেসকলে এই দায়িত্ব যে অস্বীকাৰ কৰিছে সেয়াও নহয়। পাঠক গোষ্ঠিৰ পৰা চাহিদা বাঢ়িলেহে প্ৰকাশকসকল অধিক উৎসাহী হোৱা স্বাভাবিক। বৰ্তমানৰ দশকত অৱশ্যে অসমীয়া বিজ্ঞান পুথি আৰু আলোচনীৰ চাহিদা আগতকৈ বহুখিনি বাঢ়িছে । তালৈ মন কৰি প্ৰকাশকসকলে এই দায়িত্ব বহনৰ ক্ষমতা আৰু বঢ়াব পাৰে।

অনেকে অসমীয়াত বিজ্ঞান লেখাৰ ক্ষেত্ৰত পাৰিভাষিক অভাৱো ডাঙৰ অন্তৰায় বুলি কয়। ই তেনেই অবাস্তৱ নহয়। কিন্তু অসম বিজ্ঞান সমিতি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে সুকীয়া সুকীয়াকৈ যুগুতোৱা 'অসমীয়া বৈজ্ঞানিক পৰিভাষা' ই কিছু হ'লেও অভাৱ

আঁতৰাইছে। তথাপি অজস্ৰ কাৰিকৰী শব্দৰ সমুচিত অৰ্থবহ প্ৰতিশব্দ দিয়াটো দুঃসাধ্য। পিছে ভুকুতে কল নপাকে। উপযুক্ত প্ৰতিশব্দৰ পৰিৱৰ্তে প্ৰয়োজন বুজি খোকোজা লগা প্ৰতিশব্দও ব্যৱহাৰ কৰিব লাগিব পাৰে। এনেবোৰ ক্ৰটি-বিচ্যুতিৰ সংঘাতেহে আমাৰ বিজ্ঞান সাহিত্যৰ জীৱনৰ নতুন দিগন্ত উন্মোচন কৰিব।

কালজয়ী সাহিত্যিক টলষ্টয়ে নিজৰ এখন উপন্যাসৰ এটা চৰিত্ৰৰ মুখেৰে কোৱাইছিল, "জন-সাধাৰণৰ শুৰিলে যোৱা, তেওঁলোকৰ অভাৱ-অভিযোগ দূৰ কৰাত সহায় কৰাগৈ।" অসমৰ জন সাধাৰণৰ অভাৱো বেছিভাগ দিশতে হিমালয় সদৃশ। জীৱন-যাত্ৰাক ব্যাহত কৰিব খোজা এই অভাৱসমূহ দূৰ কৰিবলৈ বিভিন্ন শ্ৰেণীৰ লেখক, শিক্ষক, বিজ্ঞানী, সমাজকৰ্মী, চৰকাৰ—সকলোৰে সং প্ৰচেষ্টাৰ প্ৰয়োজন। তেনেকুৱা প্ৰচেষ্টা ৰূপায়ণৰ বাবেই লাগিব কিতাপ, আলোচনী, বাতৰি কাকত আৰু অন্যান্য গণ-সংযোগৰ মাধ্যমসমূহ।

উক্ত প্ৰচেষ্টাৰ অংশ হিচাপে অসমৰ বিভিন্ন ঠাইৰ পৰা আৰু কেইখনমান বিজ্ঞান আলোচনী প্ৰকাশৰ ব্যৱস্থা কৰিব পাৰি। অসম বিজ্ঞান সমিতিয়েও 'বিজ্ঞান জেউতিৰ' প্ৰচাৰ আৰু বৰ্ধিত কৰিব পাৰে; লগতে তাক মাহেকীয়াত পৰিণত কৰিবলৈ সংকল্প লোৱাৰো থল আছে। তদুপৰি বিশেষ প্ৰৱন্ধেৰে সমৃদ্ধ কৰি বছৰেকত এটা বা দুটাকৈ বৰ্ধিত কলেবৰৰ বিশেষ সংখ্যা উলিয়াব পাৰে। প্ৰথমতে ইংৰাজী, হিন্দী, বঙালীৰ সমকক্ষ নহ'লেও অসমীয়াত স্বাস্থ্য সম্পৰ্কীয় আলোচনী দুখনমান অবিলম্বে প্ৰকাশৰ ব্যৱস্থা কৰা উচিত। ইংৰাজীৰ Invention Intelligence জাতীয় আৱিষ্কাৰ প্ৰতিভা সন্ধানী আলোচনী এখন অসমীয়াত প্ৰকাশ কৰিব পৰা হ'লে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকল লাভবান হ'লহেঁতেন। আলোচনীৰ লগতে পূৰ্ণ পৰ্য্যায়ৰ বিজ্ঞান বাতৰি কাকত দুই এখনো কোনো প্ৰকাশন প্ৰতিষ্ঠানে আগ ভাগ লৈ উলিয়ালে সাধাৰণ লোক উপকৃত হ'ব। চৰকাৰে এনেবোৰ উন্নয়নৰ আঁচনিত আৰ্থিক অনুদান আৰু সহযোগ আগবঢ়োৱা উচিত।

মৌলিক বিজ্ঞান চৰ্চাৰ বেলিকা আঞ্চলিক ভাষাত গৱেষণা পত্ৰাদি যুগুত কৰোঁতে বহুখিনি অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। সেয়ে অসমীয়া মাধ্যমতো তেনেকুৱা আলোচনী আৰু কিতাপ-পত্ৰ চকুত নপৰে। অসম বিজ্ঞান সমিতিয়ে গৱেষণা পত্ৰৰ সংক্ষিপ্তীকৰণ প্ৰকাশ কৰা The journal of the Assam Science Society ৰ মাধ্যমো ইংৰাজী। বিশেষ শিক্ষিত শ্ৰেণীৰ মাজতে আবদ্ধ থাকে বাবে এনেবোৰ পত্ৰ আঞ্চলিক ভাষাত প্ৰকাশ কৰাৰ বৰ বেছি আৱশ্যকো নাই।

অসমৰ আঠাই কেইখন বিশ্ববিদ্যালয়ৰ প্ৰতিটো বিভাগে সময়ে সময়ে নিজ নিজ বিষয়ৰ বিচিত্ৰ প্ৰবন্ধ আৰু তথ্য সম্বলিত আলোচনী, স্মৃতিগ্ৰন্থ বা বুলেটিন অসমীয়াত প্ৰকাশ কৰিব পাৰে। দুই এটা বিভাগে এনে প্ৰচেষ্টা চলাইছে। হ'লেও সৰহভাগ বিভাগৰে এই জাতীয় কামৰ অধিক উন্নতি সাধনৰ থল আছে।

অনস্বীকাৰ্য যে সাধাৰণ লোকৰ কাৰণে যি সাহিত্য সৃষ্টি কৰিব লাগিব তাৰ বাবে মাতৃভাষাই সৰ্বাতোকৈ উপাদেয়। সেয়ে বিভিন্ন দিশত অনেক কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিও অসমীয়া বিজ্ঞান সাহিত্যক অন্যান্য চহকী ভাৰতীয় ভাষাৰ বিজ্ঞান সাহিত্যৰ শাৰীলৈ উন্নীত কৰিবই লাগিব। কেৱল সাহিত্য সৃষ্টিৰ তাগিদাই নহয়, অসমৰ জনগণৰ প্ৰতি এয়া আমাৰ নৈতিক কৰ্তব্য। ●

[প্ৰবন্ধত নাম অন্তৰ্ভুক্ত নোহোৱা আলোচনী, বাতৰি কাকত, বাতৰি আলোচনী আদিৰ সম্পাদক, প্ৰকাশক আৰু বিজ্ঞান পুথিসমূহৰ লেখক আৰু প্ৰকাশকৰ ওচৰত ক্ষমা বিচাৰিছোঁ।]

বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু জন-সংযোগ

শ্ৰীঅৰুণ শৰ্মা।

কলেজৰ অধ্যাপক এজনৰ ঘৰত এদিন আবেলি বহি আছিলোঁ। তেওঁৰ স্কুলত পঢ়া ল'ৰাটোৱে ফিল্ডত ফুটবল খেলি উঠি, ঘামিজামি গাত বোকাই পানীয়ে বহা কোঠাইদি সোমাই আহিল। অধ্যাপকজনে ক'লে, "ঐ মেটোৰটো হৈ আহিছ দেখোঁন!" ল'ৰাটোৱে হাঁহি এটা মাৰি ভিতৰলৈ সোমাই গ'ল।

আন এঠাইত এগৰাকী মোৰ সম্বন্ধীয় মাহী। তেওঁৰ গাটো জ্বৰ জ্বৰ লাগি আছে। দুশ্চিন্তা—তেওঁ কেইদিনমান আগতে আন এঘৰত "আইসকল" ওলোৱা ছোৱালী এজনীৰ সৈতে একেটা কোঠাতে শুব লগা হৈছিল। কিন্তু তেওঁ তাত থকা তিনিদিন বৰ ভয়ভয়কৈ কটালে, সেয়ে এতিয়া তেওঁৰ গালৈও 'আইসকল' আহিলনেকি? কাৰণ আইসকলক কেতিয়াও ভয় কৰিব নাপায়!

মোৰ এজন বিলাতফেৰৎ ডাক্তৰ বন্ধুৰ হাতৰ আঙুলিত তিনিটা পাথৰৰ আঙঠি আৰু ডিঙিত এটা মাদুলী। তেওঁ দিল্লীলৈ যিদিনা যোৱা উচিত তাতকৈ এদিন আগতে যাবলৈ ওলাইছে, নহ'লে পিছ-দিনা বৃহস্পতিবাৰ পৰে।

এই ঘটনা কেইটা উত্থাপন কৰিলোঁ, কিছুমান ব্যাখ্যা ডাঙি ধৰিবলৈ। আমি যি পৰম্পৰাৰে ডাঙৰ-দীঘল হৈছো, এই পৰম্পৰাত ফেঁপোলা জাতিবৰ্ণ, অন্ধবিশ্বাস, নিৰৰ্থক সংস্কাৰ আদিৰ প্ৰভাৱ ইমান বেছি যে সেই প্ৰভাৱত আমাৰ সকলোৰে সামাজিক মূল্যবোধ আক্ৰান্ত। আমাৰ আচাৰ-ব্যৱহাৰ, মাত-কথা সকলোতে পৰম্পৰাগত ভাবনা, ধাৰণা, বিশ্বাস—বেছি ক্ষেত্ৰতে অন্ধবিশ্বাসৰ অটল গভীৰ প্ৰভাৱ।

তাৰ গ্ৰাসৰ পৰা মুক্ত কৰি আমাৰ সমাজখনক এখন আধুনিক অগ্ৰগামী সমাজৰূপে গঢ়ি তোলা কামটো এতিয়াও এক জটিল প্ৰক্ৰিয়া হৈ আছে। শিক্ষা সংস্কৃতিৰ দ্বাৰা চালিত এই প্ৰক্ৰিয়াক খৰতকীয়া আৰু শক্তিশালী কৰিবলৈকে বিজ্ঞানক আন এটা চাবি ৰূপে প্ৰয়োগ কৰিব লাগিব। বিজ্ঞান অৰ্থত মাথোঁ কৃত্ৰিম উপগ্ৰহ নাইবা মঙ্গল গ্ৰহলৈ যাত্ৰাৰ কথা কোৱা নাই। কৈছো বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু বিজ্ঞানসন্মত বিশ্বাসৰ কথা। শিক্ষিত আৰু বিত্তসম্পন্ন হ'লেই এজন সুনাগৰিক বা সুসংস্কৃতি সম্পন্ন ব্যক্তি হৈ উঠিব নোৱাৰে, যদিহে তেওঁৰ কাম আৰু আচৰণত যুক্তিনিষ্ঠতা নাথাকে। আৰু যুক্তিনিষ্ঠতা লাভ কৰিবলৈ সকলো কথাতে একোটা বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ প্ৰয়োগ হ'ব লাগিব।

এতিয়া সমাজত এই বৈজ্ঞানিক দৃষ্টিভঙ্গী কেনেকৈ সৃষ্টি কৰিব পাৰি, আন্দোলন কৰি? নিশ্চয়, সেই আন্দোলন স্বৰূপ সুকীয়া হ'ব। সেই বিষয়লৈ পিছত আহিম। কিন্তু তাৰ উপৰিও বিভিন্ন পৰ্য্যায়ত বিভিন্ন পদ্ধতিত এই প্ৰচেষ্টা হ'ব পাৰে। তাৰ ভিতৰত বিভিন্ন মাধ্যম আৰু জন-সংযোগৰ ব্যৱস্থাসমূহক এই কামত ব্যাপকভাৱে প্ৰয়োগ কৰাটো অন্যতম হ'ব পাৰে। এই প্ৰয়োগ কিছুমান বৈজ্ঞানিক তত্ত্ব গধুৰ চিন্তা-মূলক কথাৰে নহয়। আমাৰ দৈনন্দিন জীৱনত সদায় ঘটা আৰু দেখা ঘটনাৰাজি আৰু আমাৰ চৌদিশৰ পৰিৱেশৰ সৈতে আমাৰ সম্পৰ্কত যিবোৰ ভাৱনা আৰু বিশ্বাস জড়িত হৈ আছে, সেইবোৰ যে কিছুমান নিৰ্দ্দিষ্ট তথ্যৰ আলমত চাব লাগে বা চাব জানিব লাগে এই জ্ঞান বা চেতনা সঞ্চাৰ কৰিব পাৰিলেই আমাৰ প্ৰচেষ্টা বহুখিনি আগুৱাই যাব। তথ্যৰ প্ৰতি আগ্ৰহক আমাৰ অভ্যাসত পৰিণত কৰিব পাৰিব লাগিব। কাৰণ তথ্যইহে যুক্তিসন্মত সিদ্ধান্ত লাভত সহায় কৰিব পাৰে।

সিদ্ধান্ত তথ্যসন্মত নহ'লে কিমান বিপজ্জনক উদাহৰণ দিওঁ। সাম্প্ৰদায়িক সংঘৰ্ষই আমাৰ দেশৰ বিভিন্ন জনগোষ্ঠিক বিভিন্ন অঞ্চলত কিদৰে জুৰুলা কৰিছে তাক নক'লেও হ'ব। হিন্দুৱেই হওক, মুছলমানেই

হওঁক, হৰিজনেই হওক বা অন্য বৰ্ণই হওক আঞ্চলিক ভিত্তিত সংখ্যা-লঘু সম্প্ৰদায়ে দুৰ্ভোগ ভুগি আহিছে। এই সাম্প্ৰদায়িক সংঘৰ্ষসমূহ বিশ্লেষণ কৰি চালে, এটা কথাই আমি দেখা পাওঁ, সংঘৰ্ষসমূহৰ বেছি-ভাগৰ মূলত সদায় থাকে কিছুমান উৰা বাতৰি। কাৰো প্ৰকৃত তথ্য বিচাৰি যাবলৈ ধৈৰ্য্য নাই, যুক্তিৰে বিশ্লেষণ কৰিবলৈ আহৰি নাই; শুনা কথাৰ ভিত্তিতেই আবেগ প্ৰণোদিত সিদ্ধান্ত লৈ পেলায়, তৎকালীন কাৰ্য্যপন্থা গ্ৰহণ কৰে। পৰিণামত ধন-জন প্ৰাণ হানি হয়। ইংলণ্ডৰ বি,বি,চিৰ এটা বাতৰিত কেইজনমান প্ৰটেষ্টাণ্টে এজন কেথলিকক হত্যা কৰাৰ বিশদ বিৱৰণ অকণো লুকঢাক নকৰাকৈ দিয়া শুনি তাৰ এজন অনাতাৰ বিষয়াক শুধিছিলো—এনে ধৰণৰ বাতৰি পৰিৱেশনে সাম্প্ৰদায়িক সংঘৰ্ষত ইন্ধন নোযোগাবনে? আমাৰ দেশততো হিন্দুয়ে মুছলমানক বা মুছলমানে হিন্দুক কাটিলে বুলি বাতৰি দিয়া কথাটো কল্পনাই কৰিব নোৱাৰি। উত্তৰত বিষয়াজনে কৈছিল "আমাৰ শ্ৰোতাই লুকঢাক কৰা বাতৰি সহ্য নকৰে, শ্ৰোতাক সত্য আৰু সম্পূৰ্ণ বাতৰি দিব লাগিব। বাতৰি এটা শুনাৰ লগেলগেই আমাৰ মানুহে সাম্প্ৰদায়িক কটামৰাত জপিয়াই নপৰে। "We are very much concious about our cultural maturity. We respect only facts."

তথ্যৰ প্ৰতি এই সন্মানেই হৈছে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ ভেটি আৰু এটা জাতিৰ প্ৰাপ্তবয়স্কতাৰ লক্ষণ। ইংলণ্ডত বা আমেৰিকাত কোনোবা 'বাবাই' হাতৰ তলুৱাৰ পৰা 'মিৰাকল' কৰি উলিয়াই দিয়া 'বিভূতি' খুৱাই কেন্সাৰ বেমাৰ ভাল কৰা দৃষ্টান্ত শুনিছেনে? বাস্তৱ ক্ষেত্ৰত "বিভূতি" খাই কেন্সাৰ ৰোগ ভাল হোৱা দৃষ্টান্ত দৰাচলতে আমাৰ দেশতো নাই। কিন্তু আজি আমাৰ দেশত হাজাৰ হাজাৰ লোক আছে যি বিভূতিৰ মিৰাকলেৰে কেন্সাৰ ৰোগ ভাল হোৱা কথাটো মনেপ্ৰাণে বিশ্বাস কৰে। বতাহৰ পৰা ঘড়ী, আঙুঠি, লকেট, চেইন সৃষ্টি কৰি নিজকে ভগৱানৰ পৰ্য্যায়ত প্ৰতিষ্ঠা কৰিব পাৰি আমাৰ নিচিনা দেশত, য'ত মানুহৰ মনত তথ্যৰ প্ৰতি সচেতনতা নাই,

আগ্ৰহ নাই।

আমাৰ আৰু বহুতো বিশ্বাসো যে আচলতে ভিত্তিহীন ভাবেই আমাক সদায় পৰিচালিত কৰি আহিছে তাৰ আৰু মাত্ৰ এটা বা দুটা উদাহৰণ দিওঁ

গুৱাহাটী মহানগৰীৰ ঠিক গাতে লাগি থকা এটা বিশেষ অঞ্চলৰ মানুহখিনি সঘনে চুৰ-ডকাইতি, হত্যা আদি অপৰাধমূলক কাৰ্য্যত লিপ্ত থকা বুলি জনা যায়। সেই মানুহখিনিৰ বিষয়ে কথা হ'লে সকলোৱে প্ৰায় কয়, সেই অপৰাধ-প্ৰকৃতি সিহঁতৰ তেজত আছে। চুৰি কৰা সিহঁতৰ তেজৰ দোষ। কিন্তু দৰাচলতে সেইটো জানো কাৰণ? আমি যদি সেই অঞ্চলটোৰ মানুহখিনিৰ জীৱন ধাৰণৰ বিভিন্ন দিশ বিন্যাস কৰি চাওঁ তেন্তে দেখা পাম স্বীকৃত নৈতিক বিচাৰত যি কাম অপৰাধ তেওঁলোকৰ কাৰণে সি স্বাভাৱিক আৰু একান্ত প্ৰয়োজনীয় কাম। সামাজিক, অৰ্থনৈতিক আদি পৰিস্থিতিয়ে মানুহৰ জীৱন ধাৰণ নিয়ন্ত্ৰণ কৰে। অপৰাধ প্ৰবৃত্তি তেজৰ দোষত নাথাকে। আনহাতে বহু সময়ত আমি কওঁ "তেওঁৰ গাত গোসাঁইৰ তেজ, তেওঁৰ গাত আহোমৰ তেজ" ইত্যাদি। একোজনে মানুহৰ স্বভাৱ বা তেওঁ কৰা কিছুমান কামৰ মূল তেওঁৰ তেজ বুলি আমাৰ বহুতৰে সাধাৰণ বিশ্বাস। এনে ধৰণৰ বিশ্বাস বা ধাৰণাৰ মূলতে হৈছে মানৱ দেহৰ তেজ সম্পৰ্কে আমাৰ সাধাৰণ জ্ঞানখিনিৰ অভাৱ। তেজৰ গ্ৰুপ তিনিটা। গ্ৰুপ A B আৰু O ৰ যিকোনো এটা জাত, বৰ্ণৰ বিচাৰ নকৰাকৈ যাৰে তাৰে গাত যে থাকিব পাৰে আৰু গ্ৰুপৰ পাৰ্থক্যৰ বাহিৰে ইজনৰ পৰা সিজনৰ তেজৰ যে কোনো পাৰ্থক্য নাই এই জ্ঞানকণ আমাৰ সাধাৰণ মানুহৰ নাই। সেয়ে তেজক লৈ আমাৰ অনৰ্থক দাম্ভিকতা। এইখিনিতে আৰু এটা উদাহৰণ মনত পৰিছে। এদিন মোৰ এজন ব্ৰাহ্মণ বন্ধুৱে তেওঁৰ আয়েকক হস্পিটেলত তেজ দিব লগা হোৱাত এজন মুছলমান বন্ধুৰ একে গ্ৰুপ থকা তেজ ল'বলৈ কুণ্ঠাবোধ কৰিছিল। মোক গোপনে তেওঁৰ সঙ্কোচবোধৰ কথা

জনালে। মই তেওঁক মোৰ সীমিত জ্ঞানেৰে মানৱ দেহৰ তেজৰ মূল কথাবোৰ বুজাব লগা হ'ল আৰু ক'লো যে মিশ্রিত তেজৰ কণা মাত্র সাত বছৰলৈহে দেহত থাকিব। কিয়নো মাংস সাৰৰ তত্ত্ব অনুযায়ী প্রতি সাত বছৰ ভিতৰত দেহৰ তেজ প্রক্রিয়া সম্পূর্ণ সলনি হৈ এক নতুন মানুহৰ সৃষ্টি হয়। গতিকে তেওঁৰ বায়েক মৃত্যু মুখত পৰাতকৈ অন্ততঃ সাতোটা বতৰ 'জাত যোৱা' হৈ থাকে যদিও থাকক। অৱশ্যে ৰোগীক সেই তেজ দিয়েই আৰোগ্য কৰা হ'ল আৰু পিছত বামুণ আৰু মুছলমান দুয়োজন বন্ধু সহ তেজৰ কথা লৈ আমাৰ বন্ধুমহলত ভাল ঠাট্টামস্কৰা হ'ল।

তেনেকৈ আমাৰ খাদ্য সম্পর্কীয় বহুতো ধাৰণা বা বিশ্বাস ভিত্তিহীন। আহাৰৰ উপাদানসমূহ যেনে—ভিটামিন, মাংসসাৰ, শ্বেতসাৰ আদি আমাৰ শৰীৰৰ গঠন আৰু পৰিবর্দ্ধন, সংৰক্ষণ আদি প্রক্রিয়া-সমূহৰ ইন্ধন হিচাপে প্রয়োজন। এই উপাদান সমূহ আমিষ আৰু নিৰামিষ দুয়োবিধ আহাৰতে নির্দ্ধাৰিত অনুপাতত থাকে। গৰুৱেই হওক বা গাহৰিয়েই হওক আমাৰ শৰীৰত মাংসাহাৰৰ যোগে একে-বিধ বস্তু অর্থাৎ প্রোটিন বা মাংসসাৰৰ প্রৱেশ ঘটে। অর্থাৎ আমি প্রোটিন খাওঁ। আহাৰৰ এই মৌলিক জ্ঞানখিনি সাধাৰণ মানুহৰ অৱগত আৰু বোধগম্য হ'লে, খাদ্যৰ নিৰামিষী বা আমিষী, গৰুখোৱা বা গাহৰিখোৱা আদি খাদ্যভিত্তিক বিদ্বেষ ভাৱবিলাক মানুহৰ মনৰ পৰা আঁতৰিলেহেঁতেন। গাৱঁৰ হিন্দু পাকঘৰৰ মজিয়াততো কথাই নাই নগৰৰ নিয়মীয়া ডাইনিং টেবুলত শিক্ষিত হিন্দুয়ে মুছলমানক ভাত খাবলৈ নিদিয়া নাইবা হিন্দু বন্ধুৰ ঘৰত কটা মুর্গীমাংস মুছলমান বন্ধুয়ে ভক্ষণ নকৰা নাইবা দক্ষিণ ভাৰতীয় নিৰামিষভোজী ব্রাহ্মণে মোৰ ঘৰত 'মছুৰা' কেৰাহীত ৰন্ধা আহাৰ গ্রহণ কৰিবলৈ সংকোচ প্রকাশ কৰা নাইবা বলিৰ পাঠা খোৱা মোৰ দৰে বামুণে 'তেতেলী খোৱা মাদ্রাজী' বুলি দক্ষিণ ভাৰতীয় লোকক উপলুঙা কৰাৰ দৰে বিদ্বেষ আৰু বিচ্ছিন্নতাৰ মনোভাৱ বহুখিনি আঁতৰিলেহেঁতেন। যদিহে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে

তথ্য সম্বলিত বিচাৰেৰে আমাৰ মনত থাপ্ত জ্ঞানৰ ধাৰণাবোৰ থাকিল-হেতেন। এনে দৃষ্টিভঙ্গী আৰু বিচাৰেৰেহে আমি ধৰ্মীয়, সামাজিক আৰু পৰম্পৰাগত নীতি নিয়ম অনুশাসনক গতিশীল কৰিব পাৰিম, সমাজমুখী কৰিব পাৰিম।

এইদৰে আমাৰ দেশত মানুহৰ অনেক বিশ্বাস (বা অন্ধবিশ্বাস) আৰু সংস্কাৰ (বা কুসংস্কাৰ) আছে গিতোৰে আমাক এটা অতি উন্নত আধুনিক ভাৰতীয় জাতি হিচাপে গঢ় লৈ উঠাৰ বাটত সদায় হেঙাৰ হৈ ৰ'ব। ভাৰতীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৃথিৱীৰ প্ৰথম শাৰীৰ ৰাষ্ট্ৰসমূহৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ মানদণ্ডৰ ওচৰ চাপিছে। ভাৰত বিশ্বৰ কেইখনমান ৰাষ্ট্ৰৰ ভিতৰত এখন যি নিজৰ উপগ্ৰহ মহাকাশত নিক্ষেপ কৰিছে। ভাৰতীয় প্ৰতিভাক ৰাষ্ট্ৰীয় নীতিয়ে যথোচিত গুৰুত্ব দিছে, বৰ ভাল কথা। কিন্তু সেই একে ৰাষ্ট্ৰ নীতিয়ে ভাৰতীয় জন-সাধাৰণৰ সামগ্ৰিক সচেতনতা আৰু enlightment ৰ ক্ষেত্ৰত ইমান-দিনে কিমান গুৰুত্ব দিছে, যদি যথোচিত গুৰুত্ব দিয়া নাই তাৰো কিবা কাৰণ আছেনে নাই ইত্যাদি বিষয় আলোচনা কৰাৰ থল আছে।

অৱশ্যে এই নিবন্ধক সেই আলোচনালৈ নিব খোজা নাই। কিন্তু এটা কথা ঠিক, দেশৰ উন্নতি মাত্ৰ জি এন পিৰ মাপকাঠিৰ দ্বাৰা নোজোখে। প্ৰকৃত উন্নতি দেশৰ প্ৰতিজন মানুহ কিমান সংস্কাৰমুক্ত হৈ এটা প্ৰকৃত আধুনিক জীৱন যাপন কৰিবলৈ চিন্তাৰে, বুদ্ধিৰে, মূল্যবোধেৰে সমৰ্থবান হৈছে তাৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰকৃত আধুনিক জীৱন প্ৰণালী এটা সম্ভৱ হয় মাত্ৰ বিজনে জীৱনৰ সকলো দিশ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে গ্ৰহণ কৰে। আৰু আগতেই উল্লেখ কৰি আহিছো বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ বাবে আটাইতকৈ প্ৰাথমিক আৰু গুৰুত্বপূৰ্ণ ভিত্তিটো হৈছে তথ্যৰ প্ৰতি আগ্ৰহ আৰু অনুসন্ধিৎসা। ই এটা ব্যাপক প্ৰচেষ্টাৰ কথা বুলি ভাবোঁ।

এই প্ৰচেষ্টাত জন-সংযোগৰ ভূমিকা আছে। জন-সংযোগৰ বিভিন্ন মাধ্যমৰ মাজেৰে নাইবা কোনো সভা আদিৰ দ্বাৰা আয়োজিত এক

প্ৰণালীবদ্ধ দীৰ্ঘায়িত- আন্দোলনৰ দ্বাৰা হ'ব পাৰে। আঞ্চলিক আৰু মাতৃভাষাত প্ৰকাশিত বিভিন্ন সংবাদ পত্ৰ, আলোচনী আদিত আমাৰ জীৱনৰ বিভিন্ন দিশত আমি অনুসৰণ কৰা নীতিনিয়ম, সামাজিক, ধৰ্মীয় আৰু সংস্কাৰগত অনুশাসনবোৰ বৈজ্ঞানিক তথ্যৰ ভেটিত বিশদ ভাৱে আলোচনা কৰি মানুহৰ মনত কিয়. কেনেকৈ আৰু কি, এনে প্ৰশ্নবোৰ জগাই তুলিব লাগে আৰু তাৰ সমিধান দিব লাগে। আমাৰ পূজা-পাৰ্ব্বন, জন্ম-মৃত্যু বিবাহ আদিৰ সৈতে জড়িত অনুষ্ঠানবোৰ আৰু অন্যান্য সামাজিক আচৰণবোৰত আমি যিবোৰ কাম কৰো, কিয় কৰো, কিহৰ কাৰণে কৰো তাৰ তথ্য সম্বলিত, যুক্তিসম্মত বিশ্লেষণ আৰু বিচাৰ সাধাৰণ মানুহৰ আগত ডাঙি ধৰিব লাগে। তেতিয়া হ'লে দেখা যাব আমাৰ বহুত আচৰণ তেনেই নিৰৰ্থক আৰু ভিত্তিহীন। সেইবোৰ আমি বাদ দিব পাৰিম। কিছুমান সঁচাই অৱশ্যে কৰণীয় আৰু কিয় অৱশ্যে কৰণীয় সেই কথা যেতিয়া বুজি পাম তেতিয়া সেই কাম আমি আন্তৰিকতাৰে আৰু নিষ্ঠাৰে কৰিম। এইবোৰ ব্যাখ্যা নিয়মিতভাৱে ব্যাপকভাৱে মানুহৰ আগত বিভিন্ন মাধ্যমৰ জৰিয়তে প্ৰচাৰ হ'ব লাগে। সুখৰ কথা, বৰ্ত্তমান অসমৰ শিক্ষা ব্যৱস্থাত প্ৰাথমিক পৰ্য্যায়ৰ পৰাই বিজ্ঞানৰ শিক্ষা দিয়াৰ নিয়ম হৈছে। এইবিধ বিজ্ঞানক পৰিৱেশ অধ্যয়ন বুলি কোৱা হৈছে। আৰু ই যথোচিত হৈছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰইও ৰাজ্যিক বিজ্ঞান শিক্ষা সংস্থা আৰু শিক্ষা কাৰিকৰী কোষৰ সহযোগত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে কিছুমান-সাধাৰণ বিজ্ঞানৰ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। ই সং প্ৰচেষ্টা। অসমৰ ২৪ হেজাৰ বিদ্যালয়ত ১৮ লাখ শিশু আৰু ৪৭ হেজাৰ শিক্ষকৰ চিন্তাচৰ্চ্চা আৰু মানসিক দৃষ্টিভঙ্গীক যদি আমি বিজ্ঞানৰ আলোকেৰে উজ্জ্বল কৰি পেলাব পাৰো তেন্তে ই এক মহান দায়িত্ব পালন কৰা হ'ব। প্ৰতিটো শিশুৰ মনত, আমি যে মানুহ, এই গৰ্ববোধ জগাই তুলিব পাৰো, এটা তথ্যৰে, এটা উপলব্ধিৰে সি হৈছে এসময়ত যি কাম ভগৱানেহে কৰিছিল বুলি বিবেচিত হৈছিল, সেই কাম আজি মানুহে কৰিব পাৰে। মানুহ

আজি সৃষ্টি কৰ্ত্তা। মানুহে আজি পদাৰ্থৰ উপাদান তৈয়াৰ কৰিব পাৰে, টেষ্টটিউবত সন্তান জন্ম দিব পাৰে, গ্ৰাফ্টিং কৰি গছৰ যেনে ইচ্ছা তেনে প্ৰকাৰৰ ফল ধৰাব পাৰে; কম্পিউটাৰ, ৰবট আদিৰ সৃষ্টিৰ কথা বাদেই। এই যে সৃষ্টিকৰ্ত্তা মানুহ আৰু সিয়েই যে প্ৰতিটো শিশুৰ মাজত সোমাই আছে, সেই উপলব্ধি, সেই সচেতনতা আৰু গৰ্ব আমি প্ৰতিটো শিশুৰ মনত জগাই তুলিব লাগিব।

আমাৰ যথেষ্ট সংখ্যক বিজ্ঞানৰ আলোচনী নাই। বিভিন্ন মানৰ বিজ্ঞান আলোচনীৰ প্ৰকাশ আৰু সেই আলোচনীসমূহ আগ্ৰহেৰে পঢ়িবৰ বাবে পঢ়ুৱৈ গঢ়ি তোলাৰ আশাসুধীয়া আৰু নেৰানেপেৰা প্ৰচেষ্টা চলিব লাগে। সম্পূৰ্ণ বিজ্ঞান আলোচনীৰ উপৰিও ইতিমধ্যে প্ৰকাশিত আৰু প্ৰচলিত অন্যান্য আলোচনী আৰু সংবাদ পত্ৰসমূহেও অন্ততঃ কিছু ঠাই বৈজ্ঞানিক তথ্যাদিৰ জনপ্ৰিয় আলোচনাৰ বাবে নিয়মিত ভাবে ব্যৱহাৰ কৰিলেও এখন উন্নত সমাজ গঢ়াৰ পথত সক্ৰিয় অৰিহণা যোগোৱা হয়। এই ক্ষেত্ৰত, যিবোৰ আলোচনী বা সংবাদ পত্ৰ বিশেষকৈ সৰ্ব্বসাধাৰণ পঢ়ুৱৈৰ হাতত পৰেগৈ, তেনে আলোচনী আৰু সংবাদ-পত্ৰই এই দায়িত্ব বিশেষভাৱে লোৱা উচিত।

চৰকাৰী আৰু বিভিন্ন বাজহুৱা প্ৰচেষ্টাত তথ্যচিত্ৰ, প্ৰদৰ্শনী, প্ৰচাৰ পত্ৰিকা, পুস্তিকা বিতৰণ আদিৰ জৰিয়তে জন সাধাৰণৰ বৈজ্ঞানিক সচেতনতা জগাই তুলিব পাৰি।

আমি জনামতে, ইনচাট নামৰ এ উপগ্ৰহৰ সহায়ত বিভিন্ন পৰ্য্যায়ত ভাৰতৰ গাঁওবাসীক কৃষি সম্পৰ্কীয় আৰু সাধাৰণ শিক্ষাদানৰ আঁচনি হাতত লৈছে। প্ৰথম পৰ্য্যায়ত এধাৰখন ৰাজ্যৰ প্ৰত্যেকতে এহেজাৰখন গাৱঁত টেলিভিচ্যনৰ যোগেৰে এই শিক্ষাদান কাৰ্য্য চলিব। আমি জনামতে, অসমেও এই তালিকাত অগ্ৰাধিকাৰ লাভ কৰিছে। এই আঁচনিৰ ৰূপায়নত, গাণিতিক হিচাপত দেশৰ এবাৰ হেজাৰখন গাৱঁে নিতৌ তিনি-চাৰি ঘণ্টাকৈ শিক্ষামূলক টেলিভিচ্যন অনুষ্ঠান শুনিবলৈ আৰু দেখিবলৈ পাব। সৰহ সংখ্যক লোক দাৰিদ্ৰৰ সীমা-

ৰেখাৰ তলত থকা এখন দেশত ৰঙীণ টেলিভিশ্যন ব্যৱস্থাৰে কেইখনমান নগৰ আৰু মহানগৰীত পাচশ কোটি টকা ব্যয়-বহুল নবম এচিয়াদৰ অনুষ্ঠান ক্রম প্রদর্শনৰ নীতি আৰু আঁচনিৰ পৰিপ্রেক্ষিতত ইনছাট য়ান এৰ শিক্ষামূলক আঁচনিখন নিশ্চয় প্ৰশংসনীয়, তাত দ্বিমত নাই। আশা কৰিব পাৰি এই শিক্ষা আঁচনিত দেশৰ লাখ লাখ নিৰক্ষৰ, অৰ্দ্ধশিক্ষিত আনকি শিক্ষিত জনগণক সংস্কাৰমুক্ত কৰি অবৈজ্ঞানিক গোড়া বিশ্বাস আঁতৰাই তেওঁলোকৰ মন তথ্যাগ্ৰহী কৰি তোলাৰ সুযোগ থাকিব। আৰু এই আশা কৰিব পাৰি, আঁচনি আৰু তাৰ বাস্তৱায়ণৰ সংগতি ৰক্ষা হ'ব।

তাৰ পিছত এটা দীৰ্ঘায়িত আন্দোলন গঢ়ি উঠিব লাগে। ই কেনেকৈ সম্ভৱ হ'ব পাৰে, সেই বিষয়ে কেৰেলা ৰাজ্যৰ এনে এটা আন্দোলনৰ উদাহৰণ ডাঙি ধৰিছো।

আমাৰ অসম বিজ্ঞান সমিতিৰ দৰে কেৰেলাত শাস্ত্র সাহিত্য পৰিষদ নামে এটা অতি সুসংগঠিত আৰু কৰ্মক্ষম সংস্থা আছে। ই সম্পূর্ণৰূপে আত্মনির্ভৰশীল ৰাজহুৱা সংস্থা। আদৰ্শৰ প্রতি নিষ্ঠা, সমাজৰ প্ৰতি দায়বদ্ধতা আৰু প্ৰয়োজনীয় আত্মত্যাগৰ প্রতি সংকল্প লৈ এচাম যুৱকে আৰম্ভ কৰা এই পৰিষদ এতিয়া কেৰেলাৰ অন্যতম সৰ্ববৃহৎ ৰাজহুৱা অনুষ্ঠান হৈ উঠিছে। পৰিষদৰ বহুমুখী বিজ্ঞানভিত্তিক আঁচনিসমূহৰ অন্যতম হৈছে বিজ্ঞানক গাৱঁৰ বুকুলৈ—সাধাৰণ মানুহৰ জীৱনলৈ লৈ যোৱা। কেৰেলাৰ সমগ্ৰ প্ৰাথমিক, মাধ্যমিক আৰু মহাবিদ্যালয় পর্য্যায়ৰ বাবে তিনিখন মাহেকীয়া বিজ্ঞান আলোচনীৰ কেইবালাখ কপি প্ৰকাশ কৰাৰ উপৰিও তেওঁলোকৰ দলসমূহে প্রত্যেক গাওঁ আৰু অঞ্চললৈ গৈ সভা-সমিতি, আলোচনাচক্র আদি পাতি, বিভিন্ন জন-সংযোগৰ মাধ্যম ব্যৱহাৰ কৰি আৰু নানান কাৰ্য্যসূচীৰে বিজ্ঞানৰ সৈতে সাধাৰণ জীৱনৰ যোগসূত্ৰ স্থাপনৰ চেষ্টা কৰিছে। ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ শাখাসমূহৰ সহযোগত পৰিষদৰ সভ্য-সকলে দুই-তিনিখন জীপ গাড়ী লৈ ভ্রমণ কৰে আৰু বাইজৰ মাজত

বিজ্ঞানৰ তথ্য সমূহৰ ব্যৱহাৰিক দিশবোৰ ক'হিয়াই বুজাই দিয়ে। বৰ্ত্তমানে সমগ্ৰ কেৰেলাত বিজ্ঞান প্ৰচাৰৰ এই কাৰ্য্যসূচীয়ে এক আন্দোলনৰ ৰূপ লৈছে।

বিজ্ঞানক জীৱনমুখী অথবা জীৱনক বিজ্ঞানমুখী কৰাত এনে একোটা আন্দোলনৰ ভূমিকা যে অতি ব্যাপক অথচ ফলপ্ৰসূ তাক নুই কৰিব নোৱাৰি। দেশৰ সৰ্বত্ৰ জন-সাধাৰণৰ মাজত বিজ্ঞান-সচেতনতা আৰু জাগৰণৰ বাবে সুপৰিকল্পিত স্ব-পদ্ধতি চালিত এক দীৰ্ঘম্যাদী আন্দোলন গঢ়ি উঠাৰ একান্ত প্ৰয়োজন হৈছে যদিহে দেশৰ জন-সাধাৰণৰ সৰ্ব্বাঙ্গীন উন্নতিক আমি যথাৰ্থতে গুৰুত্ব দিব খোজোঁ। ●

অনাতাঁৰ মাধ্যমত অসমীয়া বিজ্ঞান সাহিত্য

শ্ৰীনিৰ্ম্মল কুমাৰ দত্ত।

বিজ্ঞানৰ চমকপ্ৰদ আৰু অবিশ্বাস্য সাফল্যৰ দিনতো বিশ্বৰ অনগ্ৰসৰ দেশবোৰত মান্ধাতাকলীয়া অন্ধবিশ্বাস, কুসংস্কাৰৰ প্ৰভাৱ বিৰাজমান। আমাৰ দেশৰ কথাকেই ধৰক! আপুনি আমাৰ দেশত নৰীয়াত পৰিলে আধুনিক চিকিৎসকৰ শৰণাপন্ন হোৱাতকৈ, বেজৰ জৰা-ফুকাকে গ্ৰহণ কৰা লোক এতিয়াও আছে। আজিও বৰ আইৰ প্ৰতিষেধক ছিটা নলৈ 'আইৰ বাবে আসন' পতাটোকে শ্ৰেয় বুলি ভাবে। আইৰ বাবে আসন পতাত কোনো আপত্তি থাকিব নোৱাৰে; কাৰণ এইটো এটা ৰীতি। কিন্তু তাকে কৰিও যে ছিটা ল'ব পাৰি সেইটো ভাবি নাচায় আৰু সেয়ে বৰ আইৰ বলি হয়। এই সকলোৰে মূলতে হ'ল আমাৰ মনৰ স্থবিৰতা। অন্ধবিশ্বাস আৰু কুসংস্কাৰে যে এতিয়াও আমাৰ দেশত গভীৰভাৱে খোপনি পুতি থাকিব পাৰিছে, তাৰ মূলতেই হ'ল—বৈজ্ঞানিক শিক্ষাৰ অভাৱ। আকৌ বৈজ্ঞানিক শিক্ষাৰ মূলতে হ'ল—আমাৰ দেশৰ লোকৰ নিৰক্ষৰতা। এতিয়াও আমাৰ দেশত ৪ ভাগৰ ৩ ভাগেই নিৰক্ষৰ। গতিকে দেখা গ'ল অন্ধসংস্কাৰ, কুসংস্কাৰ, বৈজ্ঞানিক জ্ঞানৰ অভাৱৰ মূলতেই হ'ল এই নিৰক্ষৰতা। এই বিৰাট সংখ্যক লোকক নিৰক্ষৰ হ'ল বুলিয়েই আন নহ'লেও সাধাৰণ দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা কিছুমান কথা নিশিকোৱাকৈ থাকিব নোৱাৰি। কাৰণ এই অজুহাতত তেওঁলোকক বিজ্ঞানৰ শিক্ষা নিদিয়াকৈ থাকিলে কোনোদিনে আমাৰ দৰে পিছ পৰা দেশৰ, আমাৰ দৰে পিছ পৰা ৰাজ্যৰ ৰাইজৰ মনৰ বিকাশ নঘটিব, দেশ আৰু ৰাজ্য

খনৰ উন্নতি নহয়, অন্ধবিশ্বাস আৰু কুসংস্কাৰেৰে ভৰা আন্ধাৰতে ডুবি থাকিব। সেয়ে আমি ৰাইজক কিবা নহয় কিবা প্ৰকাৰে বৈজ্ঞানিক মনোভাৱাপন্ন কৰি তুলিব লাগিব। তাৰ বাবে প্ৰয়োজন বৈজ্ঞানিক শিক্ষাৰ। নগৰীয়া শিক্ষিত মুষ্টিমেয় চামক শিক্ষা দিয়াৰ সমস্যা নাই। কাৰণ তেওঁলোক তেওঁলোকৰ সাধাৰণ শিক্ষাৰ যোগেদিয়েই হওক বা দেখি শুনিয়ে হওক স্বাভাৱিকভাৱে তেওঁলোক কম বেচি পৰিমাণে বৈজ্ঞানিক মনোভাৱাপন্ন হৈ উঠে। সমস্যা হ'ল—অগণন নিৰক্ষৰ ৰাইজক বৈজ্ঞানিক মনোভাৱাপন্ন কৰি তোলাৰ; আৰু তাকে কৰিবলৈ যাওঁতে প্ৰশ্ন আহি পৰে; কি দৰে তেওঁলোকক বৈজ্ঞানিক মনোভাৱাপন্ন কৰি তুলিব পৰা যায়। বিজ্ঞানৰ প্ৰতি আকৃষ্ট কৰিবলৈ হ'লে, তেওঁলোকৰ বাবে প্ৰয়োজন হয় একপ্ৰকাৰ বিশেষ বিজ্ঞান সাহিত্যৰ; বিশেষ বুলি কৈছো এই কাৰণেই যে যিকোনো ধৰণৰ বৈজ্ঞানিক সাহিত্য-আলোচনা, অৰ্থাৎ সমূহ ৰাইজৰ বাবে যুগুত কৰা তেনে সাহিত্যই তেওঁলোকৰ (নিৰক্ষৰ) প্ৰয়োজন পূৰাব নোৱাৰিব। তেওঁলোকৰ কাৰণে এই সাহিত্য ৰচনাৰ ক্ষেত্ৰত প্ৰথমতে চকু দিব লাগিব বিষয় বাচনিত। আধুনিক বিজ্ঞানৰ কোনো এটা জটিল বিষয়, স্বাভাৱিকতে তেওঁলোকৰ বাবে দুৰ্বোধ্য হ'ব; আৰু দুৰ্বোধ্য হোৱা মানে সেই বিষয়টোৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ নাথাকিব। সেই কাৰণে বিষয় সমূহ হ'ব লাগিব, তেওঁলোকৰ দৈনন্দিন সাধাৰণ জীৱন যাত্ৰাত সন্মুখীন হোৱা সমস্যাৰ লগত সম্পৰ্ক থকা। যেনে—মেঘে কিয় গাজে, কিয় বৰষুণ হয়, কিয় জুই জ্বলে? তাৰ পিছত টেলিগ্ৰাম কেনেকৈ যায়, ৰেডিঅ'ত মাত কথা কেনেকৈ দূৰৰ পৰা ভাহি আহে, চিনেমাত ছবি বোৰে লৰচৰ কেনেকৈ কৰে, গ্ৰামোফোন ৰেকৰ্ডত গীতবোৰে কেনেকৈ উঠে?······ইত্যাদি ইত্যাদি।

বিষয় বাচনিৰ পিছত আছে সাহিত্যৰ ভাষাৰ কথা। বি পৰাকী বিজ্ঞানী-লেখকে তেনে সাহিত্য যুগুত কৰিব তেওঁ নিশ্চয় যথেষ্ট শিক্ষিত হ'ব; তেওঁৰ যথেষ্ট বৈজ্ঞানিক শিক্ষা থাকিব লাগিব। তেওঁ

বৈজ্ঞানিক সাহিত্য ৰচনা কৰিবলৈ যাওঁতে স্বাভাৱিকতে ভাষাও তেওঁৰ স্তৰৰে হ'ব; মানে উচ্চ স্তৰৰ হ'ব আৰু সেয়ে হলে উদ্দেশ্যটোৱেই বিফল হ'ব। সেয়ে সাধাৰণ ৰাইজৰ বাবে বৈজ্ঞানিক সাহিত্য ৰচনা কৰিবলৈ যাওঁতে লোক গৰাকী, যাৰ উদ্দেশ্যে ৰচনা কৰিবলৈ ওলাইছে, সেই সকলৰ স্তৰলৈ নামি আহিব লাগিব। মানসিকভাৱে তেওঁলোকৰ এজন হ'বলৈ ৰূপান্তৰিত হ'ব লাগিব। যেনে ধৰক, পানী কেনেকৈ হয়— এই প্ৰশ্নটোৰ আলোচনা কৰিবলৈ গ'লে তেওঁ নিশ্চয় ক'বই লাগিব যে হাইড্ৰ'জেন আৰু অক্সিজেন লগ লাগি পানী হয়। কাৰণ তেওঁ এই বৈজ্ঞানিক সত্যৰ পৰা আঁতৰি যাব নোৱাৰে। কিন্তু পানীৰ জন্ম কাহিনী ক'বলৈ যাওঁতে তেওঁ বুজাব লাগিব হাইড্ৰ'জেন আৰু অক্সিজেন মানে কি? আকৌ হাইড্ৰ'জেনৰ আৰু অক্সিজেনৰ বিশ্লেষণ ভাঙি ধৰোতে তেওঁ এনে উদাহৰণৰ সহায় ল'ব লাগিব, যিবোৰ কথাৰ সৈতে বিশেষ পঢ়ুৱৈ চাম সুপৰিচিত। গতিকে বিষয় বাচনি আৰু উপস্থাপন অৰ্দ্ধশিক্ষিত পঢ়ুৱৈৰ বাবে অতি গুৰুত্বপূৰ্ণ কথা।

সাধাৰণ চামক বাদ দিও, অগণন নিৰক্ষৰ লোক আমাৰ দেশ আৰু ৰাজ্যখনত আছে। তেওঁলোকে বিজ্ঞানৰ কথা বুজাটো দূৰৰ কথা অ, আ, ক, খ খিনিকে চিনি নাপায়। তেওঁলোক নিৰক্ষৰেই নহয়, মনৰ ফালৰ পৰা এতিয়াও মান্ধাতা যুগৰ বাসিন্দা। 'বিজ্ঞান' শব্দটো তেওঁলোকৰ বাবে সম্পূৰ্ণৰূপে আচহুৱা। এতিয়া প্ৰশ্ন হ'ল, এই বিৰাট সংখ্যক নিৰক্ষৰ চামটোক বিজ্ঞানৰ আভাষ দিয়া হয় কেনেকৈ? লিখিত বিজ্ঞান সাহিত্য তেওঁলোকৰ বাবে নিৰৰ্থক কাৰণ তেওঁলোক নিৰক্ষৰ। এইখিনিতে শ্ৰৱণ-দৰ্শন মাধ্যমৰ সাৰ্থকতা। শ্ৰৱণতকৈ দৰ্শন মাধ্যমৰ সাৰ্থকতা এই ক্ষেত্ৰত অধিক। কিয়নো নিৰক্ষৰ এজনে চকুৰে বিজ্ঞানৰ কথাবোৰ চাই তাৰ মৰ্মাৰ্থ উপলব্ধি সহজে কৰিব পাৰে। আজি দেশৰ ভালেমান ঠাইৰ গঞ্জা নিৰক্ষৰ ৰাইজে দূৰদৰ্শনৰ সুবিধা পাইছে, যদিও অসমত সেই সুবিধা হ'বলৈ এতিয়াও বাকী। সেয়ে অসমৰ দৰে পিছ পৰা ৰাজ্যত নিৰক্ষৰ ৰাইজৰ মাজত বিজ্ঞানৰ প্ৰসাৰৰ বাবে অনাতাঁৰেই

একমাত্র উপযোগী মাধ্যম। বৰ দুখৰ বিষয় যে অসমকে আদি কৰি দেশৰ প্ৰায়বোৰ অনাতাঁৰ কেন্দ্ৰই নিৰক্ষৰ ৰাইজৰ মাজত বৈজ্ঞানিক মনোভাৱ সৃষ্টিৰ বাবে যত্নপৰ হৈছে। দেশৰ প্ৰায়বোৰ অনাতাঁৰ কেন্দ্ৰই নিৰক্ষৰ ৰাইজক বৈজ্ঞানিক শিক্ষা দিয়াত কেইবাবোৰ অসুবিধা আছে। সেই একেই অসুবিধা যেনে, বিষয় বাচনি, উপস্থাপন ৰীতি, ভাষা ইত্যাদি।

অনাতাঁৰ মাধ্যমত ভাষা আৰু উপস্থাপন ৰীতিৰ গুৰুত্ব অধিক। লিখিত সাহিত্যৰ ভাষা অনাতাঁৰৰ ভাষা নহয়; অনাতাঁৰৰ ভাষা হ'ব লাগে সৰল বাক্য থকা, চুটি চুটি—যাতে শুনি যাওঁতে মনত ৰৈ যায়।

প্ৰথমেই বিষয়ৰ কথালৈ আহিছো। আকৌ কৈছো বিষয় হ'ব লাগিব এনে ধৰণৰ; যাৰ ফলত শ্ৰোতাই দৈনন্দিন জীৱন যাত্ৰাত সন্মুখীন হোৱা নানা কথাৰ লগত সম্পৰ্ক থাকে। যেনে, ধৰক পানী, মাটি, হৰমুণ, জুই, খেতিবাতি আৰু বহুতো। এই সাধাৰণ কথাবোৰতো বিজ্ঞান সোমাই আছে। গতিকে অনাতাঁৰ মাধ্যমত নিৰক্ষৰ আৰু বা অশিক্ষিত ৰাইজৰ বাবে বিজ্ঞানৰ প্ৰচাৰ কৰিব বিচাৰিলে প্ৰথমে তেনেবোৰ বস্তুৰ বৈজ্ঞানিক দিশটোত গুৰুত্ব দিব লাগিব; মানে হৰমুণ কেনেকৈ হয়, জুই কিয় জ্বলে, খেতিৰ গুটিটো কিয় গজে, কেনেকৈ বৈজ্ঞানিক উপায়ে খেতি কৰিব পাৰি ইত্যাদি ইত্যাদি।

এই সাধাৰণ কথাবোৰকে ৰাইজক অতি সৰলভাৱে বুজাবলৈ চেষ্টা কৰিব লাগিব। অশিক্ষিত বা নিৰক্ষৰজনক বুজোৱাটো সঁচাকৈয়ে কষ্টসাধ্য। এইখিনিতে আহি পৰে ভাষাৰ কথা। নিঃসন্দেহে ভাষা লাগিব তেনেই সৰল-সহজ, অৰ্থাৎ সহজে বোধগম্য। কিন্তু লিখিত ভাষা অনাতাঁৰ মাধ্যমৰ ভাষা নহয়। লিখিত ভাষাৰ বাক্য সামান্য জটিল আৰু দীঘলীয়া হ'লেও বিশেষ দোষৰ কথা নহ'ব পাৰে; কাৰণ বাক্যটো বা বাক্যবোৰ বাৰে বাৰে পঢ়ি বা জনা মানুহক সুধিহে বুজাৰ থল থাকে।

কিন্তু অনাতাঁৰত সেইকণ সুবিধা নাই। এটা কথা বা এটা বাক্য এবাৰহে শুনিবলৈ পোৱা যায়। গতিকেই অনাতাঁৰত ভাষা সৰল-সহজ হোৱাৰ উপৰিও বাক্যবোৰ হ'ব লাগিব চমু আৰু সৰল। যাতে শুনি যাওতে মৰ্ম্মাৰ্থ উপলব্ধি কৰাত বিশেষ অসুবিধা নহয়।

এনেবোৰ সাৱধানতা লোৱাৰ পিছতো অনাতাঁৰৰ বিজ্ঞান বিষয়ক কাৰ্য্যসূচীৰ উদ্দেশ্য বিফল হ'ব পাৰে—যদি অনুষ্ঠানটো আকৰ্ষণীয় নহয়। এইখিনিতে আহি পৰে উপস্থাপনৰ কথা। এই উপস্থাপনৰ ওপৰতেই গোটেই অনুষ্ঠানটোৰ সাফল্য নিৰ্ভৰ কৰিছে। অনাতাঁৰত বিশেষভাৱে উপস্থাপনৰ সুবিধা যেনেকৈ আছে, তেনেকৈ অসুবিধাও আছে। কাৰণ ইয়াক কেৱল শুনিবহে পাৰি; চকুৰে দেখা নাপায়। সেয়ে কেৱল শ্ৰুতিমধুৰতাৰ কথালৈ লক্ষ্য ৰাখিয়েই উপস্থাপন ৰীতি উদ্ভাৱন কৰিব লাগিব। যেনে, বিশেষ বাদ্যসংগীতৰ সংমিশ্ৰণৰে যুক্ত কৰা পৰিচয়-সূচক বিশেষ সাংগীতিক ধ্বনিৰে অনুষ্ঠানটো আৰম্ভ কৰিব পাৰি। বিশেষ অনাতাঁৰ অনুষ্ঠানত এই বিশেষ সাংগীতিক ধ্বনিৰ প্ৰয়োজন থাকে। প্ৰয়োজন এই কাৰণেই যাতে সেই ধ্বনি শুনিয়েই শ্ৰোতাই ধৰিব পাৰে যে সেই বিশেষ অনুষ্ঠানটো আৰম্ভ হ'ল। কিন্তু এই সাংগীতিক ধ্বনি যেনে তেনে ধৰণৰ হ'লে নহ'ব। ই অনুষ্ঠানটোৰ ভাৱটো ফুটাই তুলিব পৰা হ'ব লাগিব—আৰু লগতে আকৰ্ষণীয় তথা শ্ৰুতিমধুৰো হ'ব লাগিব। তাৰ পিছতে আছে একোটা বিষয় আৰম্ভ কৰাৰ আগেয়ে চমু কথাত বিষয়টোৰ মৰ্ম্মাৰ্থ জনোৱা—যাতে শ্ৰোতা-সকলে আলোচিত হ'ব লগীয়া বিষয়টোনো কি আৰু কেনে ধৰণৰ হ'ব সেই বিষয়ে জানি লৈ সম্পূৰ্ণ বিষয়টো শুনিবলৈ মনটোক প্ৰস্তুত কৰি তুলিব পাৰে। তাৰ পিছতে আছে বিষয় পৰিৱৰ্ত্তনৰ কথা। এটা বিষয়ৰ পিছত আন এটা বিষয়লৈ যাওঁতে এটা ব্যৱধান বুজাব লাগে। অনাতাঁৰত এই ব্যৱধান বুজোৱাৰ প্ৰশস্ত উপায় হ'ল আকৌ একপ্ৰকাৰৰ সাংগীতিক ধ্বনি ব্যৱহাৰ কৰাটো। এই ব্যৱধান বুজোৱা ধ্বনি হ'ব লাগিব মনত লগা কিন্তু অতি কম সময়ৰ বাবে। যেনে, ১ বা ২ চেকেণ্ডৰ বাবেহে। এটা

অনুস্থানত (১৫ বা ২০ মিনিটৰ) কম পক্ষেও ৩/৪ টা বিষয় থাকিব লাগে। অনুস্থানটো শেষ কৰিব লাগে আৰম্ভণিৰ বিশেষ সাংগীতিক ধ্বনিৰে—যাতে ঘোষণা নুশুনাকৈয়ে শ্ৰোতাই বুজিব পাৰে যে অনুস্থানৰ সামৰণি পৰিল। শেষত পিছৰ বিজ্ঞান কাৰ্য্যসূচীৰ প্ৰচাৰৰ দিনটো জনাই থ'ব লাগে, যাতে পিছৰ অনুস্থানটো কেতিয়া প্ৰচাৰ হয় তাক আগতীয়াকৈ জানি থোৱাৰ বাবে শ্ৰোতাৰ সুবিধা হয়। শ্ৰোতাৰ অসুবিধা দূৰ কৰাৰ বাবে অনুস্থান এটা নিৰ্দ্দিষ্ট কোনো এটা বাৰৰ নিৰ্দ্দিষ্ট কোনো এক সময়ত প্ৰচাৰ কৰা বাঞ্ছনীয়।

তাৰ পিছৰ আন এটা সমস্যা হ'ল লিখক বিচাৰি পোৱাৰ। বিজ্ঞানৰ বিভিন্ন শাখাৰ বিশেষজ্ঞ লিখকৰ অভাৱ নাই ; কিন্তু সকলোৰে লিখাৰ অভ্যাস নাই। নথকাটোৱেই স্বাভাৱিক ; কাৰণ জনা আৰু তাক লিখিতভাৱে ব্যক্ত কৰা দুটা সম্পূৰ্ণৰূপে সুকীয়া কথা। অৱশ্যে লিখিব পৰা ব্যক্তিও আমাৰ মাজত নথকা নহয় ; কিন্তু অনাতাঁৰ উপযোগী লিখনিৰ বাবে লেখকৰ সংখ্যা তাকৰ। ১৯৭০ চনতে আমাৰ বিজ্ঞান কাৰ্য্যসূচী আৰম্ভ কৰোতে আমি বিশেষকৈ এইটো ক্ষেত্ৰতে অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। সেয়েহে আমি আমাৰ চাহিদা অনুযায়ী লেখক গঢ়ি তোলাৰ চেষ্টা চলাইছিলো। বৰ সুখৰ কথা এয়ে যে আজি প্ৰায় ১০ বছৰৰ মূৰত আমাৰ এই চেষ্টা ফলৱতী হোৱাৰ পথত। আজি আমাৰ মাজত অনাতাঁৰ উপযোগী বিজ্ঞান-ভিত্তিক কথিকা লিখিব পৰা লিখক ওলাইছে আৰু আশাকৰো ভৱিষ্যতে আৰু বহুতো ওলাব। সেয়ে হ'লে অনাতাঁৰৰ মাধ্যমেৰে বিজ্ঞানক জনপ্ৰিয় কৰি তোলাৰ পথ সুগম হ'ব। যিমানেই এই পথ সুগম হ'ব সিমানেই সাধাৰণ ৰাইজৰ মনত বিপ্লৱৰ সঞ্চাৰ হ'ব আৰু সেই ৰাইজৰ মনৰ এন্ধাৰ নাশি, মনৰ দিগন্ত প্ৰসাৰিত কৰিব। সেয়ে হৈ উঠিলে অনাতাঁৰৰ উদ্দেশ্য সাৰ্থক হ'ব। আমি আশা ৰাখিছো এনে এটা সময় আহিব, যি সময়ত সৰ্ব্বসাধাৰণ ৰাইজৰ মনত বিজ্ঞানৰ বীজ সিচি দিয়াত অনাতাঁৰে সম্পূৰ্ণৰূপে কৃতকাৰ্য্যতা লাভ কৰিব। ●

অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনা

শ্ৰীশ্যামা প্ৰসাদ শৰ্মা।

॥ সাৰাংশ ॥

[এই আলোচনাত আদিৰ পৰা অন্তলৈকে এক আদৰ্শ পৰিস্থিতি কল্পনা কৰি লোৱা হৈছে ; অন্যথাই এই আলোচনা অৰ্থহীন হৈ পৰে। অসমীয়া বিজ্ঞান সাহিত্যৰ বৰ্ত্তমান অৱস্থাই বাৰে বাৰে সম্পাদনাৰ আশু প্ৰয়োজনীয়তাৰ কথাই সোঁৱৰাই দিয়ে। সাম্প্ৰতিক পৰিস্থিতিত সম্পাদনা অবিহনে অসমীয়া বিজ্ঞান সাহিত্য প্ৰকাশ কৰাটো এক প্ৰকাৰ অন্যায় বুলিয়েই ক'ব পাৰি। আলোচনাৰ সুবিধাৰ্থে অসমীয়া বিজ্ঞান সাহিত্যৰ গোট বিভাজন কৰি লোৱা হৈছে—(১) গবেষণা পৰ্য্যায়ৰ বিজ্ঞান সাহিত্য (২) পাঠ্য-পুথিৰ বিজ্ঞান সাহিত্য আৰু (৩) জনপ্ৰিয় বিজ্ঞান সাহিত্য। সম্পাদনাৰ বিভিন্ন পৰ্য্যায়ৰ লগতে সম্পাদনাৰ তিনিটা গুৰুত্বপূৰ্ণ দিশ—বৈজ্ঞানিক, সাহিত্যিক আৰু ব্যৱসায়িক দিশৰ কথাও আলোচনা কৰা হৈছে। বিজ্ঞানৰ দ্ৰুত বিস্তাৰ আৰু গতিশীলতাৰ সৈতে ফেৰ মাৰিব লাগিলে অসমীয়া বিজ্ঞান সাহিত্যৰ প্ৰকাশৰ ক্ষেত্ৰত সম্পাদকৰ ভূমিকা অনস্বীকাৰ্য্য। বিজ্ঞান সাহিত্যক গতিশীল আৰু সময়োপযোগী কৰি তুলিবলৈ হ'লে একেজন মাত্ৰ সম্পাদকেই যথেষ্ট নহয়। সম্পাদনাৰ আঁচনি সফল কৰি তুলিবলৈ হ'লে প্ৰকাশকো সমানেই আগ্ৰহী হ'ব লাগিব। সাৰ্থক অৰ্থত লিখক আৰু পঢ়ুৱৈৰ মধ্যস্থতা কৰি অসমীয়া বিজ্ঞান সাহিত্যৰ ক্ৰমবিকাশত অৰিহণা যোগাবলৈ হলে, সম্পাদকৰ অকল আধুনিক দৃষ্টিভংগী থাকিলেই নহ'ব, এটা আধুনিক মনৰো প্ৰয়োজন হ'ব।]

॥ ১ ॥ অৱতৰণিকা ॥

পঢ়ুৱৈ আৰু প্ৰকাশক, লিখক আৰু সম্পাদক তথা বজাৰ আৰু মানদণ্ড—কোনো দিশৰ পৰাই কাৰো দৃষ্টিৰেই অসমীয়া বিজ্ঞান

সাহিত্যৰ বৰ্ত্তমান অৱস্থা সন্তোষজনক নহয়। এনে হতাশাব্যঞ্জক উক্তিৰে এক নিষ্ঠুৰ সত্যৰ মুখামুখি হ'বলৈ দি অৱতৰণিকাৰ অৱতাৰণাতেই কাকো হতাশ কৰাটো আমাৰ উদ্দেশ্য নহয়; বৰং সময় থাকোঁতেই সতৰ্ক হৈ সংগঠনমূলক দৃষ্টিভংগীৰে আগবাঢ়ি আহিবৰ বাবে, সময় পাৰ হৈ নোযাওঁতেই, এনে নিষ্ঠুৰতাৰ মুখামুখি হোৱাটো বুদ্ধিমানৰ কাম হ'ব বুলি ভাবিহে এই আলোচনা এনে অৱতৰণিকাৰে আৰম্ভ কৰা হৈছে। সঠিক অৰ্থত সম্পাদনা কথাষাৰ প্ৰযোজ্য হ'ব লাগিলে যি পৰিস্থিতিৰ প্ৰয়োজন সেই পৰিস্থিতি অসমীয়া বিজ্ঞান সাহিত্যৰ বাবে এতিয়াও সুদূৰপৰাহত। এই পৰিপ্ৰেক্ষিতত 'অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনা' শীৰ্ষক আলোচনা কেতিয়াও সম্পূৰ্ণ আৰু অৰ্থবহ হ'ব নোৱাৰে। সেইবাবেই এই আলোচনাত আদৰপৰা অন্তলৈকে এক আদৰ্শ পৰিস্থিতি কল্পনা কৰি লোৱা হৈছে। এই আদৰ্শ পৰিস্থিতিৰ উপজীব্য সমূহ হ'ল—(১) অসমীয়া ভাষাত উপযুক্ত বৈজ্ঞানিক পৰিভাষা আৰু বৈজ্ঞানিক অভিধান আছে; (২) বিজ্ঞানৰ বিভিন্ন শাখাত বিজ্ঞান সাহিত্য ৰচনা কৰিব পৰাকৈ যথেষ্ট সংখ্যক লিখক-লিখিকা আছে; (৩) এই লিখক-লিখিকাসকলে নিয়মিতভাৱে বিজ্ঞান সাহিত্য ৰচনাত মনোনিবেশ কৰে; (৪) সাহিত্যৰ অন্যান্য শাখাৰ নিচিনাকৈ, সীমিত হলেও, অসমীয়া বিজ্ঞান সাহিত্যৰ এক স্থায়ী আৰু লাভজনক বজাৰ আছে।

॥ ২ ॥ জন্ম, সংজ্ঞা আৰু পৰিসৰ ॥

অসমীয়া সাহিত্যভঁড়াললৈ অসমীয়া বিজ্ঞান সাহিত্য তুলনামূলক ভাৱে এক নতুন সংযোজন। অসম বিজ্ঞান সমিতিৰ জন্মৰ [১] (নৱেম্বৰ, ইং ১৯৫৬) কেইবছৰ মানৰ পিছতে অসমীয়া বৈজ্ঞানিক পৰিভাষা প্ৰণয়নৰ সমসাময়িকভাৱে অসমীয়া ভাষাত কেৱল বিজ্ঞান বিষয়ক তিনিমহীয়া [২] আলোচনী প্ৰকাশৰ (চেপ্তেম্বৰ, ইং ১৯৬১) কালছোৱাকে প্ৰকৃতাৰ্থত অসমীয়া বিজ্ঞান সাহিত্যৰ আনুষ্ঠানিক শুভা-

ৰস্তুৰ কাল হিচাপে অভিহিত কৰিব পাৰি। যদিও অৰুণোদই যুগৰে পৰাই অসমীয়া ভাষাত লিখা বৈজ্ঞানিক প্ৰবন্ধবাজিৰ এক পৰম্পৰা আছে, এই হিচাপত অসমীয়া বিজ্ঞান সাহিত্য পিছে তেনেই চালুকীয়া ;— অকল বয়সৰ হিচাপতেই নহয়, ক্ৰম বিকাশ আৰু সৰ্বাংগীন উন্নতিৰ হিচাপতো।

আলোচনাৰ সুবিধাৰ্থে এইখিনিতেই অসমীয়া বিজ্ঞান সাহিত্যৰ সংজ্ঞা নিৰ্ধাৰণ কৰি লোৱা উচিত। বিজ্ঞান আৰু সাহিত্যৰ সম্যক সংজ্ঞা জনা লোকৰ বাবে, আজিৰ বিজ্ঞানৰ প্ৰায়চূড়ান্ত প্ৰগতিৰ দিনত, বিজ্ঞান আৰু সাহিত্যৰ সমঞ্জস আৰু সংহত বিক্ৰিয়াৰ ফলত কিদৰে 'বিজ্ঞান সাহিত্য'ৰ জন্ম হৈছে সেই তত্ত্ব অনুমান কৰাটো দুঃসাধ্য নহয়। আন্তৰ্জাতিক ভাষা সমূহৰতো কথাই নাই, আনকি ভাৰতীয় ৰাজ্যিক ভাষাসমূহৰো বেছি ভাগতেই এনে বিক্ৰিয়াৰ ফলস্বৰূপেই বিজ্ঞান সাহিত্যৰ জন্ম আৰু ক্ৰমবিকাশ সম্ভৱ হৈছে। একে আষাৰতে অসমীয়া বিজ্ঞান সাহিত্যৰ সংজ্ঞা আৰু পৰিসৰ ঠাৱৰ কৰাটো সম্ভৱ নহয় যদিও সংজ্ঞাৰ খাতিৰত চুম্বকভাৱে ক'বলৈ গ'লে ই একেধাৰে বিজ্ঞান, একেধাৰে সাহিত্য। বিজ্ঞানৰ বস্তুনিষ্ঠ আলোচনা আৰু সাহিত্যৰ ৰসসৃষ্টি— উভয়ৰে সংমিশ্ৰণ নহ'লে বিজ্ঞানৰ ৰচনা সম্ভৱ হ'ব পাৰে, বিজ্ঞান সাহিত্য সৃষ্টি নহ'বও পাৰে। আগৰ দিনত বিজ্ঞান আৰু সংস্কৃতি বা বিজ্ঞান আৰু সাহিত্যৰ মাজত সীমাৰেখা টানি সাৰ্থকভাৱে পৰিসৰ নিৰ্ধাৰণ কৰিব পৰা গৈছিল যদিও বিজ্ঞানৰ দ্ৰুত উন্নতি, বিস্তাৰ আৰু বিকাশৰ লগে লগে জনজীৱনৰ প্ৰায় সকলো পৰ্য্যায় আৰু ধাৰাতে বিজ্ঞানৰ প্ৰভাৱ অনুভূত হোৱাৰ ফলত এই সীমাৰেখা ক্ৰমান্বয়ে অস্পষ্ট হৈ আহিবলৈ আৰম্ভ কৰে। ক্ৰমান্বয়ে এই প্ৰভাৱ অপৰিহাৰ্য হৈ অহাৰ লগে লগে চিন্তাশীল লোকসকলে এই পৰ্য্যায়ত বিজ্ঞান আৰু

(১) এই প্ৰবন্ধত ব্যৱহাৰ কৰা চন-তাৰিখ অসম বিজ্ঞান সমিতিৰ ইং ১৯৭৯-৮০ ৰ বছৰেকীয়া প্ৰতিবেদনৰ পৰা লোৱা হৈছে।

(২) ইং ১৯৭৫ ৰ পৰা 'বিজ্ঞান জেউতি' ত্ৰৈমাসিক কৰা হৈছে।

সাহিত্য বা বিজ্ঞান আৰু সংস্কৃতিৰ মাজত এক অভিনৱ আৰু সুদৃঢ় যোগ-সূত্ৰ আৱিষ্কাৰ কৰাৰ প্ৰয়াস পালে। এই আৱিষ্কাৰে এটা পৰ্য্যায়ত এনে পৃথককাৰী সীমাৰেখাৰ প্ৰয়োজনীয়তা উলাই কৰাৰ সাৰ্থকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগে লগে সাহিত্য, সংস্কৃতি আৰু বিজ্ঞান পৃথক পৃথক সাধনা হৈ নাথাকি এটা আনটোৰ পৰিপূৰক 'দৰ্শন' ত পৰিণত হ'ল। বিজ্ঞানৰ অগ্ৰগতিয়ে এই 'দৰ্শন'ত নতুন নতুন সৃষ্টিৰ প্ৰেৰণা যোগালে। গৱেষণাগাৰৰ মাজৰপৰা ওলাই আহি বিজ্ঞানে ব্যক্তি আৰু ব্যষ্টি জীৱনক এনে সাৰ্থক আৰু কলাসম্মতভাৱে প্ৰভাৱিত কৰিবলৈ আৰম্ভ কৰিলে যে নিচেই কম সময়ৰ ভিতৰতেই ই এক কৃষ্টিত পৰিণত হ'ল। বিজ্ঞানৰ বস্তুনিষ্ঠ প্ৰকৃতি ত্যাগ নকৰাকৈ ই সাহিত্যৰ কলাত্মক ৰূপ পৰিগ্ৰহ কৰিলে,—জন্ম হ'ল বিজ্ঞান সাহিত্যৰ, ৰূপ পালে বিজ্ঞান সংস্কৃতিয়ে .....।

প্ৰাচীন চিন্তাধাৰা আৰু ৰক্ষণশীল মতবাদেৰে যাচাই আৰু বিশ্লেষণ কৰি যিমানেই আমি আকৌ আগৰ সেই পৃথকীকৰণৰ সীমা-ৰেখা টানিবৰ চেষ্টা কৰোঁ। সিমানেই বিজ্ঞান, সাহিত্য আৰু সংস্কৃতিৰ মাজৰ ক্ৰমবৰ্ধিষ্ণু আন্তঃক্ৰিয়া আমাৰ চকুত পৰে, সিমানেই আমি এনে আন্তঃক্ৰিয়াৰ ফলস্বৰূপে এই তিনি সাধনাৰ ক্ৰমবিস্তৃত অংশ, এটাৰ লৈতে মিলি আনটোত একাত্মীভূত হোৱা দেখিবলৈ পাওঁ। এয়া অকল আজিৰ সত্য হিচাপেই প্ৰতিষ্ঠিত নহয়,—ই বৈজ্ঞানিক, সাহিত্যিক আৰু সাংস্কৃতিক,—এই তিনি সাধনাৰ একক সত্য হিচাপেও আজি সুপ্ৰতিষ্ঠিত। 'সাহিত্য-সংস্কৃতিৰ বৈজ্ঞানিক অধ্যয়ন' বা 'বিজ্ঞানৰ কলাত্মক অৱদান'—আজি আৰু শুনিলে নাক কোঁচাবলগীয়া বাক্যাংশই নহয়, ই এক প্ৰকাৰৰ বাস্তৱতা, সাৰ্থক অৰ্থত সামগ্ৰিক অৰ্থতো।

॥ ৩ ॥ সম্পাদনাৰ প্ৰয়োজনীয়তা আৰু গোট বিভাজন ॥

আনুষ্ঠানিক আৰম্ভণিৰ পূৰ্ববৰ্তী কালছোৱাত অসমীয়া বিজ্ঞান

সাহিত্য, প্ৰবন্ধ আৰু বিজ্ঞানৰ বাতৰি বা বিজ্ঞানৰ লেছেৰি বোটলা আদিতে সীমিত আছিল আৰু ব্যক্তিগত প্ৰচেষ্টাত প্ৰকাশ পোৱা কমসংখ্যক পুথিৰ বাহিৰে এনে ৰচনাৰাজিৰ একমাত্ৰ প্ৰকাশ মাধ্যম আছিল সাহিত্য আলোচনী আৰু বাতৰি কাকত /বাতৰি আলোচনীৰ নিয়মীয়া-অনিয়মীয়া বিজ্ঞান শিতানসমূহ। এনে ৰচনাৰাজিৰ পৰিসৰো সীমিত আছিল, সংখ্যাও তাকৰ আছিল। সেইবাবে, সাহিত্য হওকেই বা নহওকেই এনে ৰচনাৰাজিৰ মাজত সাহিত্যৰ নামত আৱৰ্জনা সৃষ্টিৰ— সম্ভাৱনাও কম আছিল। আনুষ্ঠানিক আৰম্ভণিৰ পিছৰপৰা অসমীয়া বিজ্ঞান সাহিত্যৰ পৰিসৰ বহু পৰিমাণে বিস্তৃত হৈছে, প্ৰকাশ মাধ্যমৰ বহুলতাই প্ৰবন্ধ আৰু বা-বাতৰি বা লেছেৰি বোটলাৰ উপৰিও অন্যান্য আলমত (৩) অসমীয়া বিজ্ঞান সাহিত্যৰ ৰচনাৰাজি সম্ভৱ কৰি তুলিছে। হঠাৎ হোৱা এনে বিস্তৃতি আৰু প্ৰসাৰে বহু সময়ত সাহিত্যৰ এনে নতুন শাখাৰ মানদণ্ডৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। বিস্তাৰ আৰু প্ৰসাৰৰ নিচাত মত্ত থাকোতে এনে শাখাৰ ৰচনাৰাজিৰ সঠিক মূল্যায়ন হ'বলৈ বহুত সময় লাগি যায় আৰু এই কালছোৱাৰ ভিতৰতে সাহিত্যৰ নামত যথেষ্ট আবোল-তাবোল বা আৱৰ্জনাবো সৃষ্টি হয়। অসমীয়া বিজ্ঞান সাহিত্যৰ মূল্যায়ন পৰ্ব এতিয়াও আৰম্ভ হোৱা নাই, মূল্যায়ন কৰিব পৰা অভিজ্ঞ, অধ্যয়নপুষ্ট, নিৰপেক্ষ সমালোচকৰ আবিৰ্ভাৱ অসমীয়া বিজ্ঞান সাহিত্যত এতিয়ালৈকে হোৱা নাই বুলিবই পাৰি। এই সকলোবোৰ উপাদানে অসমীয়া বিজ্ঞান সাহিত্যক বিশেষভাৱে অনিষ্ট কৰিব পৰাকৈ সাহিত্যৰ নামত যথেষ্ট আৱৰ্জনাৰ সৃষ্টি হোৱাৰ প্ৰচণ্ড সম্ভাৱনালৈকে পোনপটীয়াকৈ আঙুলি টোঁৱাই দিয়ে। অসমীয়া বিজ্ঞান সাহিত্যৰ সঠিক মূল্যায়ন পৰ্ব আৰম্ভ নোহোৱালৈকে সম্পাদকৰ কেঁচি আৰু 'ডাষ্টবিন'য়ে এনে আৱৰ্জনাৰ অবাধ বংশ বিস্তাৰ ৰোধ কৰি অসমীয়া বিজ্ঞান সাহিত্যক সঠিক দিশে পৰিচালিত

(৩) চিঠি, বিজ্ঞানভিত্তিক গল্প, সংলাপ, নাটক সাক্ষাৎকাৰ আদিকে ধৰি কলাৰ কোনো আলমেই বাদ পৰা নাই বুলিও ক'ব পাৰি।

কৰাত যথেষ্ট অৰিহণা যোগাব পাৰে। এই দিশৰ পৰা চাবলৈ গ'লে অসমীয়া বিজ্ঞান সাহিত্যৰ বৰ্ত্তমান অৱস্থাই—বাবে বাবে সম্পাদনাৰ আশু প্ৰয়োজনীয়তাৰ কথাই সোঁৱৰাই দিয়ে। সাম্প্ৰতিক পৰিস্থিতিত, সম্পাদনা অবিহনে অসমীয়া বিজ্ঞান সাহিত্য প্ৰকাশ কৰাটো এক-প্ৰকাৰ অন্যায় বুলিয়েই ক'ব পাৰি।

সম্পাদনাৰ সুবিধাৰ্থে সাতটা বিভাগেৰে অসমীয়া বিজ্ঞান সাহিত্যত তিনিটা গোটৰ কথা ক'ব পাৰি: (১) গৱেষণাগ্ৰন্থ আৰু গৱেষণাপত্ৰ পৰ্য্যায়ৰ বিজ্ঞান সাহিত্য; (২) পাঠ্য-পুথিৰ বিজ্ঞান সাহিত্য আৰু (৩) এই দুই গোটত নপৰা আন আটাইবোৰ বিজ্ঞান সাহিত্য। এই তৃতীয় গোট সাধাৰণতে জনপ্ৰিয় বিজ্ঞান সাহিত্য নামেৰেই সুপৰিচিত। ইয়াক **সৰল, সহজ বা জন-সাধাৰণৰ বিজ্ঞান সাহিত্য** বোলাই যুগুত। জন-সাধাৰণৰ বিজ্ঞান আলোচনা, বয়সভেদে বিভিন্ন পঢ়ুৱৈৰ বাবে পাঠ্য-পুথি ভিন্ন বিজ্ঞানবিষয়ক পুথি, বিজ্ঞানভিত্তিক গল্প উপান্যাস—নাটক আৰু অন্যান্যৰ লগতে সাহিত্য আলোচনী, বাৰ্তা-আলোচনী, দৈনিক, সাপ্তাহিক আৰু পষেকীয়া কাকতত প্ৰকাশ পোৱা বিজ্ঞানভিত্তিক বাতৰি প্ৰবন্ধ আদি অন্যান্য লিখা এই তৃতীয় গোটৰ অন্তৰ্ভুক্ত কৰিব পাৰি। এই গোটক **জনগণ বা জন-সাধাৰণৰ বিজ্ঞান সাহিত্য** আখ্যা দিলে প্ৰথম গোট দুটাক একে আষাৰতে **অভিজাত বিজ্ঞান সাহিত্য** আখ্যা দিব পাৰি। বিষয়বস্তু আৰু পঢ়ুৱৈৰ ওপৰত ইয়াৰ প্ৰভাৱৰ কথা বিচাৰ কৰি চালে এই নামাকৰণেই বিশেষ উপযোগী যেন মনে ধৰে। (৪)

(৪) এটা গোটক জনপ্ৰিয় আখ্যা দিলে আনটো গোটৰ পৃথক প্ৰকৃতি নিৰ্দেশ কৰিব পৰা বিপৰীত অৰ্থবোধক শব্দটো এই ক্ষেত্ৰত প্ৰযোজ্য নহয়; শুৱলাও নহয়। আকৌ এটা গোটক সৰল বা সহজ আখ্যা দিলে পৃথক প্ৰকৃতি বুজাবৰ বাবে 'কঠিন' বা 'যৌগিক' শব্দ ব্যৱহাৰ কৰিব লগীয়া হয়। নানান কাৰণত এই দুটাও গ্ৰহণযোগ্য নহয়। সাহিত্যৰ সংজ্ঞাত 'জনপ্ৰিয়তা'ৰ গুণ অন্তৰ্নিহিত হৈ থকা যেন অনুভূত হয় বাবে ইয়াত জনপ্ৰিয় বিজ্ঞান সাহিত্য নামাকৰণত আপত্তি কৰা হৈছে।

এনে গোট বিভাজনৰ ভিত্তিত সম্পাদনাৰ নীতি প্ৰচলিত হ'লে অসমীয়া বিজ্ঞান সাহিত্যই নিচেই কম সময়ৰ ভিতৰতেই প্ৰচুৰ সুফল লাভ কৰিব পাৰিব। ইয়াৰ জৰিয়ত বহু ক্ষেত্ৰত অসমীয়া বিজ্ঞান সাহিত্যৰ মান নিম্নকাৰী অনেক অশুভ শক্তিৰ বিৰুদ্ধে যুঁজ কৰি জয়-লাভ কৰাটোও সুনিশ্চিত হ'ব। বিজ্ঞান সাহিত্যৰ নামত চলি থকা আৱৰ্জনাসমূহ চিনাক্ত কৰি উলিওৱাত সহজ হ'ব আৰু পৰিকল্পিত আঁচনিৰে প্ৰকৃত বিজ্ঞান সাহিত্য সৃষ্টিৰ পথত আগবাঢ়িব পৰা যাব।

থূলমূলভাৱে ওপৰত উল্লেখ কৰা প্ৰতিটো গোটৰ বাবে সম্পাদনাৰ মূল-নীতি প্ৰায় একে হলেও, প্ৰাপ্ত সম্পদ আৰু ঘোষিত লক্ষ্য অনুযায়ী সম্পাদনাৰ বিভিন্ন পৰ্য্যায়ত বিভিন্ন পদ্ধতিৰ প্ৰয়োজন হ'ব পাৰে। এই ক্ষেত্ৰতো গোট বিভাজন বিশেষ সহায়ক হ'ব। অসমীয়া বিজ্ঞান সাহিত্যত আজি পৰ্য্যন্ত প্ৰথম গোটৰ আবিৰ্ভাৱ নোহোৱাটো সচাঁকৈয়ে দুখৰ কথা; তাতোকৈ দুখৰ কথা এই গোটৰ প্ৰয়োজনীয়তাৰ কথা ক'লে 'এতিয়াও এনে আলোচনাৰ সময় অহা নাই' বুলি কৰা একাম লোকৰ যুক্তিহীন মন্তব্য।

গৱেষণা পৰ্য্যায়ৰ বিজ্ঞান সাহিত্য সৃষ্টি হোৱা নাই বাবে আৰু পাঠ্য-পুথিৰ ৰচনাৰাজি বিজ্ঞান সাহিত্যৰ পৰিসৰৰ মাজত ধৰা উচিত নে অনুচিত এই লৈ মীমাংসাহীন ভাৱে এতিয়াও তৰ্ক-বিতৰ্ক চলি থকা বাবে সম্প্ৰতি আমি এই দুই গোটৰ সম্পাদনাৰ কথা আলোচনা নকৰি, পোনে পোনেই তৃতীয় গোটৰ সম্পাদনাৰ কথা আলোচনা কৰিম। অৱশ্যে এই আলোচনাৰ বহল অংশ, ঠাই বিশেষে সামান্য ৰদবদলৰ জৰিয়তে বাকী দুই গোটৰ সম্পাদনাৰ আলোচনাৰ ক্ষেত্ৰতো প্ৰযোজ্য হোৱাৰ সম্ভাৱনা আছে।

॥ ৪ ॥ সম্পাদনাৰ বিভিন্ন পৰ্য্যায় ॥

উদ্দেশ্য আৰু ব্যৱহাৰিক দিশৰ পৰা সম্পাদনাৰ বিভিন্ন পৰ্য্যায়ক

থূলমূলকৈ দুটা ভাগত ভাগ কৰি ক'ব পাৰি—(১) আলোচনী সংক্ৰান্ত আৰু (২) লিখক তথা পঢ়ুৱৈ সংক্ৰান্ত। এই দুই ভাগত সম্পাদকৰ ভূমিকা সম্পৰ্কে থোৰতে ক'বলৈ হ'লে, প্ৰথম ভাগত সম্পাদকক আলোচনীখনৰ অভিভাৱক বুলি আৰু দ্বিতীয় ভাগত সম্পাদকক লিখক আৰু পঢ়ুৱৈৰ মধ্যস্থতা কৰা সংযোগৰ দৃঢ়সেতু বুলি ক'ব পাৰি।

প্ৰথম ভাগৰ দায়িত্ব সম্পৰ্কে বহলাই আলোচনা কৰিবৰ বাবে নিম্নোক্ত উপবিভাগ সমূহৰ বেলেগে বেলেগে আলোচনা কৰা উচিত।

(১) **বিষয়বস্তু নিৰ্বাচন**: এই ক্ষেত্ৰত 'কাৰ কাৰণে' এটা গুৰুত্ব-পূৰ্ণ প্ৰশ্ন। 'যাৰ কাৰণে সেইসকলৰ বয়স আৰু সেই সকল কেনে ধৰণৰ বৈজ্ঞানিক তত্ত্ব আৰু সত্যৰ সৈতে কি পৰিমাণে পৰিচিত' সেইটো এটা অৱশ্য-নিৰ্ণেয় বিষয়। এই দুই বিষয়ত কোনো ধৰণৰ দ্ব্যৰ্থকতা বা ভ্ৰান্ত ধাৰণাক আমোল দিয়াটো সম্পাদকৰ কৰ্তব্য নহয়। এই দুটা প্ৰশ্নৰ সঠিক উত্তৰ পোৱাৰ পিছতহে সম্পাদকে সম্পাদনাৰ ক্ষেত্ৰত অনুসৰণ কৰিব লগীয়া অন্যান্য নীতি-নিয়ম বিধিবদ্ধ কৰা উচিত।

বিষয়বস্তু নিৰ্বাচনৰ এটা গুৰুত্বপূৰ্ণ ধাৰণা হ'ল বিষয়বস্তুৰ সম-সাময়িকতা সম্পৰ্কে সম্যক জ্ঞান। বিষয়বস্তুৰ সমসাময়িকতা নাথাকিলে বা ব্যক্তি তথা সমাজ জীৱনত বহুল উপযোগিতা থকা জনপ্ৰিয়বৈজ্ঞানিক আৱিষ্কাৰৰ সৈতে সম্পৰ্কিত নোহোৱা বিষয়বস্তুই পঢ়ুৱৈৰ কৌতূহল বঢ়াই অনুৰাগ সৃষ্টি কৰিব নোৱাৰে। এনে গুণ নথকা বিষয়বস্তুই পঢ়ুৱৈৰ মনত বিতৃষ্ণা জগোৱাৰ সম্ভৱনাই বেছি।

বিজ্ঞান জগত আৰু তাৰ ফলস্বৰূপে বিজ্ঞান সাহিত্যত সম-সাময়িকতাৰ সংজ্ঞা নিৰ্ণয় কৰা তেনেই সহজ। উদাহৰণ স্বৰূপে, চন্দ্ৰত প্ৰথম মানুহৰ পদক্ষেপ কৰাৰ সময়ছোৱাৰ আগে-পিছে বহুদিনলৈকে এই বিষয়টোই সেই কালছোৱাৰ সমসাময়িক বিষয় আছিল; হৰগোবিন্দ খোৰানাই নবেল বঁটা পোৱাৰ বহুদিনলৈকে আমাৰ ইয়াত সেইটোই এটা সমসাময়িক বিষয় হৈ আছিল। সমসাময়িকতাৰ প্ৰতি দুৰ্বলতা পঢ়ুৱৈৰ এক সহজাত প্ৰবৃত্তি, ইয়াৰ প্ৰতি পঢ়ুৱৈৰ দুৰ্বলতাও দুৰ্বাৰ।

বুদ্ধিমান সম্পাদকে পঢ়ুৱৈৰ এই দুৰ্বলতাৰ সুযোগ লৈ একো একোটা সময়ত একো একোখন আলোচনী/কাকত অভাৱনীয়ৰূপে জনপ্ৰিয় কৰি তোলাৰ উদাহৰণ আমাৰ অসমীয়া সাহিত্যতো বিৰল নহয়।

জনগণৰ বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত অতিতাত্বিক বিষয়বস্তু বিশেষভাৱে বৰ্জনীয়। এইখিনিতে 'অতিতাত্বিক' শব্দটোৰ ব্যাখ্যাৰ প্ৰয়োজন। বিজ্ঞানৰ সকলো কথাই তত্বৰ ভিত্তিত প্ৰতিষ্ঠিত। তত্ব অবিহনে বিজ্ঞানৰ কথা চিন্তা কৰিব নোৱাৰি। অথচ সাধাৰণ ৰাইজৰ বেছিভাগেই এই তত্বৰ জটিলতাৰ প্ৰতি বিৰাগিত। তাৰ ঠাইত বিজ্ঞানৰ চমকপ্ৰদতা আৰু উপযোগিতাৰ প্ৰতিহে সাধাৰণ ৰাইজ বেছি কৌতুহলী। বিজ্ঞানত এনে কিছুমান বিষয় আছে যিবোৰৰ সাধাৰণ জ্ঞান লাভৰ বাবে, সাধাৰণৰ দৃষ্টিত কিছুমান বৈজ্ঞানিক তত্বৰ সৈতে পৰিচিত হোৱাটো বিশেষভাৱে প্ৰয়োজনীয়। পদাৰ্থ বিজ্ঞানৰ মৌলিক কণাৰ জগতখন তেনে এটা বিষয়। ভৰহীন নিউট্ৰন'ৰ কথাই বিজ্ঞানৰ ছাত্ৰৰ মনত উৎকণ্ঠা জগাব পাৰে কিন্তু সাধাৰণ পঢ়ুৱৈৰ মনত ভৰহীন কথাটোতে খোকোজা লগাৰ সম্ভাৱনাই বেছি। এনে ধৰণৰ বিষয়বস্তুৰ অৱতাৰণা কৰিবলৈ হ'লে আগতেই পঢ়ুৱৈ ৰাইজক কিছুমান বিশেষ বিশেষ বৈজ্ঞানিক তত্বৰ সৈতে পৰিচয় কৰাই দিব লাগিব। এনে ধৰণৰ বিষয়বস্তুকে ইয়াত অতিতাত্বিক বোলা হৈছে।

যুক্তিসংগতভাৱে চমকপ্ৰদ (৫), ব্যক্তি আৰু ব্যষ্টিজীৱনৰ গতিধাৰাক প্ৰাণোচ্ছল আৰু সুখদায়ক (৬) কৰি তোলাৰ সম্ভাৱনা থকা আৰু অঞ্চলবিশেষৰ চিৰন্তন সমস্যাৰ (৭) অধ্যয়ন আৰু আলোচনা থকা বিষয়বস্তুই গণ পঢ়ুৱৈৰ বাবে বিশেষভাৱে ৰুচিকৰ, আমোদজনক আৰু কৌতুহলোদ্দীপক।

---

(৫) মহাকাশত মহানগৰ, টেষ্টটিউব সন্তান, টেষ্টটিউবত অতিকায় জন্তু, শুক্ৰাণু বেংক, ইচ্ছামতে পুত্ৰ বা কন্যাসন্তান জন্ম দিয়াৰ গোপন ৰহস্য, ত্ৰিশ বছৰীয়া প্ৰসব বেদনা, ভ্ৰূণৰ লিংগ নিৰ্ণয় ইত্যাদি বিষয়ক লেখা এই বৰ্গৰ প্ৰশস্ত উদাহৰণ।

(২) উপস্থাপন ৰীতি বা ৰচনাশৈলী : ইয়াৰ লগতে ভাষাৰ ওতঃপ্ৰোত সম্পৰ্ক। সাধাৰণতে বিষয়বস্তুৰ জটিলতা বা সৰলতাই ভাষাৰ প্ৰকৃতি নিয়ন্ত্ৰিত কৰে যদিও উপস্থাপন ৰীতিৰদ্বাৰা ভাষাৰ গঠন আৰু প্ৰকৃতি প্ৰত্যক্ষভাৱে প্ৰভাৱিত হয়। প্ৰত্যক্ষ আৰু পৰোক্ষ— এই দুই উপস্থাপন ৰীতিৰ ভিতৰত গণ পঢ়ুৱৈৰ বাবে ৰচিত বিজ্ঞান সাহিত্যত বেছি ভাগকেই পৰোক্ষ পদ্ধতি অৱলম্বন কৰা দেখা যায়। চিঠিৰ আকাৰত লিখা, শ্ৰেণীত বক্তৃতা দিয়াৰ নিচিনাকৈ পঢ়ুৱৈক সমূখত কল্পনা কৰি লৈ 'ধৰি লোৱা', 'বুজি পাইছানে নাই' এনে ধৰণৰ বহু ব্যৱহৃত বাক্যাংশৰে অনুৰাগ, অংশ গ্ৰহণ আৰু ৰসসৃষ্টিৰ চেষ্টা, নাটকীয় সংলাপৰ আকাৰত লিখা, সাধুৰ ছলেৰে কোৱা আদি পৰোক্ষ উপস্থাপন ৰীতিৰ ভিতৰত পৰে। বস্তুতৰেই অনুমান, জনগণৰ বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত উপস্থাপনৰ পৰোক্ষ পদ্ধতি প্ৰত্যক্ষ পদ্ধতিৰ তুলনাত বেছি মনোগ্ৰাহী, বেছি চিত্তাকৰ্ষক। এয়া অনুমান মাত্ৰ। সাম্প্ৰতিক কালত ন-লিখক লিখিকাসকলৰ মনত এই অনুমান প্ৰতিষ্ঠিত সত্যৰূপে প্ৰতিভাত হোৱাটো পৰিলক্ষিত হ'বলৈ ধৰিছে; অথচ চিঠিৰ আকাৰত লিখিলেই যে ব্যক্তিগত চিঠিৰ নিচিনাকৈ গোটেই লিখাখিনি ৰসোত্তীৰ্ণ হ'ব নোৱাৰে তাৰ প্ৰমাণ আমি সাম্প্ৰতিক কালৰ অসমীয়া বিজ্ঞান সাহিত্যতে দেখিবলৈ পাইছোঁ। অসমীয়া বিজ্ঞান সাহিত্যৰ মূল্যায়ণ পৰ্ব আৰম্ভ নোহোৱালৈকে এনে

---

(৬) ইনফ্লুৱেঞ্জাৰ প্ৰতিষেধক, নিদ্ৰাহীনতাৰ স্বাভাৱিক চিকিৎসা, বেতাৰ টেলিফোন, নাকৰ ঘোৰঘোৰণিৰপৰা স্বাস্থ্য বিপৰ্যয়, এলাৰ্জি'ৰ পৰা মুক্তি, চশমাৰ পৰা চিৰমুক্তি, জন্মনিয়ন্ত্ৰণৰ ইনজেক্চণ, কম্পিউটাৰ ধাই, বড়িৰ দ্বাৰা ভৱিষ্যদ্বাণী, পুৰুষৰ বাবে জন্মনিৰোধক বড়ি, উদ্ভিদৰ আঁহেৰে আৰ-চি চি ঘৰ সাজক, ইন্ধনৰ নতুন উৎস–গছৰ তেল ইত্যাদি এই বৰ্গৰ প্ৰশস্ত উদাহৰণ।

(৭) অসমৰ বানপানী, জাপানত ভূমিকম্প, চাহাৰা আৰু থৰ মৰুভূমিৰ কৃষি প্ৰকল্প, উপকূল অঞ্চলৰ দুৰ্গীৰতাহ আদি এনে বৰ্গৰ প্ৰশস্ত উদাহৰণ। (৫) আৰু (৬) ৰ শীৰ্ষকসমূহ 'অভিৰুচি'ৰ নিয়নীয়া বিজ্ঞান শিতানৰ পৰা লোৱা।

'অৰাজকতা' বোধ কৰাটো সম্ভৱ নহয়। বৈজ্ঞানিক ভিত্তিত এই দুই পদ্ধতিৰ তুলনামূলক বিচাৰ নহ'লে উপস্থাপন ৰীতি সম্পৰ্কে কোনো স্থিৰ পদ্ধতি অনুমোদন কৰিব নোৱাৰি। প্ৰত্যক্ষ উপস্থাপন পদ্ধতিতো জনদিয়েক লিখক-লিখিকাক সঁচা অৰ্থত জনপ্ৰিয় বিজ্ঞানসাহিত্য ৰচনা কৰা দেখা গৈছে। উপস্থাপন ৰীতি যিয়েই নহওক এই ক্ষেত্ৰত 'সামগ্ৰিকতা' বজাই ৰাখিব পৰাটোহে মূল কথা আৰু এই সামগ্ৰিকতা ৰক্ষা-অৰক্ষাৰ বিচাৰ সম্পূৰ্ণ ভাৱে সম্পাদকৰ বিবেচ্য বিষয়।

(৩) **ভাষা আৰু অন্যান্য** ঃ উপমা, তুলনা, উদাহৰণ আৰু কল্পচিত্ৰৰ প্ৰয়োগৰ জৰিয়তে সাহিত্যৰ ৰসসৃষ্টি, পঢ়ুৱৈৰ অনুৰাগ তথা কৌতুহল সৃষ্টি আদিৰ বিশদ সম্ভাৱনা থাকিলেও এইবোৰৰ প্ৰয়োগৰ ফলত যাতে মূল বক্তব্য লুকাই নপৰে বা অতিসৰলীকৰণৰ জৰিয়তে বিজ্ঞানৰ বস্তুনিষ্ঠতা নষ্ট নহয় তালৈ লক্ষ্য ৰখাটো সম্পাদকৰ প্ৰধান কৰ্তব্য। এইবোৰৰ প্ৰয়োগ অৱশ্য-কৰ্তব্য নহয়; প্ৰয়োগ কৰিলেও এইবোৰ যাতে বিষয়বস্তুৰ লগতে ভাষাৰ সৈতে খাপ খোৱা ধৰণৰ হয় সেইটোও লক্ষণীয়। ভাষাক ৰসগ্ৰাহী, সাৱলীল আৰু প্ৰাঞ্জল কৰাৰ ক্ষেত্ৰত এইবোৰৰ ব্যৱহাৰ প্ৰশংসনীয়ভাৱেই কৰিব পাৰি। ভাৱ প্ৰকাশৰ একমাত্ৰ আহিলা হিচাপে সাহিত্যৰ সকলো শাখাতেই ভাষাৰ গুৰুত্ব অনস্বীকাৰ্য যদিও, অসমীয়া বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত এই দিশত যথেষ্ট সতৰ্কতাৰ প্ৰয়োজন। বিষয়বস্তু আগবঢ়াই নিবৰ বাবে ভাষাৰ গতিশীলতাৰ প্ৰতিও লক্ষ্য ৰখা উচিত। এই প্ৰসংগত এটা কথা কলেই বোধকৰোঁ যথেষ্ট হ'ব ঃ বিজ্ঞান সাহিত্যৰ শব্দ চয়নৰ ক্ষেত্ৰত প্ৰত্যেকটো শব্দৰ যে অকল ওজন আৰু আয়তনেই আছে তেনে নহয়; ইয়াৰ ব্যাপ্তি আৰু ভেদ্য ক্ষমতাও লিখক তথা সম্পাদকে অনুভৱ কৰিব পাৰিব লাগিব। এই উপলব্ধি নহ'লে 'সাৰ্থক অৰ্থত অসমীয়া বিজ্ঞান সাহিত্যৰ ভাষা অসমীয়া গল্প-উপন্যাসৰ চিৰাচৰিত ভাষাৰ ছকবদ্ধ গণ্ডীৰ মাজতেই আৱদ্ধ থাকিব। পৰিভাষা প্ৰণয়ন অথবা বৈজ্ঞানিক অভিধান প্ৰণয়নে এই দিশত বিশেষ একো সহায় কৰিব নোৱাৰিব।

বিজ্ঞান সাহিত্যত ব্যাখ্যাচিত্ৰ আৰু ছকৰ বিশেষ গুৰুত্ব আছে। হেজাৰ শব্দই বুজাব নোৱাৰা বহু কথা এটা ব্যাখ্যাচিত্ৰ বা এখন ছকে কম পৰিসৰৰ ভিতৰতে সহজে মনত লগাকৈ আৰু মনত ৰাখিব পৰাকৈ দিব পাৰে। পিছে অনাহকতে ব্যাখ্যাচিত্ৰ আৰু ছকৰ সংখ্যা বঢ়াই লিখনীক অধ্যয়নপুষ্ট আৰু গৱেষণাভিত্তিক প্ৰতীয়মান কৰাৰৰ বাবে বহু লিখক-লিখিকাকেই যত্ন কৰা দেখা যায়। প্ৰয়োজন হ'লে এনে আহিলাৰ একাধিক প্ৰয়োগ বাঞ্ছনীয়, অপ্ৰয়োজনত এটাৰো দৰ্কাৰ নাই। এই দিশত সম্পাদকৰ চোকা দৃষ্টিৰ প্ৰয়োজন।

লিখক আৰু পঢ়ুৱৈৰ মধ্যস্থতা কৰা প্ৰসংগত প্ৰত্যেক সম্পাদকে নিজস্ব ধ্যান-ধাৰণাৰে স্বকীয় নীতি-নিয়মৰ প্ৰৱৰ্তন কৰি লোৱা উচিত। লিখক আৰু পঢ়ুৱৈক বেলেগে বেলেগে আলোচনীখনৰ প্ৰতি আস্থাশীল কৰি তোলাই এনে নীতি প্ৰণয়নৰ মূল লক্ষ্য হোৱা উচিত। আলোচনীৰ দীৰ্ঘায়ু আৰু উত্তৰোত্তৰ শ্ৰীবৃদ্ধিৰ ক্ষেত্ৰত লিখকবৰ্গৰ সদিচ্ছা আৰু পঢ়ুৱৈ ৰাইজৰ শুভেচ্ছাই চিৰ সঞ্জীৱনীৰ কাম কৰে। এই সদিচ্ছা আৰু শুভেচ্ছাৰ যোগ্য কৰি তুলিবলৈ হ'লে সম্পাদকৰ দায়িত্বও অপৰিসীম।

।। ৫ ।। সম্পাদনাৰ বিভিন্ন দিশ ।।

কাৰিকৰী, সাহিত্যিক আৰু ব্যৱসায়িক – সম্পাদনাৰ এই তিনি ঘাই দিশৰ প্ৰত্যেকটোৱেই সমানে সুদৃঢ়, মজবুত, বিস্তৃত আৰু শক্তিশালী হোৱা উচিত। তুলনাৰ জৰিয়তে এটাক আনটোৰ ওপৰত থবৰ চেষ্টা কৰিলে সামগ্ৰিকভাৱে সম্পাদনা আৰু সাহিত্য উভয়ৰে লোকচান। এই তিনি দিশৰ মাজত তুলনা নচলে। এই তিনিটা দিশক যথাযুক্ত গুৰুত্ব আৰোপ কৰি, ভাবসাম্য নষ্ট নকৰাকৈ সামগ্ৰিকভাৱে এক সুস্থ সম্পাদনা নীতি প্ৰৱৰ্তন কৰিব নোৱাৰিলে, অসমীয়া বিজ্ঞান সাহিত্যৰ নামত অনেক ৰচনা প্ৰকাশিত হ'ব পাৰে; পিছে অসমীয়া বিজ্ঞান সাহিত্য বোলা সাহিত্যৰ সেই গুৰুত্ব আৰু সম্ভাৱনাপূৰ্ণ শাখাটোৰ বিকাশ

সম্ভৱ নহয়। প্ৰচেষ্টাৰ নামত অযথা কালক্ষয় কোনো পৰিস্থিতিতেই অনুমোদন যোগ্য নহয়।

প্ৰবন্ধ বা লিখা এটা হাতত পৰাৰে পৰা প্ৰকাশযোগ্য কৰি তোলালৈকে, আলোচনীৰ যি কোনো এটা সংখ্যাৰ বিষয়ে কল্পনা কৰাৰে পৰা আৰম্ভ কৰি লে-আউট, ডিজাইন আদিৰ জৰিয়তে প্ৰেছ প্ৰতিলিপি (বা ডামী) তৈয়াৰ কৰি দিয়ালৈকে যিবোৰ বিভিন্ন বিশদ পদ্ধতিৰ মাজেৰে পাৰ হ'ব লাগে সেই আটাইবোৰ সম্পাদনাৰ কাৰিকৰী দিশৰ ভিতৰত পৰে। সাম্প্ৰতিক কালত সম্পাদনাৰ এই কাৰিকৰী দিশ ইমান বিজ্ঞানভিত্তিক আৰু বিশিষ্ট (স্পেচিয়ালাইজড) হৈ পৰিছে যে ইয়াৰ প্ৰত্যেকটো পৰ্য্যায় আৰু বিভাগৰ বাবে একোজন বিশেষজ্ঞৰ প্ৰয়োজন অনিবাৰ্য হৈ পৰিছে। সম্পাদকে এনে বিভাগ সমূহৰ সমন্বয়ৰক্ষী মুখ্য বিষয়া হিচাপে কাম কৰিলেই বহু ক্ষেত্ৰত আলোচনীবোৰত ন্যূনতম কাৰিকৰী উৎকৃষ্টতা লাভ কৰিব পাৰি। পাঠ্য-পুথি আৰু পাঠ্য-পুথিভিন্ন অন্যান্য বিজ্ঞান বিষয়ক পুথি প্ৰকাশৰ ক্ষেত্ৰতো এই কাৰিকৰী দিশৰ সৰ্বাত্মক উৎকৃষ্টতাৰ ক্ষেত্ৰত চকু দিয়াটো অৱশ্য কৰ্তব্য। কাৰিকৰী দিশৰ উৎকৃষ্টতাই ব্যৱসায়িক দিশক ভাবিব নোৱাৰা ধৰণে প্ৰভাৱিত কৰিব পাৰে।

নানান কাৰণত আঞ্চলিক আলোচনী আৰু পুথি প্ৰকাশৰ ক্ষেত্ৰত সম্পাদনাৰ এই গুৰুত্বপূৰ্ণ দিশটোৰ প্ৰতি যথাযথ দৃষ্টি দিয়া নহয় বাবেই অনাকৰ্ষণীয় বেটুপাত, চকুৰে মনিব নোৱাৰা টাইপ আৰু সহজে বুজিব নোৱাৰা ব্যাখ্যাচিত্ৰেৰে আলোচনী আৰু পুথি প্ৰকাশ হোৱা দেখা যায়। মুদ্ৰণ মাধ্যমৰ অত্যাধুনিক উৎকৰ্ষতাৰ পৰিপেক্ষিতত আজিৰ পঢ়ুৱৈ সম্পাদনাৰ এই দিশটোৰ প্ৰতি বিশেষ সজাগ হ'বলৈ আৰম্ভ কৰাটো অসমীয়া বিজ্ঞান সাহিত্যৰ বাবে শুভলক্ষণ। সেয়েহে অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদকে, কাৰিকৰী জ্ঞান থকা বিভাগীয় বিশেষজ্ঞ নাই বুলি কাৰিকৰী দিশটোৰ প্ৰতি চকু নিদিয়াকৈ থকাতকৈ এই বিষয়ত পোৱা সাধাৰণ পৰ্য্যায়ৰ পুথিপত্ৰ পঢ়ি এই দিশৰ কাৰিকৰী জ্ঞান আহৰণ

কৰি ল'বলৈ চেষ্টা কৰাটো একপ্ৰকাৰ নৈতিক দায়িত্ব বুলিয়েই আমি ক'ব খোজোঁ।

সম্পাদনাৰ সাহিত্যিক দিশটোৰ প্ৰতি প্ৰায়েই সম্পাদকক সততেই সজাগ হোৱা দেখা যায়। বহু সম্পাদকৰ বাবে সম্পাদনাৰ এই সাহিত্যিক দিশটোহে আচল দিশ; বাকী দুটাৰ অস্তিত্ব সম্পৰ্কে হয় এনে সম্পাদকৰ সম্যক ধাৰণা নাই, অথবা বাকী দুটা দিশৰ প্ৰভাৱ সম্পৰ্কে এনে সম্পাদক বৰ বেছি চিন্তিত নহয়। সাহিত্যিক দিশ আৰু সাহিত্যিক প্ৰমূল্যই এনে সম্পাদকৰ বাবে সৰ্বস্ব। এনে মনোভাৱ অনিষ্টকাৰক। সাহিত্য জগতত সম্পাদক হিচাপে কম সময়ৰ ভিতৰতে খ্যাতি লাভৰ অযৌক্তিক মনোভাৱেই এনে একপক্ষীয় দৃষ্টিভংগীৰ মূল কাৰণ বুলি ভৱাৰ থল আছে। সম্পাদিতসাহিত্যকৰ্মৰ সাহিত্যিক প্ৰমূল্য বৃদ্ধিৰ চেষ্টা সন্দেহাতীতভাৱে প্ৰশংসনীয় যদিও, এনে প্ৰচেষ্টাই যাতে একমুখী হৈ সম্পাদনাৰ অন্য দিশ দুটাক গোগ্ৰাসে গিলি থ'ব নোৱাৰে তাৰ বাবে চেষ্টা কৰাও অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদকৰ অৱশ্য কৰ্তব্য।

সম্পাদনাৰ ব্যৱসায়িক দিশটোৰ কথা ক'লে বহু সম্পাদকেই নাক কোঁচায়। তেখেত সকলৰ মতে সাহিত্যত ব্যৱসায়িক দৃষ্টিভংগী সম্পৰ্কে বৰ বেচি উচ্চবাচ্য কৰাটো উচিত নহয়। পিছে, সম্পাদনাৰ ব্যৱসায়িক দিশৰ কথা ক'বলৈ গৈ আমি সম্পাদকক 'বজাৰী সাহিত্য' সৃষ্টি কৰাৰ কথাও ক'বৰ চেষ্টা কৰা নাই, অথবা দোকানে দোকানে ঘূৰি সম্পাদিত সাহিত্য সম্ভাৰৰ বিক্ৰী বৃদ্ধিৰ চেষ্টা কৰাৰ কথাও ক'ব খোজা নাই। ব্যৱসায়িক দিশ অবিহনে সাহিত্যৰ যি কোনো শাখাৰে অস্তিত্ব সংকটাপন্ন। ৰচিত আৰু সম্পাদিত সাহিত্য সম্ভাৰ পঢ়ুৱৈৰ হাত পাবলৈ হ'লে ইয়াৰ বিক্ৰীৰ যথাযথ ব্যৱস্থা থাকিব লাগিব। বিক্ৰী একপক্ষীয় কথা নহয়, দ্বিপাক্ষিক চৰ্ত। প্ৰয়োজন বোধ নকৰিলে কিনি পঢ়াতো দূৰৰে কথা, বিনামূলীয়াকৈ দিয়া সাহিত্যও আমি কেতিয়াবা চকু ফুৰোৱাৰ অযোগ্য বুলি ভাবোঁ। এই প্ৰয়োজন বোধ সৃষ্টি কৰাৰ যি গুৰুদায়িত্ব তাৰ সিংহভাগ সম্পাদকেই বহন কৰিব

লাগে। ঠিক এই দিশৰ পৰাই আমি সম্পাদনাৰ ব্যৱসায়িক দিশৰ কথা ক'বলৈ সাহস কৰিছোঁ। প্ৰকাশকে যথাযথ বিজ্ঞাপনৰ জৰিয়তে সাহিত্যসৃষ্টিৰ জাননী পঢ়ুৱৈৰ দৃষ্টি গোচৰ কৰিব, কিনি পঢ়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰাৰ আগতে পঢ়ুৱৈয়ে ভিতৰখনত চকু ফুৰাই তাৰ উপযোগিতা সম্পৰ্কে নিশ্চিন্ত হৈ ল'ব। এই উপযোগিতাৰ সপক্ষে প্ৰয়োজনীয় উপলব্ধি সৃষ্টি কৰিবৰ বাবে যি কণ কৰাৰ প্ৰয়োজন সেই কণেই হৈছে সম্পাদনাৰ ব্যৱসায়িক দিশৰ এটা পিঠি; এই প্ৰয়োজনীয়তা বোধৰ উপলব্ধিক 'অপৰিহাৰ্য' কৰি তোলাৰ অবিৰত চেষ্টাই হ'ল সম্পাদনাৰ ব্যৱসায়িক দিশৰ আনটো পিঠি। এই দৃষ্টিভংগীৰে চাবৰ চেষ্টা কৰিলে, ওপৰত উল্লেখ কৰা এই ব্যৱসায়িক দিশৰ মাজত কোনেও কোনো প্ৰকাৰৰ উগ্ৰ ব্যৱসায়িকতাৰ গোন্ধ নাপাব বুলিয়েই আমাৰ বিশ্বাস।

ওপৰত উল্লেখ কৰা সম্পাদনাৰ পৰ্যায় আৰু দিশৰ আলোচনাৰ পৰা দেখা যায় অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনা এক সময় সাপেক্ষ, ব্যয়বহুল, কষ্টসাধ্য পৰ্যায়ক্ৰমী সাধনা। সময় আৰু ব্যয়ৰ ক্ষেত্ৰত কৰা নামমাত্ৰ কাৰ্পণ্যই বিশেষ অনিষ্ট সাধন নকৰিলেও চিৰাচৰিত পৰ্যায়বোৰৰ এটা পৰ্যায়ো কোনো পৰিস্থিতিতেই এৰাই যোৱা উচিত নহয়। সম্পাদকৰ মেজত শিথিলতাৰ দোৰাত্ম্য এক অক্ষমনীয় অপৰাধ।

॥ ৬ ॥ বিজ্ঞান বনাম বিজ্ঞান সাহিত্য ॥

বিজ্ঞানৰ বিভিন্ন বিভাগৰ দ্ৰুত উন্নতি, একেটা বিষয়তে নতুন নতুন শাখা-প্ৰশাখাৰ জন্ম তথা সেইবোৰৰ দ্ৰুত প্ৰগতি, বিভিন্ন বিষয়ৰ আন্তঃক্ৰিয়া আৰু সমন্বয়ৰ জৰিয়তে আৰু নতুন শাখা-প্ৰশাখাৰ জন্ম তথা সেইবোৰৰ দ্ৰুত বিকাশ— এই সকলোবোৰ বিজ্ঞানৰ বিস্তাৰ আৰু অগ্ৰগতিৰ ক্ষেত্ৰত যি দুৰ্বাৰ গতিশীলতা প্ৰদান কৰিছে তাৰ লৈতে খাপ খুৱাই চলিবৰ চেষ্টা নকৰিলে অসমীয়া বিজ্ঞান সাহিত্যৰ

প্ৰতি পঢ়ুৱৈ সমাজে আস্থা হেৰুৱাই পেলোৱাৰ আশংকা আছে। অথচ এই ক্ষেত্ৰত খাপ খুৱাই চলাৰ চেষ্টাও কম কষ্টসাধ্য নহয়। বিজ্ঞানৰ বিভিন্ন শাখাৰ অধ্যয়ন দিনে দিনে ইমান বেছি বিশিষ্ট পৰ্যায়লৈ (স্পেচিয়েলাইজেচন) উন্নীত হ'বলৈ আৰম্ভ কৰিছে যে একেটা বিষয়ৰে বিভিন্ন শাখা-প্ৰশাখাৰ বিজ্ঞানীয়ে বিশিষ্ট অধ্যয়নৰ বিষয়টোৰ বাহিৰে অন্য শাখাৰ বিষয়ে বিশেষভাৱে জনাৰ অৱকাশেই নাপায়। ফলত একেজন লোকৰ পক্ষে সকলো বিষয়ৰে বিশেষ জ্ঞানতো দূৰৰেই কথা, সাধাৰণ কাৰ্যকৰী জ্ঞান লাভ কৰাও কষ্টসাধ্য হৈ পৰিছে। গণ পঢ়ুৱৈৰ বাবে ৰচিত বিজ্ঞান সাহিত্য বিজ্ঞানৰ এনে ধৰণৰ বিভিন্ন, নতুন আৰু স্বল্প বিকশিত শাখা-প্ৰশাখাৰ ৰচনাৰাজি প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তাও দিনে দিনে বাঢ়ি আহিব ধৰিছে। ফলত বিজ্ঞান সাহিত্যৰ সম্পাদনাৰ কাম দিনক দিনে অধিক কষ্টসাধ্য আৰু অধিক দায়িত্বপূৰ্ণ হৈ পৰিছে।

বিজ্ঞানৰ বিস্তাৰ আৰু গতিশীলতাৰ সৈতে অসমীয়া বিজ্ঞান সাহিত্যই সমানে ফেৰ মাৰিবলৈ হলে, মাত্ৰ একেজন লোকৰ ওপৰত এখন আলোচনী সম্পাদনাৰ বা এটা প্ৰতিষ্ঠান পৰিচালনা কৰাৰ দায়িত্ব দি এই কাম সুচাৰুৰূপে সম্পন্ন কৰিব নোৱাৰি। অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনাৰ ক্ষেত্ৰত সেয়েহে বিভাগীয় সম্পাদক নিযুক্তিৰ নিয়ম প্ৰৱৰ্তন কৰাৰ সময় সমাগত হৈ পৰিছে। আজিৰ বিজ্ঞানৰ দুৰ্বাৰ গতিশীলতাৰ সৈতে ফেৰ মাৰি অসমীয়া বিজ্ঞান সাহিত্যও সমানেই গতিশীল হ'ব লাগিব। অসমীয়া বিজ্ঞান সাহিত্য সাৰ্থক হ'ব লাগিলে, ভাষা সাহিত্যৰ প্ৰতি থকা ইয়াৰ দায়িত্ব পালনত নিষ্ঠাবান হ'বলৈ হলে এই গতিশীলতাক কোনোপধ্যেই উলাই কৰিব নোৱাৰি। এই গতিশীলতাক শ্ৰদ্ধা কৰিবলৈ হলে যিমানেই গুণী, জ্ঞানী, অধ্যয়নশীল আৰু কৰ্মঠ লোক নহওক কিয়, ব্যক্তিবিশেষৰ অসীম-সামৰ্থ্য-তত্ত্ব আমি কোনোপধ্যেই বিশ্বাস কৰিব নালাগিব। আজিৰ যুগত বিজ্ঞানৰ গতিশীলতাই জীৱনক যি গতি দিছে, ব্যক্তি বিশেষৰ ক্ষেত্ৰত তাৰো সীমা আছে, সিও অসীম নহয়। এই সত্য সম্যক দৃষ্টিৰে উপলব্ধি কৰিব পাৰিলে অসমীয়া বিজ্ঞান

সাহিত্যৰ সেৱকসকলে সফল কাৰ্যকৰী আঁচনি প্ৰস্তুত কৰিবৰ বাবে যথেষ্ট অৱকাশ আছে।

॥ ৭ ॥ সম্পাদক বনাম প্ৰকাশক ॥

সম্পাদনা শব্দৰ নেপথ্যত যি সৰ্বশক্তিমান পৃষ্ঠপোষক থাকে তাৰ নাম প্ৰকাশক। অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনাৰ ক্ষেত্ৰত প্ৰকাশকৰ দায়িত্ব অপৰিসীম। গণ পঢ়ুৱৈ অসমীয়া বিজ্ঞান সাহিত্যৰ প্ৰতি আকৃষ্ট হোৱাৰ কালছোৱাত, বিজ্ঞান বিষয়ক যি কোনো লিখাকে কিতাপ আকাৰত প্ৰকাশ কৰি সহজে ধন ঘটাৰ প্ৰবল ইচ্ছা বেছি ভাগ প্ৰকাশকৰেই হোৱাটো স্বাভাৱিক। পিছে অসমীয়া বিজ্ঞান সাহিত্যৰ সেৱা আৰু ধনঘটা—উভয় উদ্দেশ্যক একেলগ কৰি মধ্যপন্থা অৱলম্বন কৰিব লাগিলে অসমীয়া বিজ্ঞান সাহিত্যত সম্পাদকৰ মধ্যস্থতাক অস্বীকাৰ কৰাৰ উপায় নাই। আজিৰপৰা কুৰি/পঁচিশ বছৰ আগতে কিবা এটা কৰাৰ কাৰণে 'একক আৰু অনন্য' ৰূপে খ্যাত হোৱাৰ জেৰ টানি, আজিও সেই প্ৰতিফলিত গৰিমাৰে 'একক আৰু অনন্য' হৈ থকাৰ সদিচ্ছাক আজিৰ পঢ়ুৱৈয়ে কেতিয়াও সন্মান নকৰে। এই সন্মান অটুট ৰাখিবলৈ হ'লে, সম্পাদকে সম্পাদনাৰ প্ৰয়োজনীয়তা আৰু গুৰুদায়িত্ব অকল বুজি পালেই নহ'ব, তাক কাৰ্যকৰীভাৱে কামত লগাবৰ বাবে প্ৰয়োজনীয় আঁচনি অনুযায়ী কাম কৰিব লাগিব। প্ৰেছৰ বিল আৰু লিখক-চিত্ৰশিল্পী-প্ৰতিলিপিকাৰৰ বিল পৰিশোধ কৰিয়েই প্ৰকাশকৰ সকলো দায়িত্বৰ পৰা মুক্তি পোৱা বুলি নাভাবি, সম্পাদকৰ প্ৰত্যেক আঁচনিৰে প্ৰথম সাংগঠনিক সমালোচক হিচাপে কাম কৰিব পাৰিলেহে প্ৰকাশকে এই ক্ষেত্ৰত নিজৰ দায়িত্ব পালন কৰা হ'ব। সম্পাদক আৰু প্ৰকাশক—নিজৰ নিজৰ আসনত দুয়ো একচ্ছত্ৰী সম্ৰাট যদিও পঢ়ুৱৈৰ দৃষ্টিত দুয়ো দুয়োৰে পৰিপূৰকহে। অসমীয়া বিজ্ঞান সাহিত্যৰ উন্নতিকল্পে কাম কৰিবলৈ আগবাঢ়ি অহা

সকলৰ বাবে সাম্প্ৰতিক কাল, পঢ়ুৱৈৰ দৃষ্টিহে বেছি গঠনমূলক হ'ব যেন অনুমান হয়।

॥ ৮ ॥ উপসংহাৰ ॥

উচ্চমান বিশিষ্ট সৰ্বভাৰতীয় আৰু আন্তৰ্জাতিক আলোচনী তথা পুথি প্ৰকাশৰ ক্ষেত্ৰত যি বিশদ আৰু পুঙ্খানুপুঙ্খভাৱে সম্পাদনাৰ বিভিন্ন পৰ্যায় অনুসৰণ কৰে, আমাৰ আঞ্চলিক ভাষাৰ বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰতো তেনে কৰাটো কাম্য যদিও, নানান কাৰণত ব্যৱহাৰিক দিশৰপৰা সেয়া আমাৰ ইয়াত প্ৰযোজ্য নহয়। সেই কাৰণেই এই দিশত ইয়াত আলোচনা কৰা হোৱা নাই।

সাহিত্যৰ যি কোনো শাখাৰ সম্পাদনাৰ ক্ষেত্ৰত একোটাকৈ মূখ্য উদ্দেশ্য থাকে। এই মূখ্য উদ্দেশ্যৰ সহায়ক হিচাপে কাম কৰিবলৈ কিছুমান মূলনীতি অনুসৰণ কৰা হয়। এই সকলোবোৰ নীতিয়েই সামান্য ৰদবদলৰ জৰিয়তে অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনাৰ ক্ষেত্ৰতো প্ৰযোজ্য। পিছে আৰম্ভণিৰে পৰা সাম্প্ৰতিক কাললৈকে অসমীয়া বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত এই নীতিসমূহ কিমানদূৰ নিষ্ঠা আৰু সফলতাৰে অনুসৰণ কৰা হৈছে সেই বিষয়ে বিশদ তথ্য সংগ্ৰহ আৰু অধ্যয়নৰ অৱকাশ আছে। বৈজ্ঞানিক দৃষ্টিভংগীৰে এনে অধ্যয়ন আৰম্ভ কৰিলে, সময়মূৰত প্ৰাপ্ত তথ্যৰ ভিত্তিত অসমীয়া বিজ্ঞান সাহিত্যৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত বেছ কিছু কাৰ্যকৰী আঁচনি প্ৰস্তুত কৰিব পৰা যাব বুলি ভৱাৰ থল আছে।

অসমীয়া বিজ্ঞান সাহিত্যত সম্পাদকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে 'কৰিবলগীয়া' আৰু 'নকৰিবলগীয়া' শীৰ্ষকেৰে ঢুকুৰিবো অধিক উপদেশ লিখি উলিয়াব পাৰি যদিও এনে তালিকাৰ দৰাচলতে কোনো প্ৰয়োজন নাই। ছকবন্ধা (—টিপিকেল) নীতি-নিয়ম-বাধা-নিষেধে সম্পাদনাৰ ক্ষেত্ৰত বহুল নিৰ্দেশিকাৰ কাম কৰিব পাৰে; কিন্তু সাৰ্থক অৰ্থত সম্পাদক তৈয়াৰ কৰিব নোৱাৰে। একেটা ভাষাৰ

একেখন ব্যাকৰণকে পঢ়ি আমি আটায়ে ভাষা শিকোঁ যদিও, প্ৰত্যেকৰে লিখাৰ ধৰণ একে নহয়। সেই একে ব্যকৰণৰ নীতি-বিধি ণত্ব-ষত্ব শিকি বহুতে শুদ্ধ ভাষাত চিঠি এখনকে লিখিব নোৱাৰে; আকৌ বহুতে তাৰ ভেটিতেই মহৎ আৰু অনুকৰণীয় সাহিত্য সৃষ্টি কৰে। নিজস্ব স্বজ্ঞা, প্ৰজ্ঞা, অনুশীলন, নিষ্ঠা আৰু অভিজ্ঞতাৰ হীন ডেঢ়িয়েই এনে আকাশ-পাতাল তাৰতম্যৰ মূখ্য কাৰণ; সম্পাদনাৰ ক্ষেত্ৰতো সেই একে কথাই প্ৰযোজ্য, সম্পাদকৰ ক্ষেত্ৰতো সেই একে সত্যই অকাট্য। স্বজ্ঞা, প্ৰজ্ঞা, অনুশীলন, নিষ্ঠা আৰু অভিজ্ঞতাৰ বলেৰে নিয়ম ভঙাৰ সাহস থকা বাবেই বোধকৰোঁ এনে সাৰ্থক সম্পাদকৰ এই নিয়ম ভঙাৰ নিয়মৰ মাজতো নিয়ম থাকে, নীতি থাকে। অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদকৰ অকল আধুনিক দৃষ্টিভংগী থাকিলেই নহব, এটা আধুনিক মনৰো বিশেষ প্ৰয়োজন।

অসমীয়া বিজ্ঞান সাহিত্যৰ বৰ্তমানক গতানুগতিকতাৰ মামৰে অচল আৰু বিবৰ্ণ কৰি ভৱিষ্যত সংকটপূৰ্ণ কৰি তোলাৰ আগতে অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনাৰ দিশত যথাযথ গুৰুত্ব আৰোপ কৰাৰ সময় সমাগত হৈছেহি। সংশ্লিষ্ট ব্যক্তি আৰু অনুষ্ঠান কোনোৱে যুগৰ এই দাবীক উপেক্ষা কৰাৰ দুঃসাহস কৰা উচিত নহয় (৮)। ●

---

(৮) ছাত্ৰ অৱস্থাত 'কটনিয়ান'ৰ সম্পাদনা, অধ্যাপনাৰ প্ৰথম পৰ্য্যায়ত কেইবছৰমান 'বিজ্ঞান জেউতি'ৰ সম্পাদনা তথা অন্যান্য সাময়িক স্মৃতিগ্ৰন্থ জাতীয় আলোচনীৰ সম্পাদনা আৰু সাম্প্ৰতিক কালত ক্ৰীড়াসংস্কৃতিৰ মাহেকীয়া 'অভিৰুচি'ৰ সম্পাদনা প্ৰসংগত আহৰণ কৰা অভিজ্ঞতাৰ ভিত্তিত এই প্ৰবন্ধৰ জুমুঠি তৈয়াৰ কৰা হৈছে। এই সন্দৰ্ভত কোনো গ্ৰন্থৰ সহায় লোৱা হোৱা নাই বাবে সংলিষ্ট গ্ৰন্থপঞ্জীৰ তালিকা দিয়া হোৱা নাই।

অসমীয়া বিজ্ঞান সাহিত্যৰ সম্পাদনা

ড° দীনেশ চন্দ্ৰ গোস্বামী।

কোনো এখন পাণ্ডুলিপি সম্পাদনা কৰি উলিওৱাৰ উদ্দেশ্য হ'ল তাৰ লেখকজনে কব খোজা কথাখিনি পাঠকৰ ওচৰত অধিক কাৰ্য্যকৰীভাৱে, সুন্দৰকৈ আৰু অধিক বোধগম্যভাৱে উপস্থাপন কৰা। এই কামত সম্পাদকে লক্ষ্য ৰাখে যে লেখকজনৰ ৰচনাৰ দুৰ্বলতাখিনি নোহোৱা কাৰোতে তাত যেন সম্পাদকৰ নিজা চাব নপৰে আৰু লেখকৰ স্বকীয়তা বজাই ৰাখি পাঠকৰ বুদ্ধিৰ পৰ্য্যায়, বয়স, দেশ কালৰ কথা মনত ৰাখি সম্পাদকে নিজৰ দায়িত্ব পালন কৰে। এই জটিল আৰু কষ্টসাধ্য দায়িত্ব পালন কৰোতে ভাল সম্পাদকে লেখকৰ লগত একাত্মা হৈ পৰিবলৈ যত্ন কৰে। সৃজনীমূলক ৰচনাৰ ক্ষেত্ৰত সম্পাদকৰ নিষ্ঠা আৰু একাত্মাৰ প্ৰয়োজন বহু বেছি হয় কিন্তু দ্বিতীয়ক ৰচনাৰ ক্ষেত্ৰতো এই দায়িত্ব সম্পাদকে এৰাই চলিব নোৱাৰে।

ভাৰতীয় ভাষাবোৰত আজি যি সম্পাদনা চলে তাক উচ্চ পৰ্য্যায়ৰ সম্পাদনা বুলিব নোৱাৰি। বেছিভাগ ক্ষেত্ৰতে সম্পাদকে বিশেষ কোনো প্ৰশিক্ষণ নোহোৱাকৈ, আধুনিক সম্পাদনা পদ্ধতি, লিখন পদ্ধতি, মুদ্ৰণ পদ্ধতি আদিৰ বিশেষ জ্ঞান নোহোৱাকৈ কেৱল নিজ অভিজ্ঞতা আৰু ৰুচিকে সম্বল হিচাবে লৈ সম্পাদনা কৰে। বহুক্ষেত্ৰত এই সম্পাদনা হাতত পৰা এসোপা ৰচনাৰ কেইখনমান বাচি লোৱা (বিশেষ বাচনি পদ্ধতি নোহোৱাকৈ) আৰু প্ৰেছ বন্দোবস্ত কৰি প্ৰেছত দি থৈ অহাতে সীমাবদ্ধ থাকে।

বিজ্ঞান সাহিত্য :

ভাৰতীয় কেইটামান ভাষাত যি এক সাধাৰণ বিজ্ঞান সাহিত্য বৰ্তমান গঢ়ি উঠিছে, ভাৰতীয় সাহিত্যৰ আন আন দিশৰ দৰেই তাতো বিশেষ কোনো সম্পাদনা পদ্ধতি প্ৰণালীবদ্ধভাৱে অনুকৰণ কৰা নহয়। গতিকে একমাত্ৰ সম্পাদক সহকৰ্মীৰ নিৰ্ধাৰ ওপৰতে নিৰ্ভৰ কৰি একোখন ৰচনা বা একোখন আলোচনী ভাল বা বেয়া হয়। এই ক্ষেত্ৰত লেখকজনে প্ৰথমতে কেনে ধৰণে লিখি দিছিল তাৰ ওপৰতে ছপা হৈ অহা ৰচনাখনৰ শেষ ৰূপটো বৰকৈ নিৰ্ভৰ কৰে।

কিন্তু সময়, নিষ্ঠা, ঐকন্তিকতা আদিৰ অভাৱৰ বাবে লেখকেও এৰাধৰা মনোভাৱ গ্ৰহণ কৰে আৰু বহুসময়ত একো একোটা বাক্য বা দফা 'এনেকৈ লিখা হলে বেছি ভাল হ'লহেতেন' বুলি অনুভৱ কৰিও আগতে তেনেকৈ লিখি পেলালেই বুলি তাত আৰু হাত নুফুৰায়। তেনে একোটা বাক্য বা দফা যেতিয়া আহি সম্পাদকৰ হাতত পৰে, তেতিয়া : (ক) কথা ফঁহিয়াই চোৱা অভ্যাসৰ অভাৱত তেওঁৰ মনত সেই দফাটোৱে কোনো প্ৰতিক্ৰিয়া নকৰিব পাৰে; (খ) দফাটোত খোকোজা লাগিলেও তাক পোনাব লাগিলে অযথা (?) কাট-কুট হয়, আকৌ প্ৰতিলিপি প্ৰস্তুত কৰাব লাগে। তাৰ বাবে সুবিধা আৰু সময় নাই, ইত্যাদি কাৰণত তেওঁ সেই কাম নকৰাৰ সিদ্ধান্ত লয়; নাইবা (গ) খোকোজা লাগিছে, কিন্তু কিয় বা ক'ত খোকোজা লাগিছে ধৰিব পৰা নাই, তাক পৰিষ্কাৰ কৰাৰ বাবে তেওঁৰ জ্ঞানৰ অভাৱ, লেখকক প্ৰশ্ন সুধি পঠাবলৈও সময় আৰু সুবিধাৰ অভাৱ; আদি কাৰণত বিনা দ্বিধাই সম্পাদকজনে সেই ৰচনা ছপাশাললৈ পঠাই দি দায়িত্ব পালন কৰে। এইবোৰ কাৰণত ছপা হৈ অহা ৰচনাখনত বাক্যৰ ভুল, শব্দৰ ভুল, তথ্যৰ ভুল, উজুটি খাব লগা হোৱা গঠন, অপৰিষ্কাৰ চিন্তা আৰু যুক্তিয়ে তল ওপৰ লগাই থাকে। উদাহৰণ :

অতীজৰে পৰাই জৈৱিক সাৰে কৃষি উৎপাদনত এক প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে যদিও অধিক শস্য উৎপাদনত ৰাসায়নিক সাৰৰ ব্যৱহাৰ ও প্ৰয়োজনীয়-জৈৱিক সাৰ সহজ লভ্য আৰু অতি কম খৰচতে নিজৰ ঘৰতে প্ৰস্তুত কৰি ল'ব পাৰি।

(পয়োভৰা, ১-১৫ নবেম্বৰ ১৯৭৮, পৃষ্ঠা ১, প্ৰথম বাক্য)

সম্পাদকে সাৰৰ বিষয়ে বিশেষ একো নাজানিলেও কেৱল লেখকৰ যুক্তিৰে চায়েই ওপৰৰ বাক্যটোৰ পৰা আচল কথাখিনি জুকিয়াই ল'ব পাৰে :

(১) জৈৱিক সাৰ অতীজৰে পৰা ব্যৱহাৰ কৰি অহা হৈছে।

(২) ৰাসায়নিক সাৰ অধিক উৎপাদনৰ বাবে প্ৰয়োজনীয় ঠিকেই,

(৩) কিন্তু, জৈৱিক সাৰেও উৎপাদন বৃদ্ধি কৰে আৰু জৈৱিক সাৰ ঘৰতে প্ৰস্তুত কৰি ল'ব পাৰি।

এই কথাখিনি পাঠকক কোৱাটোৱেই লেখকৰ উদ্দেশ্য আছিল। কিন্তু, লেখকৰ যতি চিহ্নৰ ব্যৱহাৰ সঠিক নোহোৱা আৰু বাক্য গঠন ত্ৰুটিযুক্ত হোৱা বাবে পাঠকে এই বাক্যটোৰ অৰ্থ বুজি নাপায়। এই ক্ষেত্ৰত সম্পাদকে লেখকক বোধগম্য, পৰিষ্কাৰ, অ-দ্ব্যৰ্থক আৰু কৃতকাৰ্য্য-ভাৱে পাঠকৰ ওচৰত উপস্থাপন কৰাব লাগিব।

আন এটা উদাহৰণলৈ আহক :

সাধাৰণতে ৮০ মোন গোবৰ খেতিলৈ বুলি মাটি চহাওঁতেই দি ল'ব লাগে।

এই বাক্যটো পঢ়িয়েই সম্পাদকে নিজকে সুধিব :

গোবৰ খেতিলৈ ? গোবৰৰ খেতি নেকি ?

উত্তৰ পাব : গোবৰৰ খেতি নহয়। কথাটো এনেহে, "খেতিলৈ বুলি মাটি চহাওঁতেই ৮০ মোনকৈ গোবৰ দিব লাগে"।

দ্বিতীয় প্ৰশ্ন : ৮০ মোন গোবৰ কিমান মাটিত দিব লাগে ? এক বিঘা, এক একৰ, এক হেক্টৰ নে কিমান ?

ৰচনাৰ আন অংশত উত্তৰটো থাকিলে আনিব লাগিব। নহলে

দাঁতিত প্ৰশ্ন কৰিব লাগিব: লেখক, কিমান কালিৰ মাটিত?

তাৰ পিছত যতি চিহ্নৰ কথা:

সাধাৰণতে (কমা) খেতিলৈ বুলি মাটি চহাওঁতেই প্ৰতি......ত ৮০ মোন হিচাবত (নে হিচাপত) গোবৰ দি ল'ব লাগে।

এতিয়া আকৌ আহিল মোন-সেৰক-টন-কিলোগ্ৰামলৈ নিয়াৰ কথা। বিঘা-কঠাক একৰ-হেক্টৰলৈ নিয়াৰ কথা। ইত্যাদি।

ইয়াৰ বাহিৰেও, হিচাপ / হিচাব, কিল'গ্ৰাম/ কিলোগ্ৰাম/কেজি, আদি, আনকি কেজি, ছেমি (ছেন্টিমিটাৰ) আদি লিখোঁতে কেজি. ছেমি. এনেকৈ ফুট (ফুলষ্টপ) দি লিখিব নে একো নিদিয়াকৈ লিখিব উৰ্দ্ধকমা থাকিলে এটা উৰ্দ্ধকমা দিব নে দুটাকৈ দিব এইবোৰো একেবাৰে আদিতেই ঠিক কৰি ল'ব লাগিব।

সাধাৰণতে, উক্তি উদ্ধৃতি দিওঁতে দুটা উৰ্দ্ধকমা আৰু জোৰ দিওঁতে বা বিশেষকৈ বুজাওঁতে এটাকৈ উৰ্দ্ধকমা দিয়াটো ভাল:

যেনে, নিউটনে ঘোষণা কৰিলে, "শক্তিৰ বিনাশ নাই।" (দুটা উৰ্দ্ধকমা)

এই বেগকে 'নিষ্কাষণ বেগ' বোলে। (এটা উৰ্দ্ধকমা)।

সংখ্যা লিখোঁতে কমা ব্যৱহাৰত মনোযোগ দিব লাগে:

যেনে: ৯, ১১, ৪০, ৯৫৬

(ন কোটি, এঘাৰ লাখ, চল্লিশ হাজাৰ, ন শ চাপন্ন)

ভাৰতত সংখ্যা লিখোতে সাধাৰণতে ভাৰতীয় পদ্ধতি ব্যৱহাৰ কৰা হয়।

৯১, ১৪০, ৯৫৬

(৯১ নিযুত ...) এনেকৈ নহয়।

এই প্ৰপত্ৰৰ সীমাৰ ভিতৰত, এজন সম্পাদকে মনোযোগ দিবলগীয়া সকলো সৰু বৰ কথা ফঁহিয়াই আলোচনা কৰাটো সম্ভৱ নহয়। সম্পাদকে কিমান সৰু-বৰ কথালৈ মনোযোগ দিব লাগে তাৰ দুই এটা উদাহৰণহে আগবঢ়োৱা হ'ল। *অসম বিজ্ঞান সমিতিয়ে অসমীয়া ভাষাত বিজ্ঞান*

সাহিত্য সম্পাদনাৰ নিৰ্দেশ পুথি এখন প্ৰস্তুত কৰাৰ কাম হাতত ললে লেখক সম্পাদক সকলোৰে সুবিধা হ'ব।

পাণ্ডুলিপি এখন সম্পাদকৰ হাতত পৰাৰ পৰা ছপা হৈ অহালৈকে বিভিন্ন স্তৰত সম্পাদকে কি কি ব্যৱস্থা ল'ব লাগে তাৰ এটা থূল-মূল বিৱৰণ তলত দিয়া হ'ল :

(১) সম্পাদকে পাণ্ডুলিপি ভালদৰে পঢ়ি খোকোজা লগা, যুক্তি প্ৰতিপন্ন নোহোৱা ভাৱত বিছিন্ন হৈ পৰা অংশবোৰ চিন দি ল'ব লাগে। লেখকৰ প্ৰতি হ'ব পৰা প্ৰশ্নৰ চিনো দাঁতিত দি যাব লাগে। এই স্তৰত পাণ্ডুলিপিটো তিনি বা চাৰিজন মানুহে বেলেগে বেলেগে মনোযোগেৰে পঢ়ি তাক উন্নত কৰিব লাগে।

এই কাম সুচল কৰিবৰ বাবে লেখকক নিৰ্দেশ দিব লাগে যে

(i) পাণ্ডুলিপিত যেন এক পৃষ্ঠাত দহ-বাৰ শাৰীকৈ কথা লিখে ;

(ii) দাঁতিত আৰু শাৰীৰ মাজত যেন ফাঁক ৰাখে আৰু

(iii) চিত্ৰসমূহ যেন স্পষ্টকৈ বৰ্ণনা কৰে (Caption দিয়ে) আৰু লেবেল কৰে।

(২) ইয়াৰ পাছত শুদ্ধীকৃত পাণ্ডুলিপি নকল কৰাৰ লাগে। অসমীয়া টাইপ ৰাইটাৰ এই কামৰ বাবে সুবিধাজনক নহয়। গতিকে ভাল হাতৰ আখৰৰ নকল কৰা মানুহ ৰাখিব লাগে। এনেদৰে এবাৰতে তিনিটাকৈ নকল প্ৰস্তুত কৰিব পাৰি।

(৩) আৰ্টিষ্টৰ হতুৱাই চিত্ৰ অঁকাব, শুদ্ধ কৰাব বা উন্নত কৰাব লাগে।

(৪) নকলবিলাক মূল পাণ্ডুলিপিৰ লগত মিলাই মিলাই চাব লাগে। দুজন মানুহৰ এজনে নকল চাই যাব লাগে। আনজনে মূল পাণ্ডুলিপি পঢ়ি যাব লাগে। এই স্তৰতো সন্দেহৰ চিন, উন্নত কৰিব পৰা ঠাইৰ চিন আদি দি যাব লাগে আৰু পাৰিলে উন্নত কৰিব লাগে। বানানৰ প্ৰতি যথেষ্ট মনযোগ দিব লাগে।

(৫) চিত্ৰবোৰ আগত ৰাখি অন্ততঃ তিনিজন মানুহে বেলেগে

বেলেগে ৰচনাখন আকৌ পঢ়িব লাগে। পঢ়াৰ অৰ্থ হ'ল নিষ্ঠাৰে সম্পাদনা কৰা। নকল কৰাৰ নলগা উন্নত ৰচনাক পোনে পোনে প্ৰথম পৰ্য্যায়ৰ পৰা এই পৰ্য্যায়লৈ আনিব পাৰি।

(৬) সম্পাদিত ৰচনাৰ সন্দেহ, নতুনকৈ লগা তথ্য আদিৰ বাবে লেখকৰ লগত যোগাযোগ কৰিব লাগে।

(৭) প্ৰেছলৈ পঠোৱাৰ বাবে পাণ্ডুলিপি সাজু কৰিব লাগে। এই পৰ্য্যায়ত গোটেই আলোচনীখনৰ প্ৰবন্ধপাতি একেলগে পঢ়িব পাৰিলে সুবিধা হয়। কোন শিৰোনামাত কি টাইপৰ আখৰ যাব, ক'ত কোন নম্বৰ ব্লক যাব, চিত্ৰবোৰ কিমান ডাঙৰ হ'ব (ছেমিংত বা কলমৰ জোখত), কোনখিনি কথা ভিতৰ সুমুৱাই (indent দি) ছপোৱা হ'ব আদি চিন দিব লাগে। এই চিনবোৰ দিয়া আৰু italic বা bold আখৰ ব্যৱহাৰ কৰাৰ কিছুমান আন্তৰ্জাতিক নিয়ম আছে। এইবোৰ কথা এই প্ৰপত্ৰত লিখি বুজোৱা সম্ভৱ নহয়।

(৮) গেলি প্ৰুফৰ এটা ছেট এজনে পাণ্ডুলিপি পঢ়ি যাওঁতে আন এজনে মিলাই চাই যাব লাগিব। তাৰ বাহিৰেও অন্ততঃ চাৰিজন মানুহে (তাৰ ভিতৰত সম্পাদক থাকিবই লাগিব) গেলি প্ৰুফ পঢ়িব লাগিব। সকলো শুদ্ধীকৰণৰ চিন প্ৰুফৰ এটা ছেটত দি, চিত্ৰাদিৰ স্থান দেখুৱাই প্ৰেছলৈ পঠাব লাগিব।

(৯) আন এটা ছেটৰ পৰা কাটি কাটি আলোচনীৰ নিজ জোখ, ফৰ্মাট আৰু ষ্টাইলত আঠা বা পিনেৰে লগাই লগাই গোটেই আলোচনীখনৰ ডামি (dummy) সাজি প্ৰেছলৈ নমুনা হিচাবে পঠাব লাগিব।

(১০) প্ৰেছে পঠোৱা পেজ প্ৰুফ অন্ততঃ চাৰিজন মানুহে বেলেগে বেলেগে পঢ়িব লাগিব। পঢ়াৰ আগতে সকলো শুদ্ধীকৰণ লোৱা হৈছেনে নাই চাব লাগিব।

(১১) সন্তুষ্ট হ'লে এই পৰ্য্যায়ত ছপাবলৈ নিৰ্দেশ (print order) দিব পাৰি। সন্তুষ্ট নহ'লে প্ৰেছক আৰু প্ৰুফ খুজিব লাগিব।

দুখৰ কথা এই যে অসমীয়া কোনো ছপাতেই প্ৰুফ চাওঁতে ল'ব

লগা সাৱধানতা কেতিয়াও লোৱা নহয়। ফলত বিজ্ঞানৰ প্ৰৱন্ধত কোবাল্ট (Co) কাৰ্বন মন'ক্সাইড (CO) হিচাবে ছপা হয়।

সুখৰ কথা যে যোৱা চৈধ্যটা বছৰত 'বিজ্ঞান জেউতি'য়ে প্ৰৱন্ধ প্ৰস্তুতিৰ পৰ্য্যায়লৈকে যথেষ্ট দক্ষতা অৰ্জ্জন কৰিছে। নানা অসুবিধাত (ধন, কপিষ্ট, আৰ্টিষ্ট প্ৰুফ ৰিডাৰ, কপি হোল্ডাৰ) সম্পাদনাৰ কাৰিকৰী দিশটোত যথেষ্ট দুৰ্বলতা থাকি গৈছে। এই প্ৰপত্ৰই এই দিশত কিছু পোহৰ পেলাব বুলি আশা কৰা হৈছে। ●

অসমীয়া বিজ্ঞান সাহিত্যৰ পাঠকৰ ৰুচি

শ্ৰীদীনেশ বৈশ্য।

"স্বৰ্গলৈ যোৱাৰ প্ৰতি মোৰ অকণো আগ্ৰহ নাই কাৰণ স্বৰ্গত লাইব্ৰেৰী নাই। কোনো ধৰ্মৰ পৌৰাণিক কাহিনীত স্বৰ্গৰ গ্ৰন্থাগাৰৰ কোনো বৰ্ণনা মই এতিয়ালৈ পঢ়া নাই। কোনোবাই যদি সোধে পৃথিৱীত থাকি আটাইতকৈ বেছি আনন্দ কিহত পোৱা যায়, তেনেহলে মই কম শুই শুই কিতাপ পঢ়াত" এয়া এগৰাকী প্ৰথিতযশা জনপ্ৰিয় ভাৰতীয় সাহিত্যিকৰ মনৰ কথা। মোৰ বন্ধু এজন উচ্চ শিক্ষিত। বুদ্ধিজীৱি শ্ৰেণীৰ চাকৰি কৰে। পঢ়াশুনাৰ কথা উলিয়ালে তেওঁ কয়—"মই যদি কিবা কাম বেয়া পাওঁ সেয়া হ'ল কিতাপ পঢ়া"।

"মানুহটোৰে প্ৰতি মনটো ধানটোৰে প্ৰতি কণটো" অসমীয়া জটুৱা ঠাঁচত আছেই। যিদৰে টান কাম মানুহৰ মন পোৱা সিদৰেই টান কাম মানুহৰ ৰুচি বুজা।

আদিম মানুহৰ ক্ষুধা আছিল দুটা পেটৰ ক্ষুধা আৰু যৌন ক্ষুধা। সভ্যতাৰ জখলাত বগাওঁতে মানুহক আৰু বহুত ক্ষুধাই লগ দিলে। তাৰে অন্যতম: জ্ঞানৰ ক্ষুধা। কিতাপ হ'ল জ্ঞানৰ ভৰাল। সেয়েহে নপঢ়া কিতাপ দেখিলেই জ্ঞান ক্ষুধাতুৰ মানুহে কিতাপৰ ওপৰত জপিয়াই পৰে। যিদৰে কোনো প্ৰাণীয়ে অখাদ্য খাব নিবিচাৰে তেনেদৰে মানুহেও অৰুচিৰ কিতাপ পঢ়িব নিবিচাৰে। লিখকে কিতাপ লিখে পঢ়ুৱৈৰ মন জয় কৰাৰ উদ্দেশ্যৰে। পঢ়ুৱৈও কিতাপ পঢ়ে মনৰ খোৰাক পাবলৈ যিবিলাক কিতাপে পঢ়ুৱৈক মনৰ খোৰাক যোগাব পাৰে তেনেবোৰ কিতাপৰ লিখক জনপ্ৰিয় হয়। জনপ্ৰিয় লিখকৰ কিতাপ বেছিকৈ

বিক্রি হয়। বেছিকৈ বিক্রি হোৱা কিতাপ মানেই ৰুচিসম্মত কিতাপ নেকি ?

সম্প্ৰতি বিশ্বৰ কিতাপৰ জগতত 'বেষ্টচেলাৰ' বুলি কথা এটা আছে। যোৱা দশকত বিশ্বৰ বজাৰত দুখন উল্লেখযোগ্য বেষ্টচেলাৰ কিতাপ হ'ল 'গড ফাদাৰ' আৰু 'এক্ জৰচিষ্ট'। 'গড ফাদাৰ' বিক্রি হয় ১ কোটি ৩০ লাখ কপি আৰু এখন 'এক্ জৰ্ চিষ্ট' ১ কোটি ২০ লাখ কপি। এনেদৰে অদ্ভুত সংখ্যাৰ কিতাপ বিক্রি যোৱা কিতাপবোৰক বেষ্ট্চেলাৰ বুলি কোৱা যায়। বেষ্ট্চেলাৰ মানেই অধিক পাঠকে কিনা বা পঢ়া কিতাপ। অন্য অৰ্থত অধিক জনপ্ৰিয় কিতাপ। কিন্তু বেষ্টচেলাৰ মানেই উৎকৃষ্ট কিতাপ নহয়। বৰং গৰম সুস্বাদু খাদ্যৰ দৰে বিক্রি হোৱা এই কিতাপ বোৰৰ গুণগত মান সম্পৰ্কে যথেষ্ঠ সন্দেহৰ অৱকাশ আছে এই কথা সকলোৱে স্বীকাৰ কৰে। এইবোৰ কিতাপত কি লিখা হৈছে সেইটো পাঠকৰ বিচাৰ্য নহয় কোনে লিখিছে সেইটোহে আচল কথা। যি দৰে বোলছবি জগতৰ 'চুপাৰ ষ্টাৰ' অভিনেতাসকলে ভাল অভিনয় কৰিলেনে বেয়া অভিনয় কৰিলে সেইটো দৰ্শকৰ বিচাৰ্য্য বস্তু নহয়। প্ৰিয় অভিনেতাই অভিনয় কৰাৰ বাবেই এই কথাছবিবোৰ দৰ্শকে চায়। অভিনয়ৰ মানদণ্ডৰ হিচাব লোৱা নহয়।

গতিকে দেখা যায় তথাকথিত ব্যৱসায়িক জনপ্ৰিয়তাই সকলো সময়তে সুস্থ ৰুচিবোধৰ স্বাক্ষৰ বহন নকৰে। এই ক্ষেত্ৰত অধিক পাঠকে গ্ৰহণ কৰা বাবেই তাকে পাঠকৰ আদৰ্শ ৰুচি বুলি লিখকসকলক সেই পথেৰে পৰিচালিত কৰিবলৈ উদগনি জনোৱাটো অতিশয় ভুল হ'ব। এইখিনিতে প্ৰশ্ন উঠে—তেনেহ'লে কিহৰ মাপ কাঠিৰে পাঠকৰ ৰুচিৰ জু লোৱা যায় ?

পাঠকৰ ৰুচিৰ জু লোৱাৰ কথাটো এই বাবেই উঠিছে যে প্ৰকাশক সকলৰ মুখ্য উদ্দেশ্য সৰহ সংখ্যক পাঠকে যি বিচাৰে তেনেকুৱা পুথি প্ৰকাশ কৰি ব্যৱসায়িক সাফল্য লাভ কৰা। অৱশ্যে দুই এক প্ৰকাশকে সামাজিক দায়বদ্ধতাৰ দিশটোলৈ লক্ষ্য ৰাখি ব্যতিক্ৰম হোৱাৰ দৃষ্টান্তও

নোহোৱা নহয়। পিচৰ শ্ৰেণীৰ প্ৰকাশকৰ সংখ্যা অতি তাকৰ। আনহাতে লিখকসকলৰ মনতো এটা হেপাহ থাকে অধিক সংখ্যক পাঠকৰ মন জয় কৰাৰ। অৱশ্যে এনে লিখকৰ সংখ্যা বেছি নহয়। অসমীয়া ভাষাত লিখাটো এতিয়াও পেচা হৈ পৰা নাই। গতিকে লিখকসকলে এক মহৎ উদ্দেশ্যৰে আৰু সৃষ্টিৰ তাৰণাত পৰি লিখা আৰম্ভ কৰে। গতিকে দেখা যায় অসমীয়া সাহিত্যৰ লিখকসকল ব্যৱসায়িক প্ৰভাৱত পৰি দূষিত হোৱা নাই এতিয়াও।

বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত এই ধাৰণা অধিক স্পষ্ট। অসমীয়া ভাষাত "বিজ্ঞান সাহিত্য" বুলি ক'বলৈ আজি কিছুদিনৰ আগৰে পৰাহে এদল বিজ্ঞান সাহিত্য সেৱীয়ে আৰম্ভ কৰিছে। অসমীয়া বিজ্ঞান সাহিত্যই পাঠ্য-পুথিৰ গণ্ডীৰ পৰা মুক্তি লাভ কৰিছেহে মাথোন। গতিকে অসমীয়া বিজ্ঞান সাহিত্যৰ পাঠকৰ ৰুচি তেনেই কুমলীয়া আৰু কোমল। এইটো এটা বৰ ডাঙৰ সুবিধা অসমীয়া বিজ্ঞান সাহিত্যৰ লিখক, প্ৰকাশক আৰু পৃষ্ঠপোষক সকলৰ বাবে। কাৰণ কুমলীয়া বাঁহৰ গজালি যেনিয়ে ইচ্ছা তেনিয়ে ভাঁজ লগাব পৰাৰ দৰে অসমীয়া বিজ্ঞান সাহিত্যৰ পাঠকৰ ৰুচি লিখক, প্ৰকাশক আৰু পৃষ্ঠপোষকে নিজৰ ইচ্ছানুসৰি গঢ় দিব পাৰে। এক কথাত অসমীয়া বিজ্ঞান সাহিত্যৰ পাঠকৰ ৰুচি নিৰ্ভৰ কৰিছে অসমীয়া বিজ্ঞান সাহিত্যৰ লিখক, প্ৰকাশক আৰু পৃষ্ঠপোষকৰ ওপৰত। আচলতে অসমীয়া ভাষাত বিজ্ঞানৰ পুথি ইমান তাকৰ যে পাঠকে বাচি বাচি পঢ়িব পৰা হোৱাই নাই। আঙুলিৰ মূৰত লিখিব পৰা সংখ্যাৰ অসমীয়া বিজ্ঞান সাহিত্যৰ পুথি যি কেইখন ওলাইছে সেই কেইখনৰ প্ৰকাশৰ সময়ৰ ব্যৱধান ইমান বেছি যে এখন কিতাপ বজাৰত শেষ হলেহে আন এখন বজাৰত ওলায়। অসমীয়া বিজ্ঞান সাহিত্যৰ পুথিৰ বজাৰত প্ৰতিযোগিতা এতিয়াও চলা নাই।

আমাৰ সমাজত বিজ্ঞান সচেতনতাৰ অভাৱ আছে যদিও বিজ্ঞান জিজ্ঞাসাৰ অভাৱ নাই। অসমীয়া পাঠকৰ বিজ্ঞান জিজ্ঞাসা পূৰাবলৈ যথেষ্ট সংখ্যক আৰু বিভিন্ন দিশৰ তথা বিভিন্ন পৰ্য্যায়ৰ কিতাপ নাই

বাবেই পাঠকৰ জিজ্ঞাসাৰ তৃষ্ণা অতৃপ্ত হৈ আছে।" সেই বাবেই যেকি এতিয়ালৈ প্ৰকাশিত প্ৰায় সকলোবোৰ কিতাপকেই পাঠক সমাজে সুন্দৰভাৱে গ্ৰহণ কৰিছে। অৱশ্যে এটা কথা ঠিক যে এতিয়ালৈ অসমীয়া ভাষাত যিমানবোৰ বিজ্ঞানৰ পুথি প্ৰকাশ হৈছে তাৰে সৰহভাগেই শিশুৰ উপযোগী আৰু জনপ্ৰিয় পৰ্য্যায়ৰ কৃষি বা চিকিৎসা-বিজ্ঞানৰ পুথি। এইবোৰ পুথি এফালৰ পৰা চাব গ'লে পাঠ্য-পুথিৰ স্তৰৰ পৰা অলপহে উৰ্দ্ধত স্থান পাব পৰা। এনেবোৰ পুথিয়ে বিষয়-সমূহৰ প্ৰাৰম্ভিক জ্ঞানহে দিব পাৰে। গতিকে এচাম পাঠক অসমীয়া বিজ্ঞান সাহিত্যৰ বৰ্ত্তমান ধাৰাটোৰ প্ৰতি বিকৰ্ষিত হোৱাটো স্বাভাৱিক। অৱশ্যে কেইখনমান অসমীয়া বিজ্ঞান সাহিত্যৰ সদ্য প্ৰকাশিত কিতাপ উচ্চমানদণ্ডৰ মৌলিক চিন্তাপুষ্ট। এই কিতাপ কেইখন বিজ্ঞানৰ ইতিহাস আৰু বিজ্ঞান, দৰ্শন আৰু ধৰ্মৰ সম্পৰ্ক আদি বিষয়বস্তুৰ ওপৰত লিখা। কিতাপ কেইখন অকল অসমীয়া বিজ্ঞান সাহিত্যতে নহয়, অসমীয়া সাহিত্যতো মাইলৰ খুটি হ'ব পৰা পৰ্য্যায়ৰ হৈছে যদিও এই কিতাপ কেইখনক লৈ অসমীয়া পাঠক সমাজত কোনো ধৰণৰ বা-বতাহ সৃষ্টি হোৱা নাই। যথাযথ ভাৱে অইন কিতাপৰ দৰেই এই কিতাপবোৰো বজাৰত চলি থকাটোৱে অসমীয়া পাঠকৰ নিৰ্লিপ্ততাৰ কথাকে সূচায়।

অৱশ্যে এনে ধৰণৰ সচা অৰ্থত অতি বিজ্ঞান সচেতন মৌলিক চিন্তাধাৰাৰ কিতাপে চাঞ্চল্যৰ সৃষ্টি কৰিবৰ বাবে যি পৰিৱেশৰ আৱশ্যক তেনে ধৰণৰ বিজ্ঞান সচেতন সামাজিক পৰিৱেশ অসমত এতিয়াও গঢ়ি উঠা নাই। ইয়াৰ বাবে অৱশ্যে আমি লিখক বা পাঠক কোনোটো শ্ৰেণীকে দায়ী কৰিব নোৱাৰো। ইয়াৰ যথেষ্ট কাৰণ আছে। ইয়াৰ প্ৰধান কাৰণ হ'ল গণ-সংযোগৰ মাধ্যমবোৰৰ বিজ্ঞান প্ৰচাৰ আৰু প্ৰসাৰ সম্পৰ্কীয় ধাৰণা আৰু প্ৰচলিত নীতি-নিয়ম। প্ৰথমেই আমি অনাতাঁৰ মাধ্যমলৈ আহোঁ। অনাতাঁৰ মাধ্যমৰ স্থানীয় কেন্দ্ৰবোৰে যদিও ৰাষ্ট্ৰীয় নীতি-নিয়ম মানি চলে তথাপি দেখা যায় বিজ্ঞানৰ অনুষ্ঠানবোৰ পৰিৱেশন কৰাত ভাৰতৰ অন্যান্য কিছুমান অনাতাঁৰ কেন্দ্ৰৰ বিজ্ঞানৰ অনুষ্ঠানৰ

তুলনাত আমাৰ স্থানীয় কেন্দ্ৰ কেইটাৰ অনাতাঁৰ অনুষ্ঠান কিছু হ'লেও নিম্ন পৰ্য্যায়ৰ। সাধাৰণতে দেখা যায় কৃষি, চিকিৎসা বিজ্ঞান আদি বিষয়ৰ ৰসহীন বৰ্ণনা ভিত্তিক প্ৰবন্ধ কিছুমান প্ৰচাৰ কৰা যায়। পাঠ্য-পুথিৰ দৰে ভাষা আৰু পৰিৱেশনাৰ ষ্টাইলে এই বিষয়বস্তুবোৰকো শ্ৰোতাৰ মনোগ্ৰাহী কৰিব পৰা নাই। তাৰোপৰি বিজ্ঞানৰ অন্যান্য বিষয়সমূহৰ ওপৰত যিবোৰ সাময়িক প্ৰবন্ধ প্ৰচাৰ কৰা হয় সিবোৰ নিসন্দেহে তথ্য পূৰ্ণ যদিও গুঢ় বিশ্লেষণাত্মক নোহোৱাৰ বাবে বিষয়বস্তু সৰ্ব্বস্ব পাঠ্য-পুথি গন্ধী আৰু বাৰ্ত্তা গন্ধী হৈ পৰে। ফলত শ্ৰোতাই এনেবোৰ প্ৰবন্ধ শুনি প্ৰভাৱান্বিত নহয় আৰু মতামত বিনিময় কৰিবলৈ ইচ্ছা বোধ নকৰে। আন জনপ্ৰিয় অনুষ্ঠনাবোৰ বিজ্ঞানৰ বিস্ময়কৰ আৱিষ্কাৰক লৈয়েই ব্যস্ত হৈ থকা বাবে ই শ্ৰোতাৰ মনত বৈ যাব পৰা নাই। এইবোৰ অনুষ্ঠান শ্ৰোতাই মেজিক চোৱাৰ দৰে ভেল্কি লাগি শুনেহে মাথোন। জন-জীৱনৰ ওপৰত এনেবোৰ অনুষ্ঠানৰ প্ৰভাৱ শূন্য হোৱাটো তেনেই স্বাভাৱিক।

আলোচনী, বাৰ্ত্তালোচনী আদিৰ ক্ষেত্ৰতো কথা একেটাই। বেছি-ভাগ আলোচনীতে বিজ্ঞানৰ প্ৰবন্ধক বেছি প্ৰাধান্য দিয়া নহয়। লাগিলে বিহুগীতত তামোল পান, দুৰ্গাপূজাত বলি বিধান জাতীয় প্ৰবন্ধৰেই আলোচনীৰ পাত ভৰাই থব। যি দুই এখন আলোচনীয়ে বিজ্ঞান স্তম্ভ বা বিজ্ঞান শিতান এটি মাহেকে পষেকে ছপাই উলিয়ায় সিও বাতৰিৰ পৰ্য্যায়ৰ। তাত চমক প্ৰদ আৱিষ্কাৰৰ বাতৰিৰ বাহিৰে আন একো পোৱা নাযায়। বিস্ময়কৰ আৰু চাঞ্চল্যকৰ এই বাতৰিবোৰ পঢ়ি পাঠকে সাময়িক বিস্ময়ৰ মাজত বুৰগৈ আমোদ পোৱাৰ বাহিৰে বেছি একো নেপায়। আচলতে এনেবোৰ বিজ্ঞানৰ লিখাক সাহিত্য বুলি কোৱাও নাযায়। আলোচনী বা বাৰ্ত্তালোচনী সমূহৰ সম্পাদক বা পৃষ্ঠপোষক গোষ্ঠীয়ে এনে বিজ্ঞানৰ লিখাক আগস্থান দিয়াৰ কাৰণ— 'পাঠকে বিচাৰে' বুলি কলে ভুল হ'ব। আচলতে এই সম্পাদক আৰু পৰিচালক সকলৰ বদ্ধমূল ধাৰণা বিজ্ঞান মানেই চাঞ্চল্যকৰ আৱিষ্কাৰ

আৰু বিজ্ঞানৰ লিখা মানেই এই চাঞ্চল্যকৰ আৱিষ্কাৰ সমূহৰ বিষয়ে লিখা অতি চাঞ্চল্যকৰ প্ৰবন্ধ। সম্পাদক, প্ৰকাশক সকলৰ এনে ধাৰণাই বিজ্ঞানক জীৱনমুখী কৰি প্ৰচাৰ কৰাত প্ৰচণ্ড বাধা হৈ ঠিয় দিছে। অথচ দুই এক ক্ষেত্ৰত দেখা গৈছে যে মৌলিক তথ্য সম্বলিত জীৱনমুখী বিজ্ঞানৰ প্ৰবন্ধই পাঠক সমাজৰ মাজত দকৈ সোমাই পৰি দীৰ্ঘকালীন মতামতৰ অৱতাৰণা কৰিবলৈও সমৰ্থ হৈছে। গতিকে কেৱল মাথো আৱিষ্কাৰৰ বিস্ময়কৰ বাতৰি সস্তীয়া ভাৱে পৰিৱেশন কৰাটোৱেই পাঠকে বিচাৰে বুলি ভৱাটো সম্পূৰ্ণ ভ্ৰান্ত ধাৰণা।

অসমীয়া ভাষাত বিজ্ঞান সাহিত্য বুলি যিটো পৰ্যায়ৰ সাহিত্য যথেষ্ট জনপ্ৰিয়তাৰে আজি কালি প্ৰকাশ হ'ব ধৰিছে সেইটো হ'ল বিজ্ঞানভিত্তিক গল্প সাহিত্য। গুণগত ভাৱে অসমীয়া মৌলিক বিজ্ঞান ভিত্তিক গল্প সাহিত্য যথেষ্ট উচ্চ পৰ্য্যায়ৰ বুলি কলে ভুল কৰা নহ'ব নিশ্চয়। কিন্তু তেনে পৰ্য্যায়ৰ অসমীয়া মৌলিক বিজ্ঞান ভিত্তিক গল্প চাৰি পাঁচটা মানহে এতিয়ালৈ প্ৰকাশ পাইছে আৰু লিখকো মাত্ৰ দুজন মানহে। আনহাতে বহু সংখ্যক অসমীয়া বিজ্ঞান ভিত্তিক গল্প, বিভিন্ন জনপ্ৰিয় আলোচনীৰ পাতত নিতৌ প্ৰকাশ হ'ব লাগিছে যদিও এইবোৰক 'বিজ্ঞান ভিত্তিক' বুলি স্বীকৃতি দিব নোৱাৰি। কোনো ধৰণৰ বিজ্ঞানৰ প্ৰতিষ্ঠিত সূত্ৰৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱা এইবোৰ গল্পক সস্তীয়া ৰহস্য গল্প বুলি কোৱাহে উচিত হ'ব। গল্পৰ নায়ক বিজ্ঞানী হ'লে বা বিজ্ঞানৰ যন্ত্ৰপাতিৰ কথা বা বিজ্ঞানৰ শব্দ ব্যৱহাৰ কৰিলেই এটা গল্প বিজ্ঞান ভিত্তিক হ'ব নোৱাৰে। বিজ্ঞান ভিত্তিক গল্পবোৰ আচলতে বিজ্ঞানৰ সূত্ৰ কিছুমানক ভিত্তি কৰি সম্ভাৱনাপূৰ্ণ কল্পনাৰে সজোৱা হয়। বিজ্ঞান ভিত্তিক গল্পৰ বুৰঞ্জী চালে দেখা যায় যে বহুবোৰ গল্পক ভিত্তি কৰিয়েই পৰৱৰ্ত্তী নানাবোৰ চাঞ্চল্যকৰ আৱিষ্কাৰ সম্ভৱ হৈছে। গতিকে অসমীয়া ভাষাত বৰ্ত্তমান চলি থকা জনপ্ৰিয় ভৌতিক, ৰহস্য গল্প সমূহক বিজ্ঞান ভিত্তিক গল্প বুলি আখ্যা দিয়াটো অনুচিত হৈছে। এনে কৰাৰ বাবে বিজ্ঞানৰ আচল অৰ্থক বিকৃত কৰি হেয় প্ৰতিপন্ন কৰা হৈছে। তাবো-

পৰি বিজ্ঞানৰ আচল স্বৰূপটো প্ৰকাশ নকৰি নকল তথা বিকৃত ৰূপ এটাহে পাঠকৰ মাজত ডাঙি পাঠকক ভুল পথে পৰিচালিত কৰা হৈছে আৰু বিজ্ঞানৰ জীৱনমুখী দিশটোৰ বাটত হেঙাৰ দিয়া হৈছে।

সামৰণিত কেইটামান কথাৰ প্ৰতি অসমীয়া সাহিত্য তথা বিজ্ঞান সাহিত্যৰ লিখক, প্ৰকাশক, পাঠক আৰু সংশ্লিষ্ট মহলৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ।

(১) বিজ্ঞান পুথিক অসমীয়া পাঠকে অতি আগ্ৰহেৰে আদৰি আছে গতিকে বিজ্ঞানৰ পুথি প্ৰকাশ কৰিবলৈ প্ৰকাশক সকলে আগনবঢ়াটো বৰ পৰিতাপৰ কথা।

(২) অসমীয়া বিজ্ঞান সাহিত্যৰ পাঠকে বিজ্ঞান সাহিত্যক চাঞ্চল্যৰ আৱিষ্কাৰৰ বাতৰিৰ ৰূপত গ্ৰহণ কৰিবলৈহে ইচ্ছুক নহয়। বিজ্ঞানৰ নতুন দিগন্তৰ লগত পৰিচয় হোৱাৰ লগতে বিজ্ঞানৰ গুঢ় বিশ্লেষণাত্মক সাহিত্যকো আগ্ৰহেৰে আকোৱালি লবলৈ অসমীয়া পাঠক অতিশয় ইচ্ছুক?

(৩) বিজ্ঞানৰ কঠিন সূত্ৰ সমূহকো অতি সহজ ভাষাত প্ৰাঞ্জল ভাৱে প্ৰকাশ কৰিব পৰা ক্ষমতা থকা অসমীয়া লিখক থকা বাবে অনাহকতে বিজ্ঞানৰ কথাবোৰ জটিল কৰি লিখা পুথি বা প্ৰবন্ধবোৰক গ্ৰহণ কৰিবলৈ অসমীয়া বিজ্ঞান সাহিতৰ পাঠক আগ্ৰহান্বিত নহয়।

(৪) তথাকথিতভাৱে জনপ্ৰিয় ভৌতিক তথা ৰহস্য সাহিত্যক বিজ্ঞান সাহিত্য বুলি চলাই দিয়াটো যে গৰ্হিত কাম সেই কথাটোৰ প্ৰতি সংশিষ্ট মহল সচেতন হোৱা উচিত।

(৫) জীৱনমুখী বিজ্ঞান সাহিত্যই পাঠকৰ মনত দকৈ খোপনি পুতিব পৰাৰ উপৰিও সমাজৰ বিজ্ঞান সচেতনতা গঢ়ি তোলাত সহায় কৰাটো প্ৰমাণিত সত্য। গতিকে অসমীয়া পাঠকক এই দিশটোৰ গভীৰলৈ লৈ যোৱাৰ দায়িত্বত থকা লিখক আৰু প্ৰকাশক সকল এই দিশত যত্নবান হোৱা উচিত।

পৰিশিষ্ট–১

অসমীয়া বিজ্ঞান সাহিত্যৰ গ্ৰন্থতালিকা

সাধাৰণ বিজ্ঞান ঃ

পুথিৰ নাম	লিখক/সম্পাদকৰ নাম	প্ৰকাশৰ সময়
১। ভূগোল শিক্ষক	—	১৮৪৫
২। সমাচাৰ চন্দ্ৰিকা	—	১৮৪৯
৩। বিজ্ঞানৰ বাৰেমতৰা	—	১৮৫৫
৪। বিজ্ঞানৰ বিচিত্ৰ কাহিনী	মূল ৰচনা—মঃ কুদৰৎ ইখুদা অনুবাদক—আহমেদ হুছেইন	১৯৩৯
৫। প্ৰকৃতি দৰ্পণ	ৰঘুনাথ চৌধুৰী	১৯৩৯
৬। বিজ্ঞান আগকথা	ডিম্বেশ্বৰ নেওগ	?
৭। বিজ্ঞান আৰু বিশ্বাস	ৰবীন্দ্ৰনাথ বৰুৱা	?
৮। বিজ্ঞানৰ সাধু	ৰোহিণী বৰুৱা	১৯৪৩
৯। বিজ্ঞানৰ কথা	শান্তি দাস	১৯৫১
১০। বিজ্ঞানৰ সিপাৰে	ৰাধানাথ ফুকন	১৯৫৫
১১। বিজ্ঞানৰ বিস্ময় বাতৰি	দ্বীপেন্দ্ৰনাথ শৰ্মা	১৯৫৬
১২। বিজ্ঞানৰ বিজয় কাহিনী	প্ৰসন্ন গোস্বামী	১৯৬০
১৩। বিজ্ঞান আৰু বৈজ্ঞানিক	পাককুটি বৰুৱা আৰু হিতেন্দ্ৰ কুমাৰ বৰুৱা	১৯৬০
১৪। বিজ্ঞানৰ সাধু	ডঃ যোগেন্দ্ৰনাথ বৰুৱা	১৯৬১
১৫। Aspects of Science ৰ অনুবাদ—বিজ্ঞানৰ বিভিন্ন ধাৰা	মূল ৰচনা – চাৰ চি, ভি, ৰমণ অনুবাদক—নৰহৰি দাস	১৯৬৩
১৬। কামৰূপা	সম্পাদিত—ডঃ ভুবনমোহন দাস	১৯৬৯
১৭। প্ৰাথমিক বিজ্ঞান কোষ (১ম খণ্ড)		
১৮। ” ” ” (২য় খণ্ড)		
১৯। ডঃ হিৰণ্য চন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ	সম্পাদিত—চন্দ্ৰ শৰ্মা	১৯৭৪

সাধাৰণ বিজ্ঞান ঃ

পুথিৰ নাম—	লিখক/সম্পাদকৰ নাম—	প্ৰকাশকৰ সময়
২০। বিজ্ঞান ৰচনা	সম্পাদক·হৰিদেৱ গোস্বামী	
২১। সংযোগ	দীনেশ চন্দ্ৰ গোস্বামী	১৯৭৯
২২। বায়ু আৰু পানী	দীনেশ বৈশ্য	১৯৮১

গণিত ঃ

১। কৌতুক আৰু কাইথেলী অঙ্ক	দণ্ডীৰাম দত্ত	১৯২৬
২। গণিতৰ কথা	ভূপতি ডেকা	১৯৬৮

জ্যোতির্বিদ্যা ঃ

১। আকাশ ৰহস্য	সত্যনাথ বৰা	১৯১৬
২। গণিত ভূগোল	শৰৎ চন্দ্ৰ গোস্বামী	১৯৪০
৩। বিশ্ব ৰহস্য	বিনয়কুমাৰ তামুলী	১৯৬০
৪। মহাকাশ অভিযান	” ”	১৯৬২
৫। আকাশৰ কথা	হৰেণ কলিতা	১৯৬৪
৬। Mysterious Universeৰ মূলৰচনা ঃ চাৰ জেমছ জিনছ অনুবাদ—ৰহস্যময় বিশ্ব	অনুবাদক যোগেন্দ্ৰনাথ শইকীয়া	১৯৬৪
৬। জোন বেলি তৰা	সত্যব্ৰত শৰ্ম্মা	১৯৬৯
৮। জোন আৰু জোনলৈ	শান্তনু তামুলী	১৯৭৩
৯। চন্দ্ৰ অভিযান	বিজয়কৃষ্ণ দেৱশৰ্ম্মা	১৯৭৬
১০। মহাকাশ অভিযান	হীৰালাল ডুৱৰা	১৯৭৬
১১। বিশ্ব ব্ৰহ্মাণ্ড	দীনেশ চন্দ্ৰ গোস্বামী	১৯৭৬

পদাৰ্থ বিজ্ঞান ঃ

১। পদাৰ্থ বিদ্যা সাৰ	নিধিলেভি ফাৰোৱেল	১৮৫৫
২। পৰমাণু শক্তি	যোগেন্দ্ৰনাথ বৰুৱা	১৯৫৬
৩। এলবাৰ্ট আইনষ্টাইন আৰু আপেক্ষিকতাবাদ	মৃগেন্দ্ৰ নাৰায়ণ মহন্ত	১৯৫৬
৪। আপেক্ষিকতাবাদ	মৃগেন্দ্ৰ নাৰায়ণ মহন্ত	১৯৬১

পুথিৰ নাম—	লিথক/সম্পাদকৰ নাম—	প্ৰকাশৰ সময়

পদাৰ্থ বিজ্ঞান :

৫। তৰংগ জগত	সুৰেন্দ্ৰনাথ মেধি	
৬। চকা কেনেকৈ ঘূৰে	অনুবাদক : অমূল্যকুমাৰ হাজৰিকা	১৯৬৩
৭। পৰমাণু বিজ্ঞান	মুকুল কুমাৰ শৰ্ম্মা	১৯৬৬
৮। পদাৰ্থ, পৰমাণু আৰু শক্তি	,, ,, ,,	১৯৬৯
৯ পদাৰ্থ বিজ্ঞানৰ নৱতম বিকাশ	ড° কিশোৰীমোহন পাঠক	১৯৭৫

ৰসায়ন :

১। ৰসায়নৰ আদি কথা	অনুবাদকদ্বয় : কৃষ্ণকুমাৰ বৰা আৰু বিদ্যানাথ ভূঞা	১৯৬৩
২। ৰসায়নৰ ব্যৱহাৰ	মূল ৰচনা—সৰ্বানী সহায় গুহ সৰকাৰ অনুবাদক—ইন্দু মোহন দাস	১৯৬৪
৩। ৰসায়নিক আৱিষ্কাৰ আৰু আমি	ড° যোগেন্দ্ৰ নাথ বৰুৱা	

ভূতত্ত্ব/বতৰ বিজ্ঞান :

১। বিজ্ঞানৰ সাধু	ৰোহিণী কান্ত বৰুৱা	১৯৪৩
২। পনীয়া সোণৰ দেশ	মহেন্দ্ৰ বৰঠাকুৰ	১৯৫৯
৩। তেল, সভ্যতা আৰু আমি	সত্যব্ৰত শৰ্মা	১৯৬৬
৪। সাগৰ দেখাৰ সাগৰ	বিজয় কৃষ্ণ দেৱশৰ্মা	১৯৬৭
৫। সাগৰিকা	বিজয়কৃষ্ণ দেৱশৰ্মা আৰু কুলেন্দু পাঠক	১৯৬৭
৬। পৃথিৱীৰ সাধু	হৰেণ কলিতা	১৯৬৯
৭। সাগৰৰ কথা	ৰমেশ চন্দ্ৰ গোস্বামী	১৯৭৫
৮। সাগৰৰ কথা	ক্ষীৰধৰ বৰুৱা	১৯৭৫
৯। নীলিম সলিল ৰাশি	সোণেশ্বৰ শৰ্মা	১৯৭৬
১০। বতাহৰ কথা	অমৰ দত্ত	—
১১। বতৰ	দীনেশ গোস্বামী	—
১২। অসমৰ খনিজ সম্পদ	শিশিৰ কুমাৰ দত্ত	১৯৭৮

পুথিৰ নাম—	লিখক/সম্পাদকৰ নাম	প্ৰকাশৰ সময়

নৃতত্ত্ব ঃ

১। আদিম যুগৰ আদিকথা	ভুবন মোহন দাস	১৯৬০
২। মানৱৰ আদিকথা	” ” ”	১৯৬০
৩। বিৱৰ্তনৰ পথত মানৱ	” ” ”	১৯৬১
৪। বিবিধ মানুহ	” ” ”	১৯৬৩
৫। আমাৰ দৰে সিহঁতো মানুহ	” ” ”	১৯৬৩
৬। চকুৰ আঁৰৰ নেদেখা কাহিনী	ডঃ কনক চন্দ্ৰ মহন্ত	১৯৬৪
৭। মানুহ	ভুবন মোহন দাস	১৯৬৮

উদ্ভিদ বিজ্ঞান ঃ

১। উদ্ভিদ বিৱৰণ	ধনীৰাম দত্ত	
২। অদ্ভুত গছ	কুমুদ চন্দ্ৰ বৰুৱা	১৯১৩
৩। অসমৰ বনৌষধি	শান্তনু তামুলী	১৯৭৮
৪। উদ্ভিদ বিজ্ঞানৰ সাধু	ডঃ পবিত্ৰ কুমাৰ পাটোৱাৰী	১৯৭৯
৫। ফুলৰ উকাৰ সৰিল	আনন্দদেৱ গোস্বামী	১৯৮১

প্ৰাণী বিজ্ঞান ঃ

১। পতঙ্গৰ কথা	যোগেন্দ্ৰ নাথ শইকীয়া	১৯৬০
২। জীৱ জন্তুৰ কথা	” ” ”	১৯৬৪
৩। ভাৰতৰ বনৰীয়া জন্তু	ফটিক চন্দ্ৰ গগৈ	১৯৬৫
৪। সৰিসৃপ	শান্তনু তামুলী	১৯৭২
৫। চৰাই	ডিম্বেশ্বৰ চলিহা	১৯৭৪
৬। প্ৰাণী জগতৰ বিচিত্ৰ কাহিনী	ডঃ কনক চন্দ্ৰ মহন্ত	—
৭। প্ৰাণী জগতৰ বিস্ময়	ডিম্বেশ্বৰ চলিহা	১৯৭৯
৮। আমাৰ প্ৰতিবেশী পতংগ	বিৰিঞ্চি কুমাৰ মেধি	১৯৭৯

প্ৰযুক্তি ঃ

১। মানুহ আৰু যন্ত্ৰ	অনুবাদক—পদ্ম বৰকটকী	
২। টমাছ আলভা এডিছন		
৩। ৰবাৰ্ট ফুলটন আৰু তেওঁৰ ভাপ নাও		

পুথিৰ নাম	লিখকৰ/সম্পাদকৰ নাম	প্ৰকাশৰ সময়

চিকিৎসা বিজ্ঞান :

১। যৌন-তত্ব	তৰুণৰাম ফুকন	১৯৩৩
২। ইলা ভনীটিলৈ মুকলি চিঠি	ললিত কুমাৰ বৰুৱা	১৯৫৫
৩। চিকিৎসা বিজ্ঞানৰ আধুনিক আৱিষ্কাৰৰ কাহিনী	অনুবাদক—পদ্ম বৰকটকী	১৯৫৮
৪। ভিটামিন আৰু কেন্সাৰ	ডঃ ৰাজেন ভূঞা	১৯৬০
৫। খাদ্য প্ৰাণৰ কথা	ডঃ প্ৰতুল গোস্বামী	১৯৬৮
৬। চিকিৎসা বিজ্ঞানৰ চমু ইতিহাস	,, ,, ,,	১৯৭১
৭। দাঁত আৰু মুখৰ ৰোগ	ডঃ অৰুণ চন্দ্ৰ শইকীয়া	১৯৭২
৮। চিকিৎসা বিজ্ঞানৰ ইতিহাস	ডঃ মথুৰা নাথ ভট্টাচাৰ্য্য	১৯৭৭
৯। বহুমূত্ৰ ৰোগ আৰু শিশু	” ” ” ”	১৯৭৯
১০। জীয়াই থকাৰ আশাৰে	ডঃ নগেন দত্ত	১৯৭৯
১১। দুৰ্ঘটনাত প্ৰথম সহায়	” ” ”	১৯৮০
১২। শিশুৰ আহাৰ	ডঃ প্ৰতুল গোস্বামী	১৯৭৯
১৩। স্বাস্থ্যৰক্ষাৰ কেইটিমান খুটিনাটি কথা	ডঃ জীৱন চন্দ্ৰ দত্তবৰুৱা	১৯৮২

অভিযান্ত্ৰিক বিষয় :

১। চাংকঙ্গ ফুকনৰ বুৰঞ্জী	ভুবন চন্দ্ৰ সন্দিকৈ	১৯৬০
২। ইলেক্ট্ৰিছিটি আৰু যন্ত্ৰপাতি	লক্ষ্মী শেখৰ বৰুৱা	১৯৬১
৩। প্ৰাথমিক মটৰ শিক্ষা	” ” ,,	১৯৬২
৪। মটৰ আৰু চাইকেল শিক্ষা	,, ,, ,,	১৯৬২
৫। ৰাইট ভাতৃদ্বয়	আৰতী ঠাকুৰ	১৯৬৩
৬। মহাকাশ অভিযান	অনুবাদক— পদ্ম বৰকটকী	১৯৬৩
৭। আকাশী যানৰ কথা	ক্ষীৰধৰ বৰুৱা	১৯৭২
৮। মানুহ আৰু মহাকাশ	দীনেশ চন্দ্ৰ গোস্বামী	১৯৭৬

পুথিৰ নাম	লিখকৰ/সম্পাদকৰ নাম	প্ৰকাশৰ সময়
কৃষি ঃ		
১। গছৰ বেমাৰ আৰু নিবাৰণ	ধীৰেণ বৰঠাকুৰ	১৯৬১
২। হাঁহ-কুকুৰা পালন আৰু ৰোগ নিবাৰণ	ললিত কুমাৰ বৰা	১৯৬১
৩। মৌ-মাখি পালন	যজ্ঞেশ্বৰ গগৈ	১৯৬২
৪। মৌ-পালন	কৃষ্ণপ্ৰসাদ দত্ত	১৯৬৫
৫। এড়ী-মূগা পাট	সতেন্দ্ৰ নাৰায়ণ চৌধুৰী	১৯৭০
৬। অগ্ৰগামী কৃষি	কনক চন্দ্ৰ মহন্ত	১৯৭২
৭। অসমৰ চাহ-তলী	পদ্মনাথ বৰঠাকুৰ	১৯৭৬
৮। লাভজনক কুকুৰা পালন	উবেদুৰ ৰহমান ফাইজা ৰহমান	১৯৭৬
৯। মৎস পালন আৰু সংৰক্ষণ	সুৰেন্দ্ৰ নাথ দাস	—
১০। ভাৰত কৃষি পৰিচয় (৩টা খণ্ড)	অনুবাদকঃ জি. এন. শৰ্ম্মা	—
গাৰ্হস্থ্য বিজ্ঞান ঃ		
১। অসমীয়া পথ্য-শিক্ষা	আহমেদ দে আনাত তুল্লা	
২। গাখীৰ আৰু গাখীৰৰ উৎপন্ন বস্তু	মাধুৰী বৰা	১৯৫৬
৩। পৰিপুষ্টি বিজ্ঞান	ডঃ ৰোহিণী কান্ত বৰুৱা	১৯৫৮
৪। ফেশ্যান	ৰামচৰণ দাস	১৯৬১
৫। ৰোগ আৰু পথ্য	থানেশ্বৰ শৰ্ম্মা	১৯৬৫
৬। সঠিক আহাৰ সবল দেহ	মাধুৰী বৰা	১৯৬৯
৭। শিশুৰ প্ৰতিপালন	চন্দ্ৰপ্ৰভা দেৱী	১৯৭৫
৮। আহাৰ, স্বাস্থ্য আৰু ৰোগ পথ্য	ডঃ প্ৰতুল গোস্বামী	১৯৮০
৯। গৃহ-বিজ্ঞান	শ্ৰীকান্ত চৌধুৰী	

পুথিৰ নাম	লিখকৰ/সম্পাদকৰ নাম	প্ৰকাশৰ সময়
বাণিজ্য বিজ্ঞান ঃ		
১। অসমীয়া সংকেত লিখন প্ৰণালী	ফণীধৰ শৰ্মা	১৯৫০
২। ছাপা শিক্ষা	প্ৰতাপ তালুকদাৰ	১৯৫১
৩। মুদ্ৰালেখন	খাৰঘৰীয়া	১৯৫৬
৪। উদ্যোগপতি টাটা	খালিক উজ জামান	১৯৬৭
ৰাসায়নিক প্ৰযুক্তি ঃ		
১। অসমীয়া কুটিৰ শিল্প-শিক্ষা	পদ্মেশ্বৰ চিৰিং ফুকন	১৯৪৬
২। ৰং প্ৰণালী	ধ্বজেন্দ্ৰ নাৰায়ণ মেধি	১৯৫৭
৩। প্লাষ্টিক ৰবৰ আৰু ৰেচম সূতাৰ বিস্ময়কৰ কাহিনী	ডঃ প্ৰসন্ন চন্দ্ৰ গোস্বামী	১৯৬২
৪। ফল আৰু শাক-পাচলিৰ সংৰক্ষণ	প্ৰভুদানন্দ দাস	১৯৭০
উৎপাদন ঃ		
১। সৰল বয়ন শিক্ষা	ধ্বজেন্দ্ৰ নাৰায়ণ মেধি	১৯৩০
২। পুৰণি অসমৰ শিল্প	ভুবন চন্দ্ৰ সন্দিকৈ	১৯৫৯
৩। বস্ত্ৰ শিল্পৰ ইতিহাস	হৰেশ্বৰ শৰ্মা	১৯৬১
৪। অসমীয়া সচিত্ৰ সূতাৰ শিক্ষা	শৰৎ চন্দ্ৰ বৰুৱা	১৯৬২
৫। কুমাৰ শিল্প পৰিচয়	,, ,, ,,	১৯৬২
৬। মূগা উদ্যোগ	নীৰেন্দ্ৰ ভৰালী	১৯৭৬
নিৰ্মাণ ঃ		
১। প্ৰাথমিক মিস্ত্ৰী শিল্পৰ পৰিচয়	গদাধৰ দাস	১৯৬১

এই গ্ৰন্থতালিকা শ্ৰীশান্তনু তামুলীৰ সৌজন্যত পোৱা হৈছে। এই তালিকাৰ পৰা অইন প্ৰকাশিত কিতাপৰ নাম বাদ পৰি যোৱাটো অস্বাভাৱিক নহয়। ইয়াৰ বাবে সম্পাদকে ত্ৰুটিৰ মাৰ্জনা বিচাৰিছে। এই তালিকাত বাদ পৰি যোৱা কিতাপৰ নাম বা কিতাপ অসম বিজ্ঞান সমিতিলৈ পঠালে কৃতাৰ্থ হ'ব।

পৰিশিষ্ট—২ অসমীয়া বিজ্ঞান গ্ৰন্থসাহিত্য—(১৮৪০ – ১৯৮০) শ্ৰীশান্তনু তামুলীৰ সৌজন্যত

গ্ৰন্থ বিষয়	১৮৪০ -৪৯	১৮৫০ -৫৯	১৮৬০ -৬৯	১৮৭০ -৭৯	১৮৮০ -৮৯	১৮৯০ -৯৯	১৯০০ -০৯	১৯১০ -১৯	১৯২০ -২৯	১৯৩০ -৩৯	১৯৪০ -৪৯	১৯৫০ -৫৯	১৯৬০ -৬৯	১৯৭০ -৭৯	১৯৮০	মুঠ
সাধাৰণ বিজ্ঞান	২	১								২	৩	৪	২০	১২		৪৪
অংক	৩								২				১	১		৭
জ্যোতির্বিদ্যা								১			১	৩	৮	৯		২২
পদাৰ্থ		১										৩	১৩	৭		২৪
ৰসায়ন													২	১		৩
ভূতত্ত্ব/ৰতৱ												২	৮	৮		১৮
নৃতত্ত্ব											১	৩	৯	১		১৪
উদ্ভিদ											১	১		১		৩
প্ৰাণীবিদ্যা													৯	৮		১৭
প্ৰযুক্তি												৪	২			৭
চিকিৎসা					১	৩	১	১	১১	১১	৪	২২	২৮	২১		১০২
অভিযান্ত্ৰিক												১	১০	৩		১৪
কৃষি										৫	৭	৬	১৫	১৩		৪৬
গাৰ্হস্থ্য								২	৩	৩		৮	৪	৩		২১
ব্যৱসায়												২	২			৪
ৰাসায়নিক প্ৰযুক্তি										১		২	১	৩		৭
উৎপাদন										১	১	১	৩	১		৮
নিৰ্ম্মাণ													১			১
মুঠ	৫	২			১	৩	১	৪	১৬	২৩	১৯	৬২	১৩৬	৯২		৩৬৪

পৰিশিষ্ট—৩

অসমীয়া বিজ্ঞান সাহিত্য শীর্ষক এই আলোচনা চক্রৰ সামৰণিত আলোচনা পত্র সমূহ পুংখানুপুংখভাৱে পর্য্যালোচনা কৰা হয়। কেইবা গৰাকীও কৃতি শিক্ষাবিদ আৰু বিজ্ঞান সাহিত্য প্রেমী লোকে আলোচনা চক্রত উপস্থিত থাকি বিতর্কত ভাগ লৈ অসমীয়া বিজ্ঞান সাহিত্যৰ উন্নতিৰ হকে দিহা পৰামর্শ দিয়ে। এই সামৰণি অনুষ্ঠানতে অসমীয়া বিজ্ঞান সাহিত্যৰ উন্নতিৰ হকে ভৱিষ্যতে হাতত ল'বলগীয়া কার্য্যপন্থাৰ কিছুমান দিশ সামৰি কেইটামান সর্ব্বসম্মত প্রস্তাৱ গ্রহণ কৰা হয়। এই সর্ব্বসম্মত প্রস্তাৱসমূহ ইয়াতে ডাঙি ধৰা হ'ল।

প্রস্তাৱ সমূহ:

১। আলোচনা চক্রৰ দিহা পৰামর্শ কার্য্যকৰী কৰিবলৈ, মাজে সময়ে নীতি প্রণয়ন, কার্য্য ব্যৱস্থা আলোচনা আদিৰ বাবে সক্রিয় বিজ্ঞান সাহিত্যিকৰ সহযোগিতাৰে এখন সমিতি গঠন কৰা হওক।

২। অসম সাহিত্য সভাৰ বার্ষিক অধিবেশনত অসমীয়া বিজ্ঞান সাহিত্য শীর্ষক আলোচনাৰ ব্যৱস্থা কৰিবলৈ সাহিত্য সভাক অনুৰোধ জনোৱা হওক।

৩। প্রাধান্যানুসাৰে কমেও দহখন মূল্যবান আৰু উপযোগী বিজ্ঞান সাহিত্যৰ পুথি, যথাযোগ্য লোকৰ দ্বাৰা অনুবাদ কৰাই প্রকাশ কৰাৰ দায়িত্ব অসম বিজ্ঞান সমিতিক লবলৈ অনুৰোধ জনোৱা হওক।

প্রস্তাৱক: অধ্যাপক শ্যামা প্রসাদ শর্মা

৪। অসমৰ বিশ্ববিদ্যালয় কেইখনৰ বিজ্ঞান বিষয়ৰ বিভাগবিলাকে নিজৰ নিজৰ বিভাগৰ পৰা অসমীয়া ভাষাত মুখপত্র উলিয়াই বিজ্ঞান সাহিত্যলৈ অৱদান যোগাবলৈ অনুৰোধ জনোৱা হওক।

৫। অসমীয়া বিজ্ঞান সাহিত্যৰ পুথি প্রকাশৰ বাবে লিখক সমবায় সমিতি এখন স্থাপন কৰাৰ উদ্দেশ্যে যথাযথ ব্যৱস্থা কৰা হওক।

৬। অসমীয়া ভাষাত প্ৰকাশিত সকলো বিজ্ঞান সাহিত্য প্ৰণেতাই কমেও দুখন কৈ কিতাপ অসম বিজ্ঞান সমিতিত জমা দি অসমীয়া বিজ্ঞান সাহিত্যৰ এটি কেন্দ্ৰীয় পুথিভৰাল স্থাপন কৰাত সহায় কৰিবলৈ অনুৰোধ জনোৱা হওক।

প্ৰস্তাৱক ঃ ড° পৰমা মহন্ত

৭। 'বিজ্ঞান জেউতি' দুমহীয়া আলোচনীখন মাহেকীয়া কৰাৰ বাবে প্ৰচেষ্টা চলাবলৈ অসম বিজ্ঞান সমিতিক অনুৰোধ জনোৱা হওক।

৮। এখন পূৰ্ণ পৰ্য্যায়ৰ শিশু বিজ্ঞান আলোচনী প্ৰকাশৰ বাবে বিজ্ঞান সমিতি বা আন কোনো অনুস্থানক চেষ্টা চলাবলৈ অনুৰোধ জনোৱা হওক।

৯। অসমীয়া ভাষাত বিজ্ঞানৰ জনপ্ৰিয় পুথি প্ৰকাশ কৰিবৰ বাবে এটি নিৰ্দ্দিষ্ট নীতি গ্ৰহণ কৰিবলৈ সকলো প্ৰকাশককে অনুৰোধ জনোৱা হওক।

১০। স্কুল-কলেজৰ পাঠ্য লিখাৰ দায়িত্ব অসমীয়া ভাষা জ্ঞান থকা অৰ্হতা সম্পন্ন লোককহে দিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক অনুৰোধ জনোৱা হওক, কাৰণ বিজ্ঞান জনা অথচ অসমীয়া ভাষাজ্ঞান আৰু অৰ্হতা নথকা লোকে লিখা বিজ্ঞানৰ পুথি আসোঁৱাহ পূৰ্ণ হোৱাটো পৰিলক্ষিত হৈছে।

১১। 'সংস্কৃত শিক্ষা', 'হিন্দী শিক্ষা' আদি অনাতাঁৰ অনুস্থানৰ দৰে 'বিজ্ঞান শিক্ষা'ৰ নিয়মীয়া অনুষ্ঠান এটি প্ৰচাৰৰ দিহা কৰিবলৈ আকাশবাণীৰ গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰক অনুৰোধ জনোৱা হওক।

প্ৰস্তাৱক ঃ শ্ৰীদিলীপ কুমাৰ বৈশ্য
ছাত্ৰ বিজ্ঞান সমিতিৰ হৈ

পৰিশিষ্ট—৪
লিখকৰ চমু পৰিচয়

শ্ৰীশান্তনু তামুলী :

অসমীয়া জনপ্ৰিয় মাহেকীয়া আলোচনী ত্ৰিশূলৰ সম্পাদক শ্ৰীতামুলীয়ে যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰত জনসম্পৰ্কৰক্ষী বিষয়া হিচাবে কাম কৰে। ১৯৭০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ভূবিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী, ১৯৭৪ আৰু ১৯৭৭ ত ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ পৰা ক্ৰমান্বয়ে পেট্ৰোলিয়াম প্ৰযুক্তি বিদ্যা আৰু ব্যৱসায় পৰিচালনা বিষয়ত ডিপ্লোমা লোৱাৰ উপৰিও শ্ৰীতামুলীয়ে জন-সংযোগ বিষয়ক কেইবাটাও উচ্চ পৰ্য্যায়ৰ প্ৰশিক্ষণ লয়। শ্ৰীতামুলীয়ে যোৰহাট আঞ্চলিক গৱেষণাগাৰৰ RRL News আৰু Annual Report পত্ৰিকা দুখন সম্পাদনা কৰে। শ্ৰীতামুলী এজন বিজ্ঞান সাহিত্যৰ সু-প্ৰতিষ্ঠিত লিখক। কেইবাখনো অসমীয়া আলোচনীৰ বিজ্ঞান বিষয়ৰ নিয়মীয়া লিখক শ্ৰীতামুলীৰ প্ৰকাশিত বিজ্ঞান সাহিত্যৰ কিতাপ ৪ খন (জোন আৰু জোনটো) ১৯৭৩, সৰীসৃপ ১৯৭৪, অসমৰ বনৌষধি ১৯৭৮, বিজ্ঞানৰ মেজিক ১৯৭৯)। 'মানী বাণী আৰু এখন ফুলনি' নামৰ পাণ্ডুলিপি আৰু সৰীসৃপ নামৰ কিতাপখনৰ বাবে শ্ৰীতামুলীয়ে ১৯৬৭ আৰু ১৯৭৩ চনত ৰাষ্ট্ৰীয় শিশু সাহিত্যৰ পুৰস্কাৰ লাভ কৰে।

শ্ৰীতামুলী এজন নিয়মীয়া অনাতাঁৰ নাট্যকাৰ ও প্ৰবন্ধকাৰ।●

শ্ৰীবিষ্ণু ৰাম ভুঞা :

১৯৫৬ চনত বিজ্ঞান বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৫৭ চনৰ পৰা ১৯৬৬ চনলৈকে কৃষি আৰু মৎস্য পালন সম্পৰ্কীয় গৱেষণা কৰে। ১৯৬৬ চনত আঞ্চলিক গৱেষণাগাৰৰ তথ্য বিভাগত যোগদান কৰে। ১৯৭০-৭১ চনত দিল্লীৰ Indian National Scientific Documentation Centre ত (INSDOC) এবছৰ অধ্যয়ন কৰি প্ৰলেখণ

(Documentation) বিষয়ত প্ৰথম শ্ৰেণীৰ Associationship লাভ কৰে। ১৯৮১ চনত তেওঁ কিছুদিনৰ কাৰণে তথ্য আৰু গ্ৰন্থাগাৰ বিষয়ক অধ্যয়নৰ কাৰণে ইংলণ্ডলৈ যায়। ১৯৭৭ চনৰ পৰা শ্ৰীভূঞাই আঞ্চলিক গৱেষণাগাৰৰ গ্ৰন্থাগাৰ আৰু প্ৰলেখন (Library and Documentation) বিভাগৰ জেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী হিচাবে কাম কৰি আহিছে। আঞ্চলিক গৱেষণাগাৰত থকা কালছোৱাত শ্ৰীভূঞাই উদ্যোগ সম্পৰ্কীয় ভালেমান নিবন্ধ লিখে। শ্ৰীভূঞাই বৰ্তমান অসমীয়া ভাষাৰ বিজ্ঞান আৰু কাৰিকৰী বিষয়ক গ্ৰন্থসমূহৰ এখন গ্ৰন্থপঞ্জী যুগুত কৰি আছে। ●

ড° পৰমানন্দ মহন্ত :

১৯৬১ চনত কটন কলেজৰ পৰা পদাৰ্থবিদ্যাৰ সন্মানসহ স্নাতক, দিল্লী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থবিদ্যাত স্নাতকোত্তৰ আৰু ১৯৬৭-৬৮ চনত লণ্ডনৰ ইম্পেৰিয়েল কলেজৰ পি, এইছ, ডি আৰু ডি, আই, চি (ডিপ্লোমা অব ইম্পেৰিয়েল কলেজ)। ইম্পেৰিয়েল কলেজত এবছৰৰ পষ্টডক্টৰেল গৱেষণা আৰু ১৯৭০ চনত ইটালীৰ ট্ৰিয়েষ্টিত ইণ্টাৰনেশ্যনেল চেণ্টাৰ ফৰ থিওৰিটিকেল ফিজিক্সত গৱেষণাৰ বাবে ১৯৭০ চনৰ ইউনেস্কো ফেলোশ্বিপ। ১৯৬৩-৬৪ চনত কটন কলেজত আৰু ১৯৬৮ চনৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যাপনা। বৰ্ত্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থবিদ্যাৰ বিভাৰ।

১৫ খনমান গৱেষণা কাকতৰ বাহিৰেও বিজ্ঞান, সাহিত্য, সমাজত বিজ্ঞানৰ ভূমিকা আদি বিষয়ৰ ওপৰত কেইটামান প্ৰবন্ধ বিজ্ঞান জেউতি, প্ৰকাশ, পদাৰ্থ বিজ্ঞান পত্ৰিকা আদি আলোচনীত প্ৰকাশিত হৈছে। ডঃ মহন্ত এজন আগশাৰীৰ বিজ্ঞান সাহিত্য সেৱী। ●

ড° ফুলেন্দু পাঠক :

কটন কলেজৰ পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক ডঃ পাঠক অসমীয়া বিজ্ঞান সাহিত্যৰ এজন নিষ্ঠাবান কৰ্মী। ছাত্ৰাৱস্থাৰে পৰা বিজ্ঞান বিষয়ৰ প্ৰবন্ধ লেখা ডঃ পাঠকে এতিয়ালৈ বিজ্ঞান বিষয়ক বহুতো মূল্যবান প্ৰবন্ধ লিখি অসমীয়া বিজ্ঞান সাহিত্যৰ ভঁড়াল টনকীয়াল কৰিছে। উচ্চ শিক্ষাৰ্থে বিদেশত থকা কালত চিঠিৰ আকাৰত লিখা ড° পাঠকৰ প্ৰবন্ধ সমূহ অসমীয়া সাহিত্যৰ উজ্জ্বল সংযোজন। 'সাগৰিকা' নামৰ এখন অনুবাদ পুথিৰ দ্বাৰা ডঃ পাঠকে অসমীয়া বিজ্ঞান সাহিত্যৰ পাঠকৰ পৰা ভূয়সী প্ৰসংশা লাভ কৰিবলৈ সমৰ্থ হৈছে।

অধ্যাপক জীৱনৰ আৰম্ভণিৰে পৰা অসম বিজ্ঞান সমিতিৰ লগত নিবিড়ভাৱে জৰিত হৈ পৰা ডঃ পাঠক অসম. বিজ্ঞান সমিতিৰ উন্নতিৰ ইতিহাসৰ এক অবিচ্ছেদ্য নাম। বৰ্তমান ডঃ পাঠক অসম বিজ্ঞান সমিতিৰ প্ৰধান সম্পাদকৰ দায়িত্বত আছে। বিজ্ঞান সাহিত্যৰ তাত্বিক দিশত আলোকপাত কৰি লিখা ডঃ পাঠকৰ কেইবাটাও প্ৰবন্ধ অসমীয়া সাহিত্যৰ প্ৰথম শ্ৰেণীৰ আলোচনী কেইবাখনতো প্ৰকাশ পাইছে। এই প্ৰবন্ধসমূহে বিজ্ঞান সাহিত্যৰ সচেতন মহলত এক নতুন বাৰ্ত্তা বাহক হৈ বিস্তাৰিত হ'বলৈ সমৰ্থ হৈছে। ●

ড° বিজয়কৃষ্ণ দেৱশৰ্মা :

১৯৬৮ খৃঃত বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা অঙ্কত প্ৰথম শ্ৰেণীৰ এম, এছ, ছি আৰু ১৯৮২ চনত আই আই টি, খৰগপুৰৰ পৰা পি, এইচ্, ডি ডিগ্ৰী লাভ কৰে।

প্ৰথমতে সোণাৰাম হাইস্কুলত শিক্ষকতা (১৯৬০—১৯৬৬), তাৰ পাছত কটন কলেজ, গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা (১৯৬৮—৭০),

১৯৭০ খৃঃৰ পৰা ১৯৭৩ খৃঃলৈ চেণ্ট এন্থনীজ কলেজ, শ্বিলঙত স্নাতকোত্তৰ শাখা (অঙ্ক) ৰ মুৰব্বী অধ্যাপকৰূপে আৰু ১৯৭৪ খৃঃৰ পৰা উঃ পূঃ পাৰ্বত্য বিশ্ববিদ্যালয়ৰ গণিত বিভাগত অধ্যাপনা কৰি আছে।

১৯৬০ চনৰ পৰাই বিজ্ঞান সাহিত্য লিখিবলৈ লয়। মণিদীপ, অসম বাতৰি, আৱাহন, জোনবাই, বিজ্ঞান জেউতি আদিত বহুতো জনপ্ৰিয় বিজ্ঞানৰ ওপৰত প্ৰবন্ধ লিখিছে। ৰামধেনু, নৱযুগ, আমাৰ প্ৰতিনিধিৰ বিজ্ঞান চ'ৰাৰ সম্পাদক হিচাপে নিযুক্ত হয়। দৈনিক অসমৰ বিজ্ঞান চ'ৰাৰ প্ৰতিনিধি হিচাপে প্ৰথমৰ পৰাই নিযুক্ত আছে। ইয়াৰ উপৰিও বিভিন্ন আলোচনীত জনপ্ৰিয় বিজ্ঞানৰ প্ৰবন্ধ, বিজ্ঞান ভিত্তিক গল্প আদি প্ৰকাশ। এতিয়ালৈ এহেজাৰতকৈ অধিক লেখনী প্ৰকাশ পাইছে।

সাগৰ দেখাৰ সাগৰ (১৯৬৪), সাগৰিকা (১ম খণ্ড, ডঃ কুলেন্দু পাঠকৰ সৈতে, ১৯৬৪), চন্দ্ৰ লোকত প্ৰথম মানুহ (১৯৬৯), চন্দ্ৰ অভিযান (১৯৭৬, প্ৰকাশন পৰিষদৰ আমন্ত্ৰিত গ্ৰন্থ), সাগৰিকা, দ্বিতীয় খণ্ড (১৯৭৭), সূৰ্য্যৰ সোণালী আপেল (১৯৭৯, বিজ্ঞান ভিত্তিক গল্পসংগ্ৰহ) ডঃ দেৱশৰ্মাৰ ৰচিত বিজ্ঞান-সাহিত্য বিষয়ক গ্ৰন্থ। অঙ্কৰ প্ৰশিক্ষণ প্ৰণালী (১৯৬৫) গণিতৰ ইতিহাস আৰু স্কুলীয়া পৰ্য্যায়ত গণিত শিকোৱাৰ কিটিপ সম্পৰ্কীয় আন এখন উল্লেখযোগ্য প্ৰকাশিত গ্ৰন্থ। ইয়াৰ উপৰিও ডঃ দেৱশৰ্মাৰ গণিত বিষয়ক কেবাখনো পাঠ্য-পুথি ইতিমধ্যে প্ৰকাশিত হৈছে।

ডঃ দেৱশৰ্মাৰ গৱেষণামূলক প্ৰবন্ধও দেশী-বিদেশী আলোচনীত প্ৰকাশ পাইছে। বিজ্ঞান আৰু গণিত শিক্ষাক স্কুলীয়া পৰ্য্যায়ৰ পৰাই উন্নত কৰিবলৈ কৰা একাগ্ৰতাপূৰ্ণ প্ৰচেষ্টা ডঃ দেৱশৰ্মাৰ লেখত ল'ব লগীয়া গৱেষণামূলক অৰিহণা। সম্প্ৰতি উঃ পূঃ পাৰ্বত্য বিশ্ববিদ্যালয়ৰ কালৰ তেওঁক এই কামতে বিশেষজ্ঞৰূপে নিযুক্ত কৰা হৈছে। ●

শ্ৰীবশিষ্ঠ দেৱ ফুকন :

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞানৰ এম, এছ, চি। বৰ্ত্তমান অসম মাধ্যমিক শিক্ষা পৰিষদৰ-শিক্ষা বিষয়া ৰূপে কাম কৰি আছে। পঞ্চাশ দশকতে ছাত্ৰ অৱস্থাৰ পৰাই শ্ৰীফুকনে ৰামধেনু আলোচনীত বিজ্ঞান সাহিত্যৰ নিবন্ধ প্ৰকাশ কৰিবলৈ লয়। বৰ্ত্তমানেও অসমৰ বিভিন্ন আলোচনী আৰু বাতৰি কাকতত নানা ধৰণৰ প্ৰবন্ধ প্ৰকাশ হৈ আছে। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ বিজ্ঞান বিষয়ক প্ৰবন্ধ লিখক। ইয়াৰ উপৰিও শ্ৰী ফুকনে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত শিক্ষা সম্পৰ্কীয় অনুষ্ঠান, বিশেষকৈ বিজ্ঞান শিক্ষা সম্পৰ্কীয় অনুষ্ঠানৰ লগত বিশেষভাৱে জড়িত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক বিশ্ববিদ্যালয় আৰু স্নাতক পৰ্য্যায়ৰ বিজ্ঞানৰ পুথি প্ৰণেতা শ্ৰীফুকন এগৰাকী আগশাৰীৰ বিজ্ঞান সাহিত্য সেৱী। ●

শ্ৰীবিশ্বেশ্বৰ হাজৰিকা :

গুৱাহাটীৰ বি, বৰুৱা কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক। অসমীয়া সাহিত্যত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি এম, এ ডিগ্ৰী লোৱা সকলৰ ভিতৰত এজন। শ্ৰীহাজৰিকা এজন প্ৰথম শ্ৰেণীৰ ভাষাতত্ত্ববিদ। শ্ৰীহাজৰিকাই কেইবাটাও ভাৰতীয় ভাষা জানে। এই ভাৰতীয় ভাষা সমূহৰ সাহিত্য অধ্যয়ন কৰি সাম্প্ৰতিক ভাৰতীয় ভাষাৰ সাহিত্য সম্পৰ্কে গভীৰ চিন্তাপুষ্ট শ্ৰীহাজৰিকাই অসমীয়া ভাষাৰ বৰ্ত্তমান ধাৰা আৰু বিশেষকৈ শব্দৰ উৎস আৰু ব্যৱহাৰ সম্পৰ্কে বহুতো আলোড়ন সৃষ্টিকাৰী প্ৰবন্ধ লিখিছে।

শ্ৰীহাজৰিকাই বি, বৰুৱা কলেজত অধ্যাপনা কৰিবলৈ লোৱাৰ আগতে 'দৈনিক শান্তিদূত' আৰু নতুন অসমীয়া'ৰ সহকাৰী সম্পাদক

আৰু কটন কলেজ আৰু গোলাঘাটৰ ডি, আৰ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাবে কাম কৰিছিল।

শ্ৰীহাজৰিকাই সাহিত্য আৰু ভাষাৰ উপৰিও শিক্ষা আৰু ৰাজনীতি বিষয়ক তথ্য গধূৰ প্ৰবন্ধ লিখাতো প্ৰবৃত্ত। ●

শ্ৰীবলেন্দ্ৰ কুমাৰ দাস ঃ

পদাৰ্থ বিজ্ঞানৰ এম্ এছ ছি। গুৱাহাটীৰ ৰাজ্যিক বিজ্ঞান শিক্ষা সংস্থাৰ বিডাৰ। শ্ৰীদাসে বিজ্ঞান শিক্ষা বিষয়ত দেশৰ নানা ঠাইত নানা ধৰণৰ প্ৰশিক্ষণ লৈছে। শ্ৰীদাস বিজ্ঞান শিক্ষা সংস্থাৰ মুখপত্ৰ 'বিজ্ঞান শিক্ষা' সম্পাদনাৰ দায়িত্বত বহুদিন আছিল। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া প্ৰবন্ধ লেখক শ্ৰীদাস প্ৰাথমিক স্তৰৰ বিজ্ঞান শিক্ষাৰ লগত ওতঃপ্ৰোতঃ ভাৱে জৰিত। 'কি, কিয় আৰু কেনেকৈ' নামেৰে সততে মনলৈ অহা বিজ্ঞানৰ প্ৰশ্নবোৰৰ সহজ উত্তৰ দি শ্ৰীদাসে এখন পুথি প্ৰকাশ কৰিছে।

সম্প্ৰতি শ্ৰীদাস বিজ্ঞান বিষয়ৰ উচ্চ শিক্ষাৰ বাবে ইংলণ্ডলৈ গৈছে।●

ড° সোণেশ্বৰ শৰ্মা ঃ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষিউদ্ভিদ বিজ্ঞান বিভাগত অধ্যাপনা কৰে। ডঃ শৰ্মা অসমীয়া ভাষাত বিজ্ঞানক জনপ্ৰিয় কৰাৰ কামত একাণপতীয়া ভাৱে ব্ৰতী হৈ থকা, লিখকসকলৰ ভিতৰত লেখত ল'ব-লগীয়া। ডঃ শৰ্মা কেইবাবছৰো বিজ্ঞান জেউতিৰ সহযোগী. সম্পাদক হিচাবে কাম কৰাৰ পিছত সম্প্ৰতি বিজ্ঞান জেউতিৰ সম্পাদক হিচাবে দায়িত্ব বহন কৰিছে।

অসমৰ প্ৰায়বোৰ অসমীয়া আলোচনী আৰু বাতৰি কাকতে

বিজ্ঞান বিষয়ৰ নানা দিশৰ জনপ্ৰিয় আৰু তত্ত্বমূলক প্ৰবন্ধ লিখাৰ উপৰিও তেখেতে আকাশবাণীৰ বিজ্ঞান আলোচনীৰ সম্পাদক হিচাবেও দায়িত্ব বহন কৰিছে। ●

ড° লক্ষ্মীনন্দন বৰা :

বৰ্তমান অসম কৃষি বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান আৰু বতৰ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাবে কাম কৰি থকা ডঃ বৰাই কলিকতা বিশ্ববিদ্যালয়ৰ (১৯৫৪) পদাৰ্থ বিজ্ঞানৰ এম্ এছ ছি আৰু অন্ধ্ৰ বিশ্ব-বিদ্যালয়ৰ পৰা কৃষিবতৰ বিজ্ঞান বিষয়ত ডক্টৰেট উপাধি লয়।

ডঃ বৰা এজন বিজ্ঞান সাহিত্যৰ সুপ্ৰতিষ্ঠিত লিখক। ডঃ বৰাৰ বিজ্ঞান বিষয়ক কিতাপ দুখনে ভাৰত চকাৰৰ পুৰস্কাৰ লাভ কৰিছে।

অসমীয়া সাহিত্য জগতত অতি জনপ্ৰিয় সাহিত্যিক ডঃ বৰাৰ ১৫ খন উপন্যাস আৰু ১৬টি চুটি গল্প সংকলন প্ৰকাশ পাইছে। গঙ্গা চিলনীৰ পাখি নামৰ উপান্যাস খন ভাৰতৰ সকলো ভাষালৈ অনূদিত হোৱাৰ উপৰিও এইখন উপন্যাসৰ কাহিনীৰে এখন অসমীয়া কথাছবিয়েও মুক্তি লাভ কৰিছে।

অসম সাহিত্য সভাৰ প্ৰকাশন সমিতিৰ স্থায়ী সভ্য ডঃ বৰা এজন আশাশুধীয়া সাহিত্য সেৱী। ●

শ্ৰীৰমেশ চন্দ্ৰ গোস্বামী :

নবং কলেজৰ পদাৰ্থ বিজ্ঞানৰ প্ৰৱক্তা শ্ৰীগোস্বামীয়ে ছাত্ৰাৱস্থাৰে পৰা বিভিন্ন অসমীয়া আলোচনী আৰু বাতৰি কাকতত গল্প, প্ৰবন্ধ কবিতা আদি লিখিছে। শ্ৰীগোস্বামী এজন আশাশুধীয়া বিজ্ঞান লিখক।

বিজ্ঞান জেউতিত নিয়মীয়াকৈ লিখাৰ উপৰিও সম্পাদনাৰ লৈতে বিশেষ ভাৱে জড়িত হৈ এটা দশকৰো বেছি কাল অসমীয়া ভাষাত বিজ্ঞানৰ জনপ্ৰিয়কৰণৰ কামত ব্ৰতী হৈ আছে। সম্প্ৰতি তেওঁ বিজ্ঞান জেউতিৰ সহযোগী সম্পাদকৰ দায়িত্বত আছে। আকাশবাণীৰ বিজ্ঞান-চ'ৰাৰ বাবে প্ৰবন্ধ লিখাৰ উপৰিও শ্ৰীগোস্বামীয়ে অসম সাহিত্য সভাৰ আৰু প্ৰকাশন পৰিষদৰ বিশ্বকোষৰ প্ৰবন্ধ লিখক হিচাবে নিয়োজিত হৈছে। তেওঁ তেজপুৰ সাহিত্য চ'ৰাৰ বছৰেকীয়া মুখপত্ৰ "চয়নিকা"ৰ সম্পাদক।

প্ৰকাশিত কিতাপ ঃ

কিতাপ	প্ৰকাশক	মন্তব্য
(১) সাগৰৰ কথা	অসম সাহিত্য সভা	অসম সাহিত্য সভাৰ দ্বাৰা পুৰস্কৃত (১৯৭২ চন)
(২) হাঁহি (সামাজিক)	লয়াৰ্ছ বুক ষ্টল	ভাৰত চৰকাৰৰ শিক্ষা আৰু সমাজকল্যাণ বিভাগৰ দ্বাৰা পুৰস্কৃত (১৯৭৬)
(৩) পৃথিৱীৰ কথা (হিন্দীৰ পৰা অনুবাদ)	নেছনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া	
(৪) চিনাকি জগতৰ অচিনা কথা (১ম খণ্ড) ●	—	(পাণ্ডুলিপি প্ৰস্তুত)

শ্ৰীঅৰুণ শৰ্মা ঃ

আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ জ্যেষ্ঠ প্ৰযোজক শ্ৰীঅৰুণ শৰ্মা অসমীয়া সাহিত্য জগতৰ এটি উজ্জ্বল নাম। শ্ৰীশৰ্মা অসমীয়া সাহিত্যত নাট্যকাৰ হিচাবে পৰিচিত যদিও শ্ৰীশৰ্মাৰ প্ৰকাশিত উপন্যাস কেইখনেও অসমীয়া সাহিত্যত উচ্চ আসন দখল কৰিছে। অনাতাঁৰ

আলেখ্যৰ ৰচনা আৰু প্ৰযোজনাৰ বাবে ওপৰাওপৰিকৈ কেইবাবাৰো আন্তৰ্জাতিক বঁটা লাভ কৰা শ্ৰীশৰ্মাই একমাত্ৰ ভাৰতীয়। শ্ৰীশৰ্মা আকাশবাণীৰ শিক্ষা প্ৰচাৰ বিভাগৰ প্ৰযোজক হিচাবে বিজ্ঞান সাহিত্যৰ লগত জড়িত। বিজ্ঞানক সঁচা অৰ্থত জনপ্ৰিয় কৰাৰ বাবে আৰু আকাশবাণীৰ মাধ্যমেৰে অসমীয়া সমাজত বিজ্ঞান সচেতনতা গঢ়ি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰা বিজ্ঞান কৰ্মী সকলৰ ভিতৰত শ্ৰীঅৰুণ শৰ্মা অন্যতম। ●

শ্ৰীনিৰ্মল কুমাৰ দত্ত :

শ্ৰীনিৰ্মল কুমাৰ দত্ত আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ কথিকা বিভাগৰ প্ৰযোজক। অনাতাঁৰ মাধ্যমেৰে প্ৰচাৰ কৰা বিজ্ঞান অনুষ্ঠান বিশেষকৈ কথিকা অনুষ্ঠান সমূহৰ পৰিকল্পনাৰ ভাৰ শ্ৰীদত্তৰ হাতত। আকাশ-বাণী গুৱাহাটীৰ জনপ্ৰিয় বিজ্ঞান আলোচনী 'নতুন দিগন্ত'ৰ পৰিচালক হিচাবে বিজ্ঞান সাহিত্যৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰা শ্ৰীদত্তৰ অসমীয়া বিজ্ঞান সাহিত্যলৈ অৱদান প্ৰচুৰ।

শ্ৰীশ্যামাপ্ৰসাদ শৰ্মা :

১৯৬৫ ৰ পৰা কটন কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগত অধ্যাপনা। বিজ্ঞান জেউতিৰ প্ৰাক্তন সম্পাদক (১৯৬৮—৭২), 'কটনিয়ান'ৰ প্ৰাক্তন সম্পাদক (১৯৬২); সম্প্ৰতি অসমীয়া ক্ৰীড়া আলোচনী 'অভিৰুচি'ৰ উপদেষ্টা সম্পাদক আৰু অভিৰুচিৰ নিয়মীয়া বিজ্ঞান শিতানৰ লিখক। স্কুল আৰু কলেজ পৰ্য্যায়ৰ কেবাখনো পাঠ্য-পুথিৰ প্ৰণেতা (অসমীয়া ইংৰাজী উভয় ভাষাতে)। অসমীয়া বিজ্ঞান সাহিত্য, অঙ্ক সাহিত্য

আৰু ক্রীড়াসাহিত্য বিষয়ক কেবাটাও চিন্তাগধুৰ প্ৰবন্ধৰ প্ৰণেতা। অসম নাট্য আন্দোলনৰ মুখপত্ৰ 'ৰংগবেদিকা'ৰ সম্পাদনাৰ সৈতে জড়িত। প্ৰকাশিত নাটক—"হে মঞ্চ বিদায়", "মঞ্চকন্যা", "অসমাপ্ত বিচাৰ কাহিনী", "নায়কৰ ভূমিকাৰে", "দেৱতাৰ অন্যৰূপ" (—বিজ্ঞানভিত্তিক একাংকিকা; অসমীয়াত সৰ্বপ্ৰথম)। অসমীয়া বিজ্ঞানকোষ, ৩য় আৰু ৪ৰ্থ, খণ্ডৰ পুনৰীক্ষক সম্পাদক। অলপতে প্ৰকাশ পাবলগীয়া গ্ৰন্থ —অসমীয়া মঞ্চসাহিত্য। চিত্ৰনাট্যকাৰ আৰু সংলাপ ৰচয়িতা হিচাবে একাধিক সফল অসমীয়া বোলছবিৰ সৈতে জড়িত।

সম্পাদনা সম্পৰ্কীয় আন দুটি প্ৰবন্ধ—(১) যোৱা দশকৰ কেইখনমান কটনিয়ানৰ কথা (সোণালী জয়ন্তী সংখ্যা কটনিয়ান ১৯৭৪-৭৫) (২) সম্পাদনা: চথৰপৰা পেশালৈ (প্ৰাগজ্যোতি, ৰূপালীজয়ন্তী সংখ্যা ১৯৮১-৮২) ●

ড° দীনেশ চন্দ্ৰ গোস্বামী

বৰ্তমান যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰৰ সহকাৰী সঞ্চালক ডঃ দীনেশ চন্দ্ৰ গোস্বামীয়ে ১৯৬৭ চনত গুৱাহাটীৰ কটন কলেজৰপৰা বি. এছ. ছি (পদাৰ্থ বিজ্ঞানত অনাৰ্চ) আৰু ১৯৬৯ চনত এম. এছ. ছি. (পদাৰ্থ বিজ্ঞান) ডিগ্ৰী লাভ কৰে। তেওঁ ১৯৭০ চনত কলিকতাৰ সাহা ইনষ্টিটিউট অব নিউক্লিয়াৰ ফিজিক্সৰপৰা এছোছিয়েটশ্বিপ আৰু ১৯৭৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা মহাজাগতিক ৰশ্মিৰ গৱেষণাৰ বাবে পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। গুৱাহাটীৰ বি. বৰুৱা কলেজ (১৯৭০-৭২) আৰু কটন কলেজৰ (১৯৭২-৭৬) পদাৰ্থবিজ্ঞানৰ প্ৰবক্তা হিচাবে কাম কৰাৰ পাছত তেওঁ বৈজ্ঞানিক আৰু উদ্যোগিক গৱেষণা পৰিষদৰ (CSIR), প্ৰকাশন আৰু সূচনা নিৰ্দেশালয়ত সহকাৰী সম্পাদক (১৯৭৬-৭৯), আৰু পৰিষদৰ মূল কাৰ্য্যালয়ৰ

পৰিকল্পনা বিভাগৰ বিজ্ঞানী হিচাবে (১৯৭১-৮২) কাম কৰে। ইতিমধ্যে জনপ্ৰিয় বিজ্ঞানৰ বহুতো লেখা প্ৰকাশ কৰা ডঃ গোস্বামীয়ে দুখন জনপ্ৰিয় বিজ্ঞানৰ পুথি প্ৰকাশ কৰাৰ বাহিৰেও ৩০০তো অধিক বেডিঅ' লেখা প্ৰচাৰ কৰিছে। বিজ্ঞানৰ কথিকা, ৰূপক, আলোচনা আদিৰ বাহিৰেও বিজ্ঞানভিত্তিক গল্প আৰু অনাতাঁৰ নাটিকাৰে ভেৰুই জন-সাধাৰণৰ ওপৰত বিজ্ঞানৰ মানসিকতাৰ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। জনপ্ৰিয় বিজ্ঞানৰ পুথিৰ বাবে ডঃ গোস্বামীয়ে তিনিবাৰ অসম সাহিত্য সভাৰপৰা বঁটা পাইছে আৰু এবাৰ ৰাষ্ট্ৰীয় বঁটাও পাইছে। ডঃ গোস্বামীৰ কামৰ নতুন ক্ষেত্ৰ হ'ল বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ গৱেষণা আৰু উন্নয়নৰ পৰিকল্পনা।●

দীনেশ বৈশ্য:

প্ৰাণী বিজ্ঞানৰ এম এচ চি। বৰ্তমান গুৱাহাটীৰ বি বৰুৱা কলেজত অধ্যাপনা কৰে। অসমৰ সকলোবোৰ জনপ্ৰিয় আলোচনী, বাতৰি কাকতৰ নিয়মীয়া লিখক। জনপ্ৰিয় বিজ্ঞানৰ জনপ্ৰিয় লিখক হিচাবে প্ৰতিষ্ঠিত শ্ৰীবৈশ্য আকাশবাণীৰ বিজ্ঞান বিষয়ক নিয়মীয়া নিবন্ধকাৰ, আকাশবাণীৰ বিজ্ঞান আলোচনীৰ সাময়িক সম্পাদক। বিজ্ঞান বিষয়ক বহুতো অনাতাঁৰ আলেখ্য প্ৰচাৰ হৈছে। বিজ্ঞান জেউতিৰ নিয়মীয়া নিবন্ধকাৰ। বিজ্ঞান জেউতি আৰু কেইবাখনো অসমীয়া আলোচনীৰ সম্পাদনাৰ লগত জড়িত। অসমীয়া বিজ্ঞান সাহিত্যৰ আশাসূচীয়া কৰ্মী। অসমীয়া ভাষাত বিজ্ঞান ভিত্তিক গল্প লিখক সকলৰ ভিতৰত অন্যতম।

প্ৰকাশিত পুথি:

(১) অশ্ৰুলেখা (গীতি সাহিত্য)
(২) বিষণ্ণ প্ৰহৰ (কবিতা)
(৩) বায়ু আৰু পানী (সাধাৰণ বিজ্ঞানৰ ৰূপক সংকলন)

বিজ্ঞান আৰু সাহিত্য বিষয়ক কেইবাখনো পুথিৰ পাণ্ডুলিপি অৱস্থাত আছে, প্ৰকাশৰ বাট বিচাৰি।

পাণ্ডুলিপি অৱস্থাত থকা সাহিত্যৰ পুথি

(১) মাছৰ কথা (চেমনীয়াৰ বাবে)

(২) চিৰিয়াখানা (জীৱবিজ্ঞানৰ ৰূপক সংকলন)

(৩) নাম দিছিলো বিপুলৰ (বিজ্ঞান ভিত্তিক গল্প সংকলন) ●

● ● ●